GPH S3 02 (M)

নীতিশাস্ত্র

তৃতীয় ষাণ্মাসিক

দর্শন

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক(অবসাৰপ্রাপ্ত) শিৱনাথ শর্মা, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
শ্রীপ্রদীপ খাটনিয়াৰ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন কলেজ

সমন্বয়ৰক্ষীঃ ড° ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*প্রস্তুতি গোটৰ সদস্য*	*ভাষান্তৰকাৰী*
১	অধ্যাপিকা, অর্চনা বৰুৱা আই, আই, টি গুৱাহাটী	ড° দিপালী বেজবৰুৱা
২, ৩,৪	পাপৰী বৰুৱা	গিতাঞ্জলী মেধি
৫	ড° ৰিপা বৰুৱা	গিতাঞ্জলী মেধি
৬	ড° সুচৰীতা ডে	তনুজা কলিতা
৭	ড° প্রণতী দেবী	মাইনু দেবী বৰুৱা
৪	ড° তেজসা কলিতা	গিতাঞ্জলী মেধি

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° যুথিকা দাস, শ্রীমতী মিনাক্ষী শর্মা পাঠক
ভাষা সম্পাদনা ঃ ড° ৰেখাৰাণী দেৰী, গুৱাহাটী বিশ্ববিদ্যালয়
মাইনু দেৰী বৰুৱা
গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মে', ২০১৮

Copyright © Krishna Kanta Handiqui State Open University
This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়টিয়ে আমাক নীতিবিদ্যাৰ লগত পৰিচয় কৰি দিয়ে। ই বিজ্ঞান সন্মত পদ্ধতিৰে মানুহৰ ৰীতিনীতি আৰু অভাস সমূহ আলোচনা কৰে। নীতিবিজ্ঞানক শুদ্ধ আৰু ভুল নিৰূপনৰ বিজ্ঞান বুলিও কব পাৰি কাৰণৰ মানুহৰ শুদ্ধ অশুদ্ধ ব্যৱহাৰৰ জৰিয়তে, মানুহৰ এজনৰ ইচ্ছা প্রকাশিত হয়। সেয়েহে নীতিবিদ্যাক মানুহৰ সর্বোচ্চ শ্রেয়ৰ বিজ্ঞান বুলি কব পাৰি যিয়ে, সত্য, শ্রেয় আৰু সুন্দক সাঙুৰি লয়।

খণ্ড পৰিচয়

এই খণ্ডটিত আঠটা অধ্যায় আছে। **প্রথম অধ্যায়টো হ'ল** 'নীতিবিদ্যাৰ প্রকৃতি আৰু পৰিসৰ'। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি নীতিবিদ্যাৰ প্রকৃতি আৰু পৰিসৰৰ বিষয়ে জানিব পাৰিব।

দ্বিতীয় অধ্যায়টো হ'ল নৈতিকতাৰ ধাৰণা। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিব নীতিবিজ্ঞান দর্শনৰ এক বিভাগ। ই হৈছে নৈতিকতা, নৈতিক সমস্যা আৰু নৈতিক বিচাৰৰ বিষয়ে নৈতিক দর্শন নাইবা দার্শনিক চিন্তা।

তৃতীয় অধ্যায়টো হ'ল নৈতিক বিচাৰ বা অৱধাৰণৰ স্বৰূপ। এই অধ্যায়ত আলোচনা কৰা বিষয়সমূহ হ'ল- নৈতিক বিচাৰ বা অৱধাৰণৰ ধাৰণা নৈতিক বিচাৰৰ স্বৰূপ, নৈতিক বিচাৰ আৰু আন বিচাৰৰ মাজত পার্থক্য আৰু নৈতিক বিচাৰৰ কর্তা আৰু বিষয়

চতুর্থ **অধ্যায়**টো হ'ল **যথার্থতা আৰু মূল্যবোধ**।এই অধ্যায়টো অধ্যয়ন কৰি আপুনি যথার্থতা আৰু মূল্যবোধ কি সেয়া ব্যাখ্যা কৰিব পাৰিব, বিভিন্ন প্রকাৰৰ মূল্যবোধ আৰু মানৱ জীৱনত ইয়াৰ গুৰুত্বৰ ব্যাখ্যা কৰিব পাৰিব আৰু যথার্থতা আৰু মূল্যবোধৰ মাজৰ প্রভেদ বুজিব পাৰিব।

পঞ্চম অধ্যায়টো হ'ল নৈতিক ধাৰণাঃ শুভ, শুদ্ধ , কর্তব্য আৰু সদাচাৰ এই অধ্যায়টো অধ্যয়ন কৰি আপুনি নীতিশাস্ত্রৰ সংজ্ঞা দিব পাৰিব, নীতিশাস্ত্রৰ মৌলিক ধাৰণাবোৰ চিনাক্ত কৰিব পাৰিব আৰু শুভ, শুদ্ধ, কর্তব্য আৰু সদাচাৰৰ ধাৰণাকেইটা ব্যাখ্যা কৰিব পাৰিব।

ষষ্ঠ অধ্যায়টো হ'ল সুখবাদ। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সুখবাদৰ সংজ্ঞা দিব পাৰিব, সুখবাদী তত্ত্বসমূহৰ বিভিন্ন ভাগসমূহ আলোচনা কৰিব পাৰিব, মনস্তাত্ত্বিক সুখবাদৰ ব্যাখ্যা কৰিব পাৰিব, নৈতিক সুখবাদৰ আলোচনা কৰিব পাৰিব, বেঠামৰ (Bentham) স্থূল বা পৰিমাণবোধক উপযোগিতাবাদ বর্ণনা কৰিব পাৰিব, স্থূল উপযোগিতাবাদৰ ওপৰত বিচাৰমূলক মন্তব্য আগবঢ়াব পাৰিব।

সপ্তম অধ্যায়টো হ'ল উপযোগিতাবাদ ঃ বেন্থাম আৰু মিল। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি নৈতিকতাৰ এক স্বীকৃত মানৰূপে উপযোগিতাবাদৰ বিষয়ে আলোচনা কৰিব পাৰিব, জেৰেমী বেন্থামৰ উপযোগিতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব, মিলৰ উপযোগিতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব আৰু মিলৰ নৈতিক দর্শনৰ মূল কথাবোৰ বণনা কৰিব পাৰিব।

অষ্টম অধ্যায়টো হ'ল এৰিষ্টটলৰ আনন্দৰ ধাৰণা।এই অধ্যায়টি অধ্যয়ন কৰি আপুনি — এৰিষ্টটলৰ আনন্দৰ সংজ্ঞাটোৰ বিষয়ে জানিব পাৰিব,জীৱনৰ পৰম লক্ষ্যৰ বিষয়ে জানিব পাৰিব, স্বৈচ্ছিক আৰু অনৈচ্ছিক কার্যৰ মাজত থকা প্রভেদবোৰৰ বিষয়ে জানিব পাৰিব, আনন্দ আৰু ইচ্ছাৰ স্বাধীনতাৰ মাজত থকা সম্পর্ক বুজি পাব , এৰিষ্টটলৰ 'ইউডাইম'নিয়া'ৰ ধাৰণাটোৰ সংজ্ঞা আগেবঢ়াব পাৰিব।

এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্ৰগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্ৰগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কৈটিমান 'আৰ্হি প্ৰশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

স্নাতক কলা
নীতিশাস্ত্র
খণ্ড - ১
বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **নীতিবিদ্যাৰ প্ৰকৃতি আৰু পৰিসৰ** ৭-১৬

নীতিবিদ্যাৰ সংজ্ঞা, নীতিবিদ্যাৰ প্ৰকৃতি বা স্বৰূপ, নীতিবিদ্যাৰ পৰিসৰ

অধ্যায় ২ ঃ **নৈতিকতাৰ ধাৰণা** ১৭-৩০

নৈতিকতাৰ সংজ্ঞা, নৈতিকতাৰ স্বৰূপ বা প্ৰকৃতি, বিভিন্ন নৈতিক ধাৰণা, নৈতিক মতবাদ

অধ্যায় ৩ ঃ **নৈতিক বিচাৰ বা অৱধাৰণৰ স্বৰূপ** ৩১-৩৮

নৈতিক বিচাৰৰ ধাৰণা আৰু স্বৰূপ, নৈতিক বিচাৰৰ কৰ্তা, নৈতিক বিচাৰৰ বিষয়, নৈতিক বিচাৰ আৰু অন্যান্য বিচাৰৰ মাজত প্ৰভেদ

অধ্যায় ৪ ঃ **যথার্থতা আৰু মূল্যবোধ** ৩৯-৪৮

যথার্থতাৰ অর্থ, মূল্যবোধৰ অর্থ, মূল্যবোধৰ শ্ৰেণীবিভাজন, যথার্থতা আৰু মূল্যবোধৰ মাজৰ পার্থক্য

অধ্যায় ৫ ঃ **নৈতিক ধাৰণাঃ শুভ, শুদ্ধ, কর্তব্য আৰু সদাচাৰ** ৪৯-৫৮

শুভ, শুদ্ধ, কর্তব্য. সদাচাৰ

অধ্যায় ৬ ঃ **সুখবাদ** ৫৯-৭৪

নৈতিক দর্শনত সুখবাদ, সুখবাদী তত্ত্বৰ শ্ৰেণীবিভাগ, মনস্তাত্ত্বিক সুখবাদ, নৈতিক সুখবাদ, পৰসুখবাদ বা স্থূল বা অমার্জিত পৰসুখবাদ —বেঠাম, পৰসুখবাদ বা মার্জিত সুখবাদ — জে. এছ. মিল

অধ্যায় ৭ ঃ **বেন্থাম আৰু মিল** ৭৫-৯৬

উপযোগিতাবাদ, উপযোগিতাবাদৰ ঐতিহাসিক পটভূমি, বেন্থাম আৰু তেওঁৰ দর্শন, সর্বহিতবাদী সুখবাদ , বেন্থামৰ উপযোগিতাবাদ সম্পর্কীয় দৃষ্টিভংগী, ন্যায়িক আৰু সামাজিক সংস্কাৰৰ আধাৰত উপযোগিতাৰ নীতি, মিলৰ জীৱন আৰু কর্মৰাজি, মিল আৰু সুখবাদ, মিলৰ উপযোগিতাবাদ

অধ্যায় ৮ ঃ **এৰিষ্টটলৰ আনন্দৰ ধাৰণা** ৯৭-১০৫

এৰিষ্টটলৰ আনন্দৰ ধাৰণা, আনন্দ জীৱনৰ পৰম লক্ষ্য, আনন্দ আৰু ইচ্ছাৰ স্বাধীনতা, এৰিষ্টটলৰ 'ইউডাইম'নিয়া'ৰ ধাৰণা

অধ্যায় ১ ঃ নীতিবিদ্যাৰ প্ৰকৃতি আৰু পৰিসৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ নীতিবিদ্যাৰ সংজ্ঞা

১.৪ নীতিবিদ্যাৰ প্ৰকৃতি

১.৫ নীতিবিদ্যাৰ পৰিসৰ

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নীতিবিদ্যাৰ সংজ্ঞা আগবঢ়াব পাৰিব,
- নীতিবিদ্যাৰ স্বৰূপ বা প্ৰকৃতিৰ ব্যাখ্যা কৰিব পাৰিব,
- নীতিবিদ্যাৰ পৰিসৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- প্ৰায়োগিক নীতিবিদ্যাৰ পৰা শুদ্ধ নীতিবিদ্যাৰ পাৰ্থক্য দেখুৱাব পাৰিব আৰু সংজ্ঞা আগবঢ়াব পাৰিব।

১.২ পৰিচয়

সাধাৰণতে দেখা যায় যে আমাৰ নৈতিকতা অৰ্থাৎ অভ্যাসজনিত ৰীতি-নীতি বা আচৰণ কেনে হ'ব লাগে, এই মৌলিক প্ৰশ্নৰ উত্তৰেই নীতিবিদ্যাত দিয়া হয়। এনে ধৰণৰ আন কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্নও আছে, যেনে— কিয় নীতিপৰায়ণ হ'ব লাগে? এখন আদৰ্শহীন জগতত আমি কেনেকৈ নীতিপৰায়ণ হ'ব পাৰো? আমি স্বভাৱগতভাৱে নৈতিকনে? নৈতিক বিচাৰ শুদ্ধনে? বিশেষতঃ এখন অনৈতিক জগতত অৰ্থাৎ যেতিয়া আমাৰ জীৱনত বহুতো সমস্যাই দেখা দিয়ে, তেতিয়া আমি এনে ধৰণৰ প্ৰশ্নসমূহৰ সন্মুখীন হওঁ, কিয়নো, এই প্ৰশ্নবোৰ আমাৰ দৈনন্দিন জীৱনৰ লগত সম্বন্ধিত। এই অধ্যায়ত নীতিশাস্ত্ৰৰ সংজ্ঞা, প্ৰকৃতি আৰু পৰিসৰৰ এক বিশ্লেষণ আগবঢ়াবলৈ প্ৰচেষ্টা চলোৱা হৈছে।

১.৩ নীতিবিদ্যাৰ সংজ্ঞা

নীতিবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ Ethics শব্দটো গ্ৰীক শব্দ Ethosৰ (আচৰণ) পৰা আৰু লেটিন শব্দ mores (ৰীতি-নীতি, অভ্যাস)ৰ পৰা আহিছে। গ্ৰীক শব্দৰ পৰা উদ্ধৃত Ethosৰ অৰ্থ "জীয়াই থকাৰ নিয়ম।" নীতিবিদ্যা দৰ্শনৰ এটা শাখা হিচাপে মানৱ চৰিত্ৰৰ লগত জড়িত। সমাজত বসবাস কৰা মানুহৰ চৰিত্ৰ, ৰীতি-নীতিৰ লগত ই সম্বন্ধিত। নীতিবিদ্যাই আমাৰ নৈতিক, বৌদ্ধিক বিচাৰসমূহ পৰীক্ষা কৰে। নৈতিকভাৱে কোনবোৰ শুদ্ধ-অশুদ্ধ, ন্যায়-অন্যায়জনিত তাৰ অধ্যয়ন কৰে। কেনেকৈ ব্যক্তিসকলে এজনে আন জনৰ লগত পাৰস্পৰিক আচাৰ ব্যৱহাৰ কৰে তাৰো সংজ্ঞা ইয়াত পোৱা যায়। মুঠতে নীতিবিদ্যাই মানুহ আৰু সমাজৰ বাবে কি ভাল তাৰ সংজ্ঞা দিয়ে আৰু নিজৰ বাবে আৰু আনৰ বাবেও কৰা কৰ্তব্য কেনে হ'ব লাগে তাৰ স্বৰূপ নিৰ্ণয় কৰে। ইয়াৰ লক্ষ্যই হৈছে ব্যক্তিৰ মংগল আৰু লগে লগে সমাজৰ মংগল আৰু সমগ্ৰ মানৱ জাতিৰ মংগল।

নীতিবিদ্যা মানৱ আচৰণৰ পথ প্ৰদৰ্শনৰ প্ৰয়াস আৰু নৈতিক নীতি-নিয়মসমূহ প্ৰয়োগ কৰি এটা সুন্দৰ জীৱন আগবঢ়াই নিয়াত মানুহক ই সহায় কৰাৰো প্ৰচেষ্টা চলায়। শুদ্ধ আৰু অশুদ্ধৰ প্ৰকৃত মান নিৰ্ণয়ৰ উল্লেখ নীতিবিদ্যাত কৰা হয়। সাধাৰণতেই শুদ্ধ, বাধ্যবাধকতা, সমাজৰ উপকাৰ, ভাল বা বিশেষ গুণৰ আধাৰত মানুহে কি কৰা উচিত তাৰ নিৰ্দেশ ইয়াত দিয়া থাকে। নীতিবিদ্যা যথাৰ্থতা,শুদ্ধতা আৰু অশুদ্ধতাৰ বিচাৰৰ লগত সম্বন্ধিত, যিটো শুদ্ধ সেইটো নৈতিক আৰু যিটো অশুদ্ধ সেইটো অনৈতিক। ভাল আৰু ন্যায় শব্দবোৰো শুদ্ধ আৰু নৈতিকতাৰ স্থানত ব্যৱহৃত হয়। যদি এইবোৰ নৈতিক, তেন্তে এইবোৰ শুদ্ধ, উপযুক্ত, ভাল আৰু নিৰ্ভুল। নীতিবিদ্যা প্ৰায়োগিক বা ব্যৱহাৰিক বিষয়ৰ সৈতে জড়িত। ই কৰ্ম এটা ভাল আৰু শুদ্ধভাৱে নিৰ্ধাৰণ কৰিবলৈ প্ৰচেষ্টা চলায়। শুদ্ধ, অশুদ্ধ, ভাল, বেয়া, বাধ্যবাধকতা আৰু মূল্য নিৰ্ণয় কৰা প্ৰশ্নৰ লগত ই জড়িত। নীতিবিদ্যাই শুদ্ধভাৱে কাৰ্য কৰা অভ্যাসক অনুমোদন জনায় আৰু সেয়ে ইয়াক আমি ভাল জীৱন অতিবাহিত কৰাৰ 'কলা' বা 'বিদ্যা' বুলি ক'ব পাৰো।

ইয়াক পৰম শ্ৰেয়ৰ বিজ্ঞান বুলিও সংজ্ঞা দিয়া হয়। মেকেঞ্জিয়ে (Mackenzie) নীতিবিদ্যাৰ সংজ্ঞা দি কৈছে যে— ইয়াত মানৱ আচৰণৰ শুদ্ধ বা ভাল কি তাৰ অধ্যয়ন কৰা হয়। ই মানৱ জীৱনত জড়িত থকা আদৰ্শৰ বিজ্ঞান। সেয়ে এইটো স্পষ্ট যে নীতিবিদ্যাই আমাৰ কাৰ্যাৱলীৰ শুদ্ধতা-অশুদ্ধতা নিৰ্ণয় কৰা বিষয়সমূহৰ অধ্যয়ন কৰে।

প্ৰায়োগিক নীতিবিদ্যা হ'ল নৈতিকতাৰ ব্যৱহাৰ। ইয়াত নৈতিক বিচাৰসমূহক পথ প্ৰদৰ্শক হিচাপে লৈ জীৱনৰ সিদ্ধান্ত সমূহ মানি লোৱা হয়।

১.৪ নীতিবিদ্যাৰ প্ৰকৃতি বা স্বৰূপ

মানৱ আচৰণৰ বিচাৰ কৰা এক প্ৰণালীবদ্ধ বা সুব্যৱস্থিত জ্ঞান অৰ্জনেই হ'ল নীতিবিদ্যাৰ উদ্দেশ্য। সেয়ে নীতিবিদ্যা এক প্ৰকাৰৰ বিজ্ঞান। প্ৰত্যেক বিজ্ঞানেই প্ৰকৃতি জগতৰ এক বিশেষ ক্ষেত্ৰৰ লগত জড়িত। বিজ্ঞান হিচাপে নীতিবিদ্যাৰো এক বিশেষ ক্ষেত্ৰ আছে। ইয়াৰ সম্পৰ্ক

আমাৰ মানৰ আচৰণ তৈয়াৰ কৰা কিছুমান বিচাৰৰ সৈতে জড়িত। ইয়াত, পৰম মংগলৰ আদৰ্শৰ ভিত্তিত, মানুহৰ আচৰণৰ শুদ্ধতা আৰু অশুদ্ধতাৰ এক শৃঙ্খলিত ব্যাখ্যা দিয়া হয়।

নীতিবিদ্যা এক আদৰ্শনিষ্ঠ বিজ্ঞান। কৰ্মটো কেনে বুলি কোৱাতকৈ, "কেনে হোৱা উচিত"ক লৈহে ইয়াৰ সম্পৰ্ক। বিষয়নিষ্ঠ বা বস্তুনিষ্ঠ বিজ্ঞানৰ পৰা ই পৃথক। এটা বস্তুনিষ্ঠ বিজ্ঞান বা প্ৰাকৃতিক বিজ্ঞান আৰু বৰ্ণনামূলক বিজ্ঞানৰ সম্পৰ্ক "বস্তুটো কি?"ৰ সৈতে সম্পৰ্কিত। এইসমূহৰ তথ্যৰ লগত সম্বন্ধ আৰু তথ্যৰ কাৰণ উলিয়াই সিহঁতৰ ব্যাখ্যা ইয়াত দিয়া হয়। বস্তুনিষ্ঠ বিজ্ঞানত কোনো প্ৰকাৰে বস্তুক বিচাৰ কৰাৰ প্ৰশ্ন নুঠে, কিন্তু নীতিবিদ্যাৰ বস্তুৰ লগত সম্বন্ধ নাই, বৰঞ্চ ইয়াৰ মূল্যায়নৰ লগতহে সম্বন্ধ। গতিকে এইটো পৰিস্কাৰ যে— নীতিবিদ্যা মূল্য নিৰ্ণায়ক অবধাৰণ বা বচনৰ লগত জড়িত আৰু বস্তুনিষ্ঠ বিজ্ঞান তথ্যমূলক অৱধাৰণৰ লগত সম্বন্ধিত। সেয়ে নীতিবিদ্যা বস্তুনিষ্ঠ বিজ্ঞান নহয়, কিন্তু আদৰ্শনিষ্ঠ বিজ্ঞান। আদৰ্শনিষ্ঠ নীতিবিদ্যাৰ সম্পৰ্ক আদৰ্শ বা মানদণ্ডৰ লগত, যাৰ দ্বাৰা আমি মানুহৰ কাৰ্যবোৰ শুদ্ধনে অশুদ্ধ বিচাৰ কৰিব পাৰো। এইদৰে চাবলৈ গ'লে তৰ্কবিজ্ঞান, সৌন্দৰ্য বিজ্ঞানো আদৰ্শনিষ্ঠ বিজ্ঞান। কাৰণ তৰ্কবিজ্ঞান আৰু সৌন্দৰ্য বিজ্ঞানৰ সম্পৰ্ক সত্য আৰু সুন্দৰৰ লগতহে। সেয়ে সত্য, সুন্দৰ আৰু মূল্য এই তিনিটাই যথাক্ৰমে তৰ্কবিজ্ঞান, সৌন্দৰ্য বিজ্ঞান আৰু নীতি বিজ্ঞানৰ আদৰ্শ।

নীতিবিদ্যা এক ব্যৱহাৰিক বিজ্ঞান নহয়। ব্যৱহাৰিক বিজ্ঞান কিছুমান 'উপায়'ৰ লগত সম্বন্ধিত যাৰ সহায়ত কোনো উদ্দেশ্যত উপনীত হ'ব পৰা যায়। ই আমাক কেনেকৈ কৰিব লাগে, তাক জানিবলৈ শিকায়। উদাহৰণ স্বৰূপে ক'ব পাৰি, চিকিৎসা বিদ্যা এক ব্যৱহাৰিক বিজ্ঞান। ই ব্যাধি আৰু বেমাৰৰ কাৰণসমূহ দূৰ কৰা 'উপায়'ৰ লগত জড়িত। কিন্তু নীতিবিদ্যা, শুদ্ধ বা সত্যতাৰ নৈতিক আদৰ্শত উপনীত হ'বৰ বাবে কি উপায় অৱলম্বন কৰিব লাগে, সেই বিষয়ৰ লগত জড়িত নহয়। ই আমাক কেনেকৈ এটা নৈতিক জীৱন যাপন কৰিব লাগে তাক নিশিকায়। সেয়ে নীতিবিদ্যাক ব্যৱহাৰিক বিজ্ঞান বুলি ক'ব নোৱাৰি।

নীতিবিদ্যা কলা নহয়। কাৰণ নীতিবিদ্যাই কেৱল 'ভাল' বা 'শুদ্ধটো' বিচাৰ কৰি লোৱাত সহায় কৰে। সেয়ে ই মানৱ জীৱনৰ পৰম উদ্দেশ্যত উপনীত হোৱাৰ পথ প্ৰদৰ্শক বুলি ক'ব পাৰি। অৰ্থাৎ মানৱ জীৱনত পৰম মংগলক উপলব্ধি কৰাত ই সহায় কৰে। গতিকে নীতিবিদ্যা ব্যৱহাৰিক বিজ্ঞানৰ নিচিনা উদ্দেশ্যত উপনীত হোৱাৰ 'উপায়' নহয়, আৰু উদ্দেশ্যত উপনীত হোৱাৰ "শিক্ষা" দিয়া এক কলাও নহয়। অৰ্থাৎ নীতিবিদ্যা ব্যৱহাৰিক বিজ্ঞানো নহয়, কলাও নহয়। আকৌ, ইয়াত এক প্ৰশ্ন আহে, ই আচৰণৰ "কলা" নেকি? এইটোও শুদ্ধ উত্তৰ নহয়। কাৰণ "কলা" কোনো এটা বস্তু বিচক্ষণতাৰে উৎপন্ন কৰাৰ লগত জড়িত। কিন্তু নৈতিকতা অভিপ্ৰায়, সংকল্প, উদ্দেশ্য আৰু পছন্দৰ সৈতেহে সম্বন্ধিত। ইয়াত 'ভাল'ৰ ওপৰত ভিত্তি কৰি, শুদ্ধতা বা অশুদ্ধতা নিৰ্ণয় কৰা হয়। গতিকে নৈতিকতা 'ভাল' বা 'শ্ৰেয়'ৰ লগত জড়িত আৰু ইয়াত এক নিজস্ব উদ্দেশ্য নিহিত হৈ থাকে।

নৈতিক বিদ্যাই আদৰ্শক এক নিয়ামক নীতি হিচাপে লৈ কাৰ্যৰ ধাৰা আৰু ভাৱসমূহ নিয়ন্ত্ৰণ কৰাৰ নিৰ্দেশ দিয়ে। নীতিবিদ্যা মান নিৰ্ণায়ক বিজ্ঞান, কাৰণ ই আচৰণ বা চৰিত্ৰসমূহ

আৱিস্কাৰ কৰি কাৰ্যবোৰ কেনে হোৱা উচিত তাৰ বিধান দিয়ে। ই নৈতিক দৃশ্যাৱলীসমূহ প্ৰত্যক্ষ কৰে, শ্ৰেণীভুক্ত কৰে আৰু নৈতিক আদৰ্শৰ দ্বাৰা ব্যাখ্যা কৰে। ই নৈতিক অৱধাৰণ বা বচনসমূহক, তৰ্কীয় অৱধাৰণ বা বচন আৰু সৌন্দৰ্য বিজ্ঞানৰ অৱধাৰণ বা বচনৰ পৰা পৃথক কৰে আৰু ইহঁতক এটা পদ্ধতিলৈ নমাই নিয়ে। সেয়ে আমি নীতিবিদ্যাৰ স্বৰূপক বৈজ্ঞানিক বুলি ব্যাখ্যা কৰিব পাৰো। দেখা যায়, দৰ্শনক জ্ঞানৰ অনুসন্ধানকাৰী বুলি ল'লে, সকলো বিজ্ঞানেই এক দাৰ্শনিক অন্বেষণলৈ গতি কৰে। এইফালৰ পৰা নীতিবিদ্যাও দৰ্শনৰ এটা শাখা।

বিজ্ঞান, দৰ্শন, বৰ্ণনাত্মক বিজ্ঞান আৰু আদৰ্শনিষ্ঠ বিজ্ঞান, নীতিবিদ্যা আৰু দৰ্শনৰ মাজত নিৰ্দিষ্ট কোনো ভেদ ৰখা নাই। বৰ্ণনাতকৈ অৱশ্যে আদৰ্শ উত্তম। যেতিয়া দৰ্শন খুব বেছি বিজ্ঞানজনিত হৈ পৰে আৰু বিজ্ঞান বেছি দাৰ্শনিক হৈ পৰে, তেতিয়া বিজ্ঞান আৰু দৰ্শনৰ মাজৰ পাৰ্থক্য আৰু নীতিবিদ্যাৰ নিচিনা প্ৰমূল্যবিদ্যা আৰু সাধাৰণ দৰ্শনৰ মাজৰ পাৰ্থক্য পৰিমাণজনিত ভাবেহে দেখুৱাব পাৰি। এই ধৰণে নীতিবিদ্যা বিজ্ঞান আৰু দৰ্শন দুয়োটাই। ই বৰ্ণনামূলক আৰু আদৰ্শনিষ্ঠ বিজ্ঞান উভয়ে আৰু ইয়াক শুদ্ধ আৰু ব্যৱহাৰিক অৰ্থাৎ শুদ্ধ নীতিবিদ্যা আৰু অধিনীতিবিদ্যা বুলিও ক'ব পাৰি। যিহেতুকে ই ব্যৱহাৰিক আচৰণৰ পথ প্ৰদৰ্শনৰ নিৰ্ণায়ক অৰ্থাৎ নৈতিকভাৱে কেনেদৰে কাৰ্য কৰিব লাগে তাৰ অৰ্থ নিৰ্ণয় কৰে, সেয়ে ই 'কলা'। নীতিবিদ্যাই পৰম মূল্য 'শ্ৰেয়' বা 'ভাল'ৰ স্বৰূপ নিৰ্ণয় কৰে। কিন্তু আন আদৰ্শনিষ্ঠ বিজ্ঞান, যেনে— সৌন্দৰ্য বিজ্ঞান আৰু তৰ্কবিজ্ঞানে কেৱল ইহঁতৰ আদৰ্শ, সৌন্দৰ্য আৰু সত্যৰ অন্বেষণত থাকে।



জানি থোৱা ভাল

- আদৰ্শনিষ্ঠ বিজ্ঞান মূল্যৰ অৱধাৰণ বা বচনৰ লগত জড়িত আৰু বস্তুনিষ্ঠ বিজ্ঞান তথ্যৰ অৱধাৰণৰ লগত জড়িত।
- আদৰ্শনিষ্ঠ বিজ্ঞান "কি কৰা উচিত" তাৰ লগত সম্বন্ধিত আৰু বস্তুনিষ্ঠ বিজ্ঞান "বস্তুটো কি" তাৰ লগত সম্বন্ধিত।
- নীতিবিদ্যা আদৰ্শনিষ্ঠ বিজ্ঞান। ই বিশেষতঃ মানৱ আচৰণৰ ক্ষেত্ৰত ভাল কি, শুদ্ধ কি এই বিষয় লৈ ব্যস্ত।
- নীতিবিদ্যাই পৰম মূল্যায়নৰ ওপৰত ভিত্তি কৰি মানৱ আচৰণৰ শুদ্ধতা আৰু অশুদ্ধতাসমূহ অধ্যয়ন কৰে।

নীতিবিদ্যাৰ স্বৰূপত অধি-নৈতিকতাৰ আলোচনাও জড়িত হৈ আছে। নীতিবিদ্যা আৰু নৈতিকতাৰ মাজত নিৰ্দিষ্ট কোনো ভেদ নাই। কিন্তু "কৰা উচিত" আৰু "কৰা অনুচিত"ৰ নিৰ্ণায়ক হিচাপে কোনো নিয়ম প্ৰতিষ্ঠা নকৰাটো নৈতিক হ'ব নোৱাৰে। দৰ্শনৰ শাখা হিচাপে নীতিবিদ্যাই নৈতিকতাৰ বিষয়ে আলোচনা কৰে আৰু নৈতিকতাৰ দাৰ্শনিক সমালোচক। কিন্তু আচৰণ বা চৰিত্ৰৰ পথ প্ৰদৰ্শকৰ পৰা ই বিৰত থাকে।

নীতিবিদ্যা আৰু নৈতিকতা বা ৰীতি নীতিৰ অভ্যাসৰ মাজত পাৰ্থক্য থাকিবই লাগিব, কাৰণ নীতিবিদ্যা দৰ্শনৰ এটা ভাগ হিচাপে নৈতিক মূল্যৰ সৈতেহে সম্বন্ধিত। এটা জাতি বা শ্ৰেণীৰ

ভিতৰুৱা এজন ব্যক্তিৰ ৰীতি নীতি, অভ্যাস বা নৈতিকতাসমূহৰ মানদণ্ড, তেওঁলোকে কৰা কৰ্মসমূহেই। প্ৰত্যেক ব্যক্তিৰে, আনকি খুব সভ্যতাহীন আৰু অসাংস্কৃতিকসকলৰো নৈতিক আচৰণ পৰিচালিত কৰা কিছুমান নীতি-নিয়ম বা নিজস্ব ৰীতি-নীতি আছে। সেয়ে প্ৰকৃতিৰ নিয়মত, প্ৰত্যেক মানুহে তেওঁৰ নিজৰ বাবে কিছুমান ৰীতি-নীতি অভ্যাস কৰিব লাগে, যিবিলাক তেওঁলোকে দৈনন্দিন জীৱনত প্ৰয়োগ কৰে। ইয়াত বৈজ্ঞানিক মতামতৰ আৱশ্যক নাই। সঠিকভাৱে ক'বলৈ গ'লে নীতিবিদ্যাৰ বিষয়বস্তু হৈছে মানুহৰ স্বাধীন কাৰ্যৰ বিচাৰ কৰা, কাৰণ সেইটোহে কেৱল আমাৰ ক্ষমতাৰ ভিতৰত আৰু ইয়াৰ কাৰণে কিছুমান নিয়ম-নীতিৰ নিৰ্দেশ দিয়া হয়। যিবিলাক কাৰ্য বিবেচনা নকৰাকৈ কৰা হয় বা অজ্ঞতাবশতঃ বা বল প্ৰয়োগ কৰি কৰা হয়, সেইবোৰক ইয়াত বিচাৰ কৰা নহয়।



প্ৰশ্ন নং ১ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

ক) নীতিবিদ্যা মূল্যৰ বিজ্ঞান। (শুদ্ধ/অশুদ্ধ)

খ) নীতিবিদ্যা বস্তুনিষ্ঠ বিজ্ঞান। (শুদ্ধ/অশুদ্ধ)

গ) সৌন্দৰ্য বিজ্ঞান মানৱ জীৱনৰ পৰম মংগলৰ লগত জড়িত। (শুদ্ধ/অশুদ্ধ)

ঘ) নীতিবিদ্যা দৰ্শনৰ শাখা। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ নীতিবিদ্যা কাক বোলে? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ বিজ্ঞান কাক বোলে? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্ৰশ্ন নং ৪ ঃ নীতিবিদ্যা বিজ্ঞান নে? (৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ আদৰ্শনিষ্ঠ বিজ্ঞান আৰু বিষয়নিষ্ঠ বিজ্ঞানৰ মাজৰ পাৰ্থক্য কি? (৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১.১

ক) মানুহ কেৱল বুদ্ধিবৃত্তিসম্পন্ন প্ৰাণী নহয়, কিন্তু নীতিবানো। এই দৃষ্টিভংগী মানি ল'ব পাৰিনে? বৰ্ণনা কৰক।

.....

.....

.....

খ) দৰ্শন আৰু বিজ্ঞানৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিনে? বৰ্ণনা কৰক।

.....

.....

.....

১.৫ নীতিবিদ্যাৰ পৰিসৰ

নীতিবিদ্যাৰ পৰিসৰে ইয়াৰ অন্তৰ্ভুক্ত বিষয়বস্তু সমূহক বুজায়। আদৰ্শনিষ্ঠ বিজ্ঞান হিচাপে নীতিবিদ্যা আমাৰ আচৰণৰ প্ৰকৃত স্বৰূপৰ বিচাৰ কৰিবলৈ নৈতিক আদৰ্শ বা শ্ৰেয়ৰ লগত সম্বন্ধিত। ইয়াত কাৰ্যসমূহৰ উৎস, অভিপ্ৰায়, উদ্দেশ্য, ঐচ্ছিক ক্ৰিয়া আদিসমূহৰ বিচাৰ কৰা হয়। নীতিবিদ্যাই মানুহৰ কাৰ্যৰ শুদ্ধতা, অশুদ্ধতা নিৰ্ধাৰণ কৰে। মানৱ চৰিত্ৰৰ উৎস ক'ত, বিকাশ ক'ত এইবোৰৰ উল্লেখ ইয়াত কৰা নহয়। নৈতিকতাৰ বিজ্ঞান হিচাপে নীতিবিজ্ঞানে নৈতিক চেতনাৰ পৰিমাণ আৰু নৈতিক চেতনাৰ বহুতো সমস্যাৰ আলোচনা কৰে।

নীতিবিদ্যা পৰম শ্ৰেয় বা পৰমাৰ্থৰ লগত জড়িত। ই শুদ্ধ, কৰ্তব্য আৰু ভাল আদি মৌলিক মতবোৰৰ স্বৰূপৰ অনুসন্ধান কৰে। আমাৰ ঐচ্ছিক ক্ৰিয়াৰ ওপৰত দিয়া নৈতিক অৱধাৰণসমূহো নীতিবিদ্যাৰ পৰিসৰৰ অন্তৰ্ভুক্ত। নৈতিক অৱধাৰণসমূহ আলোচনা কৰিবলৈ যাওঁতে, ই নৈতিক অৱধাৰণৰ প্ৰকৃতি, উদ্দেশ্য, কাৰ্যক্ষমতা আৰু মানদণ্ডৰ লগতো জড়িত হৈ পৰে। যেতিয়া আমি নৈতিক অৱধাৰণৰ বিষয়ে চিন্তা কৰো, তেতিয়া আমাৰ মনত নৈতিক আৱেগপূৰ্ণ ভাব আৰু অনুভূতিবোৰো গঢ় লৈ উঠে আৰু সেয়ে নীতিবিদ্যাই নৈতিক অৱধাৰণৰ লগতে নৈতিক আবেগ অনুভূতিসমূহৰ স্বৰূপবো আলোচনা কৰে।

মানুহৰ ঐচ্ছিক ক্ৰিয়াৰ লগত সম্পৰ্কিত সকলোবোৰেই নীতিবিদ্যাৰ পৰিসৰৰ অন্তৰ্ভুক্ত। কাৰ্যৰ কাৰণ বা মত হিচাপেই হওক (আইন, বিবেক, গুণ) বা কাৰ্যৰ পৰিস্থিতি বা ফল হিচাপেই হওক (যোগ্যতা, শাস্তি ইত্যাদি) সকলোবোৰ নীতিবিদ্যাত আলোচনা কৰা হয়। ভাল বা বেয়া, ন্যায় বা অন্যায় কেনেকৈ গঠিত হয়, তাৰ অনুসন্ধান নীতিবিদ্যাই কৰে। ইয়াত গুণ, আইন, বিবেক, কৰ্তব্য কি, তাৰো অনুসন্ধান কৰা হয়। বাধ্যবাধকতা সকলোৰে বাবে একে নেকি? সকলো 'ভাল' কাৰ্য্যৰ 'ভাল' কি? এই প্ৰশ্নবোৰ নীতিবিদ্যাৰ পৰিসৰৰ অন্তৰ্ভুক্ত। কৰ্তব্য জ্ঞান, উচিত বা নৈতিক বাধ্যবাধকতা আৰু কৰ্মৰ দায়িত্ব এই সকলোবোৰ নীতিবিদ্যাৰ পৰিসৰৰ মাজত সোমাই পৰে।

নীতিবিদ্যাত যিটোক স্বাধীন কৰ্ম বুলি কোৱা হৈছে, তাত নৈতিক ভাৱে ভাল বা ন্যায়পৰায়ণতা বা সাধুতা জড়িত হৈ থাকিব লাগে। কাৰণ দেখা যায় এজন মানুহ ভাল কলাবিদ বা ভাল বক্তা হ'ব পাৰে আৰু একে সময়তে তেওঁ নৈতিকভাৱে বেয়া হ'ব পাৰে বা অন্য ধৰণে এজন নৈতিক ভাৱে ভাল মানুহ এজন দুখীয়া কলাকাৰ বা কাৰিকৰ হ'ব পাৰে। নীতিবিদ্যাৰ কাম কেৱল এজন মানুহে আন এজনৰ লগত কেনে ভাৱে আচৰণ কৰিলে, কিহে তেওঁক ভাল বা বেয়া মানুহ কৰিলে তাক বিচাৰ কৰা। মুঠতে আমি জানিব পাৰো যে, যদিও নীতিবিদ্যা দৰ্শনৰ শাখা হিচাপে নৈতিক নিয়মৰ পথ প্ৰদৰ্শক নহয়, নীতিবিদ্যাই নৈতিক ভাষাত ব্যৱহৃত শব্দবোৰৰ শোধন বিচাৰে। অধিনৈতিক সমস্যাবোৰো নীতিবিদ্যাৰ দাৰ্শনিক দিশৰ পৰিসৰৰ অন্তৰ্ভুক্ত। আন কিছুমান অধিনৈতিক আলোচনা আছে, যিসমূহ নৈতিক অৱধাৰণৰ স্বৰূপৰ লগত, নৈতিক মানদণ্ডৰ লগত আৰু তৰ্কীয় ভিত্তিৰ লগত জড়িত, সেই সকলোবোৰেই নীতিবিদ্যাত আলোচনা কৰা হয়।

নীতিবিদ্যাৰ ব্যৱহাৰিক দিশটোক "ব্যৱহাৰিক নীতিবিজ্ঞান" বুলি জনা যায়, যিটো নীতিবিদ্যাৰ বহল পৰিসৰৰ ভিতৰত পৰে। এইবোৰ অৱশ্যে অৱস্থাজনিতভাৱে নীতিবিদ্যাৰ ভিতৰুৱা। আনহাতে অধি-নীতিবিজ্ঞানে তৰ্কীয় আৰু অৰ্থযুক্ত প্ৰশ্নৰ অৱতাৰণা কৰে যেনে "স্বাধীনতা আৰু নিৰ্ণয়তা" ইত্যাদিবোৰ কি? এইদৰে নীতিবিদ্যা আন বহুতো বিজ্ঞানৰ শাখাৰ লগত সম্বন্ধিত। যেনে— সমাজ বিজ্ঞান, ৰাজনীতি বিজ্ঞান, আইন অধ্যয়ন, মনোবিজ্ঞান, প্ৰাণীবিজ্ঞান, সাংস্কৃতিক অধ্যয়ন আৰু পাৰিপাৰ্শ্বিকতাৰ অধ্যয়ন, অৰ্থনীতি, ধৰ্ম, সৌন্দৰ্য বিজ্ঞান আদিবোৰ। পৰম শ্ৰেয় বা পৰম মংগলক বিচাৰি নীতিবিদ্যাই ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, মনোবৈজ্ঞানিক, অৰ্থনৈতিক, পাৰিপাৰ্শ্বিক, ধৰ্ম্মীয় সমস্যাসমূহৰ লগতো জড়িত হৈ পৰে। সেয়ে এই সমস্যাসমূহ নীতিবিদ্যাৰ পৰিসৰত যোগ হয়। নতুন শিল্পকলাৰ আবিৰ্ভাৱে, নীতিবিদ্যাৰ পৰিসৰত নতুনত্ব অন্তৰ্ভুক্ত কৰি, ইয়াক আৰু বহল কৰাৰ স্থল আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ নীতিবিদ্যাই মানুহৰ আচৰণৰ উৎস আৰু বিকাশৰ বিচাৰ কৰেনে?

.....

প্ৰশ্ন নং ৭ ঃ নীতিবিদ্যা আৱেগ, অনুভূতিৰ লগত জড়িতনে?

.....

.....

প্ৰশ্ন নং ৮ ঃ নীতিবিদ্যাই আমাক কি শিকায়?

.....

.....



চিন্তা-চৰ্চা কৰক ১.২

ক) মানুহৰ জীৱন সুন্দৰভাবে চলাই নিয়াৰ ক্ষেত্ৰত নীতিশাস্ত্ৰ গুৰুত্বপূৰ্ণ বিষয় বুলি গ্ৰহন কৰেনে? আপোনাৰ মতৰ লগত বিষয়টো আলোচনা কৰক।

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নীতিবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ Ethics শব্দটো গ্ৰীক শব্দ Ethosৰ (আচৰণ) পৰা আৰু লেটিন শব্দ mores (ৰীতি-নীতি, অভ্যাস)ৰ পৰা আহিছে। গ্ৰীক শব্দৰ পৰা উদ্ধৃত Ethosৰ অৰ্থ "জীয়াই থকাৰ নিয়ম।" নীতিবিদ্যা দৰ্শনৰ এটা শাখা হিচাপে মানৰ চৰিত্ৰৰ লগত জড়িত।
- নীতিবিদ্যা যথাৰ্থতা,শুদ্ধতা আৰু অশুদ্ধতাৰ বিচাৰৰ লগত সম্বন্ধিত, যিটো শুদ্ধ সেইটো নৈতিক আৰু যিটো অশুদ্ধ সেইটো অনৈতিক ।
- প্ৰায়োগিক নীতিবিদ্যা হ'ল নৈতিকতাৰ ব্যৱহাৰ। ইয়াত নৈতিক বিচাৰসমূহক পথ প্ৰদৰ্শক হিচাপে লৈ জীৱনৰ সিদ্ধান্ত সমূহ মানি লোৱা হয়।
- নীতিশাস্ত্ৰৰ ব্যৱহাৰ প্ৰয়োগিক নীতিবিদ্যা নীতিশাস্ত্ৰৰ ব্যৱহাৰৰ সৈতে সম্পৰ্কিত। ইয়াত নৈতিক বিচাৰসমূহ পথ পদৰ্শক হিচাপে লৈ জীৱনৰ সিদ্ধান্তসমূহ মানি লোৱা হয়।
- নীতিশাস্ত্ৰ বস্তুনিষ্ঠ বিজ্ঞানৰ পৰা পৃথক। বস্তুনিষ্ঠ বিজ্ঞান বা প্ৰাকৃতিক বিজ্ঞান বা বৰ্ণনামূলক বিজ্ঞান "বস্তুটো কি?"ৰ সৈতে সম্পৰ্কিত গতিকে ই তথ্যৰ লগত সম্পৰ্কিত। ইয়াৰ উপৰি এই বিজ্ঞানে তথ্য ব্যাখ্য কৰি ইয়াৰ লগত জড়িত থকা কাৰণৰ দ্বাৰা তথ্যসমূহ ব্যাখ্যা কৰে।
- নীতিবিদ্যাৰ মূল্য নিৰ্ণায়ক অৱধাৰণ বা বচনৰ লগত জড়িত আৰু বস্তুনিষ্ঠ বিজ্ঞান তথ্যমূলক অৱধাৰণৰ লগত সম্বন্ধিত।
- আদৰ্শনিষ্ঠ নীতিবিদ্যাৰ সম্পৰ্ক আদৰ্শ বা মানদণ্ডৰ লগত, যাৰদ্বাৰা আমি মানুহৰ কাৰ্যবোৰ শুদ্ধনে অশুদ্ধ বিচাৰ কৰিব পাৰো। গতিকে তৰ্কবিজ্ঞান, সৌন্দৰ্য বিজ্ঞানো আদৰ্শনিষ্ঠ বিজ্ঞান, কাৰণ তৰ্কবিজ্ঞান আৰু সৌন্দৰ্য বিজ্ঞানৰ সম্পৰ্ক সত্য আৰু সুন্দৰৰ লগতহে।
- নীতিবিদ্যাত আমি সম্পাদন কৰা কাৰ্যসমূহৰ উৎস, অভিপ্ৰায়, উদ্দেশ্য, ঐচ্ছিক ক্ৰিয়া আদিৰ বিচাৰ কৰা যায়। এই বিদ্যাই মানুহৰ কাৰ্যৰ শুদ্ধতা, অশুদ্ধতা নিৰ্ধাৰণ কৰে।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্ৰ*

২) সেনগুপ্ত, ব্যানার্জী পাব্‌লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্ৰ*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*



১.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ নীতিবিজ্ঞান মূল্যায়নৰ বিজ্ঞানহিচাপে মানৱ আচৰণৰ সৈতে সম্পৰ্কিত শুদ্ধ বা ভালৰ লগত জড়িত হৈ আছে। ই আদৰ্শ নিষ্ঠ বিজ্ঞান তথা মূল্যৰ বিজ্ঞান। ই মানুহৰ নৈতিক প্ৰেম বা ভালৰ লগত সম্বন্ধিত হোৱা বাবে বিজ্ঞান বুলি ধৰা যায়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ বিজ্ঞান হৈছে প্ৰকৃতিজগতৰ কোনো এটা বিভাগৰ প্ৰতি কৰা সুসংযত অধ্যয়ন।

৪নং প্ৰশ্নৰ উত্তৰ ঃ হয়, নীতিবিদ্যা বিজ্ঞান। কাৰণ পৰম আদৰ্শৰ ওপৰত ভিত্তি কৰি, মানুহৰ ঐচ্ছিক ক্ৰিয়াৰ শুদ্ধতা আৰু অশুদ্ধতাৰ এক শৃংখলিত বিশ্লেষণ দাঙি ধৰাটোৱেই হৈছে ইয়াৰ উদ্দেশ্য। ইয়াৰ উদ্দেশ্য শৃঙ্খলিত মূল্যাংকণ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ আদৰ্শনিষ্ঠ বিজ্ঞান মূল্যৰ অৱধাৰণৰ লগত জড়িত আৰু বস্তুনিষ্ঠ বিজ্ঞান তথ্যৰ অৱধাৰণৰ লগত জড়িত। আদৰ্শনিষ্ঠ বিজ্ঞান "কি কৰা উচিত" তাৰ লগত সম্বন্ধিত আৰু বস্তুনিষ্ঠ বিজ্ঞান "বস্তুটো বা ঘটনাটো কি" তাৰ লগত সম্বন্ধিত। আদৰ্শনিষ্ঠ বিজ্ঞানে আদৰ্শৰ লগত জড়িত হৈ মানৱ জীৱন সংশোধিত কৰে। কিন্তু বস্তুনিষ্ঠ বিজ্ঞানে কাৰ্যকাৰণৰ সম্বন্ধ আৱিস্কাৰ কৰি বস্তুটো কি তাক জনাৰ চেষ্টা কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ নহয়। নীতিবিদ্যাই মানৱ আচৰণৰ উৎস আৰু বিকাশৰ অধ্যয়ন নকৰে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ হয়। নীতিবিদ্যা, নৈতিক আৱেগ, অনুভূতিৰ লগত জড়িত, যিবিলাক নৈতিক বিচাৰ দিয়াৰ সময়ত মনত উদ্ভৱ হয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ নীতিবিদ্যাই আমাক কেনেকৈ কাৰ্য শুদ্ধভাৱে কৰিব লাগে তাৰ শিক্ষা দিয়ে।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ প্ৰয়োগিক নীতিবিজ্ঞান কি?

প্ৰশ্ন ২ ঃ অধিনীতিবিদ্যা কি?

প্ৰশ্ন ৩ ঃ নীতিবিদ্যাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৪ ঃ নীতিবিদ্যা জড়িত হৈ থকা বিষয়বোৰ কি কি?

প্ৰশ্ন ৫ ঃ আদৰ্শনিষ্ঠ বিজ্ঞান কি?

খ) চমু প্ৰশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ নীতিশাস্ত্ৰক কিয় আদৰ্শনিষ্ঠ বিজ্ঞান বুলি কোৱা হয় চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ নীতিশাস্ত্ৰ দৰ্শনৰ শাখা হিচাপে ধৰা যায়নে? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ নীতিশাস্ত্ৰৰ প্ৰকৃতি সম্পৰ্কে চমুকৈ মতামত দিয়ক।

প্ৰশ্ন ৪ ঃ আদৰ্শনিষ্ঠ বিজ্ঞান আৰু বস্তুনিষ্ঠ বিজ্ঞানৰ মাজত থকা পাৰ্থক্যসমূহৰ বিষয়ে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ নীতিশাস্ত্ৰক কিয় কলা হিচাপে বিবেচনা কৰা নহয়। চমুকৈ ব্যাখ্যা আগবঢ়াওক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ নীতিবিদ্যাৰ প্ৰকৃতি বুলিলে কি বুজা যায়? ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ নীতিবিদ্যাৰ পৰিসৰ সম্বন্ধে ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ নীতিবিদ্যা কি? আপুনি আদৰ্শনিষ্ঠ বিজ্ঞান আৰু বস্তুনিষ্ঠ বিজ্ঞানৰ মাজত পাৰ্থক্য দেখা পায় নে? ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ নীতিবিজ্ঞানক প্ৰায়োগিক বিজ্ঞান হিচাপে ধৰা হয়নে? যুক্তিৰ সৈতে ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ নৈতিকতা আৰু নীতিবিদ্যাৰ মাজৰ পাৰ্থক্য কি? নীতিবিদ্যাৰ স্বৰূপ বৈজ্ঞানিকনে? আলোচনা কৰক।

* * * * *

অধ্যায় ২ ঃ নৈতিকতাৰ ধাৰণা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ নৈতিকতাৰ সংজ্ঞা
২.৪ নৈতিকতাৰ স্বৰূপ বা প্ৰকৃতি
২.৫ ভিন্ন নৈতিক ধাৰণা
২.৬ নৈতিক মতবাদ
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টিৰ জৰিয়তে আপোনালোকে ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব —

- নৈতিকতাৰ ধাৰণা আৰু ইয়াৰ ব্যৱহাৰৰ বিভিন্ন অৰ্থ
- নৈতিকতাৰ ধাৰণা আৰু জীৱনৰ এক সামাজিক সংস্থা হিচাপে ইয়াৰ স্বৰূপ বা প্ৰকৃতি
- বিভিন্ন নৈতিক মতবাদৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ লগতে বিভিন্ন প্ৰকাৰৰ নৈতিক ধাৰনা

২.২ পৰিচয়

নীতিবিজ্ঞান দৰ্শনৰ এক বিভাগ। ই হৈছে নৈতিকতা, নৈতিক সমস্যা আৰু নৈতিক বিচাৰৰ বিষয়ে নৈতিক দৰ্শন নাইবা দাৰ্শনিক চিন্তা। প্ৰকৃততে, নীতিবিজ্ঞানৰ সৃষ্টি হয়, যেতিয়া এজন ব্যাক্তিয়ে সেই স্তৰ অতিক্ৰম কৰে, য'ত আমি পৰম্পৰাগত নীতি নিয়মৰ দ্বাৰা পৰিচালিত হ'ও, আনকি সেই স্তৰ, য'ত সেই নিয়ম-নীতিসমূহক সম্পূৰ্ণ নিজৰ কৰি লওঁ যাতে আমি নিজকে আভ্যন্তৰীন ভাৱে পৰিচালিত বুলি ক'ব পাৰো সেই স্তৰত, য'ত আমি নিজকে সংকটপূৰ্ণ আৰু সাধাৰণ অৱস্থাত চিন্তা কৰিব পাৰো আৰু নৈতিক অভিকৰ্ত্তা ৰূপে এক প্ৰকাৰৰ স্বশাসন লাভ কৰিব পাৰো। আন কথাত, ক'ব পৰা যায় যে নৈতিকতাই আমাক সমালোচনাত্মক ভাবে চিন্তা কৰিবলৈ উদগনি যোগায়, যাৰ জৰিয়তে আমি আমাৰ আভ্যন্তৰীণ আত্মাক উপলব্ধি কৰিব পাৰো আৰু নৈতিকভাবে ক্ৰিয়া কৰিব পাৰো। তথাপিও, আমি চিন্তাৰ তিনিটা প্ৰকাৰৰ পাৰ্থক্য কৰিব পাৰো, যি নৈতিকতাৰ সৈতে সম্পৰ্ক ৰক্ষা কৰে। প্ৰথমে, বৰ্ণনামূলক আনুভৱিক অনুসন্ধান, বুৰঞ্জীমূলক নাইবা বৈজ্ঞানিক অনুসন্ধান, যিয়ে বৰ্ণনা বা ব্যাখ্যা কৰে নৈতিকতাৰ প্ৰপঞ্চ নাইবা

মানৱ প্ৰকৃতিৰ এক মতবাদ আগবঢ়ায়, যিয়ে নৈতিক প্ৰশ্নসমূহ বহন কৰে। এনে ধৰণৰ অনুসন্ধান প্ৰধানকৈ নৃতত্ত্ববিদ, ইতিহাসবিদ, মনোবৈজ্ঞানীক আৰু সমাজবিদসকলে কৰে। দ্বিতীয়তে, আদৰ্শমূলক চিন্তা, যিয়ে প্ৰশ্ন কৰে শুদ্ধ কি, শ্ৰেয় কি নাইবা বাধ্যবাধকতাৰ বিষয়ে। প্ৰকৃতাৰ্থত, ই এক আদৰ্শমূলক বিচাৰৰ সাব্যস্ততাৰ এক আকাৰ। উদাহৰণ হিচাপে, 'বন্দীত্বৰ পৰা মই পলাই যাবলৈ চেষ্টা কৰাটো উচিত নহয়' , 'জ্ঞান শ্ৰেয়' নাইবা 'কাৰোবাক অনিষ্ট কৰাটো সদায় ভুল'। তাৰোপৰি, এক সাধাৰণ নীতি হিচাপে নাইবা এক বিশেষ ক্ষেত্ৰত 'কি ভাল বা শুদ্ধ' ৰ বিষয়ে আন কাৰোবাৰ সৈতে তৰ্ক কৰাৰ ই এক প্ৰকাৰৰ চিন্তা। তৃতীয়তে, বিশ্লেষণাত্মক, সমালোচনাত্মক নাইবা আধি-নৈতিক চিন্তা, যি অভিজ্ঞতামূলক নাইবা বুৰঞ্জীমূলক অনুসন্ধান আৰু মতবাদসমূহৰ পৰা পৃথক হোৱাৰ লগতে ই কোনো আদৰ্শমূলক বা প্ৰমূল্যাত্মক বিচাৰক সনিৱিষ্ট নকৰে। ইয়াৰোপৰি, ই কি ভাল, শুদ্ধ নাইবা বাধ্যবাধকতা আদিৰ বিষয়ে বিশেষ নাইবা সাধাৰণ প্ৰশ্নৰো উত্তৰ নিদিয়ে। আচলতে, এনেধৰণৰ চিন্তাই তৰ্কীয়, জ্ঞান-বিজ্ঞান সম্পৰ্কীয় আৰু শব্দাৰ্থ সম্পৰ্কীয় প্ৰশ্নৰহে উত্তৰ দিবলৈ প্ৰয়াস কৰে। উদাহৰণ স্বৰূপে ঃ ই প্ৰশ্ন কৰে এনেধৰণৰ ঃ 'শুদ্ধ' আৰু 'শ্ৰেয়' ধাৰণাৰ অৰ্থ নাইবা ব্যৱহাৰ কি?' , 'নৈতিক আৰু প্ৰমূল্যাত্মক বিচাৰ কি দৰে প্ৰতিষ্ঠা নাইবা শুদ্ধ প্ৰমানিত কৰিব পৰা যায়?' , 'নৈতিকতাৰ স্বৰূপ কি ?' 'নৈতিক আৰু অ-নৈতিকৰ মাজত পাৰ্থক্য কি?' 'স্বাধীন' আৰু 'দায়বদ্ধ' ৰ অৰ্থ কি?'

এই তিনি প্ৰকাৰৰ চিন্তাৰ ভিতৰত, বহুতো সাম্প্ৰতিক নৈতিক দাৰ্শনিকে তৃতীয় তথা শেহৰটো চিন্তাক অধিক পচন্দ কৰে, যিটো বাকী দুটা চিন্তাতকৈ পৃথক। কিন্তু, আমি বৰ্ণনা কৰাৰ দৰে তাত্বিক নীতিবিজ্ঞানক অৰ্ন্তভুক্ত কৰিবলৈ আমি নীতিবিজ্ঞানক গ্ৰহণ কৰিম, কিন্তু ইয়াৰোপৰি দ্বিতীয় প্ৰকাৰকো আদৰ্শনিষ্ঠ নীতিবিজ্ঞান নাই চিন্তাৰ অন্তভুক্তিকো মানি ল'ম, কাৰন, ই ভাল আৰু শুদ্ধ কি ? তাৰ লগত জড়িত।

আমি জানো যে নীতিবিজ্ঞান নৈতিকতা আৰু ইয়াৰ সমস্যা ও বিচাৰৰ লগত জড়িত। প্ৰকৃততে, 'নীতিবিজ্ঞান' শব্দটো দৰ্শনৰ এক শাখা হিচাপে সদায় ব্যৱহৃত নহয়, কেতিয়াবা ই 'নৈতিকতা' ৰ অৰ্থতহে কেৱল ব্যৱহৃত হয়। তাৰোপৰি, কেতিয়াবা ই এজন ব্যক্তি নাইবা এক সমষ্টিৰ নৈতিক সংহিতা নাইবা আদৰ্শনিষ্ঠ মতবাদকো নিৰ্দ্দেশ কৰে। 'নীতিশিক্ষা' (moral) আৰু 'নীতিসন্মত' (ethical) শব্দ দুটা প্ৰায়ে 'শুদ্ধ' (right) আৰু 'শ্ৰেয়' (good)ৰ সমতুল্য হিচাপে ব্যৱহৃত হয়, আৰু 'অনৈতিক শিক্ষা' আৰু 'অ-নীতিসন্মত' ৰ ই বিৰোধী। কিন্তু ই 'নৈতিক ভাৱে শুদ্ধ' নাইবা 'নৈতিকভাৱে শ্ৰেয়' ক নুবুজায়। কেতিয়াবা আকৌ 'নৈতিকতা' শব্দটোক 'অনৈতিকতা' ৰ বিৰোধী হিচাপে ব্যৱহাৰ কৰা হয় এনেধৰনেৰে, যেতিয়া আমি কওঁ যে নৈতিকতাৰ সাৰবস্তু প্ৰেম বা ভালপোৱা নাইবা এটা কৰ্মৰ নৈতিকতাৰ বিষয়ে কোৱা। কিন্তু আমি 'নৈতিকতা' শব্দটোক ব্যৱহাৰ কৰোঁ কিছুমান বিষয়ক নিৰ্দ্দেশ কৰিবলৈ, যিয়ে সমন্বয় ৰক্ষা কৰে, কিন্তু কলা, বিজ্ঞান, আইন, প্ৰথা, নাইবা ধৰ্মৰ পৰা বেলেগ, যদিও ই সিহঁতৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিবও পাৰে। আচলতে, আমি যেতিয়া কওঁ 'নৈতিকতা কি?' , 'আইনৰ পৰা ই কিদৰে পৃথক?' আৰু 'ধৰ্মৰ লগত ই কেনেকৈ সম্পৰ্ক যুক্ত' ইয়ে হৈছে শব্দটোক আমি কৰা ব্যৱহাৰৰ ধৰণ। এই অৰ্থত, নৈতিকতা' ৰ অৰ্থ ৰিচ্প বাট্লাৰে (Bishop Butler)কোৱাৰ দৰে 'জীৱনৰ নৈতিক অনুষ্ঠান' (the moral institution of life.') । 'নীতিশিক্ষা'

আৰু 'নীতিবিজ্ঞান' শব্দ দুটা প্ৰায়ে পাৰস্পৰিক বিনিময়মুক্ত ৰূপে ব্যৱহৃত হয়। নৈতিকতা হৈছে এক পদ্ধতি, যাৰ জৰিয়তে আমি শুদ্ধ আৰু ভুল আচৰণ ক নিৰ্দ্ধাৰণ কৰোঁ, অৰ্থাৎ শুদ্ধ আৰু ভাল আচৰণৰ পথ প্ৰদৰ্শক। নীতিবিজ্ঞান হৈছে নৈতিকতাৰ দাৰ্শনিক অধ্যয়ণ।

২.৩ নৈতিকতাৰ সংজ্ঞা

দৰ্শনত 'নৈতিকতা' শব্দটোক হয় বৰ্ণনামূলক ভাৱে নহয় আদৰ্শমূলক ভাৱে ব্যৱহাৰ কৰিব পৰা যায়। বৰ্ণনামূলক অৰ্থত ই সমাজ নাইবা এক সমষ্টিৰ দ্বাৰা আগবঢ়োৱা কেতবোৰ আচৰণ ৰ সংহিতাক।

নিৰ্দ্দেশ কৰে, যেনেঃ ধৰ্ম নাইবা এজন ব্যক্তিয়ে নিজৰ ব্যৱহাৰৰ বাবে গ্ৰহণ কৰা নিয়মাৱলী। আনহাতে, আদৰ্শমূলক ভাৱে, ই নিৰ্দ্দেশ কৰে সকলো চিন্তাশীল ব্যক্তিৰ দ্বাৰা আগবঢ়োৱা বিশেষ চৰ্তত আচৰণৰ কেতবোৰ নিয়মাৱলী। নৈতিকতাৰ বৰ্ণনামূলক ব্যৱহাৰ হৈছে সেইটো, যি নৃতত্ত্ববিদ সকলে ব্যৱহাৰ কৰে, যেতিয়া তেওঁলোকে অধ্যয়ণ কৰা সমাজৰ নৈতিকতাৰ ওপৰত বিবৰণ আগৱঢ়ায়। বৰ্ণনামূলক অৰ্থত নৈতিকতাৰ যিকোনো সংজ্ঞাৰ নিশ্চিয়তাৰ প্ৰয়োজন আছে যে এখন সমাজ নাইবা এটা সমষ্টিৰ দ্বাৰা আগবঢ়োৱ নিয়মাৱলীসমূহৰ কোনটোক নীতিশিক্ষা হিচাপে গণ্য কৰিব লাগে।

আদৰ্শমূলক অৰ্থত, নৈতিকতাই নিৰ্দ্দেশ কৰে আচৰণৰ এক নিয়মাৱলীক, যিবোৰ, যিকোনো মানুহৰ দ্বাৰা গ্ৰহণযোগ্য, যিসকল নিশ্চিত বৌদ্ধিক আৰু স্বতঃ প্ৰণোদিত অৱস্থাৰ মুখামুখী হয়। এনে অৱস্থাৰ মুখামুখী হোৱা ব্যক্তিসকলক এজন নৈতিক অভিকৰ্ত্তা ৰূপে প্ৰকাশ কৰা হয়। সি যি কি নহওঁক যিকোনো এজন নৈতিক অভিকৰ্ত্তাৰ দ্বাৰা এক নিদৃষ্ট সংহতিক গ্ৰহণ কৰাটো কেৱল দেখুওৱাই বিবেচনা নাইবা চিন্তাশীলতাৰ এক সংহতিক গ্ৰহণ কৰাটোও বুজায়। কিন্তু ইয়াৰ দ্বাৰা দেখুওৱা নহয় যে বিবেচনা নৈতিকতাৰ এক অংশ।

আমি দেখাৰ দৰে যে, সকলোবোৰ নিয়মাৱলী, যিবোৰ বৈজ্ঞানীকসকল নাইবা সমষ্টি সমূহৰ দ্বাৰা আগবঢ়োৱা হৈছে, সেইবোৰ নৈতিকতাৰ বৰ্ণনামূলক অৰ্থত নৈতিক নিয়ম নহয় আৰু সকলো নিয়মাৱলী, যিবোৰ সকলো নৈতিক অভিকৰ্ত্তাৰ দ্বাৰা গৃহত হ'ব, সেইবোৰো নৈতিকতাৰ আদৰ্শমূলক অৰ্থত নৈতিক নিয়ম বা সংহতি নহয়। সেয়ে, নৈতিকতাৰ যিকোনো সংজ্ঞা, সি বৰ্ণনামূলক অৰ্থতেই হওঁক নাইবা আদৰ্শমূলক অৰ্থতেই হওঁক, আৰু নিৰ্ণায়কৰ প্ৰয়োজন আছে। প্ৰকৃততে, নৈতিকতাৰ কেতবোৰ বৈশিষ্ট্য প্ৰদান কৰা হিচাপে, যিবোৰক যিকোনো পৰ্য্যাপ্ত সংজ্ঞাত অন্তৰ্ভুক্ত কৰা হিচাপে নৈতিকতাৰ বৰ্ণনামূলক আৰু আদৰ্শমূলক বৰ্ণনাক স্বীকাৰ কৰা হয়। এইদৰেই, নৈতিকতাৰ কেতবোৰ সংজ্ঞাত্মক বৈশিষ্ট্য প্ৰদান কৰা হিচাপে ইয়াক ল'ব পৰা যায়।

নৈতিক বিচাৰৰ স্বৰূপ বা প্ৰকৃতিক নিৰ্দ্দেশ কৰাৰ দ্বাৰা আৰ. ত্ৰম. হেয়াৰ্ে নৈতিকতাৰ ওপৰত তেওঁৰ নিজৰ মতামত আগৱঢ়াইছে। তেওঁ সেইবোৰ বিচাৰক নৈতিক বিচাৰ হিচাপে স্বীকাৰ কৰিছে, যিয়ে সকলো অ-নৈতিক বিচাৰক প্ৰত্যাখ্যান কৰে আৰু যাক বিচাৰ গঠন কৰা

ব্যক্তিজনৰ দ্বাৰা সামান্যীকৰণ কৰা হয়। নৈতিক বিচাৰৰ এই বৃত্তন্তই আচৰণৰ লগত জড়িত হোৱা হিচাপে স্বাভাৱিকতে নৈতিকতাৰ এক মতামতলৈ লৈ যায় যে এজন ব্যক্তিক আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ আৰু আচৰণৰ এজন পৰামৰ্শদাতা ৰূপে গ্ৰহণ কৰা হয় যে তেওঁ সকলোকে গ্ৰহণ কৰাটো বিচাৰে। আনহাতে, ফ্ৰেংকানাই উল্লেখ কৰে যে, আচৰণৰ প্ৰতি পথপ্ৰদৰ্শক, যাক নৈতিকতা হিচাপে ধৰা হয়, সি সাধাৰণতে আনৰ প্ৰতি অনিষ্ট কৰাৰ পৰা আতঁৰত থকা আৰু তাক বাধা দিয়াক সাঙুৰি ৰাখে। ঠিক একেদৰে, পি. এফ্. ষ্ট্ৰচন্ দাবী কৰে যে, সম্ভৱতঃ সততাৰ কেতবোৰ আদৰ্শক এৰাই চলা আৰু বাধা প্ৰদান কৰাত নৈতিকতা জড়িত হৈ থাকে। ইয়াক এইদৰে উল্লেখ কৰিব পৰা যায় যে নৈতিকতাৰ বৰ্ণনামূলক ব্যৱহাৰত এজন ব্যক্তিৰ নিজৰ নৈতিকতাক আচৰণৰ প্ৰতি পথপ্ৰদৰ্শন কৰিব পৰা নাযায়, যে ব্যক্তিজনে তাক অনুসৰণ নকৰিবলৈ অধিক পছন্দ কৰিব। সি যি কি নহওঁক, এজন ব্যক্তিয়ে নিজা ব্যৱহাৰৰ বাবে আচৰণৰ নৈতিক নিয়মাৱলীক গ্ৰহণ কৰাটোৱে পৰিণতি নঘটায় যে ব্যক্তিজনে ইয়াক আন কাৰোবাৰ দ্বাৰা গ্ৰহণ কৰিবলৈ প্ৰয়োজন আছে। এনেদৰে ক্ৰিয়া বা ব্যৱহাৰ কৰাটো ব্যক্তিজনৰ নিজৰ পছন্দ বা সিদ্ধান্ত।

আদৰ্শমূলক অৰ্থত নৈতিকতাই সেইবোৰ নিয়মাৱলীক বুজায়, যাৰ কেতবোৰ চৰ্ত বা অৱস্থা থাকে, যেনেঃ সকলো চিন্তাশীল ব্যক্তিয়ে কেতবোৰ বিশেষ চৰ্ত বা অৱস্থাৰ অধীনত ইয়াক সমৰ্থন কৰিব। কিছুমান সদ্‌গুণৰ মতবাদীয়ে নৈতিকতাক সেই নিয়মৰ দৰে কেতবোৰ হিচাপে সংজ্ঞা আগবঢ়ায় যে, এজন ব্যক্তিয়ে সততাৰ পথেৰে কৰা কৰ্মৰ দ্বাৰা সন্দেহাতীতভাৱে ইয়াক সমৰ্থন কৰিব। আনহাতে, জে. এচ্. মিলে নৈতিকতাক মানৱ আচৰণৰ বাবে নীতি আৰু অনুভৱ হিচাপে, যাৰ নিৰীক্ষণৰ দ্বাৰা এক বিশাল ও বিস্তৃত সম্ভাৱনীয়তা লাভ কৰিব পৰা যাৱ। যি সকলে নৈতিকতাক আদৰ্শমূলকভাৱে ব্যৱহাৰ কৰে, তেওঁলোকে সততাৰে গ্ৰহণ কৰে যে নৈতিকতাই আচৰণৰ এক নিয়মক নিৰ্দ্দেশ কৰে, যাক সকলোৱে ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি, যিসকলে ইয়াক বুজি পায় আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ আচৰণক পৰিচালনা কৰে। সেয়ে, আমি দেখা পালো যে নৈতিকতাৰ সংজ্ঞা, বৰ্ণনামূলকেই হওঁক নাইবা আদৰ্শমূলকেই হওঁক, ই হৈছে আচৰণৰ এক নিয়মাৱলী বা সংহিতা।

২.৪ নৈতিকতাৰ স্বৰূপ বা প্ৰকৃতি

'নৈতিকতা' শব্দটো ব্যৱহাৰ কৰা হয় শুদ্ধ আৰু অশুদ্ধ মানৱ আচৰণৰ বিষয়ে সমাজৰ প্ৰথা বা ৰীতি-নীতি সমূহক নিৰ্দ্দেশ কৰিবলৈ। ইয়াৰ বহল আৰু আটাইতকৈ পৰিচিত অৰ্থত, নৈতিকতা জড়িত হয় শুদ্ধ আৰু অশুদ্ধ মানৱ আচৰণৰ বিষয়ে থকা বিশ্বাসবোৰৰ বহুতো আকাৰৰ লগত। এইবোৰ বিশ্বাসক 'শ্ৰেয়' , 'বেয়া' , 'সৎ' , প্ৰশংসনীয়' , 'শুদ্ধ', 'অশুদ্ধ' , 'উচিত' আৰু 'দোষৰ ভাগী' ইত্যাদিৰ দৰে শব্দৰে প্ৰকাশ কৰা হয়। কিন্তু, কিছুমান বিভাগে এই শব্দবোৰক মানৱ প্ৰচেষ্টাক মূল্যাংকণ কৰিবলৈ ব্যৱহাৰ কৰে আৰু এইবোৰ বিভাগে কেতিয়াবা নৈতিকতাক জড়িত কৰে। ধৰ্ম, আইন, আনুষ্ঠানিক আচৰণবিধি, অৰ্থনীতি আৰু ৰাজনীতি হৈছে ইয়াৰ উদাহৰণ। কিয়নো, সিহঁতে আচৰণৰ মূল্যাংকণক জড়িত কৰে আৰু ক্ৰিয়া নিৰ্দ্দেশক শব্দৰ এক শব্দ শৃংখল ব্যৱহাৰ কৰে।

স্পষ্ট অর্থত, নৈতিকতা হৈছে শিক্ষনীয় নীতিবোৰৰ এক সংহিতাৰ সৈতে এক সামাজিক অনষ্ঠান। ই হৈছে এক সামাজিক উদ্যম, এজন ব্যক্তি নিজস্ব পথ প্রদর্শনৰ বাবে কেৱল এক আৱিষ্কাৰ নাইবা উদ্ভাৱন নহয়। এজন ব্যক্তিৰ নিজা ভাষা, ৰাষ্ট্র নাইবা গীর্জা আদিৰ দৰেই, ই ব্যক্তিজন, যি ইয়াত অধিষ্ঠিত আৰু কম বেছি, পৰিমাণে ইয়াৰ অংশ গ্রহণকাৰী তেওঁৰ পূর্বেই অস্তিত্বশীল, আৰু তেওঁৰ পিছতো ই অস্তিত্বশীল হৈয়ে থাকে। নৈতিকতা হৈছে ব্যক্তিসকলৰ আৰু ক্ষুদ্র সমষ্টিবোৰৰ পথ-প্রদর্শনৰ বাবে এক সামগ্রিকতা হিচাপে সমাজৰ এক অনুষ্ঠান নাইবা আহিলা। তাৰোপৰি, যেতিয়াই নৈতিকতাক সমাজৰ এক আহিলা ৰূপে নাইবা এক ব্যক্তিগত নিয়ম ৰূপে চিন্তা কৰা হয়, তেতিয়া ইয়াৰ লগত বিবেক বা পৰিণামদর্শিতা (Prudence)ক তুলনা, অর্থাৎ উভয়ৰে মাজত পার্থক্যৰ বিচাৰ কৰিবই লাগিব। এই কথা ক'ব পাৰি যে, নৈতিকতা আৰু পৰিণামদর্শিতাই কিছুমান একে আচৰণৰে আদেশ দিয়ে; উদাহৰণ স্বৰূপেঃ সাধুতা। প্রকৃততে, পৰিণামদর্শিতা বা বিবেক এক নৈতিক সততা ; সি যি কি নহওঁক, ই নৈতিক দৃষ্টিভঙ্গীৰ বৈশিষ্ট্য নহয়, যিয়ে এজন লোকৰ কামনা আৰু মনোযোগৰ বাবে সম্পূর্ণৰূপে কি শুদ্ধ বা সদগুণযুক্ত, তাক নির্দ্ধাৰণ কৰে। চিগুমণ্ড্ ফ্রয়েদ্ৰ মতে, নৈতিকতা আৰু সদ্গুণ উভয়েই স্বীকৃতকৰণক নিয়ন্ত্রণ কৰিবলৈ প্রয়াস কৰে। তেওঁৰ বাবে, পৰিণামদর্শিতা হৈছে অহংভাৱ বা আত্মকেন্দ্রিকতাত বাস্তৱ নীতিৰ এক সৰল স্বাভাৱিক কার্য্য বা উদ্দেশ্য; কিন্তু নৈতিকতা হৈছে অতি-অহংভাৱৰ কার্য্য, যিয়ে কেৱল এজন ব্যক্তিয়ে কি বিচাৰে, তাক পোৱাৰ বাবে, নাইবা, আনকি ইয়াৰ বাবে হোৱা ব্যর্থতাৰ ওপৰত সন্তুষ্টিৰ মহান ভাৰসাম্য ৰক্ষা কৰাৰ বাবেও চিন্তা নকৰে।

তদুপৰি, নৈতিকতাক জীৱনৰ এক সামাজিক অনুষ্ঠান হিচাপে, ইয়াৰ সদস্যসমূহৰ বৌদ্ধিক প্রদর্শন নাইবা আত্ম নির্দ্ধাৰণেই ইয়াৰ মূল লক্ষ্য বুলি ভৱা হয়। আন কথাত, ক'ব পৰা যায় যে, আত্ম পদ প্রদর্শন নাইবা আত্ম নির্দ্ধাৰনেই ইয়াৰ মূল লক্ষ্য বুলি ভৱা হয়। আন কথাত, ক'ব পৰা যায় যে নৈতিকতাই আমাক আত্ম-পৰিচালিত হ'বলৈ সহায় কৰে। নৈতিক দার্শনিক সকলে নৈতিকতাৰ স্তৰসমূহৰ মাজত পার্থক্য নির্ণয় কৰিছে, যাক আমি আমাৰ সংস্কৃতিৰ ইতিহাসত আৰু ব্যক্তি জীৱনত দেখিবলৈ পাওঁ। স্তৰসমূহ হৈছে (ক) 'পূর্ব বৌদ্ধিক' , 'গতানুগতিক' নাইবা 'সমষ্টি' নৈতিকতা' (খ) 'ব্যক্তিগত' , 'যৌক্তিক' নাইবা 'প্রতিবিম্বিত' নৈতিকতা। David Riesman য়ে তেওঁৰ গ্রন্থ "The Lovely Crowd" অত চাৰিটা নৈতিক বা সামাজিক প্রকাৰৰ প্রতিকৃতি অংকণ কৰিছে, য'ত ব্যক্তি নাইবা সমাজ অন্তর্ভুক্ত হৈ থাকে। যেনেঃ (ক) পৰম্পৰা (tradition) পৰিচালিত ব্যক্তি নাইবা সমাজ (খ) অন্তৰ (inner) পৰিচালিত ব্যক্তি নাইবা সমাজ (গ) অন্যৰ দ্বাৰা পৰিচালিত ব্যক্তি নাইবা সমাজ আৰু (ঘ) স্বশাসিত ব্যক্তি নাইবা সমাজ। David Riesman য়ে ওপৰত উল্লেখ কৰাৰ দৰে দৃষ্টিভঙ্গীৰে যদি আমি নৈতিকতাক চাওঁ যি অতি সাম্প্রতিক মনোবিজ্ঞানৰ ওপৰত প্রতিষ্ঠিত, তেন্তে এই কথা উল্লেখ কৰিব পৰা যায় যে, নৈতিকতা আৰম্ভ হয় সাংস্কৃতিক লক্ষ্য আৰু সেই লক্ষ্য লাভৰ পৰিচালনাৰ নীতিসমূহৰ এক সমষ্টি হিচাপে, যিবোৰ কম বেছি পৰিমাণে ব্যক্তিৰ পৰা বাহ্যিক আৰু অভ্যাস হিচাপে ইয়াক ব্যক্তিৰ ওপৰত আৰোপ

কৰা হয় নাইবা শিকনি দিয়া হয়। সাধাৰণতে, এইবোৰ নীতি বা নিয়ম একেবাৰে আভ্যন্তৰীন হৈ পৰে, যাতে ব্যক্তি সকলে তাক নিজৰ কৰি ল'ব পাৰে আৰু ইয়াৰ দ্বাৰা নিজৰ আচৰণ পৰিচালিত আৰু নিয়ন্ত্রিত কৰিব পাৰে আৰু লগতে এক 'বিবেক' নাইবা 'অতি অহংভাৱ' ৰ বিকাশ ঘটাব পাৰে। কিন্তু, অন্তৰকৰণ এই পদ্ধতি সম্পূৰ্ণৰূপে অযুক্তিকৰ। সামান্য পৰিমানৰ যুক্তি প্রদানৰ সৈতে নৈতিকতাৰ শিক্ষন নৈতিকতাৰ বাবে নিদর্শন স্বৰূপ। সেইকাৰনে, আমাৰ নৈতিক আদেশৰ জৰিয়তে আমি যুক্তি দিওঁ, যাক এজন ব্যক্তিয়ে বুজি পায় আৰু অনুভৱ কৰায় যে যুক্তিৰ বাবে ই যথোপযুক্ত।

নৈতিকতাৰ প্রতিষ্ঠিত পৰম্পৰাত অৱধাৰণাৰ কেতবোৰ নির্দিষ্ট প্রকাৰ নিহিত হৈ থাকে, য'ত বিশেষ কেতবোৰ বস্তুৰ নৈতিক গুণ, বাধ্যবাধকতা নাইবা দায়বদ্ধতা থাকে বা নাথাকে বুলি কোৱা হয়। ই কেতবোৰ নীতি-নিয়ম, আদর্শ আৰু সদগুণকো ধাৰণ কৰে, যাক বেছিকৈ সাধাৰণ অৱধাৰণাৰে প্রকাশ কৰিব পৰা যায় আৰু সি বিশেষ বিশেষ ধাৰনা গঠন আৰু যুক্তি দিবৰ বাবে পটভূমি গঢ়ি তোলে। তাৰোপৰি, ই উদ্দেশ্য প্রনোদিতকৰণৰ কেতবোৰ অনুমোদন নাইবা অতিৰিক্ত উৎসকো ধাৰণ কৰে, যিবোৰো প্রায়ে মৌখিক ধাৰণাতে প্রকাশিত হয়, যেনেঃ দায়িত্ব গ্রহণ, প্রশংসা আৰু দোষাৰোপ কৰা ইত্যাদি। নৈতকতাত মূখ্য স্থানত থকা এইবোৰেই হৈছে কিছুমান কাৰক।

২.৫ বিভিন্ন নৈতিক ধাৰণা

আমি ইতিমধ্যে জানিব পাৰিলো যে নীতিবিজ্ঞান হৈছে আচৰণৰ নৈতিকতাৰ বিজ্ঞান। ই নৈতিক বিবেকত জড়িত মৌলিক নৈতিক ধাৰণৰ সৈতে সম্পর্কযুক্ত। সকলো নৈতিক ধাৰণাৰ ভিতৰত শুদ্ধ আৰু শ্রেয়ৰ ধাৰণাটোৱেই আটাইতকৈ মৌলিক। অন্যান্য মৌলিক নৈতিক ধাৰণাসমূহ এনেধৰণৰ —

২.৫.১ শুদ্ধ আৰু ভুল

সাধাৰণতে, 'শুদ্ধ' আৰু 'ভুল' শব্দ দুটা স্বৈচ্ছিক আৰু আভ্যাসিক কর্মৰ ক্ষেত্রত ব্যৱহৃত হয়, যি স্বৈচ্ছিক ক্রিয়াৰে পুনৰাবৃর্তিৰ পৰিণাম। ইংৰাজী 'right' শব্দটো লেটিন শব্দ 'rectus' ৰ পৰা আহিছে। ইয়াৰ অর্থ 'নিয়ম অনুযায়ী' (according to rule)। যেতিয়া এটা কর্মৰ আচৰণৰ নৈতিক নীতি বা আইনৰ লগত সঙ্গঁতি থাকে, তেতিয়া তাক শুদ্ধ বুলি কোৱা হয়। অন্যথা, ই ভুল, যদিহে ই আচৰণৰ নীতিক উলংঘা কৰে। কিন্তু 'শ্রেয়'ৰ ধাৰণাৰ অবিহনে 'শুদ্ধ' আৰু 'ভুল' উভয় ধাৰণাই অবোধগম্য। প্রত্যেক নীতি বা আইনে এটা লক্ষ্যক পূর্বানুমান কৰি লয়, যাক তাৰ দ্বাৰা উপলব্ধি কৰিব পৰা যায় আৰু সেয়া হৈছে 'শ্রেয়' (good)। প্রকৃততে, 'শুদ্ধ' আৰু 'ভুল' ৰ ধাৰণা দুটা নৈতিক নীতি বা আইনৰ সৈতে সম্পর্কযুক্ত, যি পৰম শ্রেয়ৰ অধীন।

২.৫.২ শুদ্ধ আৰু শ্রেয়

প্রকৃততে, 'শুদ্ধ' হৈছে শ্রেয়ৰ উপলব্ধিৰ এক উপায়। এটা কর্ম শুদ্ধ হয়, যদিহে ই 'শ্রেয় কি?' , তাৰ বিষয়ে লৈ অনাত সহায়ক হয়। এটা কর্ম ভুল হয়, যেতিয়া ই অমঙ্গল নাইবা পাপক লৈ আহে। 'শুদ্ধ' ধাৰণাটো 'শ্রেয়' ৰ ধাৰণাটোৰ অধীন। শ্রেয় এনে এক লক্ষ্য, যাক এজন ব্যক্তিয়ে উপলব্ধি কৰাটো উচিত, যাৰ জৰিয়তে তেওঁ তেওঁৰ আভ্যন্তৰীন আত্মাক উপলব্ধি কৰিবলৈ সক্ষম হয়। ই মানুহৰ সেইটো লক্ষ্য, যিয়ে তেওঁৰ সমগ্র আত্মাক সন্তুষ্ট কৰে। সেই আত্মা বৌদ্ধিক হোৱাৰ লগতে জ্ঞানবিশিষ্টও হ'ব পাৰে। কি কৰাটো উচিত সেইকথা ই আমাৰ মাজত বিয়পায় তোলে।

২.৫.৩ শ্রেয় আৰু পৰম শ্রেয়

আমি জানো যে, যিয়ে আমাৰ এক কামনা পূর্ণ নাইবা সন্তুষ্ট কৰে, তাকে শ্রেয় বোলা হয়। যেনেঃ ধন, স্বাস্থ্য, জ্ঞান, সংস্কৃতি ইত্যাদি, যিবোৰ আমাৰ জৈৱিক প্রয়োজনীয়ত্ব। এইৰোৰ শাৰীৰিক/অর্থনৈতিক/সামাজিক/ বৌদ্ধিক সৌন্দর্য্যাত্মক প্রয়োজনীয়তা। সেয়া হ'ল সত্য, শিৱ (শ্রেয়) আৰু সুন্দৰ। আচলতে, শ্রেয়ৰ অনুক্রম আছে আৰু তাৰ আটাইতকৈ উর্দ্ধত আছে পৰম শ্রেয়। ই নিজতেই শ্রেয়। ই আন কোনো উচ্চ শ্রেয়ৰ উপায় বা পথ নহয়। পৰম শ্রেয় হৈছে এনে এক ধাৰণা যিয়ে আধ্যাত্মিক সত্বাক সম্পূর্ণৰূপে সন্তুষ্ট কৰিব পাৰে। আন সকলো শ্রেয় এই পৰম শ্রেয়ৰ অধীন।

২.৫.৪ অধিকাৰ আৰু কর্তব্য

সামাজিক জীৱ হিচাপে মানুহে কেৱল সমাজৰ জৰিয়তেই তেওঁলোকৰ পৰম শ্রেয়ক উপলব্ধি কৰে। প্রকৃততে, সাধাৰণ শ্রেয়ৰ বাবে নৈতিক অধিকাৰ প্রদানৰ দ্বাৰা সমাজে এক বান্ধোন গঢ়ি তুলিবলৈ প্রয়াস কৰে। প্রত্যেক ব্যক্তিয়ে এইবোৰ অধিকাৰ উপভোগ কৰে, যিবোৰক সমাজৰ দ্বাৰা ৰক্ষণাবেক্ষণ দিয়া হয় আৰু আনৰ দ্বাৰা উলংঘা কৰিব পৰা নাযায়। এইবোৰ অধিকাৰ সকলোৰে পূজনীয় আৰু সমাজে সেইসকল লোকক শাস্তি প্রদান কৰে, যিসকলে আনৰ অধিকাৰ ভঙ্গ কৰিবলৈ প্রয়াস কৰে। 'অধিকাৰ' আৰু 'কর্তব্য' আপেক্ষিক শব্দ। এটা আনটোৰ সৈতে সহঃসম্বন্ধেৰে সম্পর্কযুক্ত হোৱাৰোপৰি এটাৰ অবিহনে আনটো অর্থহীনো। নিজৰ অধিকাৰৰ প্রতি সচেতন হোৱাৰ লগতে আনৰ প্রতি থকা কর্তব্যৰ প্রতিও সচেতন হ'ব লাগে। তাৰোপৰি, সমাজেই অধিকাৰ আৰু কর্তব্যসমূহ সৃষ্টি, পোহ-পাল আৰু বলবৎ কৰে। 'অধিকাৰ' আৰু 'কর্তব্য' শব্দদুটাক আন এক অর্থতো ব্যৱহাৰ কৰা হয়। এক বিশেষ পৰিস্থিতিত, যদি এটা কর্ম শুদ্ধ হয়, তেন্তে আমি ইয়াক কৰাটো উচিত। ইয়াৰ অর্থ এয়ে যে ইয়াক কৰাটো আমাৰ কর্তব্য। ইয়াত 'উচিত' ৰ সংবেদনেই কর্তব্যৰ সংবেদন।

২.৫.৫ কর্তব্য আৰু সদ্‌গুণ

আমি দেখা পালো যে যেতিয়া আমি এটা কর্মক শুদ্ধ বুলি বিচাৰ কৰোঁ, তেতিয়া আমি অনুভৱ কৰোঁ যে ইয়াক কৰাটো আমাৰ কর্তব্য। আনহাতে, যেতিয়া আমি এটা কর্মক ভুলৰূপে বিচাৰ কৰোঁ, তেতিয়া আমি অনুভৱ কৰোঁ যে ইয়াক কৰাটো আমাৰ কর্তব্য নহয়। সেয়ে, যি শুদ্ধ তাক আমি কৰাটো উচিত। আনহাতে, এই কথা ক'ব পাৰি যে যি শুদ্ধ, তাক কৰাটো আমাৰ কর্তব্য হোৱাৰ লগতে যি কর্ম ভুল, তাক এৰি চলাটোও আমাৰ কর্তব্য। মূল কথাটো এইয়ে যদি আমি অভ্যাসগত ভাৱে আমাৰ কর্তব্যবোৰ পালন কৰোঁ, তেতিয়া আমি সদগুণ বা সততা লাভ কৰিম। ঠিক সেইদৰে, যদি আমি অভ্যাসগত ভাৱে ভুল কাম কৰি যাওঁ, তেতিয়া আমি তাৰ বিপৰীত বিষয় লাভ কৰিম। প্রকৃততে সদগুণ হৈছে চৰিত্রৰ উৎকর্ষ সাধক। কর্তব্য বাহ্য আচৰণৰ লগত জড়িত, কিন্তু সদ্‌গুণ জড়িত আন্তৰিক চৰিত্রৰ লগত। ঠিক একেদৰে, কর্তব্যই এক বিশেষ কর্মক বুজায়, কিন্তু সদ্‌গুণ ব্যক্তিৰ চৰিত্রৰ স্থায়ী প্রৱণতা।

২.৫.৬ নৈতিক অর্হতা, গুণ, দোষ আৰু সদ্‌গুণ

অর্হতাই গুণ (merit) আৰু বিগুণ (demerit) ক বুজায়। গুণাগুণক সামৰা ই এক সমগ্র। গুণ হ'ল এক সদর্থক অর্হতা আৰু বিগুণ হ'ল এক নঞার্থক অর্হতা। প্রকৃততে, গুণ বুলিলে শুদ্ধ কর্ম সম্পাদনৰ পৰা হোৱা আচৰণৰ নৈতিক উত্তোলন। আনহাতে বিগুণ বুলিলে ভুল বা বেয়া কর্ম সম্পাদনৰ পৰা হোৱা আচৰণৰ নৈতিক অধোগতি। আচলতে, 'শুদ্ধ' আৰু 'ভুল' কর্মৰ ক্ষেত্রত উপযোগী, আনহাতে 'গুণ' আৰু 'বিগুণ' চৰিত্র বা আচৰণৰ ক্ষেত্রত উপযোগী। গুণক শুদ্ধ কর্মৰ দ্বাৰা আৰু বিগুণক ভুল কর্মৰ দ্বাৰা প্রকাশ কৰা হয়। সেয়ে, শুদ্ধ কর্মক গুণবান আৰু ভুলকর্মক অগুণবান বুলি কোৱা হয়। তাৰোপৰি, 'শুদ্ধ' আৰু 'ভুল' শব্দদুটা গুণৰ বিচাৰৰ অন্তর্গত; আনহাতে, 'গুণ' আৰু 'বিগুণ' শব্দ দুটা পৰিমাণৰ বিচাৰৰ অন্তর্গত।

২.৫.৭ আত্মগত আৰু বস্তুগত শুদ্ধতা

আমি জানিব পাৰিলো যে, এটা কর্মক যেতিয়া এজন ব্যক্তিৰ দ্বাৰা নির্বাচিত আৰু সম্পাদিত হয়, তেতিয়া তাক শুদ্ধ ৰূপে ঘোষণা কৰা হয়, যদিহে ই প্রকৃততে শ্রেয় কি তাক লৈ আনে। এটা কর্ম শুদ্ধ হয় নে নহয় তাক বিচাৰ কৰাৰ ক্ষেত্রত, আমি সদায় ইয়াক নির্বাচন কৰাত ব্যক্তিজনৰ মনৰ ভাৱভঙ্গীতকৈ প্রাথমিকভাৱে কর্মটোৰ লক্ষ্য নাইবা উপলব্ধিৰ কথাহে চিন্তা কৰোঁ। কিয়নো, নির্বাচন কৰাৰ সময়ত সম্পাদন কৰিবলৈ ওলোৱা কর্মটো সচাঁকৈয়ে ভাল নে বেয়া সেই বিষয়ে ব্যক্তিজনৰ পর্য্যাপ্ত জ্ঞান নাথাকিবও পাৰে। সাধাৰণতে, আমি সেইবোৰ কর্মক শুদ্ধ ৰূপে গ্রহণ কৰোঁ, যিবোৰক শ্রেয়ৰ উপলব্ধিৰ

সময়ত ব্যক্তিসকলৰ দ্বাৰা জানিব পৰা যায়। সেইকাৰণে, কেতিয়াবা আত্মগতভাৱে শুদ্ধ আৰু বস্তুগতভাৱে শুদ্ধৰ মাজত পার্থক্যৰ বিচাৰ কৰা হয়।

আত্মগত শুদ্ধতা নিহিত থাকে কর্ত্তাজনৰ অভিপ্রায়ত আৰু বস্তুগত শুদ্ধতা নিহিত থাকে কর্মৰ পৰিণতিত। প্রকৃততে, আত্মগত শুদ্ধতা নির্ভৰ কৰে ব্যক্তিজনৰ অভিপ্রায় আৰু জ্ঞানৰ ওপৰত, যিজনে শুদ্ধ কর্মক নির্বাচন কৰে। আনহাতে, বস্তুগত শুদ্ধতা নির্ভৰ কৰে প্রকৃত শ্রেয়ৰ ওপৰত, যি আহে শুদ্ধ কর্মৰ দ্বাৰা। অৱশ্যে শ্রেয় নাইবা শ্রেয়ৰ বিষয়বস্তুৰ বিষয়ে ব্যক্তিজনৰ জ্ঞান অসম্পূর্ণও হ'ব পাৰে। সেয়ে, তেওঁৰ আগত যি শুদ্ধ ৰূপে দেখা দিয়ে, সি বস্তুগতভাৱেও যে শুদ্ধ হ'ব সেই সম্পর্কে তেওঁ নিশ্চিত নহবওঁ পাৰে। তেওঁৰ বাবে সিদ্ধান্ত ল'বলৈ অতিশয় কঠিন যে তেওঁৰ আগত দেখা দিয়া কর্মটো শুদ্ধ হয়নে? এইটো উল্লেখনীয় যে, এজন ব্যক্তিৰ অভিপ্রায় বা এজন ব্যক্তিৰ নির্বাচনৰ উপৰি নৈতিকতা বস্তুগত শুদ্ধতাৰ লগত জড়িত নহয়। নৈতিকতা সাব্যস্তকৰণৰ সৈতে এজন ব্যক্তিৰ দ্বাৰা নির্বাচিত শুদ্ধতাৰ সৈতে জড়িত যে ই সচাঁকৈয়ে শ্রেয়ক কঢ়িয়াই আনে। সেয়ে, শুদ্ধতা বিশুদ্ধভাৱে আত্মগতও নহয়, বস্তুগতও নহয়।

২.৬ নৈতিক মতবাদ

যিকোনো নৈতিক অনুসন্ধানৰ কেন্দ্রক নৈতিক মতবাদৰ গঠন বুলি বিশ্বাস কৰা হয়। নৈতিক মতবাদসমূহে আমাক নৈতিকতাৰ দার্শনিক অনুসন্ধানত পথ-প্রদর্শন কৰে। ই হৈছে নৈতিক আদর্শ, প্রমূল্য, প্রথা, আৰু বিভিন্ন নৈতিক নিয়মাৱলী আৰু আচৰণক যুক্তিসিদ্ধ কৰাৰ এক প্রক্রিয়া, যিবোৰ আমাৰ সমাজত সহজে উপলব্ধ। সৰল ভাৱে এক নৈতিক মতবাদে কেতবোৰ মানৱ কর্মক বিচাৰ কৰে বা বিচাৰ কৰিবলৈ প্রয়াস কৰে, যিবোৰ অনুমতিযোগ্য আৰু একে সময়তে যিবোৰ আমাৰ দৈনন্দিন কর্মক্ষেত্রত প্রেৰণাদায়ক উদাহৰণ স্বৰূপেঃ অকাল জন্ম (abortion) সমস্যাটো হৈছে নৈতিকতাৰ এক সমস্যা। এতিয়া প্রশ্ন উদয় হয় যে অকাল জন্মক বিচাৰ কৰিব পাৰিনে? নাইবা কিমান দূৰলৈ ই বিচাৰযোগ্য? যদি উত্তৰটো 'হয়' হয় তেন্তে ই কিয় বিচাৰযোগ্য আৰু যদি ইয়াৰ উত্তৰ 'নহয়' হয়, তেন্তে ই কিয় নহয়? এনেধৰণৰ উত্তৰ দিব পৰা যায় কেৱল কেতবোৰ নৈতিক মতবাদৰ জৰিয়তে। কাৰণ, নৈতিক মতবাদসমূহে যিকোনো নৈতিক সমস্যাৰ হকে বা বিপৰীতে কেতবোৰ যুক্তি দিবলৈ প্রয়াস কৰে আমাৰ দৈনন্দিন জীৱনত আমি যাৰ প্রায়ে সন্মুখীন হওঁ।

এনেধৰণৰ যুক্তিসমূহক বুজিবলৈ আৰু তাক মূল্যাংকন কৰিবলৈ, এক নৈতিক মতবাদে কেতবোৰ বিষয় গ্রহণ কৰে। যেনেঃ-

(ক) গুৰুত্বপূর্ণ ধাৰণাবোৰক স্পষ্ট কৰিবলৈ এক ধাৰণাগত বিষয় আছে, যিবোৰ কোনো নৈতিক সমস্যাৰ ব্যৱহাৰৰ লগত আহে। উদাহনৰণ স্বৰূপেঃ যেতিয়া আমি অকল জন্মৰ সমস্যাটো লওঁ, তেতিয়া মানৱ জীৱন, মর্য্যদা, মৃত্যু, দুখ আৰু জীয়াই থকাৰ দৰে ধাৰণাবোৰৰ দ্বাৰা আচলতে কি বুজায়, সেই সম্পর্কে এক সঠিক বোধ বা জ্ঞানৰ আমাৰ প্রয়োজন আছে।

(খ) নৈতিক সমস্যাক বুজি পোৱাৰ দ্বিতীয়টো গুৰুত্বপূৰ্ণ কাম হৈছে এক নীতিগত নিৰ্দ্দেশাৱলী বিধিবদ্ধ কৰা, যিয়ে আমাক বিভিন্নধৰনৰ নৈতিক দাবীক মূল্যাংকণ কৰিবলৈ সহায় কৰে।

(গ) তৃতীয় মূল কামটোৱে মৌলিক নৈতিক ধাৰণাবোৰৰ মুল্যাংকণক অন্তৰ্ভুক্ত কৰে, যিবোৰক প্ৰায়ে যুক্তি প্ৰদানত বুজিব পৰা যায়। উদাহৰণ স্বৰূপেঃ আত্মহণন ভুল, কাৰণ ইয়াৰ বেয়া পৰিণতি আছে, ইয়াত প্ৰতিজ্ঞা বচনটো হ'ব যে, যদিহে কোনো কৰ্মৰ বেয়া পৰিণতি থাকে, তেন্তে ই ভুল বা অশুদ্ধ।

নৈতিক মতবাদৰ সমসাময়িক ব্যাখ্যা অনুযায়ী এটা নৈতিক মতবাদৰ কমেও দুটা প্ৰধান উদ্দেশ্য থাকে -- (ক) ব্যৱহাৰিক উদ্দেশ্য আৰু

(খ) তাত্বিক উদ্দেশ্য

এটা নৈতিক মতবাদৰ প্ৰধান ব্যৱহাৰিক উদ্দেশ্য হৈছে এটা সিদ্ধান্ত প্ৰক্ৰিয়া আৱিষ্কাৰ কৰা, যাক নৈতিক বিষয়ৰ বিষয়ে এক শুদ্ধ নৈতিক যুক্তিক পথ প্ৰদৰ্শন কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। সিদ্ধান্ত পদ্ধতি এক কৰ্মপদ্ধতিমূল পদ্ধতি, যি নৈতিক চিন্তা আৰু যুক্তি বিচাৰৰ ব্যাখ্যাৰ ক্ষেত্ৰত ব্যৱহৃত হয় আৰু যি পৰিণাম স্বৰূপে আমাক বিভিন্ন ধৰনৰ নৈতিক সমস্যা বা বিৰোধক সমাধান কৰিবলৈ সহায় কৰে। আনহাতে, নৈতিক মতবাদৰ তাত্বিক উদ্দেশ্য জড়িত হয় শুদ্ধ আৰু ভুল, ভাল আৰু বেয়াৰ ভিত্তি স্বৰূপ স্বভাৱৰ বোধগম্যতাৰ লগত। যেতিয়া কোনোৱে দাবী কৰে যে, এটা কৰ্ম নৈতিকভাৱে ভুল ই তেওঁলোকক প্ৰশ্ন কৰে যে তেওঁ কিয় তেনেদৰে ভাবিলে।

আমি জানিব পাৰিলো যে এটা নৈতিক মতবাদৰ শুদ্ধ নৈতিক বিচাৰ গঠনৰ বাবে এক সিদ্ধান্ত প্ৰণালীক যোগান ধৰাৰ ব্যৱহাৰিক উদ্দেশ্য থকাৰ লগতে নৈতিক নিয়ম যোগানৰ তাত্বিক উদ্দেশ্যও আছে, যিয়ে নৈতিকতাৰ মাজত নিহিত স্বভাৱ ব্যাখ্যা কৰে। ছয়টা বৈশিষ্ট্যৰ এখন তালিকা আছে, আৰু ব্যৱহাৰিক আৰু তাত্বিক উদ্দেশ্য সম্পন্ন কৰিবলৈ এটা নৈতিক মতবাদৰ এই সমূহ বৈশিষ্ট্য থকাটো বাঞ্ছনীয়। সেয়া হৈছে --

(ক) সামঞ্জস্য বা সংগতি (Consistency) ঃ এটা নৈতিক মতবাদ সঙ্গঁতিপূৰ্ণ হোৱাটো উচিত এই অৰ্থত যে ইয়াৰ নীতিসমূহ, প্ৰাসংগিক তথ্যভিত্তিক জ্ঞানৰ লগতে কৰ্মৰ নৈতিকতা, ব্যক্তি আৰু নৈতিক মূল্যায়ণৰ অন্যান্য বিষয়ৰ লগত সঙ্গঁতিপূৰ্ণ হ'ব লাগে।

(খ) দৃঢ়তা (Determinacy) ঃ এটা নৈতিক মতবাদৰ তথ্যভিত্তিক জ্ঞানৰ লগতে এক ব্যাপক পৰিসৰত কৰ্মৰ নৈতিকতা, ব্যক্তি আৰু মূল্যায়নৰ অন্যান্য বিষয় সম্বন্ধে স্বীকৃত দৃঢ় নৈতিক ৰায় থকাটো উচিত।

(গ) স্বজ্ঞাজনিত আৱেদন (Intuitive appeal) ঃ এটা নৈতিক মতবাদে নৈতিকতা সম্পৰ্কে বিভিন্নধৰণৰ স্বজ্ঞাজনিত আবেদনসম্পন্ন বিশ্বাস আৰু ধাৰণাৰ অৰ্থৰ বিকাশ কৰিব লাগে।

(ঘ) আন্তৰিক সমৰ্থন (Internal support) ঃ এটা নৈতিক মতবাদ, যাৰ প্ৰাসংগিক তথ্যমূলক জ্ঞানৰ লগত একেলগে নীতিসমূহে আমাৰ বিবেচিত নৈতিক বিশ্বাস আৰু যুক্তিসঙ্গঁতভাৱে নিঃসৃত কৰে আৰু সেই বিশ্বাসসমূহৰ পৰা আন্তৰিক সমৰ্থন গ্ৰহণ কৰে।

আনহাতে, যদি এটা মতবাদৰ নীতিসমূহৰ সিদ্ধান্তবোৰৰ আমাৰ বিবেচিত বিশ্বাসসমূহৰ লগত সংঘাত থাকে, তেন্তে ই হয় মতবাদটোৰ শুদ্ধতাৰ বিপৰীতে প্রমাণ।

(ঙ) ব্যাখ্যাত্মক ক্ষমতা (Explanatory Power) ঃ এটা নৈতিক মতবাদৰ এনে নীতি থকাটো উচিত, যিয়ে আমাৰ নিদৃষ্ট বিবেচিত নৈতিক বিশ্বাসবোৰক ব্যাখ্যা কৰে আৰু এনেকৈয়ে আমাক বুজিবলৈ সহায় কৰে কিয় কর্ম, ব্যক্তি আৰু নৈতিক মূল্যায়ণৰ অন্যান্য বিষয়সমূহ শুদ্ধ নাইবা ভুল, ভাল নাইবা বেয়া।

(চ) বাহ্যিক সমর্থন (External support) ঃ অ-নৈতিক অনুসন্ধানৰ বিভিন্ন ক্ষেত্রৰ পৰা প্রতিষ্ঠিত বিশ্বাস আৰু ধাৰণাসমূহকে ধৰি অ-নৈতিক বিশ্বাস আৰু ধাৰণাবোৰৰ দ্বাৰা সমর্থিত এটা নৈতিক মতবাদৰ নীতিসমূহ নিজৰ পক্ষে কেতবোৰ প্রমাণ। আনহাতে, প্রতিষ্ঠিত অ-নৈতিক বিশ্বাস আৰু ধাৰণাসমূহৰ সৈতে বিৰোধ হোৱা নীতিসমূহ মতবাদটোৰ বিপৰীতে প্রমাণ।

সি যি কি নহওঁক, এইবোৰৰ উপৰিও আন কেতবোৰ সহযোগী মান বা আদর্শ আছে, যিবোৰক নৈতিক মতবাদৰ মূল্যায়ণত দার্শনিকসকলে উল্লেখ কৰে। উদাহৰণ স্বৰূপে ঃ- কর্মৰ নৈতিকতা সম্পর্কে সিদ্ধান্তসমূহত এটা নৈতিক মতবাদ বেছি নাইবা কম দৃঢ় হ'ব পাৰে। আকৌ, এই কথা মনত ৰাখিবলগীয়া যে এইসমূহ মান অনুযায়ী যিকোনো এটা মতবাদ কিমান ভাল হ'ব; নৈতিক মতবাদসমূহে এটাৰ লগত আনটোক তুলনা কৰে এই কথা চাবলৈ যে প্রাসংগিক মানবোৰক সন্তুষ্ট কৰাত ইহঁত কিমান ভাল। তাৰোপৰি, এইসমূহ মানৰ কিছুমান বিতর্কমূলক। স্বজ্ঞাজনিত আবেদন আৰু সঙ্গঁতিৰ মানসমূহ সম্পূর্ণৰূপে অবিতর্কমূলক; কিন্তু আন কিছুমান, যেনেঃ- আন্তৰিক সমর্থনৰ নীতিবোৰ কেতবোৰ দার্শনিকৰ প্রশ্নৰ দ্বাৰা মুখামুখী হয়।

যিকোনো নৈতিক মতবাদৰ গঠনে কেতবোৰ আইন নাইবা নীতিৰ গঠন নাইবা কেতবোৰ প্রতিজ্ঞা, যাৰ ওপৰত আমি বিভিন্ন ব্যুৎপন্ন নিঃসৃত কৰিব পাৰো, তাকো সামৰি লয়। এটা প্রকৃত নৈতিক সমস্যাৰ সৈতে লেনদেনত নীতিসমূহৰ গঠন সদায় কৃতকার্য্য নহবওঁ পাৰে। তেনে পৰিপ্রেক্ষিতত যিকোনো বিশেষ নীতিৰ অসঙ্গঁতাৰ বাবে বহুতো মতবাদে যুক্তি দর্শায়। উদাহৰণ স্বৰূপে ঃ- কাণ্টৰ কর্তব্যমূলক নৈতিক মতবাদৰ দৰে সদ্‌গুণৰ মতবাদে যিকোনো নীতিক স্থায়ী নকৰে। বিকল্প হিচাপে তেওঁলোকে কেতবোৰ সদ্‌গুণবিশিষ্ট কর্মক ৰক্ষণা-বেক্ষণ দিবলৈ চেষ্টা কৰে, যিবোৰ যিকোনো মানুহৰ বাবে নৈতিক ভাৱে প্রয়োজনীয়।

সেয়ে, আমি দেখা পালো যে সাংস্কৃতিক আপেক্ষিকতাবাদ, নৈতিক অহংবাদ, স্বর্গীয় আদেশবাদ, সদগুণৰ নীতিবিজ্ঞান, উপযোগীতাবাদ, কর্তব্যমূলক মতবাদ, কাণ্টৰ মতবাদ, আদি যিয়েই নহওঁক নৈতিক মতবাদসমূহৰ কিছুমান নিশ্চিত উদ্দেশ্য আৰু নীতি থকাটো উচিত, যিবোৰৰ জৰিয়তে নিশ্চিত কর্মবোৰক বিচাৰ কৰাৰ লগতে নৈতিক সমস্যাবোৰকো সমাধান কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষন

প্রঃ নং ১ ঃ নৈতিকতা কি ?

.....

প্রঃ নং ২ ঃ 'ethics' আৰু 'morality' শব্দ দুটাৰ মাজত কিবা পার্থক্য আছেনে?

.....

প্রঃ নং ৩ ঃ 'নৈতিকতা' শব্দটোৰ সংজ্ঞা নির্ণয় কৰা আৰু ইয়াৰ ব্যৱহাৰৰ বিভিন্ন অর্থবোৰ কি কি? উল্লেখ কৰক

.....

প্রঃ নং ৪ ঃ নৈতিকতাৰ বিভিন্ন ধৰণৰ ধাৰণাসমূহ কি কি ?

.....

.....

প্রঃ নং ৫ ঃ নৈতিক মতবাদে এটা নৈতিক সমস্যাক সমাধান কৰিব পাৰে বুলি তুমি ভাৱেনে?

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'ethics' আৰু 'morality' শব্দ দুটায়ে এটাৰ লগত আনটো অতি ঘনিষ্টভাৱে সম্পর্কযুক্ত। 'ethics' নৈতিকতা আৰু ইয়াৰ সমস্যা আৰু বিচাৰৰ লগত জড়িত। 'morality' (নৈতিকতা) এনে এক ব্যৱস্থা, যাৰ জৰিয়তে আমি শুদ্ধ আৰু ভুল আচৰণক নির্দ্ধাৰণ কৰোঁ আৰু 'ethics' হৈছে নৈতিকতা 'morality' ৰ দার্শনিক অধ্যয়ণ।
- নৈতিকতা হৈছে এক সামাজিক অনুষ্ঠান যাৰ আছে শিক্ষনীয় নীতিৰ এক নিয়মাৱলী। ই মানুহৰ নিজস্ব পথ-প্রদর্শনৰ বাবে কেৱল এক অনুসন্ধান নহয়। তাতকৈ ই হৈছে ব্যক্তি নাইবা সুক্ষ্ম গোটবোৰৰ পথ-প্রদর্শনৰ বাবে সামগ্রিকভাৱে সমাজৰ এক আঁহিলা।
- আমি জানো যে নৈতিকতা হৈছে এক অনুষ্ঠান, যাৰ জৰিয়তে কর্মবোৰৰ বিচাৰ কৰিব পৰা যায়। সেয়ে, যিকোনো নৈতিক অনুসন্ধানক কেতবোৰ নৈতিক মতবাদে আগবঢ়াই নিয়াটো উচিত, যিয়ে আমাক নৈতিকতাৰ দার্শনিক অনুসন্ধানত পথ-প্রদর্শন কৰিব পাৰে। আটাইতকৈ গুৰুত্বপূর্ণ এই যে প্রত্যেক নৈতিক মতবাদৰ কেতবোৰ উদ্দেশ্য আৰু নীতি থকাটো উচিত, যাৰ জৰিয়তে আমি এক প্রকৃত নৈতিক সমস্যাৰ লগত আদান-প্রদান কৰিব পাৰোঁ আৰু সদগুণযুক্ত কর্মক ৰক্ষণাবেক্ষন দিব পাৰো, যি এজন ব্যক্তি নাইবা এখন সমাজৰ কল্যানৰ নিমিত্তে নৈতিকভাৱে আৱশ্যকীয়।



২.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্ৰ*

২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্ৰ*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*

২.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নৈতিকতা জীৱনৰ এক সামাজিক অনুষ্ঠান ইয়াৰ সদস্যসকলৰ বৌদ্ধিক আত্ম-পথ- প্ৰদৰ্শন নাইবা আত্ম দৃঢ়তাই ইয়াৰ উদ্দেশ্য বুলি ভৱা হয়। আন কথাত, ইয়াক কোৱা হয় যে নৈতিকতাই আমাক আত্ম-পৰিচালিত হ'বলৈ সহায় কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃততে, 'moral' আৰু 'ethics' শব্দ দুটা পাৰস্পৰিক বিনিময়যুক্ত। 'morality' (নৈতিকতা) হৈছে এক ব্যৱস্থা, যাৰ জৰিয়তে আমি শুদ্ধ আৰু ভুল আচৰণক নিৰ্দ্ধাৰন কৰিব পাৰো। অৰ্থাৎ, ই হৈছে ভাল আৰু শুদ্ধ আচৰনৰ পথ-প্ৰদৰ্শক আনহাতে, 'ethics' হৈছে 'morality' (নৈতিকতা) দাৰ্শনিক অধ্যয়ণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'morality' (নৈতিকতা) শব্দটো হয় বৰ্ণনামূলক নহয় আদৰ্শমূলক অৰ্থত ব্যৱহাৰ কৰিব পাৰি। বৰ্ণনামূলক অৰ্থত, ই সমাজ নাইবা এটা গোটে আগবঢ়োৱা আচৰণৰ কেতবোৰ নিয়মাৱলীক নিৰ্দ্দেশ কৰে। যেনেঃ ধৰ্ম, নাইবা এজন ব্যক্তিৰ নিজস্ব ব্যৱহাৰৰ বাবে গৃহীত নিয়মাৱলী। আনহাতে, আদৰ্শমূলক ভাৱে ই নিৰ্দ্দেশ কৰে আচৰণৰ এক নিয়মাৱলী, যিয়ে বিশেষ কেতবোৰ চৰ্ত দিয়ে। এইবোৰ সকলো চিন্তাশীল মানুহৰ দ্বাৰা আগবঢ়োৱা হয়। মুঠতে, নৈতিকতাৰ যিকোনো সংজ্ঞা, বৰ্ণনামূলকেই হওঁক নাইবা আদৰ্শমূলকেই হওঁক, আচৰণৰ এক নিয়মাৱলী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আটাইতকৈ মৌলিক নৈতিক ধাৰণাসমূহ হ'ল শুদ্ধ আৰু ভুল, শুদ্ধ আৰু শ্ৰেয়, শ্ৰেয় আৰু পৰম শ্ৰেয়, অধিকাৰ আৰু কৰ্তব্য, কৰ্তব্য আৰু সদগুণ, অৰ্হতা, গুণ আৰু বিগুণ, আৰু সততা বা সদগুণ, বস্তুনিষ্ঠ আৰু আত্মনিষ্ঠ শুদ্ধতা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, এটা নৈতিক মতবাদে এক নৈতিক সমস্যাক সমাধান কৰিব পাৰে। এটা নৈতিক সমস্যা সমাধান কৰিবলৈ, আমি এক বিধিবদ্ধ মতবাদৰ মাজেৰে আগবাঢ়িব লাগিব। আৰু এক স-সংবদ্ধ অনুসন্ধান সম্ভৱ হয় কেৱল নৈতিক মতবাদৰ সহায়েৰেহে।



১.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ 'Ethics' আৰু 'Morality' শব্দ দুটাৰসমান্তৰাল শব্দ ৰোৰ কি কি ?

প্ৰশ্ন নং ২ ঃ পি. এফ্. ষ্ট্ৰচনে নৈতিকতাৰ সম্পৰ্কে কি দাবী কৰিছে?

প্ৰশ্ন নং ৩ ঃ 'The Lonely Crowd' নামৰ কিতাপ খনৰ লেখক কোন ?

(খ) চমু প্ৰশ্ন-(প্ৰতিটো প্ৰশ্নৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ 'শুদ্ধ' (right) আৰু 'শ্ৰেয়' (good) ৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন নং ২ ঃ আত্মগত শুদ্ধতা আৰু বস্তুগত শুদ্ধতা কি?

প্ৰশ্ন নং ৩ ঃ ব্যৱহাৰিক উদ্দেশ্য কি?

প্ৰশ্ন নং ৪ ঃ তাত্বিক উদ্দেশ্য কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ ঃ নৈতিকতা কি ? 'Ethics' আৰু 'Morality' শব্দ দুটাৰ মাজত কিবা পাৰ্থক্য আছেনে? আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ নৈতিকতাৰ ধাৰণাটোৰ সংজ্ঞা দিয়ক। নৈতিকতাৰ ধাৰণাটোৰ স্বৰূপ সমালোচনাসহ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ নৈতিকতাৰ বিভিন্ন স্তৰবোৰ কি কি ? সমালোচনাসহ আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ নৈতিক মতবাদৰ গুৰুত্ব ব্যাখ্যা কৰক। আপুনি ভাৱেনে যে এটা নৈতিক সমস্যাৰ অনুসন্ধানৰ বাবে নৈতিক মতবাদ প্ৰয়োজনীয়?

প্ৰশ্ন নং ৫ ঃ 'Morality' শব্দটোৰ বৰ্ণনামূলক আৰু আদৰ্শমূলক ব্যৱহাৰ আলোচনা কৰক।

* * * * *

অধ্যায় ৩ ঃ নৈতিক বিচাৰ বা অৱধাৰণৰ স্বৰূপ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ নৈতিক বিচাৰৰ ধাৰণা আৰু স্বৰূপ

৩.৪ নৈতিক বিচাৰৰ কৰ্তা

৩.৫ নৈতিক বিচাৰৰ বিষয়

৩.৬ নৈতিক বিচাৰ আৰু অন্যান্যৰ মাজৰ পার্থক্য

৩.৭ অগ্রগতিৰ নিৰীক্ষণ

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়নৰ মাজেৰে আপোনালোক সক্ষম হ'ব ব্যাখ্যা কৰিবলৈ—

- নৈতিক বিচাৰ বা অৱধাৰণৰ ধাৰণা
- নৈতিক বিচাৰৰ স্বৰূপ
- নৈতিক বিচাৰ আৰু আন বিচাৰৰ মাজত পার্থক্য
- নৈতিক বিচাৰৰ কৰ্তা আৰু বিষয়

৩.২ পৰিচয়

নৈতিক বিচাৰ হৈছে নৈতিক বিবেকৰ প্রধান জ্ঞান সম্বন্ধীয় কাৰক। নৈতিক বিবেক বা নৈতিক সচেতনতা শুদ্ধ আৰু ভুলৰ সচেতনতা। ই হৈছে নৈতিক পার্থক্যবোৰৰ বিবেক বা সচেতনতা। প্রকৃততে, ই হৈছে ক্রিয়া আৰু কর্তাৰ নৈতিক মূল্যৰ সচেতনতা। তাৰোপৰি, শুদ্ধ নাইবা ভুল হিচাপে এটা ক্রিয়াৰ বৈশিষ্ট্যৰ সচেতনতা। নৈতিক বিচাৰৰ সৈতে স্বৈচ্ছিক কর্মৰ তুলনা আৰু বুদ্ধিৰ দ্বাৰা নৈতিক মানৰ স্বজ্ঞাক ই জড়িত কৰে। ই শুদ্ধ নাইবা ভুল হিচাপে স্বৈচ্ছিক কর্মকো জড়িত কৰে। নৈতিক সচেতনতাত তিনিটা কাৰক আছে— (i) জ্ঞানাত্মক বা বুদ্ধিগত কাৰক, (ii) আৱগেৰোধক কাৰক আৰু (iii) ঐচ্ছিক কাৰক বা উপাদান।

নৈতিক সচেতনতাৰ মূল জ্ঞানাত্মক উপাদান হ'ল নৈতিক বিচাৰ। নৈতিক মানৰ প্রসঙ্গৰ সৈতে এটা কর্মৰ নৈতিক গুণৰ উপলব্ধিত ই গঠিত। অধিকাৰ আৰু কর্তব্য, সততা আৰু অসততা, গুণ আৰু দোষ, দায়বদ্ধতা নাইবা দায়ত্ববোধৰ সচেতনতা আদিও নৈতিক সচেতনতাৰ অন্তর্ভুক্ত।

এইবোৰ নৈতিক চেতনাৰ জ্ঞান সম্বন্ধীয় বা বৌদ্ধিক উপাদান। ২য়তে, নৈতিক চেতনাৰ আৱেগিক উপাদানে নৈতিক আৱেগ অনুভূতিক সামৰে। এইবোৰ অনুকুল অভিমত আৰু প্ৰতিকুল অভিমতৰ আৱেগ, যি নৈতিক অৱধাৰণৰ লগত জড়িত। যেতিয়া আমি এক শুদ্ধ কৰ্ম কৰোঁ, তেতিয়া আমি সন্তুষ্টি লাভ কৰোঁ। বেয়া কাম কৰিলে আমাৰ মন স্বাভাৱিকতে বেয়া হয়। সেইদৰে নৈতিক আদৰ্শৰ প্ৰতি আমাৰ এক স্বতঃস্ফূৰ্ত সমীহ থাকে, যদিও আমি সেই আদৰ্শৰ প্ৰতি অনুৰক্ত নহবওঁ পাৰো। নৈতিক চেতনাৰ আৱেগিক উপাদানে নৈতিক অনুৰতিও সামৰে। ভাল বা শ্ৰেয়ৰ আদৰ্শই নৈতিক অনুৰতি উদ্ৰেক কৰে।

নৈতিক চেতনাৰ সৈতে কৰ্মৰ নিৰ্বাচন জড়িত হৈ থাকে। মানুহৰ ভাল কৰ্ম কৰাৰ যি মানসিকতা, এই মানসিকতাইও নৈতিক চেতনাৰ জন্ম দিয়ে। যি কৰ্ম কৰিম বুলি এজন ব্যক্তিয়ে নিৰ্বাচন কৰে, সেই কৰ্ম কৰাৰ বাধ্যবাধকতাও তেওঁ অনুভৱ কৰে। সেয়ে ভাল কৰ্ম কৰাৰ প্ৰৱণতা হ'ল নৈতিক চেতনাৰ এক উল্লেখনীয় উপাদান। এই প্ৰৱণতাই মানুহক কৰ্মত প্ৰবৃত্ত কৰায়। ই ভাল বা শুদ্ধ কৰ্ম কৰিবলৈ আৰু বেয়া কৰ্ম পৰিত্যাগ কৰিবলৈও আমাৰ মাজত প্ৰবৃত্তি জাগ্ৰত কৰে। এই সকলোবোৰ নৈতিক চেতনাৰ ঐচ্ছিক উপাদান।

গতিকে আমি জানিলো যে নৈতিক বিচাৰ বা অৱধাৰণা নৈতিক চেতনাৰ এক জ্ঞানসংক্ৰান্তীয় বা বৌদ্ধিক উপাদান, নৈতিক অনুৰতি বা ভাৱাবেগ হ'ল ইয়াৰ আৱেগিক উপাদান আৰু নৈতিক বাধ্যবাধকতা হ'ল ইয়াৰ ঐচ্ছিক নাইবা ক্ৰিয়াশীল উপাদান।

৩.৩ নৈতিক বিচাৰৰ ধাৰণা আৰু স্বৰূপ

নৈতিক বিচাৰ হ'ল প্ৰমূল্যৰ এক অৱধাৰণ, যি 'কি হোৱা উচিত'ৰ লগত জড়িত। ই তথ্য সম্পৰ্কীয় অৱধাৰণাতকৈ পৃথক। যি ক্ষেত্ৰত নৈতিক অৱধাৰণা প্ৰমূল্যৰ ওপৰত কৰা হয়, তথ্য বিষয়ক অৱধাৰণা কৰা হয় তথ্যৰ ওপৰত। তথ্য বিষয়ক অৱধাৰণাত 'হয়' ক্ৰিয়াটো ব্যৱহৃত হয়। আনহাতে প্ৰমূল্যাত্মক অৱধাৰণাত 'হোৱা উচিত' এই ক্ৰিয়া ব্যৱহৃত হয়। তথ্য বিষয়ক অৱধাৰণা, বিৱৰণমূলক আৰু প্ৰমূল্যাত্মক অৱধাৰণা বিচাৰমূলক। প্ৰকৃততে, নৈতিক অৱধাৰণা কোনো নিৰ্দিষ্ট কৰ্মক শুদ্ধ নাইবা অশুদ্ধ বুলি বিচাৰ বা প্ৰকাশ কৰাৰ এক মানসিক ক্ৰিয়া। মেকেঞ্জিৰ মতে, নৈতিক বিচাৰ হৈছে কোনো নৈতিক আদৰ্শৰ সন্দৰ্ভত কোনো ক্ৰিয়াৰ ওপৰত কৰা বিচাৰ বা অৱধাৰণা। ই নৈতিক মানৰ লগত কৰ্মক তুলনা কৰি ইয়াক শুদ্ধ বা অশুদ্ধ বুলি প্ৰমাণ কৰে। তেওঁ উল্লেখ কৰে যে নৈতিক বিচাৰ তৰ্কীয় অৱধাৰণৰ দৰে নহয়, বৰঞ্চ এক কৰ্মৰ ওপৰত কৰা অৱধাৰণাহে। প্ৰকৃতাৰ্থত, ই তথ্যমূলক অৱধাৰণাৰ পৰা পৃথক এক প্ৰমূল্যৰহে বিচাৰ। ই কৰ্মৰ স্বৰূপ বা প্ৰকৃতি নিৰ্ণয় নকৰে, ইয়াৰ নৈতিক মূল্য অৰ্থাৎ শুদ্ধতা আৰু অশুদ্ধতা নিৰ্ণয় কৰে। আমাৰ কৰ্ম কেনে হোৱা উচিত— এই বিষয়েহে ই আলোচনা কৰে। দাৰ্শনিক মুৰহেড্‌য়ে কয় যে, নৈতিক বিচাৰ এক তৰ্কবিজ্ঞান সংক্ৰান্তীয় বচন নহয়, বৰঞ্চ ই ন্যায় সংক্ৰান্তীয় বিচাৰ সদৃশ।

এই কথা উল্লেখনীয় যে, যেতিয়া আমি কোনো এক ঐচ্ছিক কৰ্ম দেখোঁ, তেতিয়া আমি ইয়াক নৈতিক মানৰ লগত তুলনা কৰোঁ আৰু এনেদৰে এই মানৰ লগত কৰ্মটো খাপ খায়

নে নাখায় তাক বিচাৰ কৰোঁ। আনহাতে আমি ক'ব পাৰো যে ইয়াত আমি জড়িত হওঁ কোনো নির্দিষ্ট কর্মৰ প্রতি নৈতিক মানৰ প্রয়োগৰ লগত। সেয়ে এই কথা পৰিষ্কাৰ যে, নেতিক বিচাৰসমূহ অনুমানধর্মী। অৱশ্যে ই ইয়াক নুবুজায় যে আমাৰ সাধাৰণ নৈতিক বিচাৰসমূহে সদায় ব্যাপক যুক্তি বা অনুমানক জড়িত কৰে। ইয়াত যুক্তিৰ ক্রিয়া খুব এটা ব্যাপক নহয়, সীমিত বা অন্তর্নিহিতহে। জটিল পৰিস্থিতিতহে অনুমান প্রক্রিয়া পূৰামাত্রাই প্রয়োগ হয়। এনেক্ষেত্রত নৈতিক মানৰ প্রয়োগ হৈছে নে নাই, তাৰ পুংখানুপুঙ্খ বিচাৰ কৰা হয়। বেছিভাগ ক্ষেত্রতে নৈতিক অৱধাৰণা অন্তর্প্রজ্ঞামূলক বা অপৰোক্ষ। ব্রেড্লিৰ মতে, নৈতিক বিচাৰসমূহ অন্তর্প্রজ্ঞাত্মক অর্ন্তভুক্তি (intuitive subsumption)। তেওঁৰ মতে, ইয়াত আমি অন্তর্প্রজ্ঞাত্মকভাৱে কোনো এক কর্মক সমাজে স্বীকৃতি দিয়া কোনো নৈতিক নিয়মৰ অধীনলৈ আনি তাৰ শুদ্ধতা আৰু অশুদ্ধতা সম্পর্কে বিচাৰ কৰোঁ। জটিল পৰিস্থিতিতহে আমি সচেতনভাৱে নৈতিক আদর্শৰ লগত কর্ম এটাক তুলনা কৰি শুদ্ধতা-অশুদ্ধতা বিচাৰ কৰোঁ। এইদৰে, জটিল পৰিস্থিতিত নৈতিক বিচাৰৰ অনুমান সম্পর্কীয় বৈশিষ্ট্যই স্পষ্ট সচেতনতা আনি দিয়ে।

আটাইতকৈ উল্লেখযোগ্য দিশটো হৈছে যে, নৈতিক বিচাৰৰ বস্তুগত বৈধতা আছে। ই সেইজন ব্যক্তিৰ আত্মনিষ্ঠ আসক্তি আৰু কু-সংস্কাৰৰ দ্বাৰা নির্দ্ধাৰিত নহয়, যিজনে নৈতিক বিচাৰবোৰ থিৰাং কৰে। এটা কর্ম শুদ্ধ হয়, বিচাৰকর্তাই শুদ্ধ বুলি কোৱাৰ বাবে নহয়, সমগ্র নৈতিক বিশ্বৰ দিশৰ পৰা দৃষ্ট কোনো নির্দিষ্ট পৰিস্থিতিৰ বাবেহে। প্রকৃততে, এক নৈতিক বিচাৰে কেতবোৰ বিশেষ বিষয়ক জড়িত কৰে, যেনে ঃ (i) বিচাৰকর্তা, (ii) বিচাৰৰ বিষয়, (iii) বিচাৰৰ মান, যাৰ মতে এটা কর্মক বিচাৰ কৰা আৰু (iv) নৈতিক বিচাৰৰ ক্ষমতা।

৩.৪ নৈতিক বিচাৰৰ কর্তা (SUBJECT OF MORAL JUDGEMENT)

কোনোবা এজন নিশ্চয়কৈ থাকিব লাগিব, যিয়ে নৈতিক বিচাৰবোৰ আগবঢ়ায়। ইয়েই— এজন কর্তাৰ দাবী কৰে, যিজনে নৈতিক বিচাৰ আগবঢ়ায় বা বিচাৰ কৰে। নৈতিক বিচাৰৰ প্রকৃত অধিকাৰী হ'ল বৌদ্ধিক আত্মা বা আদর্শাত্মক কর্তা। তেওঁহে নৈতিক বিচাৰ কৰে। কর্তাই নিজৰে অভিপ্রায়, অভিলাষ আৰু কর্মকো নৈতিকভাৱে বিচাৰ কৰে। মেকেঞ্জিৰ মতে কর্তা হ'ল সি, যাৰ দৃষ্টিৰ দ্বাৰা একোটা কর্মক শুদ্ধ বা অশুদ্ধ নাইবা ভাল বা বেয়া বুলি বিচাৰ কৰা হয়। তেওঁৰ মতে, এজন ব্যক্তিয়ে এটা কর্ম ভাল নে বেয়া বিচাৰ কৰে একোটা আদর্শগত মানৰ পৰিপ্রেক্ষিতত। আনহাতে, নৈতিক ইন্দ্রিয়ৰ সূত্রৰ প্রবক্তা ছেফ্টবাৰিয়ে কয়, যেনেকৈ এজন কলাকাৰে সৌন্দর্য মূল্যায়ণৰ কাৰণে শিল্প-সমালোচকৰ ওচৰ চাপে ঠিক তেনেকৈ, যেতিয়া আমি আচৰণৰ সৈতে জড়িত হওঁ, তেতিয়া আমি নৈতিক সমালোচকৰ কায চাপোঁ। কিন্তু ছেফ্টবাৰিৰ এই মত নীতিশাস্ত্রৰ ক্ষেত্রত গ্রহণযোগ্য নহয়। কিয়নো, নীতিশাস্ত্রৰ ক্ষেত্রত পৰিণতিক বিচাৰ কৰা নহয়, এটা কর্মকহে বিচাৰ কৰা হয়। যিজন ব্যক্তিয়ে কামটো কৰে, তেওঁ নিজেই কামটো বিচাৰ কৰে। যদিহে, তেওঁৰ কামটো অশুদ্ধ, তেন্তে এই অশুদ্ধতা নির্দ্ধাৰিত হয় কর্তাৰ দ্বাৰাহে, নৈতিক সমালোচকৰ দ্বাৰা নহয়। কর্তাই যেতিয়া তেওঁ কৰা কর্মৰ ওপৰত বিচাৰ-বিবেচনা কৰে, তেতিয়াই কর্মটোৰ শুদ্ধতা আৰু অশুদ্ধতাৰ ওপৰত

বিচাৰ কৰা হয়। সেয়ে, নৈতিক সমালোচকজন নৈতিক বিচাৰকৰ্তা নহয়; তেওঁহে বিচাৰকৰ্তা যি কৰ্মটো কৰে। সেই বাবে আদৰ্শ বা বৌদ্ধিক আত্মাই হ'ল নৈতিক বিচাৰৰ কৰ্তা।

আন এজন দাৰ্শনিক আদম্ স্মিথেও ছেফ্টবাৰিৰ দৰেই মত পোষণ কৰিছে আৰু তেওঁ কয় যে, এক নিৰপেক্ষ দৰ্শক হিচাপে ব্যক্তি এজনে নৈতিক বিচাৰ তেওঁৰ নিজৰ কৰ্মৰ ওপৰতো কৰে আৰু আনৰ কৰ্মৰ ওপৰতো কৰে। দৰাচলতে, আমি অন্য মানুহৰ আচৰণ আৰু চৰিত্ৰৰ ওপৰত নৈতিক বিচাৰ কৰোঁ। ঠিক সেইদৰে আনেও আমাৰ আচৰণ আৰু চৰিত্ৰৰ ওপৰত নৈতিক বিচাৰ কৰে। সেয়ে, আমি নিজৰ অভিপ্ৰায়, অভিলাষ আৰু কৰ্মৰ ওপৰত বিচাৰ বিমৰ্ষ কৰোঁ আৰু এই কৰ্মই আনৰ অনুমোদন লাভ কৰে, তাক জানিবলৈ উদ্বিগ্ন হওঁ। সেই কাৰণেই আমি নিজৰ আচৰণৰে দৰ্শক হওঁ। এই সন্দৰ্ভত আদম স্মিথে 'নিৰপেক্ষ দৰ্শক' (Impartial Spectator)ৰ ধাৰণাটো আগবঢ়াইছে, য'ত এজন ব্যক্তিয়ে তেওঁৰ নিজা দৃষ্টিকোণৰ পৰা নিজকে বিচাৰ-বিবেচনা কৰে আৰু সেইজন ব্যক্তিৰ দৃষ্টিকোণৰ পৰাও বিচাৰ কৰে, যাৰ আচৰণক পৰীক্ষা আৰু বিচাৰ কৰা হয়। স্মিথ্ৰ মতে, নৈতিক বিচাৰ কৰোঁতে মানুহৰ বিভিন্ন মতৰ পৰা আৰম্ভ কৰি আমাৰ নিজৰ বিবেক নামৰ উচ্চ পৰ্যায়ৰ বিচাৰকৰ প্ৰতি আমি বিচাৰ প্ৰাৰ্থনা কৰোঁ— যি উচ্চ পৰ্যায়ৰ বিবেকক 'নিৰপেক্ষ দৰ্শক' নামে অভিহিত কৰা হয়।

আদম স্মিথৰ এই মতামতৰ সত্যতা আছে। নৈতিক বিচাৰৰ দৃষ্টিকোণ হ'ল নিৰপেক্ষ বিবেকৰ দৃষ্টিকোণ। আমি নিজৰ কৰ্মক নিৰপেক্ষ দৰ্শকৰূপে চাব লাগে, যেনেকৈ আমি আনৰ কৰ্মক চাওঁ। এজন ব্যক্তিৰ মাজত থকা দৰ্শক বা বিচাৰকজন হ'ল আদৰ্শ আত্মা। বিচাৰকৃত লোকজন হ'ল বাস্তৱ আত্মা। এতেকে, চেতনাবোধ সমাজৰ লগত হোৱা আদান-প্ৰদানৰ দ্বাৰা বিকশিত হয়। কিন্তু ইয়াৰ দ্বাৰা এইটো নুবুজায় যে প্ৰথমে আমি আনৰ কৰ্মৰ বিচাৰ কৰোঁ, তাৰ পাছত নিজৰ কৰ্ম বিচাৰ কৰোঁ। প্ৰকৃততে, প্ৰথমে আমাৰ নিজৰ অভিপ্ৰায় আৰু অভিলাষৰ প্ৰতি স্পষ্টকৈ সচেতন হওঁ আৰু তাক ভাল বা বয়ো বুলি বিচাৰ কৰোঁ। তাৰ পাচতহে আমি আমাৰ নিজস্ব অভিজ্ঞতাৰ ভিত্তিত আন ব্যক্তিৰ অভিপ্ৰায় আৰু অভিলাষক তেওঁলোকৰ কৰ্মৰ দ্বাৰা অনুমান কৰোঁ। এই দিশৰ পৰা আদম স্মিথক সহানুভূতিক স্বজ্ঞাৰ এজন পৃষ্ঠপোষক বুলিব পাৰি।

৩.৫ নৈতিক বিচাৰৰ বিষয় (OBJECT TO MORAL JUDGEMENT)

আমি দেখা পাইছো যে প্ৰত্যেক ব্যক্তিয়ে নিজা ইচ্ছা অনুযায়ী তেওঁলোকৰ ইচ্ছা, অভিপ্ৰায় আৰু ক্ৰিয়াবোৰ নিৰ্বাচন কৰে। ইয়াত ব্যক্তিজন হৈছে কৰ্তা, যিয়ে বিচাৰ কৰে আৰু তেওঁৰ কৰ্মসমূহ হৈছে নৈতিক বিচাৰৰ বিষয়, যাক বিচাৰ কৰা হয়। কিন্তু প্ৰশ্নটো হ'ল যে কেনে ধৰণৰ কৰ্ম তেওঁলোকে নিৰ্বাচন কৰে, নাইবা কেনেধৰণৰ কৰ্ম নৈতিক বিচাৰৰ বিষয় হয়। এই কথা লক্ষণীয় যে ঐচ্ছিক আৰু আভ্যাসিক কৰ্মবোৰেই নৈতিক বিচাৰৰ বিষয়। আভ্যাসিক কৰ্মবোৰ নৈতিক বিচাৰ বা অৱধাৰণাৰ বিষয়, কিয়নো কেৱল ঐচ্ছিক কৰ্মবোৰকহে শুদ্ধ বা অশুদ্ধ বুলি বিচাৰ কৰিব পৰা যায়। ঐচ্ছিক কৰ্মবোৰৰ লগত ইচ্ছাৰ স্বাতন্ত্ৰ্যতা জড়িত হৈ থাকে। ঐচ্ছিক কৰ্মৰ তিনিটা প্ৰধান স্তৰ আছে; যেনে (১) মানসিক স্তৰ, যি ক্ৰিয়া-উৎস, অভিপ্ৰায়, অভিলাস বা উদ্দেশ্য, কামনা, বিচাৰ, নিৰ্বাচন, সিদ্ধান্ত, নিশ্চয়কৰণ আদি সামৰে। (২) শাৰীৰিক ক্ৰিয়াৰ

স্তৰ আৰু (৩) পৰিণতিৰ বাহ্যস্তৰ। গতিকে আমি দেখা পালো যে, ক্ৰিয়াৰ নিৰ্বাচন, ক্ৰিয়া সম্পাদন আদি কৰ্মৰ পৰিণতি হৈছে ঐচ্ছিক কৰ্মৰ প্ৰধান স্তৰ বা উপাদান। কিন্তু এইখিনিতে এটা প্ৰশ্ন আহে; আমি নৈতিক বিচাৰ অভিপ্ৰায়ৰ ওপৰত কৰোঁ যে, ইয়াৰ পৰিণতিৰ ওপৰত কৰোঁ? এই সন্দৰ্ভত সুখবাদীসকল আৰু অন্তৰ্জ্ঞানবাদীসকলৰ মাজত মতবিৰোধ থকা দেখা যায়। সুখবাদীসকলৰ মতে, এটা কৰ্মৰ শুদ্ধতা নাইবা অশুদ্ধতা নিৰ্ভৰ কৰে পৰিণতিৰ ওপৰত। আনহাতে, অন্তৰ্জ্ঞানবাদীসকলে ভাৱে যে, শুদ্ধত আৰু অশুদ্ধ নিৰ্ভৰ কৰে অভিপ্ৰায়ৰ ওপৰত। বেন্থাম আৰু জে. এচ. মিলৰ দৰে দাৰ্শনিকসকলে উল্লেখ কৰে যে, অভিপ্ৰায়বোৰ ভাল হ'ব নে বেয়া হ'ব ই নিৰ্ভৰ কৰে সিহঁতৰ ফল বা পৰিণামৰ ওপৰত। কিন্তু ইমানুৱেল কাণ্টৰ দৰে দাৰ্শনিকসকলে দাবী কৰে যে, আমাৰ কৰ্মৰ পৰিণামে সিহঁতৰ নৈতিক মূল্য প্ৰদান কৰিব নোৱাৰে। কাণ্টৰ মতে, এটা কৰ্মৰ নৈতিক গুণ নিৰ্দ্ধাৰিত হয় সদ্‌ইচ্ছাৰ দ্বাৰা, যিয়ে ইয়াক প্ৰণোদিত কৰে, ইয়াৰ পৰিণামৰ ওপৰত নহয়।

যদিও বিভিন্ন দাৰ্শনিকে তেওঁলোকৰ বিভিন্ন মতামত আগবঢ়াইছে, এই কথা পৰিষ্কাৰ যে অভিপ্ৰায় আৰু পৰিণাম দুয়োটায়ে নৈতিক বিচাৰৰ বিষয়। ইহঁতৰ ইটোৱে সিটোৰ বিৰোধীতা নকৰে। প্ৰকৃততে, অভিপ্ৰায় হৈছে বাহ্যিক পৰিণামৰ আভ্যন্তৰীণ ধাৰণা, ঠিক সেইদৰে, পৰিণাম হৈছে আভ্যন্তৰীণ অভিপ্ৰায়ৰ বাহ্যিক প্ৰকাশ। অভিপ্ৰায় আৰু পৰিণাম প্ৰায় একেই, আৰু সেয়ে দুয়োটায়ে নিঃসন্দেহে নৈতিক বিচাৰৰ বিষয়। কিন্তু কেতিয়াবা দেখা যায় যে, অভিপ্ৰায় ভাল হ'লেও, পৰিণতি ভাল নহ'বও পাৰে। ঠিক একেদৰে, কেতিয়াবা অভিপ্ৰায় বেয়া হ'লেও পৰিণতি ভাল হ'ব পাৰে। গুৰুত্বপূৰ্ণ কথা এই যে এটা কৰ্মৰ নৈতিকতা নিৰ্ভৰ কৰে অভিপ্ৰায়ৰ ওপৰত, য'ৰ পৰা কৰ্মটো কৰা হয়। প্ৰকৃততে, যেতিয়া আভ্যন্তৰীণ অভিপ্ৰায় আৰু আন আন পৰিণতিৰ মাজত কোনো বিবাদৰ উদয় হয়, তেতিয়া এটা কৰ্মৰ নৈতিক গুণ নিৰ্দ্ধাৰিত হয় আভ্যন্তৰীণ অভিপ্ৰায়ৰ দ্বাৰা, পৰিণতিৰ দ্বাৰা নহয়। নৈতিক বিচাৰৰ বিষয় হিচাপে অভিপ্ৰায় আৰু উদ্দেশ্য বা অভিলাষৰ সন্দৰ্ভত দাৰ্শনিকসকলৰ মাজত মতানৈক্য থকা দেখা যায়। দাৰ্শনিক বেন্থামে উল্লেখ কৰে যে, অভিপ্ৰায় মূলতঃ সুখ বা দুখৰ বাদে আন একো নহয়, যি সুখ বা দুখে কোনো নিৰ্দিষ্ট ধৰণৰে ক্ৰিয়া কৰে। বেন্থামে উদ্দেশ্য বা অভিলাষক কৰ্মৰ উদ্দেশ্য বা লক্ষ্যৰ অৰ্থত লৈছে, যি উদ্দেশ্যই কৰ্তাজনক কাম কৰিবলৈ উদগায় বা কাম কৰাৰ পৰা বিৰত ৰাখে। সেয়ে, তেওঁ অভিলাষকহে নৈতিক বিচাৰৰ বিষয়ৰূপে গণ্য কৰিছে। ঠিক সেইদৰে, জে.এচ. মিলেও অভিলাষকেই নৈতিক বিচাৰৰ বিষয় হিচাপে গণ্য কৰিছে। কিন্তু আমি ক'ব নোৱাৰো যে কেৱল অভিলাষেই নৈতিক বিচাৰৰ বিষয়। অভিপ্ৰায় হৈছে কৰ্তাই নিৰ্বাচন কৰা লক্ষ্যৰ এক ধাৰণা। ই অভিলাষৰ এক অংশ। অভিলাষে কৰ্তাই নিৰ্বাচন কৰা লক্ষ্য আৰু উপায় উভয়ৰে ধাৰণাক সামৰে। প্ৰকৃততে, অভিলাষ এক বিচ্ছিন্ন মানসিক প্ৰপঞ্চ নহয়। ই হ'ল চৰিত্ৰৰ অভিব্যক্তি। ই সদায় মনৰ স্থায়ী প্ৰৱণতাৰ দ্বাৰা নাইবা পুনঃ পুনঃ সম্পাদিত ঐচ্ছিক কৰ্মৰ দ্বাৰা আৰ্জিত চৰিত্ৰৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সেইবাবে, চৰিত্ৰও নৈতিক বিচাৰৰ বিষয়।

৩.৬ নৈতিক বিচাৰ আৰু অন্যান্য বিচাৰৰ মাজত প্ৰভেদ

নৈতিক বিচাৰ বা অৱধাৰণাসমূহ তৰ্কীয় অৱধাৰণা আৰু সৌন্দৰ্যাত্মক অৱধাৰণৰ দৰে আন আন অৱধাৰণাৰ পৰা পৃথক। আমি জানো যে নীতিবিজ্ঞান, তৰ্কবিজ্ঞান, সৌন্দৰ্যবিজ্ঞান আদৰ্শমূলক বিজ্ঞান। এইবোৰে জীৱনৰ পৰম আদৰ্শ তিনিটাৰ স্বৰূপ নিৰূপণ কৰে। নীতিবিজ্ঞান সৰ্বোচ্চ শ্ৰেয় বা পৰম শ্ৰেয়ৰ লগত জড়িত। তৰ্কবিজ্ঞান সত্যতাৰ আদৰ্শৰ লগত জড়িত। সৌন্দৰ্য বিজ্ঞান সুন্দৰৰ আদৰ্শৰ লগত জড়িত। এইদৰে তৰ্কীয় অৱধাৰণাই সত্যতাৰ আদৰ্শক নিৰ্দেশ কৰে। কিন্তু নৈতিক বিচাৰ বা অৱধাৰণে পৰম শ্ৰেয়ৰ আদৰ্শক নিৰ্দেশ কৰে। বাকী সকলো অৱধাৰণা সমালোচনাত্মক নাইবা প্ৰশংসামূলক অৱধাৰণা। কেৱল নৈতিক অৱধাৰণাত নৈতিক অনুৰতি (moral sentiment) আৰু নৈতিক বাধ্যবাধকতা জড়িত হৈ থাকে, কিন্তু তৰ্কীয় অৱধাৰণা আৰু সৌন্দৰ্যাত্মক বিজ্ঞানত নাথাকে। সেয়ে, যেতিয়া আমি কৰ্ম শুদ্ধ বুলি বিচাৰ কৰোঁ, তেতিয়া ইয়াক সম্পাদন কৰিবলৈ আমি আৱশ্যকবোধ কৰোঁ। আনহাতে, যেতিয়া কোনো কৰ্মক অশুদ্ধ বুলি বিচাৰ কৰা হয়, তেতিয়া তাৰ পৰা বিৰত থকাৰ আৱশ্যকতা আমি অনুভৱ কৰোঁ। আচলতে অনুমোদন, অননুমোদন, অনুশোচনা আদিক নৈতিক অনুৰতি (moral sentiments) ৰূপে জনা যায়। নৈতিক বাধ্যবাধকতা কৰ্তব্য নাইবা ঔচিত্যৰ সংবেদন। নৈতিক বিচাৰসমূহ স্বভাৱতঃ বাধ্যতামূলক আৰু নৈতিক অনুৰতি সঙ্গত। সেইবাবে, ইয়াক তৰ্কীয় নাইবা সৌন্দৰ্যমূলক বিচাৰলৈ ৰূপান্তৰ কৰিব নোৱাৰি, য'ত নৈতিক বাধ্যবাধকতা আৰু নৈতিক অনুৰতিৰ অভাৱ থাকে।



অগ্ৰগতি নিৰীক্ষন

প্ৰঃ নং ১ ঃ নৈতিক বিচাৰ বা অৱধাৰণা কি?

.....

প্ৰঃ নং ২ ঃ নৈতিক বিবেকৰ প্ৰধান স্তৰসমূহ কি কি?

.....

প্ৰঃ নং ৩ ঃ নৈতিক বিচাৰৰ প্ৰধান উপাদানসমূহ কি কি?

.....

প্ৰঃ নং ৪ ঃ কেনেধৰণৰ ক্ৰিয়াবোৰ নৈতিক বিচাৰৰ বিষয়?

.....

প্ৰঃ নং ৫ ঃ ঐচ্ছিক ক্ৰিয়াৰ প্ৰধান স্তৰসমূহ কি কি?

.....



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৈতিক বিচাৰ হৈছে নৈতিক বিবেকৰ প্ৰধান জ্ঞানসম্বন্ধীয় কাৰক। ই হৈছে শুদ্ধ নাইবা ভুল হিচাপে এটা ক্ৰিয়াৰ বৈশিষ্ট্যৰ সচেতনতা। নৈতিক বিচাৰৰ সৈতে স্বৈচ্ছিক কৰ্মৰ

তুলনা আৰু বুদ্ধিৰ দ্বাৰা নৈতিক মানৰ স্বজ্ঞাক ই সামৰে। নৈতিক সচেতনতাত তিনিটা উপাদান আছে— (i) জ্ঞানাত্মক বা বুদ্ধিগত কাৰক, (ii) আৱেগবোধক কাৰক বা উপাদান আৰু (iii) ঐচ্ছিক কাৰক বা উপাদান।

- নৈতিক বিচাৰ হৈছে প্ৰমূল্যৰ এক বিচাৰ, যি 'কি কৰা উচিত'ৰ লগত জড়িত। নৈতিক-অৱধাৰণা প্ৰকৃততে কোনো নিৰ্দিষ্ট কৰ্মক শুদ্ধ নাইবা অশুদ্ধ বুলি বিচাৰ কৰাৰ বা প্ৰকাশ কৰাৰ এক মানসিক প্ৰক্ৰিয়া। এটা কৰ্মৰ নৈতিক গুণ স্বীকাৰ কৰা হয়, যেতিয়া আমি কোনো এক ঐচ্ছিক কৰ্মক দেখোঁ, তেতিয়া আমি ইয়াক নৈতিক মানৰ লগত তুলনা কৰোঁ আৰু এনেদৰে এই মানৰ লগত কৰ্মটো খাপ খায় নে নাখায়, তাক বিচাৰ কৰোঁ। সেয়ে, এই দৃষ্টিকোণৰ ফালৰপৰা এই কথা উল্লেখ কৰিব পৰা যায় যে নৈতিক বিচাৰসমূহ প্ৰকৃতিগতভাৱে অনুমানসম্বন্ধীয়।
- নৈতিক অৱধাৰণাৰ চাৰিটা উপাদান আছে। যেনে ঃ (i) বিচাৰকৰ্তা, (ii) বিচাৰৰ বিষয়, (iii) বিচাৰৰ মান, যাৰ মতে এটা কৰ্মক বিচাৰ কৰা হয় আৰু (iv) নৈতিক বিচাৰৰ ক্ষমতা। নৈতিক অৱধাৰণাই এজন কৰ্তা দাবী কৰে, যিয়ে বিচাৰ কৰে আৰু বিচাৰবোৰ আগবঢ়ায়। তেওঁ এজন বৌদ্ধিক আত্মা নাইবা আদৰ্শাত্মক কৰ্তা হ'ব পাৰে, যিজনে ইয়াৰ অভিপ্ৰায়ৰ ওপৰত নৈতিক বিচাৰ প্ৰদান কৰে। ই অভিলাষ আৰু কৰ্মৰ ওপৰতো নৈতিক বিচাৰ আগবঢ়ায়। স্বৈচ্ছিক ক্ৰিয়া আৰু আভ্যাসিক ক্ৰিয়াসমূহ নৈতিক বিচাৰৰ বিষয়। স্বৈচ্ছিক ক্ৰিয়াই ইচ্ছাৰ স্বাতন্ত্ৰ্যতাক বুজায়।
- নৈতিক বিচাৰ তৰ্কীয় অৱধাৰণ আৰু সৌন্দৰ্যাত্মক বিজ্ঞানতকৈ বেলেগ। নৈতিক অৱধাৰণে বাধ্যবাধকতা আৰু নৈতিক অনুৰতিকো সামৰে। কিন্তু তৰ্কীয় বিচাৰ নাইবা সৌন্দৰ্যাত্মক বিজ্ঞানমূলক বিচাৰত এই নৈতিক বাধ্যবাধকতা আৰু নৈতিক অনুৰতি নিহিত নাথাকে, কিয়নো ই নৈতিক বিচাৰৰ পৰা পৃথক।



৩.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্ৰ*

২) সেনগুপ্ত, ব্যানার্জী পাব্‌লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্ৰ*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*



৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক অৱধাৰণ হৈছে তথ্যমূলক অৱধাৰণাৰ পৰা পৃথক এক প্রমূল্যমূলক অৱধাৰণা, যি 'কি কৰা উচিত'ৰ লগত জড়িত। প্রকৃততে, নৈতিক বিচাৰ হৈছে এটা কর্মক শুদ্ধ বা ভুল বুলি বিচাৰ কৰাৰ এক মানসিক ক্রিয়া।

২ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক চেতনাৰ প্রধানকৈ তিনিটা উপাদান আছে। যেনে ঃ বৌদ্ধিক বা জ্ঞানাত্মক উপাদান; আৱেগবোধক উপাদান আৰু ঐচ্ছিক উপাদান।

৩ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক বিচাৰৰ মূল সাংগঠনিক উপাদানকেইটা হ'ল— (১) কর্তা, যিয়ে বিচাৰ কৰে, (২) বিচাৰৰ মান, যি অনুসৰি এটা কর্মক বিচাৰ কৰা হয়, (৩) নৈতিক বিচাৰৰ বিষয় আৰু (৪) নৈতিক বিচাৰৰ ক্ষমতা।

৪ নং প্রশ্নৰ উত্তৰ ঃ স্বেচ্ছিক ক্রিয়া আৰু আভ্যাসিক ক্রিয়াসমূহ নৈতিক বিচাৰৰ বিষয়। অ-স্বেচ্ছিক কর্মবোৰ নৈতিক বিচাৰৰ পৰিসৰৰ বাহিৰৰ। আভ্যাসিক কর্মসমূহ নৈতিক বিচাৰৰ বিষয়, যিহেতু এইবোৰ স্বেচ্ছিক ক্রিয়াৰ পুনৰাবৃত্তিৰ পৰিণতি। সেয়ে, অৱশেষত, কেৱল স্বেচ্ছিক ক্রিয়াসমূহকহে শুদ্ধ নাইবা অশুদ্ধ হিচাপে বিচাৰ কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ স্বেচ্ছিক কর্মৰ প্রধানকৈ তিনিটা স্তৰ আছে। প্রথমে, মানসিক স্তৰ, যি ক্রিয়া উৎস, অভিপ্রায়, অভিলাষ বা উদ্দেশ্য, কামনা, বিচাৰ, নির্বাচন, সিদ্ধান্ত, নিশ্চয়কৰণ আদি সামৰে। দ্বিতীয়তে, শাৰীৰিক ক্রিয়াৰ স্তৰ আৰু তৃতীয়তে, পৰিণতিৰ বাহ্যস্তৰ।



৩.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন নং ১ ঃ নৈতিক বিবেকৰ প্রধান জ্ঞান সম্বন্ধীয় কাৰক।

প্রশ্ন নং ২ ঃ নৈতিক বিবেকৰ প্রধান জ্ঞান সম্বন্ধীয় কাৰক তিনিটা কি কি?

(খ) চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ নৈতিক বিচাৰ বুলিলে কি বুজা?

প্রশ্ন নং ২ ঃ নৈতিক বিচাৰৰ স্বৰূপ ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ আপুনি ভাৱেনে যে নৈতিক বিচাৰ প্রকৃতিগতভাৱে অনুমান সম্পর্কীয়? আলোচনা কৰক।

প্রশ্ন নং ২ ঃ নৈতিক বিচাৰ, তর্কীয় বিচাৰ আৰু সৌন্দর্যাত্মক বিচাৰৰ মাজত পার্থক্য আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ নৈতিক বিচাৰৰ বিষয় কি? আলোচনা কৰক।

প্রশ্ন নং ৪ ঃ কোনে নৈতিক বিচাৰ আগবঢ়ায়? আলোচনা কৰক।

* * * * *

অধ্যায় - ৪ ঃ যথার্থতা আৰু মূল্যবোধ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ যথার্থতাৰ অর্থ
৪.৪ মূল্যবোধৰ অর্থ
৪.৫ মূল্যবোধৰ শ্রেণীবিভাজন
৪.৬ যথার্থতা আৰু মূল্যবোধৰ মাজৰ পার্থক্য
৪.৭ অগ্রগতি নিৰীক্ষণ
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- যথার্থতা আৰু মূল্যবোধ কি সেয়া ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ মূল্যবোধ আৰু মানৱ জীৱনত ইয়াৰ গুৰুত্বৰ ব্যাখ্যা কৰিব পাৰিব
- যথার্থতা আৰু মূল্যবোধৰ মাজৰ প্রভেদ বুজিব পাৰিব।

৪.২ পৰিচয়

যথার্থতা (Fact) আৰু মূল্যবোধ (Value) হ'ল দর্শনৰ দুটা গুৰুত্বপূর্ণ ধাৰণা। যথার্থতা আৰু মূল্যবোধৰ মাজত আন্তঃ সম্পর্ক আছে। এটাক বাদ দি আনটো ধাৰণা বুজি পোৱা নাযায়। দার্শনিকৰ মতে যথার্থতা মূল্যবোধৰ বিপৰীত। যথার্থতা হ'ল কিছুমান মানসিক স্থিতি আৰু কার্যৰ লক্ষ্য। যথার্থতা হ'ল কিছুমান মানসিক স্থিতি আৰু কার্যৰ লক্ষ্য। যথার্থতাই সত্যবাহক (truth bearer) ক সঁচা বুলি প্রমাণিত কৰে আৰু সত্যৰ অনুৰূপ হিচাপে কাম কৰে। দৰাচলতে যথার্থতা হ'ল এই জগতখনত থকা জাগতিক আচবাবৰ এটা অংশ। আনহাতে, মূল্যবোধৰ সাধাৰণ অর্থ হ'ল মানৱীয় ইচ্ছা আগ্রহে দিয়া সন্তুষ্টি। এপদ সামগ্রীৰ তেতিয়াহে মূল্য আছে বুলি কোৱা হয় যেতিয়া সামগ্রীপদে কোনো মানৱীয় প্রয়োজন অথবা ইচ্ছা পূৰ কৰে। আন কথাত আমি ক'ব পাৰোঁ যে মানৱীয় ইচ্ছাক সন্তুষ্ট কৰা সকলো বস্তুৰেই ভাল অথবা এনে বস্তুৰ মূল্য আছে। অর্থাৎ, বস্তুৰ বাহ্যিক অস্তিত্বক আমি যথার্থতা বুলি ধৰি ল'ব পাৰোঁ। যেতিয়া বস্তুবোৰে মানৱীয় প্রয়োজনক সন্তুষ্ট কৰে তেতিয়া ইয়াক মূল্যবোধ বোলা হয়।

৪.৩ যথার্থতাৰ অর্থ

সাধাৰণতে যথার্থতাক 'বস্তু বিষয়ৰ দশা' (State of affairs) বুলি গণ্য কৰা হয়। যথার্থতা (fact) শব্দটো বিভিন্ন ধৰণে ব্যৱহাৰ কৰা হয়। ইয়াক 'বাস্তৱ' (matters of fact) অর্থতো ব্যৱহাৰ কৰা হয়। যা'ত ঘটনা এটা অন্য সংঘটনৰ ওপৰত নির্ভৰশীল হোৱা সত্বেও তাৰ পৰা তথ্য (facts) সংগ্রহ কৰা হয়। অর্থাৎ, ঘটনা সম্পর্কে আমাৰ পৰীক্ষালব্ধ অথবা অনুৱর্তী জ্ঞান থাকিব পাৰে। ডেভিড হিউমে তেওঁৰ 'An Enquiry Concerning Human Understanding' গ্রন্থত বিষয়টো সন্দর্ভত লিখিছে যে মানুহৰ যুক্তি অথবা অনুসন্ধানে ঢুকি পোৱা সকলো বস্তুকে স্বাভাৱিকভাৱে দুটা ভাগত ভগাব পাৰি- ধাৰণাৰ সম্পর্ক (relations of ideas) আৰু বাস্তৱ (matters of fact)। এটা উদাহৰণলৈ মন কৰক-

এইটো সত্য যে চেম দুখী

চেম যে দুখী এইটো সত্য

তেনে, 2+2=4 হ'ল এটা সত্য

উদাহৰণটোৰ প্রথম বাক্যটোত 'এইটো সত্য যে' খণ্ডবাক্যযাৰিক এটা উদ্দেশ্য হিচাপে ব্যৱহাৰ কৰা হৈছে, যিটোৱে এটা বাক্য গঠন কৰিবলৈ আন এটা বাক্যৰ সহায় লৈছে। দ্বিতীয় বাক্যটোত 'এইটো সত্য' খণ্ডবাক্যযাৰিক বিধেয় হিচাপে ব্যৱহাৰ কৰা হৈছে, যিটোৱে এটা বাক্য গঠন কৰিবলৈ এটা নামমাত্র বাক্য (nominalised sentence) ৰ সহায় লৈছে। দৰাচলতে দার্শনিকসকলে প্রায়েই 'যথার্থতা' (fact) শব্দটো 'যি আছে তাৰ হিচাপ তালিকাখনৰ এটা অংশ ৰূপে প্রয়োগ কৰি আহিছে। 'যথার্থতা শব্দটোৱে শব্দার্থ মীমাংসা (semantics), সত্বা মীমাংসা/ তত্ত্ববিদ্যা (ontology), পৰাবিদ্যা /অধিবিদ্যা (metaphysics), জ্ঞান মীমাংসা (epistemology) আৰু মন দর্শন (philosophy of mind)ত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

আমি 'হিউমিয়ান' (ডেভিদ হিউম) যথার্থতা আৰু প্রকার্যমূলক যথার্থতা (functorial facts) ৰ মাজৰ প্রভেদ নিৰূপণ কৰিব পাৰোঁ। এই প্রভেদবোৰৰ সহায়ত আমি দুটা দার্শনিক বিকল্প গঠন কৰিব পাৰোঁ। এটা বিকল্পত আমি ভাবিব পাৰোঁ যে শব্দটোৰ প্রকার্যমূলক অর্থত যথার্থতা লুকাই আছে যিবোৰ নিত্য (contingent)। যেনে- চেম যে দুখী সেইটোও এটা যথার্থতা আৰু 2+2=4 ৰ দৰে অ-নিত্য (not contigent) বচনো যথার্থতা। আনটো বিকল্পত আমি ভাবিব পাৰো যে সকলোবোৰ যথার্থতা (প্রকার্যমূলক অর্থত যিবোৰ নিত্য) হ'ল 'হিউমিয়ান বাস্তৱ' (Humean Matters of fact) পাচৰ বিকল্পটো ৱিট্‌জেষ্টাইনৰ গ্রন্থ 'Tractatus' ৰ যথার্থতাৰ প্রভাৱশালী দর্শন শিতানতে বহলাই আলোচনা কৰা হৈছে। ৱিট্‌জেনষ্টাইনৰ মতে পৃথিৱীখন হ'ল যথার্থতাৰ সমগ্রতা আৰু প্রতিটো যথার্থতাই নিত্য। দৰাচলতে, 'যথার্থতা' শব্দটো প্রকার্যমূলক অর্থ বুজোৱা আনুষংগিক অভিধাবর্গ এটাৰ অংশ। বর্গটোৰ অন্তর্গত আন দুটামান অভিধা হ'ল- ঘটনা (circumstances), পৰিস্থিতি (situation), বস্তু বিষয়ৰ দশা (State of affairs) ইত্যাদি। "এইটো সত্য যে চেম দুখী" বাক্যটোত "চেম দুখী" বোলা কথাটো হ'ল এটা ঘটনা অথবা পৰিস্থিতি।

এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে। 'যথার্থতা কি হ'ব পাৰে?' যথার্থতাৰ প্ৰকৃতি সম্পৰ্কে তিনিটা জনপ্ৰিয় দৃষ্টি ভংগী আছে। দৃষ্টিভংগীকেইটা তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰি-

(১) যথার্থতা হ'ল কেৱল এক সত্য-বাহক (truth bearer)

(২) যথার্থতা হ'ল কেৱল এক আহৰণ কৰা বস্তু/ বিষয়ৰ দশা

(৩) যথার্থতা হ'ল কেৱল এক অনন্য (sui generis) প্ৰকৃতি সত্ত্বা য'ত বস্তুই নিজ বৈশিষ্ট্যৰ দৃষ্টান্ত উপস্থাপন অথবা যথাসম্পৰ্ক স্থাপন কৰে (stand in relations)।

যথার্থতাৰ প্ৰকৃতি বুজোৱা এই তিনিওটা দৃষ্টিভংগীৰ মাজত এটা আন্তঃসংযোগ আছে। যথার্থতাক বচনত প্ৰকাশ কৰিব পাৰি। বচন হ'ল কি সত্য অথবা কি অসত্য সেই ভূমিকা পালন কৰিব পৰা এক জনপ্ৰিয় পদ। ব্যক্তিগত ধাৰণা, সাধাৰণ ধাৰণা আৰু আনুষ্ঠানিক ধাৰণাই বচন গঠন কৰে। ধাৰণা মানে হ'ল আমি বুজি পোৱা বস্তু। এই দৃষ্টিভংগীৰে বিচাৰ কৰিলে আমি সম্পত্তি (properties) আৰু সম্পৰ্ক (relations)ক ধাৰণা (concept) বুলিব নোৱাৰো। প্ৰকৃতাৰ্থত, বস্তুৰে যথাসম্পৰ্ক স্থাপন কৰে কিন্তু ই সম্পৰ্কগত ধাৰণাৰহে অন্তৰ্গত। লগতে, আমি এনেকৈও ক'ব পাৰোঁ যে বস্তু (object) হ'ল এক প্ৰাপ্ত দশা। অৰ্থাৎ, যদি কোনো বস্তুৰে কোনো এক বৈশিষ্ট্যৰ দৃষ্টান্ত উপস্থাপন কৰে অথবা এটা নাইবা একাধিক বস্তুৰে যথাসম্পৰ্ক স্থাপন কৰে তেতিয়া একোটা দশা প্ৰাপ্ত হয়। লগতে ইয়াকো ক'ব পৰা যায় যে যথার্থতা হ'ল কেৱল এক অনন্য প্ৰকৃতিৰ সত্ত্বা য'ত বস্তুই নিজ বৈশিষ্ট্যৰ দৃষ্টান্ত উপস্থাপন অথবা যথাসম্পৰ্ক স্থাপন কৰে। ইয়াত দৃষ্টান্ত উপস্থাপন অথবা যথাসম্পৰ্ক স্থাপন হ'ল এইমাত্ৰ অংকিত কোনো বৈশিষ্ট্য অথবা সম্পৰ্ক বুজাৰ পথ সুচল কৰি তোলা প্ৰত্যুত্তৰ।

যথার্থতা আৰু জ্ঞান

যথার্থতা আৰু জ্ঞানৰ ঘনিষ্ঠ সম্পৰ্ক আছে। আমি জানো যে জ্ঞান মানে হ'ল কিহবাৰ বিষয়ে থকা আমাৰ সজাগতা। এই 'কিবা'টো যথার্থতা অথবা বস্তুৰ/ বিষয়ৰ দশা হ'ব পাৰে। অৰ্থাৎ, আমি যেতিয়া 'জনা' শব্দটো ব্যৱহাৰ কৰোঁ, যেনে- x এ Pক জানে, তেতিয়া ই সদায় কিছুমান যথার্থতাৰ কথা বুজায়। যেতিয়া ই "যদি x এ জানে যে P, তেন্তে P "ৰ দৰে নিশ্চিত ৰূপ লয়, তেন্তে ই 'x এ Pক জানে' - এই সত্য বোধত পৰিণত হ'ব। আন অৰ্থত এইদৰে ক'ব পৰা যায় যে জ্ঞান আহৰণ কৰিবলৈ আমি বস্তুৰ দশা অথবা যথার্থতাৰ সৈতে পৰিচিত হ'ব লাগিব। 'পৰিচিত' হোৱাৰ ধাৰণাটোৰে আমি বাৰ্টাণ্ড ৰাছেলৰ জ্ঞান সম্পৰ্কীয় দৃষ্টিভংগীটে উল্লেখ কৰিব পাৰোঁ। এই দৃষ্টিভংগী অনুসৰি বস্তু অথবা বৈশিষ্ট্যৰ সৈতে ঘটা ইন্দ্ৰিয় সংযোগৰ যোগেদি জ্ঞান আহৰণ কৰিব পাৰি।

ইন্দ্ৰিয় সংযোগৰ যোগেদি আহৰণ কৰা জ্ঞান হ'ল স্থিৰ বৈশিষ্ট্য। এই বৈশিষ্ট্যবোৰ ধাৰণা নহয়। দাৰ্শনিক ক্ৰেট্ঝাৰৰ যথার্থতাৰ জ্ঞান সম্পৰ্কীয় দৃষ্টিভংগীটো গোটিয়াৰ সমস্যা (Gettier problems) বোৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। এই দৃষ্টিভংগী মতে যথার্থতা, বিশেষকৈ মেজ আৰু মানুহৰ দৰে বচনৰ দৃষ্টান্ত উপস্থাপন কৰিব পৰা যথার্থতাবোৰে বিভিন্ন বৈশিষ্ট্যৰ দৃষ্টান্ত উপস্থাপন কৰে। ক্ৰেট্ঝাৰে তলত দিয়া ধৰণে জ্ঞানৰ বিশ্লেষণ আগবঢ়াইছিল।

Sএ Pক জানে যদি আৰু কেৱল যদিহে-

(১) ইয়াত এটা f যথার্থতা থাকে যিটোৱে P ৰ দুষ্টান্ত উপস্থাপন কৰে

(২) Sএ বিশ্বাস কৰে যে P হ'ল f ৰ de re

(৩) Sএ P ৰ বৈশিষ্ট্যমূলক দৃষ্টন্ত দাঙি নধৰা..ৰ প্রাসংগিক সম্ভাব্য বিকল্পবোৰ বাদ দিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে ক্রেট্ঝাৰে গেটিয়াৰ উদাহৰণ (Gettier Cases) বোৰ গ্রহণ কৰিছিল। গেটিয়াৰে আলোচনা কৰা দ্বিতীয় উদাহৰণটোলৈ মন কৰক। ইয়াত, স্মিথ নামৰ ব্যক্তিগৰাকীয়ে জ'নছ্ নামৰ ব্যক্তিগৰাকীৰ এখন ফ'র্ড গাড়ী আছে বোলা মিছা বচনটো বিশ্বাস কৰে বুলি প্রমাণিত কৰা হৈছে। সেয়েহে স্মিথে জ'নছ্ৰ এখন ফ'র্ড গাড়ী আছে অথবা ব্রাউন বার্চিলোনাত আছে বোলা বচন দুটাও বিশ্বাস কৰে বুলি প্রমাণিত কৰা হৈছে। এতিয়া, ব্রাউন বার্চিলোনাত আছে ঠিকেই, কিন্তু স্মিথে নাজানে ব্রাউন ক'ত আছে। ইয়াৰ অর্থ হ'ল, বিশেষকৈ ব্রাউন বার্চিলোনাত থকা কথাটো স্মিথে বিশ্বাস কৰা বুলি প্রমাণিত নহ'ল। দৰাচলতে, স্মিথে কি কথা বিশ্বাস কৰে বুলি প্রমাণিত হোৱা বিকল্পাত্মক বচনবোৰৰ কথা স্মিথে নাজানে। কিন্তু সেই বচনটো শুদ্ধ আৰু সেইবাবে শুদ্ধ বিশ্বাস বুলি প্রমাণিত জ্ঞানৰ স্বীকৃত বিশ্লেষণ বিফল হৈছে। এই বিষয়ত যক্তি দর্শাই ত্রেট্ঝাৰে কৈছে যে যথার্থতাৰ de re বিশ্বাসেৰে কৰা বিশ্লেষণ শুদ্ধ হোৱাৰ সম্ভাৱনা অধিক। তেওঁ দাবী কৰিছিল যে বিকল্পাত্মক বচনেৰে প্রমাণিত কৰা যথার্থতাটো হ'ল 'ব্রাউন বার্চিলোনাত আছে'। ইয়াত, স্মিথৰ বিশ্বাস এই যথার্থতা সম্পর্কে থকা তেওঁৰ de re বিশ্বাস নহয়।

৪.৪ মূল্যবোধৰ অর্থ

'মূল্যবোধ, (Value) ৰ এক স্থিৰ অর্থ নাই। ইয়াক সদায় ভিন ভিন অর্থত ব্যৱহাৰ কৰা হয়। ইয়াৰ ভিন্ন প্রয়োগে দার্শনিকসকলৰ মাজত মতদ্বন্দৰ সৃষ্টি কৰিছে। সাধাৰণ অর্থত ইংৰাজী 'Value' শব্দটোৱে মূল্য বুজায়- যেনে, বস্তু এটাৰ মূল্য, বিষয় এটাৰ মূল্য ইত্যাদি। 'মূল্য বোধ' বুলিলে আমি একপ্রকাৰৰ সুগুণ (goodness) ৰ কথা বুজো। যেনে- সোণৰ অর্থনৈতিক মূল্য, ৰীতি-নীতিৰ ধর্মীয় মূল্য, দানৰ নৈতিক মূল্য অথবা কবিতা এটাৰ নান্দনিক মূল্য ইত্যাদি।

সাধাৰণতে মানৱীয় ইচ্ছা পূৰণৰ সন্তুষ্টিকেই মূল্য বোধ বোলা হয়। যেনে- খাদ্য ভাল; ইয়াৰ মূল্য আছে কাৰণ খাদ্যই আমাৰ ক্ষুধা নির্বাৰণ কৰে। অর্থাৎ, ইচ্ছা পূৰণ আৰু জীৱনৰ সংৰক্ষণ তথা উন্নতিৰ মাজত এক সম্পর্ক আছে। ইয়াৰ দ্বাৰা বুজা যায় যে জীৱন সংৰক্ষণ অথবা জীৱনৰ উন্নতি সাধন কৰা যিকোনো কথাই হ'ল মূল্যবোধ । আমাৰ জীৱনৰ শ্রীবৃদ্ধিত সহায় কৰা আৰু জীৱন সংৰক্ষণ কৰা কথাবোৰৰ মূল্য আছে। যেনে-খাদ্য, আশ্রয়স্থল ইত্যাদি। কিন্তু এই অর্থত মূল্য মানে কেৱল অস্তিত্ব ৰক্ষাকাৰী মূল্যকহে বুজোৱা হয়। প্রকৃতার্থত ই হ'ল জীৱনৰ আদিম ৰূপটোৰ ক্ষেত্রত প্রযোজ্য সংজ্ঞা। কিন্তু বর্তমানৰ জটিল সভ্যতাত মূল্যৰ এনেধৰণৰ সংজ্ঞা পর্যাপ্ত নহয়। কাৰণ, সাম্প্রতিক কালত মানুহৰ প্রয়োজনবোৰ অধিক জটিল আৰু অসংখ্য হৈ পৰিছে। মানুহৰ

জীৱনৰ লক্ষ্য আগতকৈ অধিক বিস্তৃত হৈ পৰিছে। 'কেৱল জীৱন' (mere life) আৰু একোটা 'উন্নত জীৱন' (good life)ৰ মাজত প্ৰভেদৰ সৃষ্টি হৈছে। একে কথা 'যেনেদৰে আছোঁ তেনেদৰে জীয়াই থকা' (living as such) আৰু 'ভালদৰে জীয়াই থকা' (living well) ৰ মাজতো পাৰ্থক্যই দেখা দিছে। অৰ্থাৎ, আমি এই কথা বুজি পাব লাগিব যে জীৱন নিজেই উন্নত নহ'বও পাৰে, মানুহে জীৱন যাপন বাস্তৱ কৰি তোলাৰ জৰিয়তে জীৱনে ইয়াৰ মূল্যবোধ লাভ কৰে।

এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল যে মানুহ এটা ব্যক্তিত্ব অথবা সত্ত্বা। সেই দিশৰ পৰা যিবোৰ কথা আত্ম উপলব্ধিৰ বাবে অনুকূল সেইবোৰ স্বাভাৱিক ভাৱেই মূল্যৱান। মানুহ কেৱল কিছুমান ইচ্ছাৰ সমষ্টি নহয় আৰু মানুহৰ ইচ্ছা পূৰণ কৰা সকলো কথাই তেওঁৰ বাবে মূল্যৱান নহ'বও পাৰে। ইয়াৰ পৰিৱৰ্তে যিবোৰ কথাই মানুহৰ ব্যক্তিত্বক সন্তুষ্ট কৰি তেওঁক আত্ম উপলব্ধিৰ সুযোগ দিয়ে সেইবোৰহে তেওঁৰ বাবে মূল্যৱান। ইচ্ছা পূৰণ অথবা আনন্দ লাভ স্বাভাৱিকভাৱে মূল্যবান নহ'বও পাৰে। মানুহ কেৱল এটা শাৰীৰ নহয়; মানুহ এক সত্ত্বা অথবা প্ৰাণ (spirit)। সেয়েহে স্বাভাৱিকভাৱে কি মূল্যবান তাৰ ধাৰণাটো হৃদয়ংগম কৰিবলৈ মানুহে ইচ্ছা পূৰণৰ সন্তুষ্টিৰ ঊৰ্দ্ধলৈ যাব লাগিব।

মূল্যবোধক ইতিবাচক আৰু নেতিবাচক- এই দুভাগত ভগাব পাৰি। আমি সাধাৰণভাৱে বিশ্বাস কৰোঁ যে ব্যক্তিবিশেষে পাবলৈ ইচ্ছা কৰা বস্তু অথবা কথাটো তেওঁৰ বাবে ভাল। যিকোনো ইতিবাচক মূল্য থকা বস্তু কথাকে ভাল বুলি কোৱা হয়। সেইদেৰ, যিকোনো নেতিবাচক মূল্য থকা বস্তু / কথাকে আমি 'বেয়া' (evil) বুলি ক'ব পাৰে। একেদৰে, ইচ্ছা পূৰণৰ সন্তুষ্টি, আত্ম-উপলব্ধি অথবা আত্ম বিকাশৰ অনুকূল যিকোনো বস্তু /কথাই ভাল আৰু কোনো ইচ্ছাক বাৰণ কৰা, জীৱন অথবা আত্ম- উপলব্ধিৰ পথত হেঙাৰ ৰূপে থিয় দিয়া যিকোনো বস্তু / কথাই বেয়া। ইয়াত 'ভাল' (Good) শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল 'লক্ষ্য অনুকূল'। ইয়াৰ অৰ্থ হ'ল, কোনো লক্ষ্যত উপনীত হ'বলৈ যি পন্থা উপযোগী তাকেই ভাল, অন্যথা বেয়া বুলি কোৱা হয়। ইয়াত, লক্ষ্য হ'ল ইচ্ছাপূৰণৰ সন্তুষ্টি। সম্পত্তি, নাম-যশ আদিৰ দৰে ইচ্ছাবোৰ হ'ল বাহ্যিক মূল্য অথবা সহায়ক মূল্য থকা আন কোনো কথাৰ খাটিৰত পূৰাব খোজা ইচ্ছা। আনহাতে, সত্য, সৌন্দৰ্য, সংস্কৃতি, সদাচাৰ আদিৰ দৰে ইচ্ছাবোৰ ব্যক্তিয়ে নিজৰ খাটিৰত পূৰাব বিচাৰে আৰু এইবোৰৰ আভ্যন্তৰীণ মূল্য আছে। আমি আলোচনাৰ পৰা জানিব পাৰিছোঁ যে ইচ্ছাপূৰণৰ সন্তুষ্টি লাভ হ'ল মানৱ জীৱনৰ একমাত্ৰ লক্ষ্য। এই সন্তুষ্টি লাভৰ বাবে আমি ইচ্ছাবোৰ পদানুক্ৰমিকভাৱে সজাই ল'ব লাগে। এনে পদানুক্ৰমৰ শীৰ্ষত 'সৰ্বোত্তম' (highest good) ইচ্ছাবোৰ থাকে। ইয়াত ব্যক্তিৰ আভ্যন্তৰীণ বিকাশৰ অনুকূল মূল্যবোধৰ উপাদানবোৰ পোৱা যায়। 'সৰ্বোত্তম' হ'ল এনে এক অৱস্থা যিটোৱে এক বিচাৰবুদ্ধি সম্পন্ন সত্ত্বাক সম্পূৰ্ণ সন্তুষ্টি প্ৰদান কৰে। ইয়াত পৰস্পৰৰ সৈতে উপযুক্ত সম্বন্ধ থকা সকলোবোৰ অনুকূল মূল্যবোধ থাকে। সদাচাৰ অথবা নৈতিক উৎকৰ্ষ হ'ল সৰ্বোত্তম আভ্যন্তৰীণ মূল্যবোধ। জ্ঞান আৰু সৌন্দৰ্যক ইয়াৰ সৈতে উপযুক্তভাৱে সংহত কৰা উচিত। মেকেঞ্জিৰ মতে নৈতিক সুগুণ (moral good) হ'ল সৰ্বোত্তম গুণ (highest

good)। আৰু সর্বোত্তম নৈতিক সুগুণ হ'ল এটা ব্যক্তিগত গুণ। ই এগৰাকী ব্যক্তিৰ সর্বোত্তম কল্যাণৰ সদৃশ। এই কল্যাণে ব্যক্তিৰ সকলো আধ্যাত্মিক আগ্রহক সন্তুষ্ট কৰি তেওঁক এটা আত্ম-পৰিপূর্ণতা, আত্ম-উপলব্ধি আৰু আত্ম-বিকাশৰ দিশেৰে আগুৱাই নিয়ে।

৪.৫ মূল্যবোধৰ শ্রেণীবিভাজন

মূল্যবোধৰ প্রকাৰ ভিন ভিন । মূল্যবোধৰ শ্রেণীবিভাজন সম্পর্কত বহুতো দার্শনিকে নিজ নিজ দৃষ্টিভংগী আগবঢ়াইছে। ইয়াৰে ভিতৰত ডব্লিউ. এম. আর্বানৰ দৃষ্টিভংগীটোৱে সমাদৰ লাভ কৰিছে। কাৰণ, তেওঁৰ শ্রেণীবিভাজনত সার্বজনীনভাৱে স্বীকৃত আৰু গ্রহণযোগ্য আটাইবোৰ সম্ভাব্য মূল্যবোধক সামৰি লোৱা হৈছে. আর্বানে মূল্যবোধক আঠটা প্রকাৰত ভগাইছে- কায়িক মূল্যবোধ (bodily values), অর্থনৈতিক মূল্যবোধ (economic values), বিনোদন মূল্যবোধ (values of recreation), সাহচর্য মূল্যবোধ (values of association), চাৰিত্রিক মূল্যবোধ (character values), নান্দনিক মূল্যবোধ (aesthetic values), বৌদ্ধিক মূল্যবোধ (intellectual values) আৰু ধর্মীয় মূল্যবোধ (religious values)। কায়িক, অর্থনৈতিক আৰু বিনোদন মূল্যবোধবোৰ জীৱনৰ বাবে অতি প্রয়োজনীয়। এই মূল্যবোধবোৰ বুনিয়াদী আৰু মৌলিক। এই মূল্যবোধসমূহক অন্য মূল্যবোধবোৰে আগতেই মানি লয়। এই মূল্যবোধবোৰে মানুহৰ কায়িক সত্ত্বাৰ প্রয়োজনীয়তাবোৰ পূৰ কৰে। সেয়েহে এই মূল্যবোধবোৰ অন্য মূল্যবোধৰ দৰে বিশেষ নহয়। সেয়েহে আমি এইবোৰক নিম্ন মূল্যবোধ () বুলিব পাৰো। সাহচর্য মূল্যবোধ মানুহৰ সামাজিক সত্ত্বাৰ প্রয়োজনীয়তাবোৰ পূৰ কৰে। অন্য সত্ত্বাৰ সংস্পর্শত ব্যক্তি সত্ত্বাত এই মূল্যবোধৰ উন্মেষ ঘটে। নান্দনিক, বৌদ্ধিক তথা ধর্মীয় মূল্যবোধবোৰে সৌন্দর্য সত্য আৰু পবিত্র আদিৰ দৰে নৈর্ব্যক্তিক আদর্শবোৰৰ প্রতি ব্যক্তিৰ আধ্যাত্মিক সত্ত্বাই অনুভৱ কৰা আগ্রহ পূৰণ কৰে।

আর্বানে মূল্যবোধক দুভাগত ভগাইছে- জৈৱিক মূল্যবোধ (organic values) আৰু উপ-জৈৱিক মূল্যবোধ (hyper-organic values)। তেওঁৰ মতে কায়িক, অর্থনৈতিক আৰু বিনোদন মূল্যবোধ হ'ল জৈৱিক মূল্যবোধ। আর্বানে উপ-জৈৱিক মূল্যবোধক আকৌ দুভাগত বিভক্ত কৰিছে- সমাজপ্রিয়তাৰ মূল্যবোধ (values of sociality) আৰু আধ্যাত্মিক মূল্যবোধ (spiritual values)। সাহচর্যৰ মূল্যবোধ আৰু চাৰিত্রিক মূল্যবোধ হ'ল সামাজিক মূল্যবোধ। আনহাতে, বৌদ্ধিক, নান্দনিক আৰু ধর্মীয় মূল্যবোধ হ'ল আধ্যাত্মিক মূল্যবোধ। ইয়াত, সকলোবোৰ মূল্যবোধৰ মাজত এটা পদানুক্রম দেখা পোৱা গৈছে। অর্থাৎ, আমি গম পালো যে সমাজপ্রিয়তাৰ মূল্যবোধবোৰ জৈৱিক মূল্যবোধতকৈ উচ্চ; আকৌ, আধ্যাত্মিক মূল্যবোধবোৰ সামাজিক মূল্যবোধতকৈ উচ্চ।

এই মূল্যবোৰক পুনৰ আভ্যন্তৰীণ (intrinsic) আৰু বাহ্যিক (extrinsic) এই দুভাগত ভগাব পাৰি। কায়িক তথা অর্থনৈতিক মূল্যবোধবোৰক আভ্যন্তৰীণ নুবুলি মূলতঃ সহায়ক (instrumental) বুলিব পাৰি। যেনে- ধন-সম্পদৰ দৰে অর্থনৈতিক মূল্যবোধ এটা নিজে লক্ষ্য নহয়, কিন্তু ই অন্য সামগ্রী আহৰণ কৰাৰ এক উপায় মাত্র। অর্থাৎ, ধন-সম্পদ আভ্যন্তৰীণ মূল্যবোধ

নহয়, ই এক বাহ্যিক অথবা সহায়ক মূলবোধ। অর্থনৈতিক মূল্যবোধবোৰ কেৱল এক উপায় অথবা কায়িক, সামাজিক আৰু আধ্যাত্মিক মূল্যবোধক বাস্তৱ ৰূপ প্রদানকাৰী হিচাপেহে মূল্যৱান। কায়িক মূল্যবোধবোৰ হ'ল সহায়ক মূল্যবোধ। এই মূল্যবোধে ব্যক্তিগত মূল্যবোধক বাস্তৱত ৰূপায়িত কৰে। অর্থাৎ, ক'ব পাৰি যে স্বাস্থ্য আৰু প্রাণচঞ্চলতাৰে ভৰা সু-বিকশিত শৰীৰ এটাৰ গৰাকী ব্যক্তিয়ে উন্নত জীৱনৰ বাবে গুৰুত্বপূর্ণ অন্য মূল্যবোধবোৰৰ অন্বেষণ কৰিব পাৰে। যেনে- খেল-ধেমালিৰ মূল্য আছে, কিন্তু ই মূলতঃ সহায়ক মূল্যহে। ই হ'ল শৰীৰ আৰু আধ্যাত্মিক কার্যকলাপবোৰক মনোৰঞ্জন প্রদান কৰাৰ মাধ্যম। ই আমাৰ শৰীৰটোক অন্য উচ্চ মূল্যবোধবোৰৰ অন্বেষণ কৰিব পৰাকৈ কর্মক্ষম কৰি ৰাখে। সেয়েহে ক'ব পাৰি যে কায়িক, অর্থনৈতিক আৰু বিনোদন মূল্যবোধবোৰক আভ্যন্তৰীণ নুবুলি মূলতঃ সহায়ক মূল্যবোধ বুলি কোৱাটো শ্রেয়।

আনহাতে সাহচর্য মূল্যবোধবোৰ সহায়ক তথা আভ্যন্তৰীণ প্রকৃতিৰ। এনে মূল্যবোধত বন্ধুত্ব, প্রেম আৰু সতীর্থৰ ভাৱনাক সামৰি লোৱা হয়। এইবোৰ নিজেই ভাল কথা আৰু ই আত্ম-উপলব্ধিত সহায় কৰে। এই মূল্যবোধবোৰ নিজৰ মাজতো সজ হৈ থাকে আৰু ব্যক্তিৰ আত্ম-উপলব্ধিৰ উপায়। যেনে- সাহস, সংযম, ন্যায়, প্রেম, জ্ঞান আদি মূল্যবোধ নিজেই সজ আৰু এইবোৰ ব্যক্তিৰ আত্ম-উপলব্ধিৰো উপায়।

নান্দনিক, বৌদ্ধিক আৰু ধর্মীয় মূল্যবোধক সাধাৰণতে আভ্যন্তৰীণ মূল্যবোধ বুলি গণ্য কৰা হয়। কাৰণ, এই মূল্যবোধবোৰৰ মূল্য সম্পূর্ণৰূপে নিজৰ মাজতে নিহিত থাকে। শিকনৰ দৰে বৌদ্ধক মূল্যবোধ হ'ল আভ্যন্তৰীণ মূল্যবোধ। প্রার্থনা আৰু ঐশ্বৰিক সংযোগ স্থাপনৰ দৰে ধর্মীয় মূল্যবোধবোৰ আভ্যন্তৰীভাৱে মূল্যৱান। এইবোৰ হ'ল ভক্তি প্রদর্শন আৰু পৰমানন্দ লাভৰ সর্বোৎকৃষ্ট ৰূপ। নান্দনিক, বৌদ্ধিক আৰু ধর্মীয়- এই তিনিটা প্রকাৰৰ মূল্যবোধে বিমূর্ত আৰু নৈর্ব্যক্তিক আদর্শৰ প্রতি থকা মানুহৰ আধ্যাত্মিক সত্ত্বাৰ গভীৰ আগ্রহক সন্তুষ্ট কৰে।

৪.৬ যথার্থতা আৰু মূল্যবোধৰ মাজৰ পার্থক্য

যথার্থতা আৰু মূল্যবোধ হ'ল দুটা অতি গুৰুত্বপূর্ণ ধাৰণা। দুয়োটাৰে মাজত ঘনিষ্ঠ সম্পর্ক আছে। যথার্থতা মানে হ'ল বাস্তৱ অথবা বস্তু / বিষয়ৰ দশা। যথার্থতা আৰু মূল্যবোধৰ মাজত থকা পার্থক্য এটা হ'ল যথার্থতা মূর্ত আৰু প্রমাণসাধ্য। কিন্তু মূল্যবোধ হ'ল ব্যক্তিগত পছন্দৰ বিষয়। মূল্যবোধে বিজ্ঞানৰ যথার্থতা ক্ষেত্রখনত একো ভূমিকা নলয়। মূল্যবোধৰ দ্বাৰা যথার্থতাৰ বিজ্ঞানসম্মত বিৱৰণ দিয়া নহয়। মূল্যবোধক বৈজ্ঞানিক তত্ত্বৰ বিবৃতি অথবা তথ্যৰ বর্ণনাত সান-মিহলি কৰা নহয়। মূল্যবোধৰ কাৰণ বিচাৰি উলিয়াব নোৱাৰি আৰু ইয়াৰ কোনো বস্তুনিষ্ঠ গুণ নাই। ই সম্পূর্ণৰূপে বিষয়নিষ্ঠ। কিন্তু যথার্থতাৰ বস্তুনিষ্ঠ গুণ আছে। মূল্যবোধে যথার্থতা আৱিষ্কাৰৰ প্রক্রিয়া তথা প্রণালীবিদ্যাৰ বিষয়ে জনাৰ সুযোগ দিয়ে। এক প্রদত্ত যথার্থতাৰ তত্ত্ববিদ্যাকেন্দ্রিক প্রস্থিতি (ontological status) ৰ বাবে যুক্তি উপস্থাপন কৰাসকলৰ মূল্যবোধৰ ওপৰত যথার্থতা কিছু পৰিমানে আধাৰিত অথবা নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যথার্থতা কি?

.....

প্রশ্ন নং ২ ঃ মূল্যবোধ কি ?

.....

প্রশ্ন নং ৩ ঃ আমি মূল্যবোধক ইতিবাচক অথবা নেতিবাচক বুলি গণ্য কৰিব পাৰোঁ নেকি? পাৰোঁ / নোৱাৰো

.....

প্রশ্ন নং ৪ ঃ শুদ্ধ উক্তিটো বাছি উলিয়াওক-

ক) মূল্যবোধ আভ্যন্তৰীণ বিষয়।

খ) মূল্যবোধ বাহ্যিক বিষয়।

গ) মূল্যবোধ আভ্যন্তৰীণো হ'ব পাৰে বাহ্যিকো হ'ব পাৰে।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যথার্থতাক 'বাস্তৱ' (matters of fact) বুলিও গণ্য কৰা হয়। ইয়াৰ জৰিয়তে আমি পৰীক্ষালব্ধ অথবা অনুৱর্তী জ্ঞান লাভ কৰিব পাৰোঁ। মূল্যবোধ মানে হ'ল কোনো কথা নাইবা বস্তুৰ মূল্য যি মূল্যই এক প্রকাৰৰ সুগুণৰ কথা বুজায়। সাধাৰণতে মানৱীয় ইচ্ছা পুৰণৰ সন্তুষ্টিকে মূল্যবোধ বোলা হয়। ই ইচ্ছাপূৰণৰ সন্তুষ্টি তথা জীৱনৰ সংৰক্ষণ আৰু উন্নতিৰ মাজত থকা সম্পর্কৰ কথা বুজায়।
- ডব্লিউ. এম. আর্বানে মূল্যবোধক বিভিন্ন প্রকাৰত ভাগ কৰিছে। যেনে- কায়িক মূল্যবোধ, অর্থনৈতিক মূল্যবোধ, বিনোদন মূল্যবোধ, সাহচর্য মূল্যবোধ, চাৰিত্রিক মূল্যবোধ, নান্দনিক মূল্যবোধ, বৌদ্ধিক মূল্যবোধ আৰু ধর্মীয় মূল্যবোধ। কায়িক, অর্থনৈতিক আৰু বিনোদন মূল্যবোধ জীৱনৰ বাবে অতি প্রয়োজনীয়। ই আমাৰ কায়িক সত্ত্বাক সন্তুষ্ট কৰে। আনহাতে নান্দনিক, বৌদ্ধিক আৰু ধর্মীয় মূল্যবোধে সৌন্দর্য, সত্য আৰু পৱিত্রৰ দৰে নৈর্ব্যক্তিক আদর্শবোৰ অনুধাৱন কৰাৰ বাবে থকা আমাৰ আধ্যাত্মিক সত্ত্বাৰ হাবিয়াস পূৰণ কৰে।
- অধ্যায়টিৰ আলোচনাৰ পৰা আমি গম পালোঁ যে যথার্থতা আৰু মূল্যবোধৰ মাজত প্রায়েই ঘনিষ্ঠ সম্পর্ক থাকে আৰু দুয়োটা বিষয়কে কেতিয়াও সম্পূর্ণ পৃথক কৰিব নোৱাৰি। মূল্যবোধ কেৱল পছন্দৰ বিষয় নহয়, ই জ্ঞান লাভৰ প্রক্রিয়াটোৰ এক অবিচ্ছেদ্য অংগ। আমি এই ধৰণেও ক'ব পাৰোঁ যে যথার্থতা ক্ষেত্রখনৰ বাবে মূল্যবোধ প্রয়োজনীয়।

আনহাতে, যথার্থতাই সদায় বাস্তৱৰ মূল্যায়ন কৰে। আকৌ, আমি জানো যে বেছিভাগ সময়তে মূল্যায়ন হ'ল বিৱৰণৰ অংশ। অর্থাৎ, বাস্তৱৰ নির্ভুল বর্ণনাৰ এক প্রয়োজনীয় অংশ হ'ল মূল্যবোধ। যথার্থতা আৰু মূল্যবোধ দুয়োটা বিষয়কে যৌক্তিকভাৱে আলোচনা তথা নিয়ন্ত্রণ কৰিব পাৰি।



৪.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্র*


২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্র*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*

৪.৯ অগ্রগতিৰ খতিয়ান



১ নং প্রশ্নৰ উত্তৰ ঃ যথার্থতা হ'ল কিছুমান মানসিক স্থিতি আৰু কার্যৰ লক্ষ্য। যথার্থতাষ্ট সত্যবাহকক সঁচা বুলি প্রমাণিত কৰে আৰু সত্যৰ অনুৰূপ হিচাপে কাম কৰে। দৰাচলতে যথার্থতা হ'ল এই জগতখনত থকা জাগতিক আচবাবৰ এটা অংশ।

২ নং প্রশ্নৰ উত্তৰ ঃ মূল্যবোধৰ সাধাৰণ অর্থ হ'ল মানৱী ইচ্ছাপূৰণৰ সন্তুষ্টি। এটা বস্তুক তেতিয়াই মূল্যৱান বুলি ভবা হয় যেতিয়া ই মানৱীয় অভাৱ অথবা ইচ্ছা পূৰণ কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ পাৰোঁ। আমি মূল্যবোধক ইতিবাচক অথবা নেতিবাচক বুলি ক'ব পাৰোঁ। যেনে- ভাল অথবা বেয়া।

৪ নং প্রশ্নৰ উত্তৰ ঃ মূল্যবোধ আভ্যন্তৰীনো হ'ব পাৰে, বাহ্যিকো হ'ব পাৰে।



৪.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন নং ১ ঃ "An Enquiry Concerning Human Understanding". নামৰ কিতাপখনৰ লেখক কোন?

প্রশ্ন নং ২ ঃ "Tractatus" নামৰ কিতাপখনৰ লেখক কোন?

প্ৰশ্ন নং ৩ ঃ কাৰ যথার্থতাৰ জ্ঞান সম্পৰ্কীয় দৃষ্টিভংগীটো গোটিয়াৰ সমস্যা বোৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়?

প্ৰশ্ন নং ৪ ঃ মূল্যবোধ শব্দটোৰ অৰ্থ কি?

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক) যথার্থতা কি? যথার্থতা আৰু মাজৰ সম্পৰ্ক আলোচনা কৰক।

প্ৰশ্ন নং ১ ঃ মূল্যবোধ কি? মূল্যবোধৰ প্ৰকাৰবোৰ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ আৰ্বানৰ দৃষ্টিভংগী অনুসৰি কৰা মূল্যবোধৰ শ্ৰেণীবিভাজনটোৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ আভ্যন্তৰীণ তথা বাহ্যিক প্ৰমূল্যবোৰৰ মাজত থকা প্ৰভেদ আলোচনা কৰক।

* * * * *

অধ্যায় ৫ ঃ নৈতিক ধাৰণাঃ শুভ (GOOD), শুদ্ধ (RIGHT), কর্তব্য (DUTY) আৰু সদাচাৰ (VIRTUE)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ শুভ

৫.৪ শুদ্ধ

৫.৫ কর্তব্য

৫.৬ সদাচাৰ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নীতিশাস্ত্ৰৰ সংজ্ঞা দিব পাৰিব
- নীতিশাস্ত্ৰৰ মৌলিক ধাৰণাবোৰ চিনাক্ত কৰিব পাৰিব
- শুভ, শুদ্ধ, কর্তব্য আৰু সদাচাৰৰ ধাৰণাকেইটা ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

যিকোনো বিষয়ৰ প্ৰণালীৱদ্ধ অধ্যয়নৰ বাবে বিষয়টোৰ সৈতে জড়িত মৌলিক ধাৰণাবোৰ জানি লোৱাটো প্ৰয়োজনীয়। নীতিশাস্ত্ৰ হ'ল আচৰণৰ নৈতিকতাৰ বিজ্ঞান। নীতিশাস্ত্ৰই মানুহৰ কার্যৰ ঔচিত্য (rightness) আৰু অনৌচিত্য (wrongness), যোগ্যতা (merit) আৰু অযোগ্যতা (demerit), শুভ (good) আৰু অশুভ (evil) দিশবোৰ সামৰি লয়। ই সমাজত মানুহৰ অধিকাৰ আৰু কর্তব্য সম্পর্কে আলোচনা কৰে। উচিত- অনুচিত, শুভ- অশুভ, যোগ্যতা-অযোগ্যতা আদি ধাৰণা হ'ল বুনিয়াদী নৈতিক ধাৰণা। এইবোৰৰ সৈতে নৈতিক সচেতনতাৰ দিশটো জড়িত হৈ থাকে। নৈতিক সচেতনতা হ'ল নীতিশাস্ত্ৰৰ গুৰুত্বপূর্ণ বিষয়। আটাইবোৰ নৈতিক ধাৰণাৰ ভিতৰত শুভ, শুদ্ধ, কর্তব্য আৰু সদাচাৰ হ'ল অধিক মৌলিক ধাৰণা।

৫.৩ শুভ (GOOD)

শুভ বুজোৱা ইংৰাজী শব্দ 'Good' ৰ মূল হ'ল জার্মান শব্দ 'Gut'। জার্মান ভাষাত 'Gut' শব্দৰ অর্থ হ'ল কিছুমান পৰিণামৰ বাবে মূল্যৱান অথবা যিয়ে আমাৰ ইচ্ছা তথা আশা-আকাংক্ষা পূৰণ কৰে অথবা যিটো সাধাৰণতে উপযোগী। অর্থাৎ 'শুভ' মানে হ'ল কোনো লক্ষ্যত উপনীত হ'বৰ বাবে যিটো উপযোগী। শুভ বস্তু অথবা কথাই সদায়েই আমাৰ কিছুমান প্রয়োজন পূৰণ কৰে অথবা সদায়েই আমাক এক লাভজনক অথবা অনুকূল ফলাফল লাভৰ দিশে আগবঢ়াই নিয়ে। যেতিয়া আমি কোনো এটা বস্তুক শুভ (ভাল) বুলি কওঁ তেতিয়া তাৰ অর্থ হ'ল বস্তুটোৱে আমি ধৰি লোৱা লক্ষ্যত উপনীত হ'বৰ বাবে সেৱা আগবঢ়াব পাৰিব। মেকেঞ্জিৰ ভাষাত, "সাধাৰণতে আমি কোনো এটা বস্তুক তেতিয়াই শুভ (ভাল) বুলি কওঁ যেতিয়া ই কোনো পৰিণাম লাভৰ বাবে মূল্যৱান হয়।"

'প্রিন্সিপিয়া এথিকা' নামৰ গ্রন্থখনৰ লেখক জি. ই. মূৰে কৈছে যে 'শুভ' বোলা শব্দটোৰ সংজ্ঞা দাঙি ধৰা অতি কঠিন কাম। কাৰণ, ই এক সৰল অভিধা ()। ইয়াৰ কোনো গঠনকাৰী অংশ নাই। কিন্তু ই এক মৌলিক ধাৰণা। ইয়াৰ সহায়তে নীতিশাস্ত্রৰ আনবোৰ ধাৰণাৰ বিষয়ে বুজিব পাৰি। নীতিশাস্ত্রত 'শুভ'ক এক আদর্শ বুলি ধৰা হয়। ই পূর্ণতাৰ কথা বুজায়। মূৰেই তিনি ধৰণৰ 'শুভ'ৰ বিষয়ে উল্লেখ কৰিছিল। ইয়াৰে মাজৰ প্রথমবিধ 'শুভ' (ভাল) ধুনীয়া বস্তুৰ প্রতি থকা আমাৰ ভালপোৱাত নিহিত থাকে। দ্বিতীয় বিধ 'শুভ' বেয়া অথবা অশুভ বস্তুৰ প্রতি থকা আমাৰ ভালপোৱাত নিহিত থাকে। আৰু তৃতীয়বিধ 'শুভ' ভাল আৰু অশুভ দুয়োধৰণৰ বস্তুৰ প্রতি থকা আমাৰ ভালপোৱাত নিহিত থাকে।

সাধাৰণ কথা-বতৰাত 'শুভ' অভিধাটো দ্ব্যার্থকভাৱে ব্যৱহাৰ কৰা হয়। কেতিয়াবা আমাৰ আগ্রহৰ বস্তু, যেনে- ধন, পার্থিৱ সফলতা আদি বুজাবলৈ 'শুভ' (ভাল) শব্দটো ব্যৱহাৰ কৰা হয়। কেতিয়াবা 'শুভ' শব্দটো কোনো লক্ষ্যত উপনীত হোৱাৰ মাধ্যমৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে, যদি সুস্বাস্থ্য শুভ (ভাল), তেন্তে সুস্বাস্থ্য অটুট ৰখাত অৱদান আগবঢ়োৱা বস্তুবোৰ, যেনে- ভিটামিনযুক্ত খাদ্য আৰু শাৰীৰিক ব্যায়াম আদিও শুভ (ভাল)। অৱশ্যে, নীতিশাস্ত্রত 'শুভ' শব্দটোৱে কোনো ফলাফল লাভৰ উপায়ৰ বিষয়েই কেৱল বুজোৱা নহয়, 'শুভ' নিজেই এক লক্ষ্য বুলি ধৰা হয়। যেতিয়া 'শুভ' কোনো লক্ষ্যত উপনীত হোৱাৰ মাধ্যম, তেতিয়া ইয়াক 'আপেক্ষিক শুভ' (relative good) বোলা হয়। মানুহে সাধাৰণতে বিচৰা বস্তুবোৰৰ সকলোবোৰেই হ'ল 'আপেক্ষিক শুভ'। আকৌ, যেতিয়া 'শুভ' নিজেই এক লক্ষ্য বুলি ধৰা হয় তেতিয়া ইয়াক 'পৰম শুভ' (absolute good) বোলা হয়। পৰম শুভক ইয়াৰ নিজৰ স্বার্থতে সন্ধান কৰা হয়। ই আন কোনো উচ্চতৰ শুভত উপনীত হোৱাৰ মাধ্যম নহয়। 'সর্বোচ্চ শুভ' ই হ'ল পৰম শুভ। ই হ'ল চৰম উদ্দেশ্য অথবা চূড়ান্ত লক্ষ্য। 'সর্বোচ্চ শুভ' হ'ল আমাৰ জীৱনৰ পৰমার্থ। পৰমার্থ লাভৰ পাচত আৰু একো লাভ কৰিবলগীয়া নাথাকে। জীৱনৰ 'সর্বোচ্চ শুভ' অথবা 'পৰমার্থ' কি জনাটো সহজ কাম নহয়। নীতিশাস্ত্রই মানৰ জীৱনৰ এই সর্বোচ্চ শুভৰ প্রকৃতি নির্ণয়ৰ প্রয়াস কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ খালী ঠাই পূৰণ কৰক-

(ক) ইংৰাজী 'Good' শব্দটোৰ মূল হ'ল জার্মান শব্দ.....।

(খ)'প্রিন্সিপিয়া এথিকা'ৰ লিখক হ'ল.....।

(গ) যেতিয়া শুভ কোনো লক্ষ্যত উপনীত হোৱাৰ মাধ্যম হয় তেতিয়া ইয়াক ..... বোলা হয়।

(ঘ) .....শুভ হ'ল পৰম শুভ।

৫.৪ শুদ্ধ (RIGHT)

শুদ্ধ বুজোৱা ইংৰাজী শব্দ 'R ight' ৰ মূল হ'ল লেটিন শব্দ 'Rectus' যাৰ অর্থ 'পোন' অথবা 'গ্রাম্য আইন অনুসৰি'। ইয়াত 'আইন' মানে হ'ল নৈতিক আইন। নৈতিক আইন হ'ল কোনো এক আদর্শৰ বর্ণনা। ই কোনো এটা বস্তু কেনে হোৱা উচিত সেয়া বর্ণনা কৰে। যেতিয়া কোনো এটা কার্য কোনো এটা নৈতিক নিয়ম অথবা আইন মতে কৰা হয় তেতিয়া তাক শুদ্ধ বুলি কোৱা হয়। যেতিয়া কোনো কার্যই এনে নিয়ম অথবা আইন নামানে তেতিয়া ইয়াক অশুদ্ধ / ভুল বুলি কোৱা হয়। 'ভুল' বুলিলে নৈতিক আইন ভংগকাৰী সকলো কার্যকে সামৰি লোৱা হয়। ভুল বুজোৱা ইংৰাজী 'Wrong' ৰ মূল হ'ল আন এটা শব্দ 'Wring' । ইয়াৰ অর্থ হ'ল পাক খোৱা অথবা যি আইন মতে নহয়। নৈতিক আইন অথবা নিয়ম হ'ল কার্যৰ শুদ্ধতা / ন্যায়পৰায়ণতা নির্ণয় কৰাৰ সাধাৰণ নীতি । স্বেচ্ছিক অথবা অভ্যাসগত কার্যৰ ক্ষেত্রত শুদ্ধ আৰু ভুল প্রয়োগ কৰা হয়। অভ্যাসগত কার্য আকৌ পুনৰাবৃত্তি ঘটা স্বেচ্ছিক কার্যৰ পৰিণাম।

শুদ্ধ আৰু শুভৰ মাজত এক ঘনিষ্ঠ সম্পর্ক আছে। শুদ্ধক শুভ বাস্তৱ কৰাৰ এক মাধ্যম বুলি বিবেচনা কৰা হয়। কামবোৰক তেতিয়াই শুদ্ধ বুলি কোৱা হয় যেতিয়া সেইবোৰে শুভ কি সেয়া প্রকাশ কৰে। আৰু যিবিলাক কামে অশুভ কি সেয়া প্রকাশ কৰে তেনেবোৰ কামক ভুল বুলি কোৱা হয়। অর্থাৎ, শুদ্ধৰ সংপ্রত্যয়ন হ'ল শুভৰ সংপ্রত্যয়নৰ অধীন। আটাইবোৰ নৈতিক আইনে সর্বোচ্চ শুভ আহৰণ সহায় কৰে। সেয়েহে, সর্বোচ্চ শুভ প্রাপ্তিত সহায় কৰা সকলো কামেই শুদ্ধ কাম। সর্বোচ্চ শুভ হ'ল লক্ষ্য আৰু শুদ্ধ হ'ল সেই লক্ষ্যত উপনীত হোৱাৰ এক পথ। মেকেঞ্জিৰ মতে, "যেতিয়া আমি কোনো কার্যক শুদ্ধ বুলি কওঁ তেতিয়া আমি এই অর্থটো বুজিব লাগিব যে আমি জনা ধৰণে শুভ বাহিৰ কৰিবলৈ এই কার্যবোৰ গণনা কৰা হৈছে।"

কেতিয়াবা বস্তুনিষ্ঠ শুদ্ধ আৰু বিষয়নিষ্ঠ শুদ্ধৰ মাজৰ পার্থক্য নিৰূপণ কৰা হয়। যেতিয়া কর্তাই নিজে কোনো এটা কাম শুদ্ধ বুলি বিবেচনা কৰে তেতিয়া ই বিষয়নিষ্ঠভাৱে শুদ্ধ হয়। বিষয়নিষ্ঠ শুদ্ধতা ব্যক্তিগত প্রত্যয়ৰ ওপৰত নির্ভৰশীল। প্রকৃত নৈতিক পৰিণামৰ দ্বাৰা বস্তুনিষ্ঠ

শুদ্ধতা নিৰূপণ কৰা হয়। বিষয়নিষ্ঠ শুদ্ধতা কৰ্তাৰ শুদ্ধ কৰ্ম বাছনি কৰিব পৰা জ্ঞান আৰু মনোভাৱৰ ওপৰত নির্ভৰশীল। আনহাতে, বস্তুনিষ্ঠ শুদ্ধতা প্রকৃত শুভৰ ওপৰত নির্ভৰশীল। শুদ্ধ কৰ্মৰ দ্বাৰা প্রকৃত শুদ্ধ লাভ কৰিব পৰা যায়। এই দিশৰ পৰা চাবলৈ গ'লে শুদ্ধতা সম্পূর্ণৰূপে বিষয়নিষ্ঠও নহয় বস্তুনিষ্ঠও নহয়। নীতিশাস্ত্রই বিষয়নিষ্ঠ আৰু বস্তুনিষ্ঠ দুয়ো ধৰণৰ শুদ্ধতাৰ কথা আলোচনা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২ ঃ নৈতিক আইন মানে কি?

প্রশ্ন ৩ ঃ কেতিয়া কোনো এটা কার্যক শুদ্ধ বুলি কোৱা হয়?

প্রশ্ন ৪ ঃ কার্যৰ শুদ্ধতা নির্ণয়ৰ বাবে থকা সাধাৰণ নীতিটো কি?

৫.৫ কৰ্তব্য (DUTY)

কৰ্তব্যই সমাধা কৰিবলগীয়া কার্যবোৰৰ কথা বুজায়। অন্য অর্থত, পৰম শুভফল লাভৰ বাবে মানুহে কৰিবলগীয়া কামবোৰ হ'ল মানুহৰ নৈতিক কৰ্তব্য। এই কৰ্তব্যবোৰ ব্যক্তিয়ে নিজৰ লগতে সমাজৰ বাবেও পালন কৰিব লাগে। কৰ্তব্য হ'ল তেনেবোৰ কার্য যিবোৰ নৈতিক নিয়মৰ অধীনত সম্পাদন কৰিব লাগে। নৈতিক নিয়ম মানি চলাটোকো কৰ্তব্য বুলি ধৰা হয়।

নৈতিক কৰ্তব্য নৈতিক বাধ্যবাধকতাৰ অনুভৱৰ সৈতে সাঙোৰ খাই থাকে। এই বাধ্যবাধকতা আমাৰ ওপৰত বাহ্যিকভাৱে জাপি দিয়া নহয়। এগৰাকী নৈতিক ব্যক্তি হিচাপে মানুহে নিজেই নিজকে এই বাধ্যবাধকতাবোৰ জাপি দিয়ে। মানুহৰ আন্তৰিক সত্বা আৰু তেওঁৰ নৈতিক স্বজ্ঞাই তেওঁক নিজ কৰ্তব্য সমাধা কৰিবলৈ অনুপ্রাণিত কৰে। নৈতিক বাধ্যবাধকতাই কৰ্তব্যবোধৰ জন্ম দিয়ে। আমি আমাৰ নৈতিক কৰ্তব্য সম্পাদন কৰিবলৈ বাধ্য। মানুহৰ নিজ কৰ্তব্য পালন কৰাৰ সামর্থ আছে। জার্মান দার্শনিক ইমানুৱেল কাণ্টে কৈছিল যে 'উচিত /আছিল উচিত' (ought) বোলা কথাটোৱে 'সমর্থ /ক্ষমতা থকা' (can) কথাটোলৈ ইংগিত দিয়ে। যেনে- আমি বেছি সময়ৰ বাবে আমাৰ উশাহ বন্ধ কৰি ৰাখিব নোৱাৰো সেয়েহে, দীঘলীয়া সময়ৰ বাবে উশাহ বন্ধ ৰখাটো আমাৰ কৰ্তব্য নহয়। কিন্তু, আমাৰ সঁচা কথা কোৱাৰ সামর্থ আছে। সেয়েহে, সঁচা কথা কোৱাটো আমাৰ কৰ্তব্য।

'কৰ্তব্য বোলা অভিধাটোৰ 'অধিকাৰ' (Right) বোলা অভিধাৰ সৈতে সহঃসম্বন্ধ আছে। অধিকাৰ হ'ল বৈধ অথবা নৈতিক ভিত্তিক সৃষ্টি হোৱা এক ন্যায়সংগত বোধ। মানুহ সামাজিক প্রাণী। মানুহে সমাজ পাতি বাস কৰে। সমাজে উমৈহতীয়া কল্যাণৰ বাবে ইয়াৰ সদস্যসকল কিছুমান নৈতিক অধিকাৰ দিয়ে। সমাজৰ প্রত্যেকেই প্রত্যেকৰ এই অধিকাৰবোৰক সন্মান কৰাটো কৰ্তব্য। কৰ্তব্য হ'ল ব্যক্তিৰ কিছুমান নৈতিক বাধ্যবাধকতা যিবোৰক সমাজে স্বীকৃতি দিয়ে। ব্যক্তিৰ অধিকাৰক সমাজে সুৰক্ষা প্রদান কৰে। অন্যৰ অধিকাৰ খর্ব কৰিব বিচৰাসকলক সমাজে শাস্তি দিয়ে। অর্থাৎ, সমাজে ব্যক্তিক কিছুমান অধিকাৰ প্রদান কৰে আৰু একে সময়তে অন্য

ব্যক্তিৰ অধিকাৰৰ প্ৰতি সন্মান জনোৱাৰ কর্তব্যও অর্পণ কৰে। ইয়াৰ দ্বাৰা আমি বুজি পালোঁ যে সমাজে অধিকাৰ আৰু কর্তব্যৰ সৃষ্টি তথা তদাৰক কৰে। অধিকাৰে কর্তব্যৰ কথা আৰু কর্তব্যই অধিকাৰৰ কথা সূচায়। অধিকাৰ আৰু কর্তব্য উভয়ৰে এক সামাজিক উল্লেখ আছে।

শুদ্ধ (Right) আৰু কর্তব্য (Duty) বোলা শব্দ দুটা অন্য অর্থতো ব্যৱহাৰ কৰা হ'ব পাৰে। যদি কোনো এক বিশেষ পৰিস্থিতিত কোনো এটা কার্য 'শুদ্ধ' হয়, তেন্তে আমি সেই কার্যটো কৰা উচিত। কিন্তু যদি কার্যটো 'ভুল' (Wrong) হয়, তেন্তে আমি সেই কার্যটো কৰা অনুচিত। যেতিয়া কোনো এটা কার্যক 'শুদ্ধ' বুলি বিচাৰ কৰা হয়, তেন্তে আমি যিটো শুদ্ধ সেয়া কৰাটো আমাৰ কর্তব্য বুলি ভাবোঁ। একেদৰে, যিটো ভুল তাক এৰাই চলাটোও আমাৰ কর্তব্য। শুদ্ধ আৰু কর্তব্যক সেয়েহে পাৰস্পৰিক সম্বন্ধ যুক্ত বুলি কোৱা হয়। যি শুদ্ধ সেয়া আমি কৰা উচিত। যি শুদ্ধ সেয়া কৰাটো আমাৰ কর্তব্য। অর্থাৎ, শুদ্ধ কার্যৰ সৈতে কর্তব্যৰ সম্পর্ক আছে।

কিছুমান দার্শনিকে নির্দিষ্ট কর্তব্য আৰু আনির্দিষ্ট কর্তব্যৰ মাজত প্রভেদ আছে বুলি মত পোষণ কৰে। অভিধাটোৰ পৰাই স্পষ্টকৈ বুজিব পাৰি যে ' নির্দিষ্ট কর্তব্য'বোৰ ভালদৰে তথা পৰিষ্কাৰকৈ সংজ্ঞাৱদ্ধ কৰা থাকে। এনে কর্তব্য কৰাত অসফল হ'লে আইনৰ দ্বাৰা শাস্তি প্রদান কৰা হ'ব পাৰে। আনহাতে, অনির্দিষ্ট কর্তব্যবোৰৰ কোনো স্পষ্ট সংজ্ঞা নাই।

এনে কার্য সম্পাদন কৰাত অসফল হ'লে আইনৰ দ্বাৰা কোনো শাস্তি প্রদান কৰা নহয়। অনির্দিষ্ট কর্তব্য সম্পাদন কৰিবলৈ আমাৰ ওপৰত কোনো বাধ্যবাধকতা নথাকে। ঋণ পৰিশোধ কৰা, প্রদত্ত কার্য সম্পাদন কৰা আদি হ'ল নির্দিষ্ট কর্তব্যৰ উদাহৰণ। আনহাতে, দুখীয়া আৰু অভাৰী লোকক সহায় কৰা আৰু অসুস্থ ব্যক্তিক শুশ্রূষা কৰা আদি হ'ল অনির্দিষ্ট কর্তব্যৰ উদাহৰণ। অৱশ্যে, কর্তব্যৰ এনে শ্রেণীবিভাজনক ন্যায়নিষ্ঠ বুলি ক'ব নোৱাৰি। কাৰণ, নির্দিষ্ট কর্তব্যবোৰ বাহ্যিক কর্তৃপক্ষই আৰোপ কৰে আৰু ব্যক্তিয়ে হেচাৰ পৰি এনে কাম সম্পন্ন কৰিবলগীয়া হয়। হেচাত পৰি কৰিবলগীয়া হোৱা কামক নৈতিক বাধ্যবাধকতা বুল ক'ব নোৱাৰি।

আমি বিভিন্ন কর্তব্য সম্পাদন কৰিবলগীয়া হয়। যেনে- আমাৰ নিজৰ প্রতি থকা কর্তব্য, পৰিয়ালৰ প্রতি থকা কর্তব্য, সমাজ আৰু দেশৰ প্রতি থকা কর্তব্য আদি। কিন্তু কিছুমান জটিল পৰিস্থিতিত বিবেক কিংকর্তব্য বিমূঢ় হৈ পৰে। কোনো এক কার্যসমষ্টিৰ আন এটা কার্যসমষ্টিৰ সৈতে সংঘাত ঘটিলে এনে পৰিস্থিতিৰ সৃষ্টি হয়। যেনে- এগৰাকী ব্যক্তিৰ নিজৰ পৰিয়ালৰ প্রতিত্ত কর্তব্য থাকে আৰু দেশৰ প্রতিও কর্তব্য থাকে। ব্যক্তিগৰাকীৰ পৰিয়ালৰ প্রতি থকা কর্তব্য আৰু দেশৰ প্রতি থকা কর্তব্যই সংঘাতৰ সৃষ্টি কৰিব পাৰে। কাৰণ, পৰিয়াল আৰু দেশ উভয়ৰে তেওঁৰ সেৱা লাভ কৰাৰ অধিকাৰ আছে। এতিয়া ব্যক্তিগৰাকীয়ে কোনটো কর্তব্য সম্পাদন কৰিব? কর্তব্যক লৈ সৃষ্টি হোৱা এনে পৰিস্থিতিক কর্তব্যৰ সংঘাত (conflict of duties) বোলে।

কিন্তু প্রকৃতার্থত 'কতব্যৰ সংঘাত' বোলা অভিব্যক্তিটো যুক্তিসংগত নহয়। কর্তব্যৰ মাজত প্রকৃততে কোনো সংঘাত নাথাকে। নৈতিক দিশৰ পৰা প্রত্যেকটো পৰিস্থিতিতে আমাৰ সন্মুখত মাত্র এটাহে কার্য থাকে। জটিল পৰিস্থিতিৰ বাবেহে আমি শুদ্ধ কর্তব্য কোনটো তাৰ সিদ্ধান্ত

ল'বলৈ অসমর্থ হওঁ। ই হ'ল এক প্রকাৰৰ মানসিক সংকোচ। তথাকথিত 'কর্তব্যৰ সংঘাত' তেতিয়া সৃষ্টি হয় যেতিয়া আমি কোনো এক পৰিস্থিতিৰ চৰিত্র সম্পর্কে অজ্ঞ হৈ ৰও। কেতিয়াবা আমাৰ আবেগ (emotion) আৰু ভাবাবেগ (passion)এ শুদ্ধ কর্তব্য বাছনি কৰাৰ প্রক্রিয়াটো বাধাগ্রস্ত কৰে। কেতিয়াবা আমাৰ ভুল বিশ্বাস তথা অন্ধবিশ্বাসেও আমাক কর্তব্য বাছনি কৰিবলৈ নিদিয়ে। নৈতিক আদর্শৰ স্পষ্ট জ্ঞান তথা কোনো ঘটনা সকলো দিশেৰে যুক্তিসংগতভাৱে বিবেচনা কৰি চাব পৰা দক্ষতাই বিবেকৰ সকলো ধৰণৰ দোধোৰ-মোধোৰ অৱস্থা নাইকিয়া কৰি সংঘাতৰ সমাধান কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ নৈতিক কর্তব্য মানে কি?

প্রশ্ন ৬ ঃ নির্দিষ্ট কর্তব্যৰ দুটা উদাহৰণ দিয়ক।

প্রশ্ন ৭ ঃ কিহৰ পৰা কর্তব্যবোধৰ উৎপত্তি হয়।

৫.৬ সদাচাৰ (VIRTUE)

সদাচাৰ বুজোৱা ইংৰাজী শব্দ Virtue ৰ মূল হ'ল লেটিন শব্দ Vir। ইয়াৰ অর্থ হ'ল সাহসী (Valiant) অথবা শক্তিশালী (Strong)। সদাচাৰে আচৰণত থকা সজ অভ্যাসবোৰৰ কথা বুজায় । 'ধ্যসিত্বা'ৰ (self) ৰ নিজ কার্যবোৰক নৈতিক নিয়ম-কানুনৰ সৈতে খাপ খুওৱাৰ সাধাৰণ প্রবণতা অথবা ইচ্ছাকে সদাচাৰ বুলিব পাৰি। ই হ'ল নৈতিক নিয়মৰ সৈতে সামঞ্জস্য ৰাখি আহৰণ কৰা এক প্রকাৰৰ চৰিত্র। সদাচাৰ হ'ল চৰিত্রৰ সেইটো গুণ যিটো আমাৰ কার্যৰ মাজেদি প্রকট হয়। উইলিয়াম লিলিয়ে তেওঁৰ গ্রন্থ 'এন ইণ্ট্র'ডাক্শ্যন টু এথিকচ্'ত লিখিছে যে সদাচাৰ শব্দটো দুটা অর্থত ব্যৱহাৰ কৰিব পাৰি। প্রথম অর্থ মতে সদাচাৰ হ'ল চৰিত্রৰ এটা গুণ. দ্বিতীয় অর্থ মতে সদাচাৰ হ'ল চৰিত্রৰ অথবা ইচ্ছাৰ গুণৰ সমৰূপ এক কার্য অভ্যাস। মেকেঞ্জিয়ে তেওঁৰ গ্রন্থ 'এ মেনুৱেল অৱ এথিকচ্'ত লিখিছে যে সদাচাৰ হ'ল এক প্রকাৰৰ জ্ঞান আৰু একপ্রকাৰৰ অভ্যাস দুয়োটাই। তেওঁৰ মতে সদাচাৰী ব্যক্তিয়ে সদায় শুদ্ধ কার্য কৰে। চক্রেটিছৰ মতে "জ্ঞানেই সদাচাৰ" । যেতিয়া এগৰাকী ব্যক্তিয়ে 'শুভ'ৰ প্রকৃতি সম্পূর্ণৰূপে বুজি পায় তেতিয়া তেওঁ ইয়াত সিদ্ধি লাভৰ প্রচেষ্টা নকৰাকৈ নাথাকে। তেওঁ বিশ্বাস কৰিছিল যে এবাৰ কোনো এটা কথাভূল বুলি জনাৰ পাচত মানুহে কোনো ভুল কৰিব নোৱাৰে। সদাচাৰক তিনিটা ভাগত ভগাব পৰা যায়।

(i) **আত্মবিষয়ক সদাচাৰ (Self- regarding virtues) ঃ** ই তেনেবোৰ সদাচাৰৰ কথা বুজায় যিবোৰে কর্তাৰ নিজৰ কল্যান সাধন কৰে। আত্মবিষয়ক সদাচাৰত আমি কেৱল আমাৰ নিজৰ কল্যাণৰ কথাহে জানো। অইনৰ কল্যাণৰ বিষয়ে নাজানো। সাহস, সংযম, অধ্যাৱসায় আদি হ'ল ইয়াৰ দুটামান উদাহৰণ।

(ii) অন্যবিষয়ক সদাচাৰ (Other-regarding virtues) ঃ ই আত্মসত্বাৰ নিজ আচৰণ নিয়ন্ত্রণ কৰি অন্য ব্যক্তিৰ কল্যাণৰ পোষকতা কৰিব খোজা প্রবণতাবোৰৰ কথা বুজায়। এনে সদাচাৰে অন্য ব্যক্তিৰ কল্যাণ সাধন কৰে। ন্যায়, পৰোপকাৰ আদি হ'ল এনে সদাচাৰৰ উদাহৰণ।

(iii) আদর্শ বিষয়ক সদাচাৰ (Ideal- regarding virtues) ঃ নৈর্ব্যক্তিক সত্য, শুভ আৰু সুন্দৰৰ আদর্শক বাস্তৱ ৰূপ দিয়া সদাচাৰবোৰকে আদর্শ বিষয়ক সদাচাৰ বোলে। নান্দনিক আদর্শ অথবা সৌন্দর্যৰ আদর্শৰ প্রতি থকা প্রত্যাশা, আদর্শ শ্রেষ্ঠতম সত্বাৰ গৰাকী হোৱাৰ প্রত্যাশা আদি হ'ল এনে সদাচাৰৰ উদাহৰণ।

অৱশ্যে সদাচাৰৰ এই শ্রেণীবিভাজন সম্পূর্ণ সন্তোষজনক নহয়। কাৰণ আমি আত্মবিষয়ক তথা অন্যবিষয়ক সদাচাৰৰ মাজত কোনো ধৰা-বন্ধা প্রভেদ উলিয়াব নোৱাৰো। গভীৰভাৱে বিবেচনাকৰি চালে দেখিম যে আত্মবিষয়ক সদাচাৰে কেৱল আমাৰ। নিজৰে কল্যাণ সাধন নকৰে, ই অন্য লোকৰো কল্যাণ সাধন কৰিব পাৰে।

কর্তব্য আৰু সদাচাৰৰ মাজত এক ঘনিষ্ঠ সম্পর্ক আছে। কর্তব্যৰ অভ্যাসগত পাৰর্শিতাই আমাকে সদাচাৰী কৰি তোলে। অর্থাৎ, সদাচাৰী ব্যক্তিসকলৰ নিজ নিজ কর্তব্য সম্পাদন কৰাটো অভ্যাস। সদাচাৰ হ'ল ব্যক্তিৰ আভ্যন্তৰীণ চৰিত্র। আনহাতে কর্তব্য হ'ল আচাৰ- আচৰণৰ চাৰিত্রিক বৈশিষ্ট্যই প্রকট কৰা বাহ্যিক কার্য। যেনে- ডাঙৰক মানি চলাটো আমাৰ কর্তব্য। কিন্তু ডাঙৰসকলৰ বাবে আমি মনত পুহি ৰখা সন্মানৰ ভাৰ হ'ল সদাচাৰ। সদাচাৰ কার্যৰ ৰূপত প্রকট হয়। অন্য অর্থত, কর্তব্য হ'ল কার্যৰূপায়িত হৈ থকা সদাচাৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ সদাচাৰ মানে কি?

প্রশ্ন ৯ ঃ 'এন ইণ্ট্র'ডাক্শ্যন টু এথিকচ্' গ্রন্থখন কোনে লিখিছিল?

প্রশ্ন ১০ ঃ আত্মবিষয়ক সদাচাৰ মানে কি?



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নীতিশাস্ত্র হ'ল আচৰণৰ নৈতিকতাৰ বিজ্ঞান। নীতিশাস্ত্রই মানুহৰ কার্যৰ ঔচিত্য আৰু অনৌচিত্য, যোগ্যতা আৰু অযোগ্যতা, শুভ আৰু অশুভ দিশবোৰ সামৰি লয়।
- উচিত-অনুচিত, শুভ- অশুভ, যোগ্যতা আদি ধাৰণা হ'ল বুনিয়াদী নৈতিক ধাৰণা।
- 'শুভ' মানে হ'ল কোনো লক্ষ্যত উপনীত হ'বৰ বাবে যিটো উপযোগী। শুভ বস্তু অথবা কথাই সদায়েই আমাৰ কিছুমান প্রয়োজন পূৰণ কৰে অথবা সদায়েই আমাক এক লাভজনক অথবা অনুকূল ফলাফল লাভৰ দিশে আগুৱাই নিয়ে।

- যেতিয়া কোনো এটা কার্য কোনো এটা নৈতিক নিয়ম অথবা আইনমতে কৰা হয় তেতিয়া তাক শুদ্ধ বুলি কোৱা হয়। যেতিয়া কোনো কার্যই এনে নিয়ম অথবা আইন নামানে তেতিয়া ইয়াক অশুদ্ধ /ভুল বুলি কোৱা হয়।
- শুদ্ধ আৰু শুভৰ মাজত এক ঘনিষ্ঠ সম্পর্ক আছে। কামবোৰক তেতিয়াই শুদ্ধ বুলি কোৱা হয় যেতিয়া সেইবোৰে শুভ কি সেয়া প্রকাশ্য কৰে। আৰু যিবিলাক কামে অশুভ কি সেয়া প্রকাশ কৰে তেনেবোৰ কামক ভুল বুলি কোৱা হয়।
- কর্তব্যই সমাধা কৰিবলগীয়া কার্যবোৰৰ কথা বুজায়। পৰম শুভফল লাভৰ বাবে মানুহে কৰিবলগীয়া কামবোৰ হ'ল মানুহৰ নৈতিক কর্তব্য।
- নৈতিক কর্তব্য নৈতিক বাধ্যবাধকতাৰ অনুভৱৰ সৈতে সাঙোৰ খাই থাকে।
- কর্তব্যক নির্দিষ্ট আৰু অনির্দিষ্ট- এই. দুটা ভাগত ভগোৱা হয়। নির্দিষ্ট কর্তব্যবোৰ ভালদৰে তথা পৰিষ্কাৰকৈ সংজ্ঞাৱদ্ধ কৰা থাকে। আনহাতে, অনির্দিষ্ট কর্তব্যবোৰৰ কোনো স্পষ্ট সংজ্ঞা নাই।
- আমি বিভিন্ন কর্তব্য সম্পাদন কৰিবলগীয়া হয়। কিন্তু কিছুমান জটিল পৰিস্থিতিত কোনো এক কার্যসমষ্টিৰ আন এক কার্যসমষ্টিৰ সৈতে সংঘাত ঘটে। এনে পৰিস্থিতিত শুদ্ধ কর্তব্য বাছনি কৰাটো জটিল হৈ পৰে। কর্তব্যক লৈ সৃষ্টি হোৱা এনে পৰিস্থিতিক কর্তব্যৰ সংঘাত বোলে।
- ব্যক্তিসত্বাৰ নিজ কার্যবোৰক নৈতিক নিয়ম-কানুনৰ সৈতে খাপ খুওৱাৰ সাধাৰণ প্রবণতা অথবা ইচ্ছাকে সদাচাৰ বুলিব পাৰি।
- সদাচাৰক তিনিটা ভাগত ভগাব পাৰি- আত্মবিষয়ক সদাচাৰ, অন্য বিষয়ক সদাচাৰ আৰু আদর্শ বিষয়ক সদাচাৰ।
- কর্তব্য আৰু সদাচাৰৰ মাজত ঘনিষ্ঠ সম্পর্ক আছে। কর্তব্যৰ অভ্যাসগত পাৰদর্শিতাই আমাক সদাচাৰী কৰি তোলে।



৫.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্র*
২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*
৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্র*
৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*
৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*.....



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) Gut (খ) জি. ই. মূৰ
(গ) আপেক্ষিক শুভ (ঘ) সর্বোচ্চ শুভ

২ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক আইন অথবা নিয়ম হ'ল কোনো এক আদর্শৰ বর্ণনা। ই কোনো এটা বস্তু কেনে হোৱা উচিত সেয়া বর্ণনা কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া কোনো এটা কার্য কোনো এটা নৈতিক নিয়ম অথবা আইন মতে কৰা হয় তেতিয়া তাক শুদ্ধ বুলি কোৱা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক আইন অথবা নিয়ম।

৫ নং প্রশ্নৰ উত্তৰ ঃ পৰম শুভফল লাভৰ বাবে মানুহে কৰিবলগীয়া কামবোৰ হ'ল মানুহৰ নৈতিক কর্তব্য।

৬ নং প্রশ্নৰ উত্তৰ ঃ ঋণ পৰিশোধ কৰা, প্রদত্ত কার্য সমাধান কৰা।

৭ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক বাধ্যবাধকতাৰ পৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিসত্বাৰ নিজ কার্যবোৰক নৈতিক নিয়ম-কানুনৰ সৈতে খাপ খুওৱাৰ সাধাৰণ প্রবণতা অথবা ইচ্ছাকে সদাচাৰ বুলি কোৱা হয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ উইলিয়াম লিলি।

১০নং প্রশ্নৰ উত্তৰ ঃ আত্মবিষয়ক সদাচাৰ মানে হ'ল সেইবোৰ সদাচাৰ যিবোৰে কর্তাৰ নিজৰ কল্যাণ সাধন কৰে।



৫.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন-(প্রায় ৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ নীতিশাস্ত্রৰ মৌলিক ধাৰণাবোৰ কি কি?

প্রশ্ন নং ২ ঃ জার্মান শব্দ 'Gut' ৰ অর্থ কি?

প্রশ্ন নং ৩ ঃ 'Vir' শব্দটোৰ অর্থ কি?

প্রশ্ন নং ৪ ঃ অন্য বিষয়ক সদাচাৰৰ দুটা উদাহৰণ দিয়ক।

প্রশ্ন নং ৫ ঃ লেটিন শব্দ ' Rectus' ৰ অর্থ কি?

প্রশ্ন নং ৬ ঃ মানুহক কিহে কর্তব্য সম্পাদন কৰিবলৈ অনুপ্রাণিত কৰে?

প্রশ্ন নং ৭ ঃ "উচিত আছিল/ উচিত বোলা কথাটোৱে সমর্থ / ক্ষমতা থকা কথাটোলৈ ইংগিত দিয়ে।"- কথাষাৰ কোনে কৈছিল।

প্রশ্ন নং ৮ ঃ আদর্শ বিষয়ক সদাচাৰৰ দুটা উদাহৰণ দিয়ক।

প্রশ্ন নং ৯ ঃ অনির্দিষ্ট কর্তব্য কি?

প্রশ্ন নং ১০ ঃ নির্দিষ্ট আৰু অনির্দিষ্ট কর্তব্য হিচাপে কর্তব্যৰ শ্রেণীবিভাজন কৰাটোক কিয় ন্যায়নিষ্ঠ বুলি বিবেচনা কৰা নহয়?

(খ) চমু প্রশ্ন-(প্রতিটো প্রশ্নৰ প্রায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্রশ্ন নং ১ ঃ 'শুভ'ৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন নং ২ ঃ জি. ই. মুৰে 'শুভ' সম্পর্কে কি কৈছিল?

প্রশ্ন নং ৩ ঃ বস্তুনিষ্ঠ শুদ্ধতা আৰু বিষয়নিষ্ঠ শুদ্ধতাৰ মাজৰ প্রভেদ নির্ণয় কৰক ?

প্রশ্ন নং ৪ ঃ কর্তব্য আৰু সদাচাৰৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ মৌলিক নৈতিক ধাৰণাবোৰ ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ কর্তব্যৰ সংঘাত সম্পর্কে এটি টোকা লিখক।

প্রশ্ন নং ৩ ঃ 'অধিকাৰে কর্তব্যৰ কথা আৰু কর্তব্যই অধিকাৰৰ কথা সূচায়'- উক্তিটো ব্যাখ্যা কৰক।

* * * * *

অধ্যায় ৬ ঃ সুখবাদ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ নৈতিক দর্শনত সুখবাদ

৬.৪ সুখবাদী তত্ত্বৰ শ্রেণীবিভাগ

৬.৫ মনস্তাত্ত্বিক সুখবাদ

৬.৫.১ মনস্তাত্ত্বিক সুখবাদৰ বিচাৰমূলক ব্যাখ্যা

৬.৬ নৈতিক সুখবাদ

৬.৬.১ নৈতিক সুখবাদৰ বিচাৰমূলক ব্যাখ্যা

৬.৭ আত্মসুখবাদ বা স্ব-সুখবাদ

৬.৭.১ স্থূল বা অসংযত নৈতিক সুখবাদ

৬.৭.২ মার্জিত বা সংযত আত্মসুখবাদ

৬.৭.৩ সমালোচনা

৬.৮ পৰসুখবাদ বা স্থূল বা অমার্জিত পৰসুখবাদ —বেণ্ঠাম

৬.৮.১ সমালোচনা

৬.৯ পৰসুখবাদ বা মার্জিত সুখবাদ —জে. এছ. মিল

৬.৯.১ সমালোচনা

৬.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১১ অধিক জানিবলৈ

৬.১২ অগ্রগতিৰ খতিয়ান

৬.১৩ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সুখবাদৰ সংজ্ঞা দিব পাৰিব,
- সুখবাদী তত্ত্বসমূহৰ বিভিন্ন ভাগসমূহ আলোচনা কৰিব পাৰিব,
- মনস্তাত্ত্বিক সুখবাদৰ ব্যাখ্যা কৰিব পাৰিব,
- নৈতিক সুখবাদৰ আলোচনা কৰিব পাৰিব,
- বেণ্ঠামৰ (Bentham) স্থূল বা পৰিমাণবোধক উপযোগিতাবাদ বর্ণনা কৰিব পাৰিব,
- স্থূল উপযোগিতাবাদৰ ওপৰত বিচাৰমূলক মন্তব্য আগবঢ়াব পাৰিব,

- জে. এছ. মিলৰ মার্জিত উপযোগিতাবাদৰ বর্ণনা কৰিব পাৰিব,
- মার্জিত উপযোগিতাবাদৰ বিষয়ে ওপৰত বিচাৰমূলক মন্তব্য আগবঢ়াব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টিৰ পৰা 'আমি সদায় সুখ কামনা কৰো' —এই নৈতিক তত্ত্বটোৰ লগত আপুনি পৰিচিত হ'ব পাৰিব। ভাল বা বেয়া কামনাৰ একমাত্র বিষয়বস্তু হ'ল সুখ। আপুনি মনত ৰখা উচিত যে নৈতিক দর্শন বা নীতিশাস্ত্রত জীৱনৰ পৰম লক্ষ্য প্রসংগত কর্মসমূহ ভাল বা বেয়া বুলি বিবেচিত হয়। আপুনি জানেনে কর্ম কেনেকৈ ভাল বা বেয়া বুলি বিবেচনা কৰা হয়? যেতিয়া কোনো এটা কাম উপকাৰজনক হয় বা জীৱনৰ পৰম লক্ষ্য অনুসৰি হয়, সেইবোৰ কাম ভাল বুলি বিবেচিত হয়। আকৌ যেতিয়া কোনো এটা কাম উপকাৰজনক নহয় বা জীৱনৰ পৰম লক্ষ্য অনুসৰি নহয়, সেই কর্ম বেয়া বুলি বিবেচিত হয়। বেঠাম, মিল আদি নৈতিক দার্শনিকসকলৰ মতে সুখ হ'ল জীৱনৰ চৰম লক্ষ্য বা মানুহৰ পৰমার্থ।

৬.৩ নৈতিক দর্শনত সুখবাদ


সুখবাদৰ ইংৰাজী প্রতিশব্দ হৈছে "Hedonism"। এই 'Hedonism' শব্দটো আহিছে গ্রীক শব্দ 'Hedone'ৰ পৰা। গ্রীক 'Hedone' শব্দৰ অর্থ 'সুখ' (Pleasure)। নৈতিক দর্শনত যি নীতিয়ে সুখেই জীৱনৰ চৰম লক্ষ্য বুলি সমর্থন কৰে,তাক সুখবাদ (Hedonism) বুলি জনা যায়। এই তত্ত্বৰ চিন্তাবিদসকলক সুখবাদী বুলি কোৱা হয়। এৰিষ্টিপাছ (Aristippus), ***এপিকিউৰাছ*** (Epicurus), বেঠাম (Bentham), আৰু মিল (Mill) আদি দার্শনিকসকল এই সুখবাদী সম্প্রদায়ৰ উল্লেখযোগ্য সমর্থক। এই সকল চিন্তাবিদে মানৱ জীৱনত অনুভূতিৰ প্রয়োজনীয়তা গ্রহণ কৰিছে। অনুভূতি হ'ল মনৰ এক সর্বোচ্চ ক্ষমতা। সুখবাদী দার্শনিকসকলৰ মতে, যিবিলাক অনুভূতিয়ে মানৱ জীৱনত সুখ দিয়ে, সেই অনুভূতিসমূহ ভাল বা সৎ। সেয়েহে সুখবাদী নীতিশাস্ত্রক "সংবেদনশীলতাৰ নীতিশাস্ত্র" (Ethics of Sensibility) বুলি জনা যায়।

এপিকিউৰাছ(৩৪১-২৭০ খ্রীঃপূঃ) তেওঁৰ মতে যুক্তি (বুদ্ধি) হ'ল জীৱনৰ চৰিত্রৰ মৌলিক গুণ।

৬.৪ সুখবাদী মতবাদৰ শ্রেণীবিভাজন

সুখবাদক বহলভাৱে দুটা ভাগত ভাগ কৰা হৈছে। সেয়া হ'ল— মনস্তাত্ত্বিক সুখবাদ (Psychological Hedonism) আৰু নৈতিক সুখবাদ (Ethical Hedonism)। নৈতিক সুখবাদক আকৌ দুটা ভাগত ভাগ কৰা হৈছে আত্ম সুখবাদ বা ব্যক্তিকেন্দ্রিক সুখবাদ (Egoistic Hedonism) আৰু পৰসুখবাদ (Altruistic Hedonism)। আত্মসুখবাদক আকৌ দুটা ভাগত ভাগ কৰা হৈছে— স্থূল বা অসংযত সুখবাদ আৰু মার্জিত বা সংযত সুখবাদ। আনহাতে পৰসুখবাদক আকৌ দুটা ভাগত ভাগ কৰা হৈছে— (ক) স্থূল বা অমার্জিত পৰসুখবাদ আৰু (খ) মার্জিত পৰসুখবাদ।

তলত সুখবাদৰ শ্ৰেণীবিভাজন তালিকাৰ সহায়ত উল্লেখ কৰা হ'ল—



৬.৫ মনস্তাত্ত্বিক সুখবাদ

মনস্তাত্ত্বিক সুখবাদৰ মতে সুখ হ'ল আমাৰ স্বাভাৱিক বিষয়বস্তু। আমি সদায় সুখ বিচাৰো আৰু দুখ পৰিহাৰ কৰো। সুখক মানৱ কৰ্মৰ অভিপ্ৰায় আৰু স্বাভাৱিক লক্ষ্য বুলি কোৱা হৈছে। এই মতবাদ অনুসৰি মানুহে অকল সুখ বিচৰাৰ স্বাৰ্থতহে বস্তুবোৰ কামনা কৰে। সেয়ে বস্তুবোৰক ইয়াৰ নিজৰ উদ্দেশ্যৰ বাবে কামনা কৰা নহয়।

প্ৰাচীন গ্ৰীচৰ 'চিৰিনেইক' সম্প্ৰদায় (Cyrenaics) এই মতবাদৰ মুখ্য পৃষ্ঠপোষক। তেওঁলোক এৰিষ্টিপাছৰ সমৰ্থক। চিৰিনেইক সম্প্ৰদায়ৰ মতে, আমি সকলো সময়তে সুখ কামনা কৰো আৰু দুখ পৰিহাৰ কৰো ; কাৰণ 'সুখ হৈছে কামনাৰ স্বাভাৱিক বিষয়বস্তু। সৎ জীৱন-যাপন কৰাটোৱেই আছিল তেওঁলোকৰ মূল কথা। এয়া আছিল এক নীতিসম্মত কথা। তেওঁলোকে মত পোষণ কৰিছিল যে এটা সুখৰ জীৱন যুক্তি সম্মত ভাৱে পৰিচালিত হৈ আদৰ্শপূৰ্ণ হ'ব লাগিব।

আকৌ এই মতবাদৰ আধুনিক যুগৰ উল্লেখযোগ্য পৃষ্ঠপোষক হ'ল বেইন (Bain), জেৰেমি বেণ্ঠাম (Jeremy Bentham) আৰু জে. এছ. মিল (J. S. Mill)। বেণ্ঠামৰ মতে সুখ আৰু দুখ —এই দুয়োবিধেই হ'ল আমাৰ কামৰ আৱশ্যকীয় অভিপ্ৰায় (অভিৰুচি)। জীৱনত আমি সদায় এই মৌলিক অভিৰুচিত উপনীত হ'বলৈ ইচ্ছা কৰো। কিন্তু জে. এছ. মিলৰ মতে আমি মাথো সুখহে কামনা কৰো। মাথোঁ সুখ প্ৰাপ্তিৰ বাবেই বস্তু কামনা কৰা হয়।

৬.৫.১ মনস্তাত্ত্বিক সুখবাদৰ বিচাৰমূলক আলোচনা

মনোবৈজ্ঞানিক সুখবাদ ইয়াৰ দুটা মূল মতবাদৰ বাবে সমালোচিত হৈছে। এই মতবাদ দুটা হ'ল—

ক) প্রত্যেক কামনাৰে মূল বিষয় হৈছে সুখ।

খ) মানুহৰ পছন্দ সদায় সুখৰ ধাৰণাৰ দ্বাৰা নির্দ্ধাৰণ হয়।

মনোবৈজ্ঞানিক সুখবাদৰ সমালোচনাসমূহ তলত বর্ণনা কৰা হ'ল—

ক) সমালোচকসকলৰ মতে মনোবৈজ্ঞানিক সুখবাদ অমনোবৈজ্ঞানিক মানসিক পদ্ধতিৰ ওপৰত নির্ভৰ কৰিছে। গতিকে ই প্রকৃততে মনোবিজ্ঞানৰ বিৰুদ্ধ। এয়া প্রকৃততে অমনোবৈজ্ঞানিক। আপুনি জানে যে যেতিয়া আমি কোনো কামনা কৰা বস্তু বিচাৰো তেতিয়া আমাৰ মনত এক মনস্তাত্ত্বিক মানসিক ক্রমে (Order) ক্রিয়া কৰে। এই মানসিক শৃংখলাৰ উপাদানবোৰ হ'ল— (ক) অভাৱবোধ (খ) কাম্য বস্তুৰ ইচ্ছা বা কামনা কৰা (গ) কাম্যবস্তু প্রাপ্তিৰ কামনা (ঘ) বস্তুপ্রাপ্তিজনিত সুখানুভূতি। কিন্তু মনস্তাত্ত্বিক সুখবাদত এই মানসিক ক্রম (শৃংখলা) অনুসৰণ কৰা নহয়। যেতিয়া আমি সুখ কামনা কৰো আৰু বস্তুৰ বাবে বস্তু কামনা নকৰো, তেতিয়াই এই তত্ত্বটোৱে অস্বীকাৰ কৰে যে "আমি সাধাৰণতে এটা বস্তু কামনা কৰো আৰু যাৰ ফলত সুখ প্রাপ্তি হয়।" বস্তু এটা কামনা কৰাৰ আগতে সুখ কেনেকৈ কামনা কৰিব পাৰি তাৰ ব্যাখ্যা আগবঢ়োৱাত মনস্তাত্ত্বিক সুখবাদ ব্যর্থ হৈছে। সমালোচকসকলে উল্লেখ কৰিছে যে সুখ হ'ল কামনাৰ সন্তুষ্টিৰ ফল, যিয়ে বস্তু নির্দেশ কৰে। বস্তু এটা প্রাপ্তিৰ ফল হৈছে সুখ সম্পদ (সন্তুষ্টি)। উদাহৰণস্বৰূপে আমি ধন-সম্পত্তি, সুস্বাস্থ্য, নাম-যশস্যা আদি কামনা কৰো। এই ক্ষেত্রত প্রথমতে বস্তু কামনা কৰা হয় আৰু এই কাম্যবস্তুৰ পৰিণাম হ'ল সুখ।

খ) মনোবৈজ্ঞানিক সুখবাদে সমর্থন কৰাৰ দৰে যদি সুখ অকল মানৱ কর্মৰ অভিপ্রায় হয়, তেন্তে সমালোচকসকলে উল্লেখ কৰে যে আমি যিমানেই সুখ পাবৰ কাৰণে চেষ্টা কৰো, সিমানেই আমি ইয়াক কম পৰিমাণে পাওঁ। ইয়াৰ দ্বাৰা সমালোচকসকলে কয় যে যেতিয়াই সুখৰ বাবে আমি বেছিকৈ নিঃস্বার্থপৰ বা নিৰপেক্ষ হওঁ, তেতিয়া আমি খুব সহজভাৱে সুখ লাভ কৰিব পাৰো। এইদৰে সাধাৰণ ভাষাত ক'বলৈ হ'লে কোনো চর্তাধীন বা স্বার্থপৰ মানৱ কর্মই সুখ বা সন্তুষ্টি দিব নোৱাৰে। মাত্র চর্তহীন বা নিঃস্বার্থপৰ কর্মইহে সর্বাধিক পৰিমাণে সুখ বা সন্তুষ্টি দিব পাৰে। আনকি মিলৰ (Mill) মতে সেইসকল ব্যক্তিয়েই সুখী যিসকলে নিজৰ সুখৰ বাহিৰে আন বস্তুত সিহঁতৰ মন স্থিৰ নকৰে।

ছিজউইক (Sidgwick) আৰু ৰাছডেল (Rushdall)ৰ দৰে সমালোচকসকলে মন্তব্য আগবঢ়ায় যে ই হৈছে 'সুখবাদৰ বিৰোধাভাস' (paradox of hedonism)। আপুনি জানেনে বিৰোধাভাস কি? 'বিৰোধাভাস'ৰ অর্থ হ'ল 'স্ববিৰোধী উক্তি'। গতিকে 'সুখ হৈছে জীৱনৰ চৰম লক্ষ্য' এই সুখবাদী সিদ্ধান্তটো স্ববিৰোধী হ'ব, যদিহে আমি এই কথাটো মানি লওঁ যে "আমি যদি সুখৰ পিছে পিছে দৌৰি নুফুৰো, তেন্তে সুখ সম্ভৱ।" ছিজউইকে এই ক্ষেত্ৰত নিজৰ মন্তব্য আগবঢ়াইছে যে মনোবৈজ্ঞানিক সুখবাদত জটিলতাৰ উদ্ভৱ হয় কাৰণ 'সুখৰ প্ৰতি থকা প্ৰৱল মানসিক উত্তেজনাই ইয়াৰ নিজৰ লক্ষ্যক নিষ্ফল কৰি তোলে।'

ৰাছডেলে মনস্তাত্ত্বিক সুখবাদৰ জটিলতাৰ ক্ষেত্ৰত মত প্ৰকাশ কৰিছে যে সুখদায়ক বস্তুৰ পৰিৱর্তে সুখকে কাম্য বস্তু বুলি কৈ মনস্তাত্ত্বিক সুখবাদীসকলে "ঘোঁৰাৰ আগত গাড়ী দিলে যি দোষ হয়" সেই দোষ (hysteron proteron) কৰিছে। এই দোষৰ অর্থ হ'ল— "ঘোঁৰাৰ আগত গাড়ী।" ৰাছডেলৰ মতে মনস্তাত্ত্বিক সুখবাদত সুখক বস্তুৰ আগত ৰখা হয়। অর্থাৎ আগৰ বিষয়ক পিছত আৰু পিছৰ বিষয়ক আগত উল্লেখ কৰিছে। কার্যক কাৰণৰ আগত ব্যক্ত কৰিছে। এয়া সঁচা যে কামনাৰ সন্তুষ্টি বা তৃপ্তিয়ে সুখ আনে কিন্তু এয়া সদায় সঁচা নহয় যে বস্তুটো কামনা কৰা হৈছে কাৰণ ইয়াক সুখদায়ক বুলি ভবা হৈছে।

গ) দুটা কাৰণত 'সুখ' শব্দটো দ্ব্যর্থক। এই কাৰণ দুটা হ'ল—

১। 'সুখ' শব্দটো সাধাৰণতে কিছুমান বস্তুৰ প্ৰাপ্তিৰ পৰা উদ্ভৱ হোৱা সন্তুষ্টি (তৃপ্তি)ৰ অনুভূতিক বুজোৱাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। অর্থাৎ মানসিক তৃপ্তিবোধক বুজোৱা হয়।

২। 'সুখ' শব্দটো কেতিয়াবা সুখদায়ক বস্তুক বুজোৱাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।

দ্বিতীয় অর্থত আমি এটা মূর্ত বস্তুক বুজো যিয়ে আমাক সুখ দিয়ে। এই মতক আপত্তি কৰিব নোৱাৰি কাৰণ যেতিয়া আমি কোনো এটা বস্তুক কামনা কৰো, ইয়াৰ প্ৰাপ্তিয়ে আমাক সুখ দিয়ে। সমস্যাটো হ'ল— এটা বস্তু প্ৰসংগত আমি যেতিয়া সুখৰ কথা কওঁ, তেতিয়া বস্তুটো পোৱাৰ পিছৰ সুখানুভূতি বা সন্তুষ্টিৰ কথাহে বুজায়। এয়া ইয়াকে বুজায় যে আমি সকলো সময়তে কিছুমান বস্তু কামনা কৰো আৰু এই বস্তুসমূহৰ প্ৰাপ্তিয়ে সুখানুভূতি বা সন্তুষ্টি কঢ়িয়ায়। গতিকে আমি বস্তু কামনা কৰো, সুখ কামনা নকৰো।

ঘ) মনস্তাত্ত্বিক সুখবাদীসকলে "ধাৰণাত সুখ (Pleasur in idea) আৰু 'সুখৰ ধাৰণা' (Idea of Pleasure)ৰ মাজত পার্থক্য নির্ণয় কৰিব পৰা নাই। পিতৃ মাতৃয়ে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ মংগলৰ বাবে আত্মত্যাগত সুখ পায়। কিন্তু আত্মত্যাগ

হৈছে তেওঁলোকক কর্মৰ মূল অভিপ্রায়। পিতৃ-মাতৃয়ে লৰা-ছোৱালীৰ মংগলৰ বাবে নিজৰ আত্মসন্তুষ্টিকো বলিদান দিবলৈ প্ৰস্তুত; যিটো তেওঁলোকৰ অভিপ্রায়। গতিকে আপুনি বুজিব পাৰিছে যে সুখ কিয় কামনাৰ প্রাকৃতিক (স্বাভাৱিক) বিষয় হ'ব নোৱাৰে আৰু সেয়েহে মনস্তাত্ত্বিক সুখবাদক সন্তোষজনক নৈতিক মতবাদ বুলিব নোৱাৰি।



চিন্তা-চর্চা-কৰক ৬.১

ক) সুখবাদৰ বুলি কলে আপুনি কি বুজে? আলোচনা কৰক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আধুনিক যুগত মনস্তাত্ত্বিক সুখবাদ সমর্থন কৰা চিন্তাবিদসকলৰ নাম লিখক

.....

প্রশ্ন নং ২ ঃ মনস্তাত্ত্বিক সুখবাদৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ৩ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক ঃ

ক) মনস্তাত্ত্বিক সুখবাদত সুখক মানৰ কর্মৰ স্বাভাৱিক লক্ষ্য আৰু অভিপ্রায় বুলি গ্রহণ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

খ) মনস্তাত্ত্বিক সুখবাদ মাথোঁ কামৰ বর্ণনাৰ লগতেই জড়িত নহয়। (শুদ্ধ/অশুদ্ধ)

গ) গ্রীক শব্দ 'হেদন' মানে সুখ। (শুদ্ধ/অশুদ্ধ)

ঘ) সুখবাদ মতে, সুখেই জীৱনৰ চৰম লক্ষ্য। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৪ ঃ সুখবাদৰ ভাগ দুটা কি কি?

.....

৬.৬ নৈতিক সুখবাদ

সুখবাদৰ শ্রেণী বিভাজন তালিকাৰ পৰা আপুনি জানিব পাৰিছে যে নৈতিক সুখবাদ হৈছে সুখবাদৰ এটা ভাগ।

নৈতিক সুখবাদ মতে আমি সুখ কামনা কৰা উচিত। নৈতিক সুখবাদীসকলৰ মতে সুখ হৈছে আমাৰ কামনাৰ যথার্থ অভিপ্রায়। বেঠাম, জে. এছ. মিল আদি সুখবাদী চিন্তাবিদসকলে মনস্তাত্ত্বিক সুখবাদৰ ওপৰত তেওঁলোকৰ নৈতিক চিন্তা উন্নত কৰিছে। আমি ছিজউইকৰ চিন্তাত এটা পার্থক্য দেখা পাওঁ। তেওঁ মনস্তাত্ত্বিক সুখবাদৰ ওপৰত ভিত্তি কৰি তেওঁৰ নৈতিক সুখবাদ

বিকাশ কৰা নাই। কিয়, আপুনি জানেনে? উত্তৰটো হ'ল— ছিজউইকৰ মতে সুখ হৈছে আমাৰ কামনাৰ যুক্তিসংগত বিষয়।

৬.৬.১ নৈতিক সুখবাদৰ ওপৰত বিচাৰমূলক মন্তব্য

এতিয়া আমি নৈতিক সুখবাদৰ ওপৰত বিচাৰমূলক আলোচনা আগবঢ়াম।



বোধক্ষম ঃ প্ৰত্যক্ষ বা অনুভৱ কৰাৰ সক্ষমতা।
ক্ষণস্থায়ী ঃ অলপ সময় বাবে বৰ্তি থকা।

নৈতিক সুখবাদ তত্ত্বৰ মূল নীতি হৈছে সুখৰ সৈতে ইয়াৰ মানদণ্ড চিনাক্ত কৰা। এই চিনাক্তকৰণক তীব্ৰতাৰে সমালোচনা কৰা হৈছে। আমি কেতিয়াও ক'ব নোৱাৰো যে কোনো এটা বিষয় বা বস্তুৰ একমাত্ৰ মূল্য হৈছে সুখ। আমি কেতিয়াও মান বা মূল্যক সুখৰ সৈতে চিনাক্ত কৰিব নোৱাৰো। উদাহৰণস্বৰূপে যেতিয়া সদ্‌গুণ সৌন্দৰ্য, জ্ঞান, ইত্যাদি লাভ কৰা হয়, আমি সুখ অনুভৱ কৰো, আৰু যেতিয়া আমি এইবোৰ লাভ কৰাত ব্যৰ্থ হওঁ, আমি দুখ অনুভৱ কৰো। গতিকে আপুনি লক্ষ্য কৰিব পাৰে যে ইয়াত সুখৰ মূল্যৰ সৈতে চিনাক্ত কৰা হোৱা নাই।

প্ৰকৃততে কামনাৰ বিষয় বা বস্তুৰ ওপৰত মূল্য নিৰ্ভৰ কৰে। সুখ আৰু দুখ কি তাক জানিব লাগিব। সুখ হৈছে যথাৰ্থ অৰ্থাৎ সদাত্মক মূল্যৰ অনুভূতি, আনহাতে দুখ হৈছে অযথাৰ্থ অৰ্থাৎ নঞৰ্থক মূল্যৰ বোধ। গতিকে সুখ হৈছে মূল্যৰ লক্ষণ (Sign)। ই নিজেই মূল্য নহয়। আপুনি এতিয়া জানিব পাৰিছে যে কিয় আমি সুখৰ সৈতে মূল্যক চিনাক্ত কৰিব নোৱাৰো। সুখ হৈছে ***বোধক্ষম*** আৰু ***ক্ষণস্থায়ী***; আনহাতে সন্তোষ (Happines) বা সন্তুষ্টি হৈছে বৌদ্ধিক (যুক্তিপূৰ্ণ) আৰু স্থায়ী।

তদুপৰি সুখক কোনো বস্তুৰ চৰম মূল্য বুলি বিবেচনা কৰিব নোৱাৰি। এই ক্ষেত্ৰত ৰাছডেলৰ মতে সুখ হৈছে কোনো বস্তুৰ মূল্যসমূহৰ ভিতৰত এটা মূল্য। ৰাছডেলৰ মতে সুখ হ'ল জ্ঞান, সৌন্দৰ্য আৰু সদগুণৰ তলতীয়া। সন্তুষ্টি, জ্ঞান আৰু সৌন্দৰ্যৰ ভিতৰত সদগুণ হৈছে সৰ্বোচ্চ মূল্য।



চিন্তা-চৰ্চা কৰক ৬.২

ক) নৈতিক সুখবাদৰ সংজ্ঞা দিয়ক।

.....

.....

.....

খ) মনস্তাত্ত্বিক সুখবাদৰ ওপৰত ভিত্তি কৰি নৈতিক সুখবাদক বিকাশ কৰা চিন্তাবিদসকলৰ নাম লিখক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মনস্তাত্ত্বিক সুখবাদৰ ওপৰত ভিত্তি কৰি ছিজউইকে নৈতিক সুখবাদক বিকাশ কৰিছে নে?

.....

প্রশ্ন নং ৬ ঃ নৈতিক সুখবাদৰ বিভিন্ন ভাগসমূহ কি কি?

.....

প্রশ্ন নং ৭ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক ঃ

ক) নৈতিক সুখবাদে মূল্যৰ সৈতে চিনাক্ত কৰিছে। (শুদ্ধ/অশুদ্ধ)

খ) ছিজউইকে সমর্থন কৰে যে সুখ আমাৰ কামনাৰ যুক্তিসংগত বিষয় নহয়। (শুদ্ধ/অশুদ্ধ)

৬.৭ আত্মসুখবাদ বা স্বসুখবাদ

আত্মসুখবাদৰ মতে ব্যক্তিৰ সুখ হৈছে নৈতিক মানদণ্ড। এই মতবাদৰ মতে প্রত্যেক মানুহে নিজৰ সর্বাধিক সুখ কামনা কৰা উচিত। এই তত্ত্বৰ মতবাদটো হ'ল কর্তাৰ নিজৰ সর্বাধিক সুখ লাভত যি কামে সহায় কৰে, সেই কাম ভাল। আনহাতে যেতিয়া কোনো এটা কামে কর্তাৰ সর্বাধিক সুখ লাভত সহায় নকৰে, সেই কাম বেয়া। সুখৰ মান মূল্যায়ন কৰাৰ ক্ষেত্রত দুটা উপাদান বিবেচনা কৰা হয়। সেই দুটা হ'ল— তীব্রতা (intensity) আৰু স্থায়িত্ব (duration)। নৈতিক আত্মসুখবাদ বা স্বসুখবাদক আকৌ দুভাগত ভাগ কৰা হৈছে— স্থূল নৈতিক আত্মসুখবাদ আৰু মার্জিত নৈতিক আত্মসুখবাদ।

৬.৭.১ স্থূল বা অসংযত নৈতিক সুখবাদ

স্থূল বা অসংযত নৈতিক সুখবাদ এৰিষ্টিপাছ (Aristippus)ৰ দর্শনত পোৱা যায়। এৰিষ্টিপাছে সমর্থন কৰে যে "জীৱনৰ একমাত্র পুৰুষার্থ হৈছে ব্যক্তিৰ নিজৰ সুখ।" সকলো ধৰণৰ সুখেই একে ধৰণৰ অর্থাৎ সমতুল্য। বিভিন্ন সুখৰ মাজত পার্থক্য কেৱল তীব্রতা বা মানদণ্ড আৰু স্থায়িত্বৰ মাজত। গতিকে তেওঁৰ মতে বিভিন্ন সুখৰ মাজত গুনগত কোনো পার্থক্য নাই। নৈতিক সুখবাদৰ মূলসূত্র হৈছে "খোৱা, বোৱা আৰু ফূর্তি কৰা কাৰণ কালিলৈ আমি নাথাকিবও পাৰো' (Let us eat, drink and be merry because tomorrow we may die)। থমাছ হবছৰ মতে মানুহে মাথো নিজৰ বাবে চিন্তা কৰে। তেওঁ স্বাভাৱিকতে নিজৰ সুখ বিচাৰে আৰু দুখ পৰিহাৰ কৰে।

আধুনিক যুগত মেনডেভিল (Mandaville) আৰু হেলভেচাছে (Helvetius) নৈতিক স্ব-সুখবাদৰ সূচনা কৰে। এই দুয়ো গৰাকী চিন্তাবিদে একে ধৰণৰ দার্শনিক মত আগবঢ়াইছে। তেওঁলোকৰ মতে "মানুহৰ বাবে আত্মপ্রেমেই হৈছে একমাত্র সদগুণ।"

৬.৭.২ মার্জিত বা সংযত আত্মসুখবাদ

মার্জিত বা সংযত আত্মসুখবাদ এপিকিউৰাছ (Epicurus)ৰ দর্শনত পোৱা যায়। তেওঁ যুক্তিক (reason) শুদ্ধ সন্তুষ্টি প্ৰাপ্তিৰ সঠিক পথ নির্দেশক বুলি সমর্থন কৰিছে। এপিকিউৰাছে ইন্দ্রিয় সুখতকৈ মানসিক সুখক অগ্রাধিকাৰ দিছে। যুক্তিটো হ'ল— মানসিক সুখ বেছি বিশুদ্ধ আৰু এই সুখ, দুখ মিশ্রিত। তেওঁৰ নৈতিক চিন্তাৰ মূল সিদ্ধান্তটো হ'ল— "আমাৰ ইচ্ছা আৰু কামনা হ্রাস কৰিহে সুখ (সন্তুষ্টি) পোৱা সম্ভৱ, আমাৰ সুখ উপভোগ কৰাৰ সক্ষমতা দমন কৰি নহয়।"

৬.৭.৩ সমালোচনা

স্থূল আৰু মার্জিত সুখবাদক সমালোচকসকলে বিভিন্ন ধৰণে সামালোচনা কৰিছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

ক) স্থূল আৰু মার্জিত সুখবাদক সমালোচলকসকলে সমালোচনা কৰিছে। কাৰণ তেওঁলোকৰ মতে এই দুয়োবিধ মতবাদেই মনস্তাত্ত্বিক সুখবাদৰ ওপৰত নির্ভৰশীল। সুখবাদৰ মূল বিৰোধাভাস হৈছে— "সুখৰ প্ৰতি থকা মানসিক উত্তেজনা যথেষ্ট প্ৰবল হয় তেন্তে ই ইয়াৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে।" এই বিৰোধ আভাস স্থূল আৰু মার্জিত সুখবাদত বিদ্যমান।

খ) আপুনি জানে যে মানুহৰ প্ৰকৃতি অহংবাদী উপাদানৰ সৈতে জড়িত কিন্তু তেওঁৰ মাজত ***পৰসুখবাদী*** উপাদানসমূহো থাকে। এইদৰে সুখ সদায় সাপেক্ষ (relative) আৰু কেতিয়াও সার্বজনীন কৰিব নোৱাৰি। স্ব-সুখবাদত নৈতিকতা প্ৰশ্নৰ ঊর্ধত নহয় কাৰণ নৈতিকতাই আমাক নৈতিকতাক এক সমৰূপী মানদণ্ড দিয়াত ব্যর্থ হৈছে। আমাৰ কামৰ শুদ্ধতা বা অশুদ্ধতা বিচাৰ কৰিবলৈ কোনো বাহ্যিক প্ৰমাণ বা ভিত্তি নাই কাৰণ স্থূল নৈতিক সুখবাদীসকলৰ মতে সন্তুষ্টি বা আনন্দৰ অর্থ হৈছে দৈহিক সুখৰ সর্বাধিক পৰিমাণ।

গ) মার্জিত অহংবাদ সন্দেহাতীতভাৱে স্থূল অহংবাদীতকৈ অধিক প্ৰতিক্রিয়াশীল। নৈতিক জীৱনত মার্জিত অহংবাদে যুক্তিশীল কামক গ্রহণ কৰে কাৰণ এই মতবাদে ক্ষন্তেকীয়া সুখক জীৱনৰ পৰম শ্রেয় বুলি বিবেচনা নকৰে।



পৰসুখবাদী ঃ নিঃস্বার্থভাৱে নিজৰ সুখ বা কল্যাণতকৈ আনৰ কল্যাণ বা সুখত বিশ্বাসী।

৬.৮ পৰসুখবাদ বা স্থূল বা অমার্জিত পৰসুখবাদ— বেণ্ঠাম

জেৰেমি বেণ্ঠামৰ নৈতিক মতবাদক নৈতিক পৰসুখবাদ বা সর্বহিতবাদী সুখবাদ বুলি কোৱা হয়। কিন্তু ই স্বৰূপত অমার্জিত বা পৰিমানগত উপযোগিতাবাদ (Quantitative Utilitarianism)। বেণ্ঠামৰ মতে সার্বিক সুখেই হৈছে নৈতিক জীৱনৰ পৰম লক্ষ্য। আপুনি জানে যে— উপযোগিতাবাদ মতে নৈতিকতাৰ চৰম মূল্য হৈছে— "সর্বাধিক লোকৰ সর্বাধিক

সুখ।" বেণ্ঠামৰ উপযোগিতাবাদত এই সিদ্ধান্ত বাক্যটো বিদ্যমান। কিন্তু এই মতবাদটো স্বৰূপতে দুটা নীতিৰ বাবে স্থূল বা অমার্জিত। এই নীতি দুটা হ'ল—

১। বেণ্ঠামে প্ৰমাণ কৰিছে মূল্যৰ একমাত্ৰ মান হৈছে পৰিমাণ।

২। বেণ্ঠামৰ মতে মানুহ স্বাভাৱিকতে অহংবাদী।

বেণ্ঠামে সুখৰ মাজত কোনো গুণগত পাৰ্থক্য স্বীকাৰ কৰা নাই। উদাহৰণস্বৰূপে বিশুদ্ধতা কোনো উৎকৃষ্ট গুণ নহয়। সুখ যেতিয়া দুখ মিশ্ৰিত নহয়, তেতিয়া বেণ্ঠামে সেই সুখক বিশুদ্ধ বুলি কৈছে। আনহাতে দুখ যেতিয়া সুখ মিশ্ৰিত নহয়, তেতিয়া বেণ্ঠামে সেই দুখক বিশুদ্ধ বুলি কৈছে। এইদৰে বেণ্ঠামৰ এই দৃষ্টিভংগীয়ে তেওঁৰ উপযোগিতাবাদক প্ৰকৃততে স্থূল বা অমার্জিত কৰি তুলিছে। ইয়াৰ উপৰি বেণ্ঠামৰ সুখবাদ মাথো পৰসুখবাদী কাৰণ তেওঁ 'বিস্তৃত সুখ' বা 'সুখৰ বিস্তৃতি' (Extent of pleasure)ক বিবেচনা কৰে। 'বিস্তৃত সুখ' বা 'সুখৰ বিস্তৃতি'ৰ দ্বাৰা তেওঁ সুখৰ মাপকৰ কথা বুজাইছে। অর্থাৎ আমাৰ লক্ষ্য সার্বজনীন সন্তুষ্টি বা আনন্দত হোৱা উচিত। আপুনি জানেনে "সুখবাদৰ গণনা প্ৰণালী" (Hedonistic Calculus) কি? আমি সুখ আৰু দুখৰ সমভাৱে গণনা কৰিব লাগে বুলি 'সুখবাদৰ গণনা প্ৰণালীয়ে বুজায়। বেণ্ঠামে কয় যে তুলাদণ্ডত সুখ আৰু দুখৰ ওজন কৰি তুলাদণ্ডৰ অৱস্থান অনুসাৰে কোনটো উচিত বা অনুচিত তাক নির্ধাৰণ কৰা হয়। (Weigh pleasures and weigh pains, and as the balances stand, will stand the question of right or wrong)।

৬.৮.১ সমালোচনা

বিভিন্ন চিন্তাবিদে বেণ্ঠামৰ স্থূল বা উপযোগিতাবাদ বিভিন্ন ধৰণে সমালোচনা কৰিছে— সমালোচকসকলৰ মতে তেওঁৰ আত্মসুখবাদ কেতিয়াও পৰসুখবাদ বা সার্বজনীন হ'ব নোৱাৰে।

- সমালোচকসকলৰ মতে বেণ্ঠামৰ স্থূল উপযোগিতাবাদৰ ভিত্তি হ'ল মনস্তাত্ত্বিক আধাৰ "এজন ব্যক্তি তেওঁৰ স্বাভাৱিক গুণৰ দ্বাৰা বান্ধ খাই থাকে।" এই ক্ষেত্ৰত সাধাৰণ সুখৰ বাবে কৰা কামনা এই তত্ত্বটোৰ এটা বোজা হিচাপে দেখা দিয়ে। স্বার্থান্বেষী ব্যক্তি এজনে কিদৰে সমাজ কল্যাণৰ কথা চিন্তা কৰিব পাৰে?
- সমালোচকসকলৰ মতে "বিস্তৃত সুখ"ৰ ওপৰত বেছি গুৰুত্ব দিয়াত "সুখৰ গণনা প্ৰণালী"য়ে জটিল ৰূপ লৈছে। আনৰ সুখ গণনা কৰা এক অসম্ভৱ প্ৰক্ৰিয়া। যদি আমি তেনে কৰো তেন্তে আমি মূল্যৰ এক নতুন মান দিব লাগিব যিয়ে আমাৰ সুখৰ লগে লগে আনৰ সুখৰো বিচাৰ কৰিব পাৰিব। মানৱজাতিৰ সকলো সুখ গণনা কৰাটো সুখবাদে সমর্থন নকৰে।

৬.৯ পৰসুখবাদ বা মার্জিত পৰসুখবাদ— জে.এছ. মিল

জে. এছ. মিলে মার্জিত পৰসুখবাদ সমর্থন কৰে। তেওঁৰ মতবাদ মার্জিত বা গুণগত। মিলৰ পৰসুখবাদক উপযোগিতাবাদ বুলিও জনা যায়। তেওঁৰ নৈতিক মতবাদৰ সুত্রটো হ'ল যে নৈতিকতাৰ মূল্য ব্যক্তিগত সুখত নহয়, সার্বজনীন সুখতহে।" এয়া হ'ল গুণগত মূল্য আৰু উপযোগিতাৰ নীতি। জে. এছ. মিলৰ মতে, "সুখ, যিয়ে চৰিত্রৰ শুদ্ধতাৰ উপযোগিতাৰ মানদণ্ড গঠন কৰে, সেয়া কর্তাৰ নিজস্ব সুখ নহয়, কিন্তু ইয়ে সকলোকে সামৰি লয়।" আপুনি ইয়াত দুটা প্রশ্ন উত্থাপন কৰিব পাৰে—

ক) আমি কেনেকৈ প্রমাণ কৰো যে "সার্বজনীন সুখ কামনাযোগ্য"?

খ) সার্বজনীন সুখত উপনীত হ'বলৈ আমাক কিহে সহায় কৰে?

- প্রথম প্রশ্নৰ উত্তৰত মিলে কয় যে সুখ বা সন্তুষ্টি হ'ল ভাল (পুৰুষার্থ)। এজন মানুহৰ সুখ বা আনন্দ সেই মানুহজনৰ বাবে মংগলজনক আৰু সেয়েহে সার্বজনীন সুখ বা আনন্দ মানৱ জাতিৰ সকলোৰে বাবেই মংগলজনক।
- আকৌ দ্বিতীয় প্রশ্নৰ উত্তৰত মিলে কয় যে কর্তাৰ সুখ বা আনন্দই তেওঁৰ নিজৰ সুখ বা আনন্দত নাথাকে, সার্বজনীন সুখ বা আনন্দত থাকে। গতিকে প্রত্যেকজন ব্যক্তিয়েই সার্বজনীন সুখ বা আনন্দ অগ্রাধিকাৰ দিব লাগে। মিলে মত পোষণ কৰে যে উপযোগিতাবাদত মানুহে নিঃস্বার্থভাৱে কাম কৰিব লাগিবই, যেনে— কামনাবিহীন কাম-কাজ; কাৰণ তেওঁৰ মতে এজন ব্যক্তি তেওঁৰ সুখ বা আনন্দৰ লগতে আনৰ সুখ বা আনন্দ বাছনি কৰাৰ ক্ষেত্রত এজন নিৰপেক্ষ আৰু পৰোপকাৰী ব্যক্তি হ'বই লাগিব।

৬.৯.১ সমালোচনা

ক) পৰসুখ বা সার্বজনীন মার্জিত সুখবাদ বিভিন্ন চিন্তাবিদৰ দ্বাৰা সমালোচিত হৈছে। মার্টিনিউৱে (Martineau) এই ক্ষেত্রত উল্লেখ কৰিছে যে এজনৰ পৰা সকলোলৈ সঞ্চাৰিত হ'ব নোৱাৰে। অহংবাদৰ পৰা পৰহিতবাদলৈ গতি কৰা অসম্ভৱ। 'প্রত্যেকেই প্রত্যেকৰ বাবে'ৰ পৰা 'প্রত্যেকেই সকলো বাবে'লৈ গতি কৰা কোনো পথ নাই।

খ) "সার্বজনীন সুখ বা আনন্দ কামনাযোগ্য" —এই কথাষাৰ প্রমাণ কৰাৰ বাবে মিলে আগবঢ়োৱা যুক্তিও ভুল। এয়া সঁচা যে আমি আমাৰ নিজৰ সুখ বা সন্তুষ্টি কামনা কৰো, কিন্তু ই তর্কবিজ্ঞানসন্মতভাৱে নিঃসৃত নহয় যে আমি সকলোৰে বাবে সুখ বা আনন্দ কামনা কৰা উচিত। ব্যক্তি এজনে তেওঁৰ নিজৰ বাবে টকা উপার্জনৰ কামনা কৰে। ব্যক্তিজনে আনৰ লগত তেওঁৰ টকা ভাগ বা খৰচ কৰাৰ ইচ্ছা কৰিব পাৰে, কিন্তু যুক্তিসংগতভাৱে ই এয়া নুবুজায় যে ব্যক্তিজনে সকলোকে

সুখী কৰিবই লাগিব যেতিয়া তেওঁ সকলোকে তেওঁৰ টকাৰ অংশীদাৰ কৰে। গতিকে দেখা যায় উপযোগিতাবাদে 'নৈতিক বাধ্যতাবোধ' (Moral Obligation)ৰ উপযুক্ত ভেটি প্ৰদান কৰাত ব্যৰ্থ হৈছে।

গ) মিলৰ গুণগত মূল্যৰ অগ্ৰাধিকাৰে সুখবাদৰ আদৰ্শ অস্বীকাৰ কৰে।



চিন্তা-চৰ্চা কৰক ৬.৩

ক) উপযোগিতাবাদ তত্ত্ব বিচাৰ কৰাৰ ক্ষেত্ৰত বেন্থাম আৰু মিলৰ মতৰ মাজত থকা পাৰ্থক্য উল্লেখ কৰক।

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ পৰসুখবাদ বা মাৰ্জিত পৰসুখবাদৰ মুখ্য সমৰ্থক বুলি ক'লে কাক জনা যায়?

.....

প্ৰশ্ন নং ৯ ঃ নৈতিক পৰসুখবাদৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ১০ ঃ পৰসুখবাদ বা মাৰ্জিত পৰসুখবাদৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

প্ৰশ্ন নং ১১ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) বেন্থামৰ মতে মানুহ স্বাভাৱিকতে .....।

খ) বেন্থাম আৰু মিলৰ মতে নৈতিকতাত ..... হৈছে .....।

গ) বেন্থামে ..... উপযোগিতাবাদ সমৰ্থন কৰে।

ঘ) জে. এছ. মিলে ..... উপযোগিতাবাদ সমৰ্থন কৰে।



৬.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সুখ জীৱনৰ লক্ষ্য বুলি সুখবাদে সমর্থন কৰে।
- সুখবাদক মনস্তাত্ত্বিক সুখবাদ আৰু নৈতিক সুখবাদ এই দুটা ভাগত ভাগ কৰা হৈছে।
- মনস্তাত্ত্বিক সুখবাদৰ মতে সুখ হৈছে কামনাৰ স্বাভাৱিক বিষয় বা বস্তু।
- মনস্তাত্ত্বিক সুখবাদক চিন্তাবিদসকলে সমালোচনা কৰিছে, কাৰণ এই তত্ত্ব অনুসৰি সুখে কাম্য বস্তুৰ পূর্ব-ধাৰণা দিয়ে। সমালোচকসকলৰ মতে কাম্যবস্তুৰ প্রাপ্তিয়েহে আমাক সুখ দিয়ে।
- ছিজউইকে মনস্তাত্ত্বিক সুখবাদৰ ওপৰত তেওঁৰ নৈতিক সুখবাদ উন্নত কৰা নাই। তেওঁৰ মতে সুখ হৈছে আমাৰ কামনাৰ যুক্তিসংগত বিষয়।
- নৈতিক সুখবাদক সমালোচনা কৰি ৰাছডেলে মত পোষণ কৰে যে ব্যক্তি এজনৰ মূল্যসমূহৰ ভিতৰত সুখ বা আনন্দকো এটা মূল্য (Value) বুলি বিবেচনা কৰিব পাৰি। সুখ আমাৰ জীৱনৰ একমাত্র মূল্য হ'ব নোৱাৰে। তেওঁ আনন্দ (সন্তুষ্টি), জ্ঞান আৰু সৌন্দর্যৰ তুলনাত সদগুণক উচ্চ মূল্য (পৰম গুণ) বুলি কৈছে। সুখ আৰু মূল্য (Value) অনুৰূপ নহয়।
- নৈতিক সুখবাদৰ মতে আমাৰ কামনাৰ যথার্থ বিষয় বা বস্তু হৈছে সুখ।
- আত্ম সুখবাদ মতে ব্যক্তিৰ সুখেই হৈছে জীৱনৰ লক্ষ্য। এয়াই হ'ল নৈতিকতাৰ মানদণ্ড।
- স্থূল বা অসংযত নৈতিক আত্মসুখবাদ মতে সকলো সুখ প্রকৃততে একে ধৰণৰ। মানসিক বা আত্মিক সুখতকৈ দৈহিক সুখ অধিক গুৰুত্বপূর্ণ। কেৱল বর্তমানেই হ'ল নিশ্চিত, ভৱিষ্যত অনিশ্চিত।
- স্থূল বা অসংযত নৈতিক আত্মসুখবাদ বিভিন্ন চিন্তাবিদৰ দ্বাৰা সমালোচিত হৈছে। তেওঁলোকে কেতিয়াও সমর্থন নকৰে যে আনন্দ বা সন্তুষ্টি মানে দৈহিক সুখৰ সর্বাধিক পৰিমাণ।
- এপিকিউৰাছে উত্থাপন কৰে যে যিবোৰ চিন্তাই ব্যক্তি এজনৰ মনক দুখ বা কষ্ট দিয়ে সেই চিন্তাসমূহৰ পৰা তেওঁৰ মন মুক্ত ৰাখিব লাগে। প্রত্যেক মানুহে সহজ সৰলতাৰে স্থায়ী সুখ বিচৰা উচিত। যাৰ জীৱনত কোনো দ্বন্দ্ব বা বিৰোধিতা আৰু বিফলতা নাই, সেয়াই হৈছে আটাইতকৈ সুখী জীৱন।
- পৰসুখবাদৰ মতে সর্বাধিক লোকৰ সর্বাধিক সুখেই হৈছে নৈতিকতাৰ মান।
- বেঠামে স্থূল উপযোগিতাবাদ সমর্থন কৰে কাৰণ তেওঁৰ মতে গুণ বা মূল্যৰ একমাত্র মান হৈছে পৰিমাণ।

- বেণ্ঠামৰ স্থূল পৰসুখবাদত যুক্তি (বুদ্ধি)ৰ কোনো স্থান নাই কাৰণ তেওঁৰ মতে মানুহ স্বভাৱতঃ অহংবাদী।
- জে. এছ. মিলে মার্জিত বা সংযত উপযোগিতাবাদ সমর্থন কৰে। তেওঁ সুখ বা সন্তুষ্টি প্রাপ্তিৰ ক্ষেত্রত নিঃস্বার্থপৰ কাম ক অগ্রাধিকাৰ দিছে। মিলৰ মার্জিত পৰসুখবাদত সুখৰ গুণেই হৈছে নৈতিকতাৰ মান।
- মিলৰ উপযোগিতাবাদ মতে কর্মৰ মানদণ্ড ইয়াৰ উপযোগিতা অনুসৰি বিচাৰ কৰিব লাগে। এই ক্ষেত্রত উপযোগিতাক সার্বিক সুখ প্রাপ্তি আৰু সার্বিক দুখ প্রতিৰোধ কৰাৰ উপায় (Means) হিচাপে বিবেচনা কৰা হৈছে।



৬.১১ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্র*

২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্র*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*

৬.১২ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ বেইন, হিউম আৰু মিল।

২নংপ্রশ্নৰ উত্তৰ ঃ মনস্তাত্ত্বিক সুখবাদে সমর্থন কৰে যে সুখ হৈছে কামনাৰ স্বাভাৱিক আৰু সাধাৰণ বিষয় বা বস্তু।

৩নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৪নং প্রশ্নৰ উত্তৰ ঃ মনস্তাত্ত্বিক সুখবাদ আৰু নৈতিক সুখবাদ।

৫নং প্রশ্নৰ উত্তৰ ঃ নহয়

৬নং প্রশ্নৰ উত্তৰ ঃ আত্মসুখবাদ আৰু পৰসুখবাদ

৭নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ

৮নং প্রশ্নৰ উত্তৰ ঃ জে. এছ. মিল

৯নং প্রশ্নৰ উত্তৰ ঃ জেৰেমি বেণ্ঠামৰ নৈতিক মতবাদক নৈতিক পৰসুখবাদ বুলি জনা যায়। কিন্তু ই স্বৰূপত অমার্জিত বা পৰিমাণগত উপযোগিতাবাদ। বেণ্ঠামৰ এই মতবাদটো স্বৰূপতে দুটা নীতিৰ বাবে স্থূল বা অমার্জিত। এই নীতি দুটা হ'ল—

১) বেণ্ঠামে প্রমাণ কৰিছে মূল্যৰ একমাত্র মান হৈছে পৰিমাণ।

২) বেণ্ঠামৰ মতে মানুহ স্বাভাৱিকতে অহংবাদী। বেণ্ঠামে সুখৰ মাজত কোনো গুণগত পার্থক্য স্বীকাৰ কৰা নাই। সেয়ে, তেওঁৰ তত্ত্বক পৰিমাণগত উপযোগিতাবাদ বুলি কোৱা হয়।

১০নং প্রশ্নৰ উত্তৰ ঃ জে. এছ. মিলৰ নৈতিক তত্ত্বটোক পৰসুখবাদ হিচাপে জনা যায়। তেওঁৰ মতবাদ মার্জিত বা গুণগত। সুখৰ গুণগত মূল্যই পৰসুখবাদ বা মার্জিত পৰসুখবাদৰ নৈতিকতাৰ মানদণ্ড গঠন কৰে। তেওঁৰ নৈতিক মতবাদৰ সুত্রটো হ'ল যে নৈতিকতাৰ মূল্য ব্যক্তিগত সুখত নহয়, সার্বজনীন সুখতহে।

১১নং প্রশ্নৰ উত্তৰ ঃ ক) অহংবাদ খ) সার্বজনীন সুখ হৈছে পৰম লক্ষ্য।
গ) স্থূল বা অসংযত ঘ) মার্জিত বা সংযত।



৬.১৩ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ সুখবাদৰ মতে, জীৱনৰ চৰম লক্ষ্য কি?

প্রশ্ন ২ ঃ সুখবাদী সম্প্রদায়ৰ মুখ্য সমর্থকসকল কোন কোন?

প্রশ্ন ৩ ঃ সুখবাদী সম্প্রদায়ৰ আন এটা নাম কি?

প্রশ্ন ৪ ঃ সুখবাদৰ প্রধান উদ্দেশ্য কি?

প্রশ্ন ৫ ঃ মনস্তাত্ত্বিক সুখবাদৰ মুখ্য প্রৱর্তকসকলৰ নাম লিখক।

প্রশ্ন ৬ ঃ মনস্তাত্ত্বিক সুখবাদৰ প্রধান লক্ষ্য কি?

প্রশ্ন ৭ ঃ 'Hysteron Proteron' মানে কি?

প্রশ্ন ৮ ঃ স্থূল বা অসংযত নৈতিক আত্মসুখবাদৰ সমর্থকসকল কোন?

প্রশ্ন ৯ ঃ স্থূল পৰসুখবাদৰ সংজ্ঞা আগবঢ়াওক।

প্রশ্ন ১০ ঃ মার্জিত বা অসংযত পৰসুখবাদৰ সংজ্ঞা লিখক।

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ মনস্তাত্ত্বিক সুখবাদৰ বিষয়ে মতামত দিয়ক।

প্রশ্ন ২ ঃ নৈতিক সুখবাদ কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ স্থূল বা অসংযত নৈতিক আত্মসুখবাদ আৰু মার্জিত বা অসংযত আত্মসুখবাদৰ মাজত পার্থক্য দেখা পায়নে? আলোচনা কৰক।

প্রশ্ন ৪ ঃ স্থূল উপযোগিতাবাদ আৰু মার্জিত বা সংযত উপযোগিতাবাদৰ মাজত পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৫ ঃ স্থূল বা অসংযত নৈতিক আত্মসুখবাদ কি? চমুকৈ ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ মনস্তাত্ত্বিক সুখবাদৰ বিচাৰমূলক ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ ঃ নৈতিক সুখবাদ আলোচনা কৰক।

প্রশ্ন ৩ ঃ সুখবাদ ব্যাখ্যা কৰক। সুখবাদৰ বিভিন্ন ভাগসমূহ কি? কি?

প্রশ্ন ৪ ঃ জেৰেমি বেণ্ঠামে কিদৰে স্থূল নৈতিক সুখবাদ ব্যাখ্যা কৰিছে? তেওঁৰ মতৰ ওপৰত ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৫ ঃ জে. এছ. মিলে কেনেকৈ মার্জিত নৈতিক সুখবাদ ব্যাখ্যা কৰিছে? বিশদভাৱে আলোচনা কৰক।

প্রশ্ন ৬ ঃ স্থূল নৈতিক সুখবাদ আৰু মার্জিত নৈতিক সুখবাদৰ মাজত মৌলিক পার্থক্য সমূহ কি? কি?

প্রশ্ন ৭ ঃ জে. এছ. মিলৰ মার্জিত নৈতিক সুখবাদক কিয় উপযোগিতাবাদ বুলি কোৱা হয়?

* * * * *

অধ্যায় ৭ ঃ উপযোগিতাবাদ ঃ বেন্থাম আৰু মিল

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ উপযোগিতাবাদ

৭.৪ উপযোগিতাবাদৰ ঐতিহাসিক পটভূমি

৭.৫ বেন্থাম আৰু তেওঁৰ দৰ্শন

৭.৬ সৰ্বহিতবাদী সুখবাদ (Universalistic Hedonism)

৭.৭ বেন্থামৰ উপযোগিতাবাদ সম্পৰ্কীয় দৃষ্টিভংগী

৭.৮ ন্যায়িক আৰু সামাজিক সংস্কাৰৰ আধাৰত উপযোগিতাৰ নীতি

৭.৯ সমালোচনা

৭.১০ মিলৰ জীৱন আৰু কৰ্মৰাজি

৭.১১ মিল আৰু সুখবাদ

৭.১২ মিলৰ উপযোগিতাবাদ

৭.১৩ বেন্থাম আৰু মিল

৭.১৪ অধ্যায়টিৰপৰা আমি কি শিকিলো

৭.১৫ অধিক জানিবলৈ

৭.১৬ অগ্রগতিৰ খতিয়ান

৭.১৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নৈতিকতাৰ এক স্বীকৃত মানৰূপে উপযোগিতাবাদৰ বিষয়ে আলোচনা কৰিব পাৰিব
- জেৰেমী বেন্থামৰ উপযোগিতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- বেন্থামৰ নৈতিক দৰ্শনৰ মূল কথাবোৰ বৰ্ণনা কৰিব পাৰিব
- বেন্থামৰ নৈতিক দৰ্শন সম্পৰ্কে সমালোচনাত্মক মতামত আগবঢ়াব পাৰিব
- মিলৰ উপযোগিতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- মিলৰ নৈতিক দৰ্শনৰ মূল কথাবোৰ বণনা কৰিব পাৰিব
- মিলৰ নৈতিক দৰ্শনক কিয় সংশোধিত উপযোগিতাবাদ (refined utilitarianism) বোলা হয় সেয়া বিশ্লেষণ কৰিব পাৰিব
- মিলৰ উপযোগিতাবাদ বেন্থামৰ উপযোগিতাবাদতকৈ কিহত পৃথক সেয়া ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

এই অধ্যায়ত আপোনাক বেন্থামৰ নৈতিকতাৰ তত্ত্বৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। নীতিশাস্ত্ৰৰ মূল বিষয় হ'ল নৈতিক ৰায় (moral judgement) । কিন্তু এই কথা স্পষ্ট যে প্ৰতিটো নৈতিক ৰায়ৰ আঁৰচ কোনো এক পূৰ্ববৰে পৰা অনুমান কৰি অহা স্বীকৃত মান (standard) নাইবা স্বীকৃত বিধি-বিধান (norm) নাইবা আদৰ্শ (ideal) থাকে। ইয়াৰ আধাৰণহে কোনো এটা কাৰ্য শুদ্ধ (right) নাইবা ভুল (wrong) বুলি বিচাৰ কৰি চোৱা হয়। যিবোৰ কাৰ্য প্ৰস্তাৱিত নৈতিক আদৰ্শৰ অনুকূল সেইবোৰক ভাল (good) নাইবা শুদ্ধ বুলি গণ্য কৰা হয়। ইয়াৰ ব্যতিক্ৰম কাৰ্যবোৰক ভুল নাইবা বেয়া (bad) আখ্যা দিয়া হয়। পৰম নৈতিক মান (ultimate moral standard) ৰ প্ৰকৃতি সম্পৰ্কীয় বিভিন্ন তত্ত্ব আছে। ইয়াৰে মাজৰ সবাতোকৈ গুৰুত্বপূৰ্ণ নৈতিকতা তত্ত্বৰ ভাগ দুটা হ'ল- পৰিণাম সাপেক্ষ তত্ত্ব (Teleological theories) আৰু পৰিণাম নিৰপেক্ষ তত্ত্ব (deontological)। পৰিণাম সাপেক্ষ তত্ত্ববোৰে কোনো এটা কাৰ্যৰ ফলাফলবোৰ বিবিচনা কৰি চায়। অৰ্থাৎ, কাৰ্যটোৰ দ্বাৰা সাধিত হোৱা 'ভাল' নাইবা 'বেয়া' ফলৰ ওপৰত কাৰ্যটোৰ ঔচিত্য (rightness) নাইবা অনৌচিত্য (wrongness) নিৰ্ভৰশীল। আনহাতে, পৰিণাম নিৰপেক্ষ তত্ত্ববোৰে মানুহৰ কাৰ্যৰ সৈতে জড়িত (duty) আৰু নৈতিকতাৰ সম্পৰ্কটো বিচাৰ কৰি চোৱাৰ ওপৰত জোৰ দিয়ে।

আদৰ্শমূলক নীতিশাস্ত্ৰ (normative ethics) ৰ এটা শক্তিশালী দৃষ্টিভংগী হ'ল উপযোগিতাবাদ। এই তত্ত্ব মতে যিকোনো কাৰ্যৰ ফলাফলক নৈতিকতাৰ মান বুলি গণ্য কৰা হয়। ই বাধ্যবাধকতাৰ পৰিণাম সাপেক্ষ তত্ত্বৰ অন্তৰ্গত। এই নৈতিকতা তত্ত্বটোৰ মতে কোনো কাৰ্য চূড়ান্ত ফলাফলেই হ'ল মহত্ত্বম সাধাৰণ শুভ (greatest general good)। উপযোগিতাবাদ অনুসৰি কোনো কাৰ্যক তেতিয়াহে শুদ্ধ নাইবা বাধ্যতামূলক (obligatory) বুলি কোৱা হ'ব যেতিয়া আৰু যদিহে ই সামগ্ৰিকভাৱে বিশ্ব-ব্ৰহ্মাণ্ডত অশুভৰ বিৰুদ্ধে শুভৰ এক মহত্ত্বৰ সমতা স্থাপন কৰিব পাৰিব। উপযোগিতাবাদে নৈতিক ৰায়দান কৰাৰ সময়ত 'উপযোগিতাৰ নীতি' (principle of utility) প্ৰয়োগ কৰাৰ আহ্বান জনায়।

এই অধ্যায়ত জন ষ্টুৱার্ট মিলৰ উপযোগিতাবাদৰ বিষয়েও আলোচনা কৰা হ'ব। মিলে বেন্থামৰ আপেক্ষিক উপযোগিতাবাদ (quantitative utilitarianism) তত্ত্বটো অধিক বিকশিত কৰি ইয়াক এক সংশোধিত ৰূপ দিছিল। বেন্থামৰ দৰে মিলেও সুখবাদ (hedonism) মানি লৈছিল। তেওঁ কৈছিল যে সুখ (pleasure) হ'ল সকলো কাৰ্যৰ উপযুক্ত 'ফলাফল'। কিন্তু বেন্থামৰ দৃষ্টিভংগীৰ বিপৰীতে গৈ মিলে কৈছিল যে গুণ আৰু পৰিমাণভেদে সুখৰ প্ৰকাৰ ভিন ভিন হ'ব পাৰে। মিলৰ দৃষ্টিভংগী অনুসৰি সজ (noble), মৰ্যাদাপূৰ্ণ (dignified) আৰু উচ্চমনা সুখ (elevated pleasure) উপভোগত মহত্ত্বম শুভ (highest good) অন্তৰ্নিহিত থাকে। অৱশ্যে এনে সুখৰ মাত্ৰা আৰু ম্যাদ কম। সেয়েহে, বেন্থামৰ তত্ত্বক সৰ্বমুঠ উপযোগিতাবাদ (Grass Utilitari-

anism) আৰু মিলৰ তত্ত্বক সংশোধিত উপযোগিতাবাদ বোলা হয়। মিলৰ উপযোগিতাবাদে খৰছি মাৰি ব্যাখ্যা কৰি দেখুৱাইছে যে কৰ্তাৰ নিজৰ সুখক নহয়, সাধাৰণভাৱে সুখকেই নৈতিকতাৰ স্বীকৃত মান বুলি ধৰা হয়।

মিলে নিয়মকেন্দ্রিক উপযোগিতাবাদ (rule-utilitarianism) পোষকতা কৰিছিল। এনে উপযোগিতাবাদে নীতি-নিয়মক কেন্দ্র কৰি নৈতিকতা গঢ় দিয়াত জোৰ দিয়াৰ লগতে ইয়াকো কৈছিল যে কোনো এক কার্য কোনো এটা নিয়মৰ অনুকূল হয়নে নহয় তাৰ ওপৰত কার্যটোৰ ঔচিত্য নাইবা অনৌচিত্য নির্ভৰশীল। মিলে উপযোগিতাবাদৰ বিৰুদ্ধে থকা সমালোচনাবোৰ দূৰ কৰাৰ প্রয়াস চলাইছিল। তেওঁ বিশেষকৈ উপযোগিতাবাদক 'কেৱল গাহৰিৰ বাবে উপযুক্ত তত্ত্ব' বুলি কৰা কটু সমালোচনাবোৰক যোগ্য প্রত্যুত্তৰ দিবলৈ যত্ন কৰিছিল।

৭.৩ উপযোগিতাবাদ

উপযোগিতাবাদ হ'ল আমি নৈতিকভাৱে কি কৰা উচিত () সেয়া নির্ধাৰণভাৰী তত্ত্ব। তত্ত্বটোৰ মতে সর্বোচ্চ উপযোগিতা সৃষ্টিকাৰী কামবোৰেই হ'ল শ্রেষ্ঠ কাম। 'উপযোগিতা'ক বিভিন্ন ধৰণে সংজ্ঞাৱদ্ধ কৰা হৈছে। ইয়াক সাধাৰণতে জীৱিত সত্বা, যেনে- মানুহৰ কল্যাণ বুজাবলৈ ব্যৱহাৰ কৰা হয়। উপযোগিতাবাদ বিভিন্ন ধৰণৰ হ'ব পাৰে যদিও ই সাধাৰণতে প্রকট কৰা দৃষ্টিভংগীটোৰ মতে সেইবোৰ কার্যকেই নৈতিকভাৱে শুদ্ধ কার্য বুলি কোৱা হয় যিবোৰে অধিকাংশ লোকৰ ক্ষেত্রতে অশুভৰ বিপৰীতে শুভৰ সমতা সর্বোচ্চ সম্ভাব্য পৰিমাণে বৃদ্ধি কৰিব পাৰে। অর্থাৎ, শুদ্ধ কার্য মানে হ'ল সবাতোকৈ অধিক শুভ সৃষ্টিকাৰী কার্য। ই শুদ্ধ অথবা বাধ্যতামূলক কার্যৰ বিষয়ে ক'বলৈ উপযোগিতাৰ নীতি প্রয়োগ কৰিবলৈ আহ্বান জনায়।

উপযোগিতাবাদ হ'ল বাধ্যবাধকতাৰ পৰিণাম সাপেক্ষ তত্ত্বৰ এটা প্রকাৰ। সেয়েহে ইয়াক আদর্শমূলক নীতিশাস্ত্রৰ এক শক্তিশালী দৃষ্টিভংগী বুলি কোৱা হয়। উপযোগিতাবাদৰ সৈতে জড়িত প্রধান প্রশ্নটো হ'ল, "এগৰাকী ব্যক্তিয়ে নৈতিকভাৱে কি কৰা উচিত?" উত্তৰটো হ'ল এগৰাকী ব্যক্তিয়ে সম্বাব্য সর্বশ্রেষ্ঠ ফলাফল সৃষ্টি কৰিব পৰা কাম কৰা উচিত। উপযোগিতাবাদৰ মতে কোনো কার্যৰ ফলাপলৰ ওপৰত কার্যটোৰ ঔচিত্য আৰু অনৌচিত্য নির্ভৰশীল। পৰিণামৰ মূল্যায়ন কৰা সময়ত উপযোগিতাবাদে অন্তর্নিহিত প্রমূল্য বিষয়ক কেইটামান তত্ত্বৰ সহায় লয়। অন্তর্নিহিত প্রমূল্য মানে হ'ল কোনো কার্যৰ পৰিণামৰ উপৰি কার্যটোৰ নিজৰ মাজতে থকা শুভ বুলি গণ্য কৰিব পৰা বৈশিষ্ট্য।

কোনো কার্যই সৃষ্টি কৰা প্রাসংগিক পৰিণামৰ পৰিসৰৰ দিশেৰে উপযোগিতাবাদক অহংবাদ (egois) তকৈ পৃথক বুলি ধৰা হয়। উপযোগিতাবাদী দৃষ্টিভংগী অনুসৰি মানুহে সামগ্রিক শুভৰ মাত্রা সর্বাধিক কৰিব পৰা কার্য কৰা উচিত। অর্থাৎ, মানুহে নিজৰ বাবে শুভ কার্য কৰাৰ লগতে অইনৰো শুভ হোৱাটো বিবেচনা কৰিব লাগে। কিন্তু অহংবাদে অন্যক গভীৰভাৱে নলয়। উপযোগিতাবাদে সকলোৰে স্বার্থ সমানে বিবেচনাকৰে যিটো অহংবাদে নকৰে।

নীতিগত অহংবাদ (ethical egoism) আৰু পৰিণাম নিৰপেক্ষ তত্ত্ববোৰৰ মৌলিক নীতিসমূহৰ সম্ভাব্য সংঘাত উপযোগিতাবাদে নোহোৱা কৰে। পৰিণাম নিৰপেক্ষ তত্ত্ববোৰে অন্য লোকৰ কথা গভীৰভাৱে লয় কিন্তু শুভৰ পোষকতাক সিমান গুৰুত্ব নিদিয়ে। আনহাতে, অহংবাদে শুভৰ পোষকতা কৰা কার্যটো গুৰুত্ব দিয়ে কিন্তু অন্য লোকক গুৰুত্ব নিদিয়ে। উপযোগিতাবাদে এই দুয়োটা তত্ত্বৰ ত্রুটি তৎক্ষণাত আঁতৰ কৰে।

কর্তাৰ অভিপ্রায়ে কোনো কার্যৰ ঔচিত্য নাইবা অনৌচিত্য নির্ধাৰণ কৰে বুলি কোৱা বিভিন্ন নীতিশাস্ত্রমূলক তত্ত্বৰ উপযোগিতাবাদে বিৰোধিতা কৰে। উপযোগিতাবাদৰ মতে কোনো এক 'বেয়া অভিপ্রায়'ৰ সহায়তো 'ভাল' কাম সমাধা কৰাটো সম্ভৱ।

কিছুমান উপযোগিতাবাদী সুখবাদৰো সমর্থক। তেওঁলোকে 'শুভ' (good) আৰু সুখ (pleasure)ক সমান বুলি কয়। জেৰেমী বেন্থাম আৰু জন ষ্টুৱার্ট মিলক তেওঁলোকৰ 'শুভ' বিষয়ক দৃষ্টিভংগীত সুখবাদীৰ পৰিচয় দাঙি ধৰিছে। তেওঁলোকে শুভৰ সুখৰ সৈতে মিল থকাৰ কথা কৈছে। তেওঁলোকে জোৰ দি কৈছে যে নৈতিক পৰিণাম হ'ল যন্ত্রণাৰ বিপৰীতে সুখৰ সর্বোচ্চ সমতাস্থাপন। কিন্তু, জি. ই. মূৰ আৰু হেষ্টিং ৰাশ্ডালৰ দৰে উপযোগিতাবাদী সকল সুখবাদী নহয়। তেওঁলোকক 'আদর্শ উপযোগিতাবাদী' (ideal utilitarians) বোলা হয়।

৭.৪ উপযোগিতাবাদৰ ঐতিহাসিক পটভূমি

প্রাচীন গ্রীক দর্শন হ'ল উপযোগিতাবাদৰ উৎস। কিন্তু বেন্থামৰ কর্মৰাজিৰ মাজেদিহে উপযোগিতাবাদী চিন্তা-চর্চাৰ পৰম্পৰা আৰম্ভ হৈছিল। পাচত জন ষ্টুৱার্ট মিল, হেনৰী চিজ্ৱিক, আৰ.এম. হাৰে আৰু পিটাৰ চিংগাৰৰ দৰে দার্শনিকে ইয়াৰ আলোচনা আগবঢ়াই নিছিল।

খৃষ্টপূর্ব পঞ্চম শতিকাৰ আৰম্ভণিকালৰ চাইৰেন (Cyreene) এৰিষ্টিপাচ নামেৰে জনাজাত দার্শনিকগৰাকীৰ নীতিশাস্ত্রমূলক শিকনিবোৰত জীৱনৰ প্রমূল্য বিষয়ক সুখবাদী তত্ত্ব এটাৰ অস্তিত্ব দেখা যায়। এৰিষ্টিপাচক চাইৰেণীয় চিন্তাধাৰাৰ জনক বুলি কোৱা হয়। এটা শতিকা পাচত এপিকাৰাচে আৰু তাৰপাচত তেওঁলোকৰ অনুগামীসকলে এই চিন্তাধাৰা আগবঢ়াই নিছিল। এৰিষ্টিপাচ আৰু এপিকাৰাচ দুয়ো আছিল স্বসুখবাদ (Egoistic Hedonism)ৰ পৃষ্ঠপোষক। তেওঁলোকৰ মতে জীৱনৰ একমাত্র শুভটো হ'ল মানুহৰ স্বসুখ। অর্থাৎ, প্রতিগৰাকী ব্যক্তিয়ে নিজৰ মহত্তম সুখৰ সন্ধান কৰা উচিত।

আনহাতে, ইয়াৰ বিপৰীত ধাৰণা নৈতিক সর্বাহিতবাদ (ethical universalism) ৰ বীজ অংকুৰিত হৈছিল বৈৰাগ্যবাদৰ নৈতিক চিন্তাধাৰা (ethical school of Stoicism) আৰু খৃষ্টান ধর্মৰ তত্ত্ববোৰত। এই দুয়োটাই আছিল উপযোগীতাবাদৰ ঘোৰ বিৰোধী। উপযোগিতাবাদী তত্ত্বৰ অন্য তাৎপর্যপূর্ণ মাত্রাবোৰ সপ্তদশ শতিকাৰ দার্শনিক হবচ্, লক আৰু ৰিচার্ড কাম্বাৰলেণ্ডৰ কর্মৰাজিত দেখা পোৱা যায়। কিছুনান ইতিহাসবিদে বিশ্ব'প ৰিচার্ড কাম্বাৰলেণ্ডক উপযোগিতাবাদী দর্শনৰ বিষয়ে কোৱা প্রথমগৰাকী দার্শনিক বুলি চিনাক্ত কৰিছে। তেওঁৰ এটা প্রজন্ম পাচৰ বৃটিছ

'নৈতিকতাবোধ (moral sense) তাত্ত্বিক ফ্রান্সিচ হাট্‌ছেচনৰ কর্মৰাজিত উপযোগিতাবাদী দৃষ্টিভংগীৰ অধিক স্পষ্ট প্রকাশ পৰিলক্ষিত হয়। হাট্‌ছেচনে তেওঁৰ গ্রন্থ An Inquiry Conerning the Original of Our Ideas of Virtue or Moral Good (১৭২৫) ত 'সর্বাধিক সংখ্যকৰ সর্বোচ্চ সুখ' the greatest happiness of the greatest numbers) ক নৈতিক আচৰণ এক নীতি হিচাপে পোন প্রথমবাৰৰ বাবে এক আলোচনা আগবঢ়াইছিল। বেন্থামে ডেভিড হিউমৰ Treatise of Human Nature নামৰ গ্রন্থখন পঢ়ি গম পাইছিল যে প্রাকৃতিক বিজ্ঞানৰ দৰে নৈতিক দর্শনো পৰীক্ষামূলক পর্যবেক্ষণৰ দ্বাৰা আৰম্ভ হোৱা উচিত। দুয়োবিধ বিষয়তে পর্যবেক্ষণৰ একেবোৰ কৌশলকে ব্যৱহাৰ কৰিব পাৰি। হিউমৰ পৰা বেন্থামে সজগুণ (Virtue) আৰু উপযোগিতাক সমান ৰূপে চাবলৈ শিকিছিল। অৱশ্যে হিউমৰ নৈতিক দর্শনে বেন্থামক সম্পূর্ণ সন্তুষ্ট কৰিব পৰা নাছিল। হিউমে নৈতিক ৰায়ক নৈতিক আবেগৰ আধাৰত কৰা ব্যাখ্যাক বেন্থামে সমর্থন কৰিব পৰা নাছিল।

বেন্থামে তেওঁৰ প্রথম গ্রন্থ A Fragment of Government ইংলেণ্ডৰ আইন বিশ্লেষণ কৰিছিল আৰু উপযোগিতা নীতিৰ নতুন ভেটি গঢ়ি তুলিছিল। গ্রন্থখনত বেন্থামে উল্লেখ কৰা প্রথম 'মৌলিক স্বতঃ সিদ্ধ' কথাটো হ'ল "সর্বাধিক সংখ্যকৰ সর্বোচ্চ সুখে হ'ল শুদ্ধ আৰু ভুল জোখাৰ উপায়।"

বেন্থামে দার্শনিক চিন্তা-চর্চা আৰম্ভ কৰা সময়ছোৱাত প্রকাশিত এখন গুৰুত্বপূর্ণ গ্রন্থ হ'ল An Introduction to the Principles of Morals and Legislation (1789) ।এই গ্রন্থখনত তেওঁ নিজৰ উপযোগিতাবাদী দর্শনৰ মৌলিক ধাৰণাবোৰৰ স্পষ্ট ব্যাখ্যা আগবঢ়াইছে। গ্রন্থখনৰ আৰম্ভণিৰ অধ্যায়বোৰৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে উপযোগিতা হ'ল সকলো বস্তুৰে আধাৰস্বৰূপ কার্য সম্পাদনকাৰী নীতি। পৰৱর্তী অধ্যায়বোৰৰ আলোচ্য বিষয় হ'ল মানৱ অভিপ্রায়ৰ জটিলতা, কার্যৰ পৰিণাম, অপৰাধ /দোষৰ শ্রেণীবিভাজন, উপযুক্ত আইনৰ উপাদান আৰু শাস্তি। পৰৱর্তী সময়ত চিঝ্ৰিকে তেওঁৰ গ্রন্থ The Methods of Ethics ত অধিক স্পষ্ট ৰূপত উপযোগিতাবাদৰ সংজ্ঞা দাঙি ধৰিছে। তেওঁৰ মতে, "উপযোগিতাবাদ বুলিলে সেই নৈতিক তত্ত্বটোৰ কথা বুজোৱা হয় যিটোৱে যিকোনো এক প্রদত্ত পৰিস্থিতিত কৰা সেই আচৰণক বস্তুনিষ্ঠভাৱে শুদ্ধ বুলি কয়, যিটোৱে সামগ্রিকভাৱে সর্বাধিক পৰিমাণৰ সুখ সৃষ্টি কৰিবপাৰে; অর্থাৎ, উপযোগিতাবাদত তেনে আচৰণে সুখী কৰা আটাইকে সামৰি লোৱা হয়।"

তলৰ উপ-শিতানবোৰত বেন্থামৰ উপযোগিতাবাদৰ আলোচনা আগবঢ়োৱা হ'ল।

৭.৫ বেন্থাম আৰু তেওঁৰ দর্শন

ইংৰাজ দার্শনিক জেৰেমী বেন্থামৰ জন্ম হৈছিল ১৭৪৮ চনৰ ১৫ ফেব্রুৱাৰীত। ১৮৩২ চনৰ ৬ জুনত তেওঁ ইহলীলা সম্বৰণ কৰিছিল। এট'নী জেৰেমিয়াহ্ বেন্থাম আৰু এলিচিয়া হোৱাইটহর্নৰ প্রথম ল'ৰাসন্তান আছিল জেৰেমী বেন্থাম। তেওঁ মাত্র ১২ বছৰ বয়সতে অক্সফ'র্ডৰ কুইনচ্ ক'লেজত নামভর্তি কৰিছিল। স্নাতক ডিগ্রী লাভ কৰাৰ পাচত আইন অধ্যয়ন কৰিবলৈ

বেন্থামে লিংকনচ্ ইনত নামভর্তি কৰিছিল। তেওঁ ১৭৬৭ চনত বাৰ সন্থাৰ সদস্য হৈছিল যদিও কোনোদিনে ওকালতিৰ অনুশীলন নকৰিলে। সমগ্র জীৱন তেওঁ লেখক হৈয়ে ৰি'ল। বেন্থামে ওৰেটো জীৱন ইংলেণ্ডৰ সমগ্র ন্যায় ব্যৱস্থাটো উপযোগিতাবাদী দৃষ্টিভংগীৰে সলনি কৰাৰ পোষকতা কৰিছিল।

বেন্থামৰ লেখক জীৱনৰ আৰম্ভণি কালছোৱাৰ লেখনীবোৰ পঢ়ি গম পোৱা যায় যে আৰম্ভণিৰে পৰা তেওঁ অভিজ্ঞতা বাদী আছিল। তেওঁ কৈছিল যে অনুভূতি (sensation) ৰ পৰা জ্ঞান উৎপন্ন হয়। সপ্তদশ শতিকাত ভৌতিক বিজ্ঞানৰ প্রয়োজনীয়তা পূৰণ কৰাৰ উদ্দেশ্যেৰেহে অভিজ্ঞতাবাদ (empiricism)ৰ ধাৰণাটো ব্যৱহাৰ কৰা হৈছিল। বেন্থামৰ দাবী অনুসৰি বিধান মণ্ডলৰ বিজ্ঞান (science of legislation)ও চিকিৎসা শাস্ত্রৰ দৰে অনুভূমি তথা অভিজ্ঞতাৰ একে স্থিৰ আধাৰত গঢ়ি তোলা উচিত। দুয়োবিধ বিজ্ঞানৰে ভেটি হ'ল মানুহৰ প্রকৃতি পর্যবেক্ষণ

বেন্থামে দর্শনত কোনো ধৰণৰ আদর্শবাদৰ স্থান নাই বুলি মত পোষণ কৰিছিল। তেওঁ ইয়াকো কৈছিল যে ইশ্বৰৰ বিশ্বাস কৰিবলৈ বাধ্য কৰাব পৰা কোনো যুক্তিসংগত ভিত্তি নাই। অস্তিত্বক তেওঁ এক সম্পূর্ণ পার্থিৱ পৰিঘটনা বুলি গণ্য কৰিছিল। সকলো বস্তুৰে উপাদানবোৰ যিহেতু গাণিতিক পদ্ধতিৰে হিচাপ কৰি উলিয়াব পাৰি, সেয়েহে এই নীতিটো গাণিতিক পদ্ধতিৰে হিচাপ কৰি উলিয়াব পাৰি, সেয়েহে এই নীতিটো মানুহে লাভ কৰা সুখ আৰু দুখৰ দৰে অভিজ্ঞতা জোখাৰ কামতো প্রয়োগ কৰিব পৰা যায়।

মানুহৰ কার্য তথা কার্য সম্পাদন কৰিবলৈ উদ্বুদ্ধ কৰা সুখ আৰু দুখৰ অধ্যয়নত কৰা মনোনিৱেশ হ'ল বেন্থামৰ উপযোগিতাবাদৰ মনৈবৈজ্ঞানি ভেটি। এগৰাকী সুখবাদী মনোবৈজ্ঞানিক ৰূপে বেন্থামে কৈছিল যে মানুহৰ কার্য তেওঁ লাভ কৰা সুখ আৰু দুখৰ অভিজ্ঞতাই নির্ধাৰণ কৰি দিয়ে। তেওঁৰ মতে মানুহে কৰিব খোজা সকলোবোৰ কামৰ আঁৰতে উপযোগিতাৰ প্রশ্নটো লুকাই থাকে।

৭.৬ সর্বাহিতবাদী সুখবাদ

সর্বহিতবাদী সুখবাদ (Universalistic hedonism) ৰ আন এটা নাম হ'ল পৰহিতবাদ (Altruism) । এই তত্ত্বটোৰ মতে সকলো মানুহকে সর্বোচ্চ সম্ভাব্য সুখ দিব পৰা কাম কৰাটোৱেই নৈতিকভাৱে আমাৰ লক্ষ্য হোৱা উচিত। এই তত্ত্ব অনুসৰি 'সর্বাধিক সংখ্যকৰ সর্বোচ্চ সুখ' নিশ্চিত কৰাই হ'ল মানুহৰ বাবে পৰম নৈতিক মান (ultimate moral standard) । সর্বাহিতবাদী সুখবাদ তত্ত্বৰ দুটা অবিচ্ছেদ্য উপাদান হ'ল- (১) কোনো কার্যৰ পৰিণামে দেখুওৱা শ্রেষ্ঠত্ব (goodness)ৰ দ্বাৰা কার্যটোৰ ঔচিত্য আৰু অনৌচিত্য নিৰূপণ কৰা হয়; (২) নিজেই 'শুভ' ধাৰণ কৰি থকা একমাত্র বস্তুটো হ'ল সুখ (pleasure) আৰু নিজেই 'বেয়া' ধাৰণ কৰি থকা একমাত্র বস্তুটো হ'ল দুখ/ যন্ত্রণা (pain), আৰু আনন্দ (happiness) হ'ল দুখ /যন্ত্রণা তুলনাত সুখৰ মুঠ পৰিমাণ অধিক হোৱাৰ ফল। জেৰেমী বেন্থাম, জন ষ্টুৱার্ট মিল আৰু হেনৰী চিৱ্ৱিক আছিল এই তত্ত্বৰ প্রধান পৃষ্ঠপোষক। এই তত্ত্বটোৰ মতে 'ভাল','বেয়া' দুয়োটাকে জুখিব পাৰি

বেন্থামে কথাটো সবাতোকৈ পৰিষ্কাৰকৈ আৰু গভীৰভাৱে অনুধাৱন কৰিছিল। তেওঁ প্ৰমূল্যৰ সাতটা মাত্ৰা ব্যৱহাৰ কৰিব পৰা সুখ আৰু দুখৰ সুখবাদী কলন গণিতত বিশ্বাস কৰিছিল। প্ৰমূল্য (Value)ৰ মাত্ৰ সাতটা হ'ল- প্ৰাবল্য (intensity), ম্যাদ (duration), নৈকট্য (Proximity), নিশ্চয়তা (certainity), বিশুদ্ধতা (purity) ফলপ্ৰসূতা (fecundity) আৰু প্ৰসাৰ (extent)। কিন্তু মিলে সুখৰ মূল্যাংকনত পৰিমাণৰ সৈতে গুণকো সংলগ্ন কৰিছিল।

৭.৭ বেন্থামৰ উপযোগিতাবাদ সম্পৰ্কীয় দৃষ্টিভংগী

The Principles of Morals and Legislation নামৰ গ্ৰন্থখনত বেন্থামে উপযোগিতাৰ ধাৰণাটোক এক 'নীতি' হিচাপে আলোচনা কৰিছে। তেওঁ ইয়াক আন সকলো বস্তু প্ৰমাণিত / প্ৰতিষ্ঠা কৰাৰ প্ৰথম নীতি বুলি যুক্তি দৰ্শাইছে। উপযোগিতাৰ নীতেয়ে একেবাৰে সৰল অৰ্থত কোনো কাৰ্যৰ কৰ্মোপযোগিতাৰ কথা বুজায়। উপযোগিতা বুজোৱা ইংৰাজী শব্দ 'utility' ৰ মূল হ'ল লেটিন শব্দ 'utilis', ইয়াৰ অৰ্থ 'উপযোগী' (useful)। বেন্থামে কৈছে যে 'উপযোগিতা বুলিলে যিকোনো বস্তুত থকা সেই বৈশিষ্ট্যটোৰ কথা বুজোৱা হয় যিটোৱে লাভ (benefit) সুবিধা (advantage), সুখ (pleasure), শুভ (good) নাইবা আনন্দ (happiness) উৎপন্ন কৰাৰ আৰু অনিষ্ট (mischief), দুখ (pain), বেয়া (evil) নাইবা নিৰানন্দ (unhappiness) ঘটাত বাধা দিয়াৰ চেষ্টা কৰে।" মূল কথাটো হ'ল প্ৰমূল্যৰ একক উৎসটোকে উপযোগিতা বোলে আৰু এই উপযোগিতা সদায় সৰ্বোচ্চ পৰিমাণৰ হ'ব লাগে। বেন্থামে নৈতিক কাৰ্যবোৰক উপযোগিতাবাদী নীতিৰ আধাৰত বিচাৰ কৰা উচিত বুলি বিবেচনা কৰিছিল।

বেন্থামে তেওঁৰ গুৰুত্বপূৰ্ণ গ্ৰন্থ 'An Introduction to the Principle of Morals and Legislation' ৰ প্ৰথম অধ্যায়ত কৈছিল যে কেৱল সুখ (নাইবা আনন্দ) ৰহে অন্তৰ্নিহিত শুভ বৈশিষ্ট্য আছে আৰু ইয়াৰ বিপৰীত দুখ (নাইবা নিৰানন্দ)ৰ অন্তৰ্নিহিত বৈশিষ্ঠ হ'ল 'অশুভ' (bad)। দুখ এৰাই চলি সখু বৃদ্ধি কৰিবলৈ থকা আগ্ৰহে মানুহে কেনেকৈ কাম কৰিব সেয়া নিৰ্ধাৰণ কৰাৰ লগতে নৈতিকভাৱে কেনেকৈ কাম কৰা উচিত সেয়াও নিৰ্ধাৰণ কৰে। এয়াই হ'ল বেন্থামৰ উপযোগিতা নীতিৰ আধাৰ। পৰৱৰ্তী সময়ত তেওঁ ইয়াক 'মহত্তম আনন্দৰ নীত' বুলি অভিহিত কৰিছিল।

এতিয়া প্ৰশ্ন হয়, আমি কাৰ আনন্দ নাইবা নিৰানন্দৰ কথা বিবেচনা কৰিব লাগে? বেন্থামে স্পষ্ট কৰি দিছে যে আমি কেৱল নিৰ্দিষ্ট ব্যক্তি কেইগৰাকীমানৰ নহয়, সমগ্ৰ 'সম্প্ৰদায়'ৰ আনন্দ নাইবা। নিৰানন্দৰ কথা বিবেচনা কৰিব লাগিব। সম্প্ৰদায় ব্যক্তিৰ দ্বাৰা গঠিত। সেয়েহে, সম্প্ৰদায়ৰ স্বাৰ্থ মানে হ'ল সম্প্ৰদায়টো গঢ় দিয়া একাধিক সদস্যৰ স্বাৰ্থৰ যোগফল। এইটো কাৰণতে বেন্থামে 'উপযোগিতা'ক 'সৰ্বাধিক সংখ্যকৰ সৰ্বোচ্চ আনন্দ /সুখ'ৰ লক্ষ্যৰ সৈতে সংলগ্ন কৰিছে। উপযোগিতাবাদৰ অন্তৰ্নিহিত ধাৰণাটো হ'ল মানুহৰ আচৰণৰ সৰ্বশেষ পৰিণাম হ'ল আনন্দ। উপযোগিতাবাদ তত্ত্বই সেয়েহে সকলো কাৰ্যৰে সাধাৰণ আনন্দ সৃষ্টি কৰিব পৰা অথবা সাধাৰণ

দুখৰ সৃষ্টিক বাধা দিব পৰা এক মাধ্যম হিচাপে থকা উপযোগিতাৰ ভিত্তিত বিচাৰ কৰি চায় । এই নীতিৰ অনুকূল যিকোনো কার্যই হ'ল নৈতিকভাৱে কৰিবলগীয়া কাম। বেন্থামৰ উপযোগিতা নীতিৰ দুটা প্রধান বৈশিষ্ট্য আছে। প্রথমটো হ'ল, এই মৌলিক নীতিটোৰ জৰিয়তে বেন্থামে এনে এক অনুভৱ (feeling)ৰ কথা বুজাব খোজে যিটোৱে কোনো কার্যৰ উপযোগিতা মঞ্জুৰ কৰে। দ্বিতীয় বৈশিষ্ট্যটো হ'ল, উপযোগিতাৰ নীতিয়ে সাধাৰণতে ৰাজহুৱা উপযোগিতাৰ কথা বুজায়। ব্যক্তিৰ উপযোগিতা ব্যক্তিয়ে ভাগ-বাটোৱাৰা কৰা ৰাজহুৱা উপযোগিতাৰ এটা অংশ।

বেন্থামৰ মতে কোনো পৰিণামৰ ওপৰত কার্যটোৰ নৈতিক মূল্য নির্ভৰশীল। সেইটো কামেই ভাল যিটোৱে সর্বোচ্চ পৰিমাণৰ 'শুভ' সৃষ্টি কৰে। অর্থাৎ উপযোগিতা সর্বাধিক কৰিব পৰা কার্যটোৱেই হ'ল সর্বোত্তম কার্য। সেয়েহে উপযোগিতাবাদক পৰিণামবাদৰ এটা ৰূপ বুলিও ক'ব পৰা যায়। অর্থাৎ, এই তত্ত্বই কার্যৰ ফলাফলৰ দ্বাৰা কোনো কার্যৰ ঔচিত্য আৰু অনৌচিত্য নির্ধাৰণ কৰে।

কার্যৰ পৰিণামৰ ওপৰত নির্ভৰশীল বেন্থামৰ উপযোগিতাবাদ তত্ত্ব মতে অতীতৰ ঘটনাৰ দ্বাৰা নহয় ভৱিষ্যৎ অৱস্থাৰ দ্বাৰাহে শুদ্ধ কার্য বিচাৰ কৰি চোৱা হয়। উদাহৰণ স্বৰূপে শাস্তিৰ ন্যায্যতা বিষয়ক বেন্থামৰ মতামত হ'ল এক নিবৃত্তিকাৰক মতামত। তেওঁ শাস্তিক ন্যায্য বুলি কৈছে যাতে ই মানুহক অনাকাংখিত কার্য কৰাৰ পৰা বিৰত ৰাখে। বেন্থামৰ শাস্তি বিষয়ক মতৰ সঠিক লক্ষ্যটো হ'ল সুখ সৃষ্টি কৰা আৰু দুখক বাধা দিয়া।

বেন্থামৰ উপযোগিতাবাদ তত্ত্বই মনোবৈজ্ঞানিক সুখবাদ (psychological hedonism) ক প্রতিফলিত কৰে। এই তত্ত্ব অনুসৰি সুখ আৰু দুখে মানুহৰ আচৰণৰ আঁৰৰ অভিপ্রায় উদঙাই দেখুৱায়। An Introduction to the Principles of Morals and Legislation গ্রন্থৰ প্রথম অধ্যায়ত বেন্থামে লিখিছে, "প্রকৃতিয়ে মানুহক সুখ আৰু দুখ এই দুটা সার্বভৌম বিষয়ৰ অধীন কৰি ৰাখিছে। সেয়েহে 'কি কৰা উচিত' সেয়া নিৰূপণ কৰাটো কেৱল মানুহৰ ওপৰতে নির্ভৰশীল। ইয়াৰ লগতে মানুহে নিজেই 'আমি কি কৰিম' সেয়াও থিৰাং কৰি ল'ব লাগে। মানুহৰ হাততেই এফালে শুদ্ধ আৰু ভুলৰ স্বীকৃত মান আছে আৰু আনফালে কাৰণ তথা পৰিণামৰ শিকলিডাল বান্ধি থোৱা আছে। এই কথাবোৰে আমাৰ সকলো কার্য, আমাৰ সকলো ভাষ্য, আমাৰ সকলো চিন্তা নিয়ন্ত্রণ কৰে। আমি এই অধীন অৱস্থাটো আঁতৰাবলৈ কৰা প্রতিটো প্রয়োসেই আমাৰ অৱস্থাটো পুনৰবাৰ আমাক প্রদর্শিত আৰু সুনিশ্চিতকাৰী ফলাফলৰূপে প্রকট হ'ব।" (IPML11) বেন্থামে সুখ আৰু দুখক মৌলিক অভিপ্রায় বুলি অভিহিত কৰিছিল। এই অভিপ্রায়ৰ উল্লেখেৰে সকলোবোৰ মানৱীয় কার্যকলাপ ব্যাখ্যা কৰিব পৰা যায়। এই অভিপ্রায় দুটা হ'ল ব্যক্তিগত অভিজ্ঞতাৰ 'প্রকৃত উপাদান'। ইহঁতে ব্যক্তিগত কার্যৰ চূড়ান্ত কাৰণ আৰু ব্যক্তিগত আনন্দৰ ফলপ্রসূ কাৰণ তথা পন্থাৰূপে কাম কৰে। বেন্থামৰ মতে আনন্দ, সুখ আৰু দুখৰ মাজৰ সম্পর্কটো পোনপটীয়া । সুখে আনন্দ লাভত সহায় কৰে, দুখে, আমাক আনন্দিত হোৱাৰ পৰা আঁতৰাই ৰাখে।

ওপৰত উল্লেখ কৰা গ্ৰন্থখনৰ তৃতীয় অধ্যায়ত বেন্থামে ব্যক্তিৰ নিজৰ তথা অন্যৰ সাধাৰণ আনন্দ বৃদ্ধিকাৰী কামবোৰ কৰিবলৈ প্ৰাথমিকভাৱে স্ব-আগ্ৰহী ব্যক্তিয়ে কেনেদৰে নিৰ্দেশনা লাভ কৰে সেয়া ব্যাখ্যা কৰিবলৈ চাৰিটা 'অনুমোদন' (sanction)ৰ বিষয়ে আলোচনা কৰিছিল। এই বাহ্যিক অনুমোদন চাৰিটা হ'লঃ ভৌতিক, নৈতিক, ৰাজনৈতিক আৰু ধৰ্মীয় অনুমোদন। বেন্থামে এই চাৰিটা অনুমোদনৰ সহায়ত ব্যক্তিৰ অহংবাদৰ পৰা পৰহিতবাদলৈ হোৱা পৰিৱৰ্তন ব্যাখ্যা কৰিছিল।

৭.৮ ন্যায়িক আৰু সামাজিক সংস্কাৰৰ আধাৰত উপযোগিতাৰ নীতি

বেন্থামে তেওঁৰ উপযোগিতাবাদী নীতিক ন্যায়িক ব্যৱস্থাটোৰ আধাৰৰূপে লৈ বিশ্লেষণ কৰি দেখুৱাইছিল। তেওঁ ন্যায়িক ব্যৱস্থাটোক তেওঁৰ নিজৰে নৈতিকতা বিষয়ক চিন্তা-চৰ্চাৰ দৰে একেধৰণে বুজাৰ চেষ্টা কৰিছিল। বেন্থামে স্পষ্টকৈ জনাই দিছিল যে উপযোগিতা নীতি হ'ল তেওঁৰ ন্যায়িক ব্যৱস্থাৰ ভেটি। চৰকাৰৰ কাম হ'ল 'শান্তি আৰু পুৰস্কাৰৰ সহায়ত সমাজৰ আনন্দৰ পোষকতা কৰা।'

বেন্থামে নৈতিক জীৱনত ধৰ্মৰ হস্তক্ষেপৰ প্ৰয়োজনীয়তা নুই কৰিছিল। বেন্থামৰ উপযোগিতাবাদী তত্ত্বই ফলাফলৰ ওপৰত ভিত্তি কৰি কাৰ্যৰ মূল্যায়ন কৰিছিল। A Fragment on Government . গ্ৰন্থত বেন্থামে ছাৰ ৱিলিয়াম ব্লেকষ্টোনৰ নৈতিক তত্ত্বটোৰক্ষুৰধাৰ সমালোচনা কৰিছিল। ব্লেকষ্টোনে পৰম্পৰাৰ পৃষ্ঠপোষকতা কৰিছিল আৰু বেন্থামে কৈছিল যে কাৰ্যফলৰ গণনাৰ ওপৰত চৰকাৰৰ প্ৰতি আনুগত্য প্ৰদৰ্শনৰ ন্যায্যতা নিৰ্ভৰশীল বেন্থামে লিখিছিল "উপযোগিতা নীতিক নিজক বাদ দি আন কোনো নিয়ন্ত্ৰকৰ প্ৰয়োজন নহয় আৰু ই কোনো নিয়ন্ত্ৰকক মানিও নলয়।" বেন্থামৰ মতে সুখ নিজেই এক 'শুভ' আৰু দুখ নিজেই এক 'অশুভ/কু' কথা।

হিউম আৰু হেলেভটিটাচৰ প্ৰতি বেন্থাম বিশেষভাৱে কৃতজ্ঞ আছিল। হিউমৰ পৰা তেওঁ জানিব পাৰিছিল যে প্ৰাকৃতিক বিজ্ঞানৰ দৰেই নৈতিক দৰ্শনো পৰীক্ষামূলক পৰ্যবেক্ষণৰ সহায়ত আৰম্ভ কৰিব পাৰি। দুয়োক্ষেত্ৰতে একেবোৰ কাৰ্যকৌশলেই সমানে প্ৰযোজ্য। হিউমৰ নৈতিক দৰ্শনৰ পৰা বেন্থামে এই কথাও জানিব পাৰিছিল যে সাধাৰণ উপযোগিতাতে ন্যায়ৰ নীতিবোৰৰ উৎস বিচাৰি পোৱা যায়। হিউম অধ্যয়ণ কৰি বেন্থামে সজগু (virtue) আৰু উপযোগিতাক সমকক্ষ ৰূপে চাবলৈ শিকিছিল।

এই কথাক লৈ বেন্থাম সজাগ আছিল যে নিজ উদ্দেশ্যত উপনীত হ'বলৈ বিধানসভাৰ বিজ্ঞানত 'আইন কি' আৰু 'নৈতিকভাৱে আইনে কি কৰা উচিত' সেই বিষয়ৰ অধ্যয়ন সন্নিৱিষ্ট কৰিব লাগিব। বিধান সভাৰ সকলো কাৰ্যৰ নৈতিকভাৱে শুদ্ধ পৰিণামটো হ'ল বৃহত্তৰ আনন্দ (greatest happiness)। অৰ্থাৎ যিকোনো কাৰ্য অথবা আইনকে তেতিয়াহে 'ভাল' বুলি বিবেচনা কৰা হ'ব যেতিয়া ই 'সৰ্বাধিক সংখ্যকৰ বাবে সৰ্বোচ্চ আনন্দ'ৰ সৃষ্টি কৰিব পাৰিব।

বেন্থামে উপযোগিতা নীতিক সমাজ বিজ্ঞাৰ ভেটি বুলি বিবেচনা কৰিছিল। এনেদৰে, তেওঁ সুখ আৰু দুখক 'পৰম উপাদান' (utlimate matter) বুলি গণ্য কৰিছিল। তেঁওৰ মতে সকলোবোৰ সামাজিক নির্মাণ আৰু মানৱীয় কার্যকলাপক সুখ আৰু দুখত পৰিণত কৰি তাৰ ব্যাখ্যা আগবঢ়াব পৰা যায়। সুখ আৰু দুখ হ'ল ব্যক্তিগত অভিজ্ঞতাৰ 'প্রকৃত উপাদান'। দুয়োটাই ব্যক্তিগত কার্যৰ চূড়ান্ত কাৰণ আৰু ব্যক্তিগত আনন্দৰ ফলপ্রসূ কাৰণ তথা উপায় হিচাপে কাম কৰে।

৭.৯ সমালোচনা

বেন্থামৰ উপযোগিতাবাদক বহুতো দিশেৰে সমালোচনা কৰিব পাৰি। বেন্থামৰ জীৱিত কালতেই বহুতো সমালোচকে তত্ত্বটোৰ সমালোচনা কৰিছিল। উপযোগিতাবাদী পৰম্পৰা আগবঢ়াই নিয়া জন ষ্টুৱার্ট মিল আৰু চ্যিৱিকেও তত্ত্বটোৰ সমালোচনা কৰিছিল। বেন্থামৰ উপযোগিতাবাদক মূলতঃ তলত দিয়া ধৰণে সমালোচনা কৰা হয়ঃ

- বেন্থামে দুই ধৰণৰ সুখৰ মূল্য সমান বুলি ধৰিছিল বাবে তেওঁৰ তত্ত্বটোক সমালোচনা কৰা হৈছিল। দুই ধৰণৰ সুখ সমানেই প্রবল আৰু দীর্ঘস্থায়ী হ'ব পাৰে নেকি বুলি সমালোচকে প্রশ্ন কৰিছিল। বেন্থামৰ মতে 'পুশ্ব পিনবোৰ কবিতাৰ সমানেই ভাল' যদিহে দুয়োটাই সৃষ্টি কৰা সুখৰ পৰিমাণ সমান হয়। কিন্তু বৌদ্ধিক সুখৰ দৰে কিছুমান সুখক সাধাৰণ সুখৰ উর্দ্ধত বুলি ধৰা হয়। বৌদ্ধিক সুখৰ পৰিমাণ অধিখ বুলি গণ্য কৰা উচিত বুলি ভবা হয়। অর্থাৎ বেন্থামে সুখৰ মাজত কোনো গুণগত পার্থক্যক মানি লোৱা নাছিল। সেয়েহে মিলে কৈছিল যে কার্যৰ পৰিণাম গণনা কৰাৰ সময়ত বেন্থামৰ দর্শনে 'মানৱ প্রকৃতিৰ কিছুমান গভীৰতৰ অনুভৱক স্বীকাৰ কৰা নাছিল।' সেয়েহে মিলে তেওঁৰ তত্ত্বত দুটা সুখৰ মাজত থকা গুণৰ প্রভেদ ব্যাখ্যা কৰিছিল।
- বেন্থামৰ উপযোগিতাকদৰ 'কেৱল গাহৰিৰ বাবে উপযুক্ত এটা তত্ত্ব' বুলি উপলুঙাসূচক সমালোচনাও কৰা হৈছে।
- মিলে কৈছিল যে কার্যৰ নৈতিক দিশৰ লগতে একোটা নান্দলিক দিশো থাকে। কিন্তু বেন্থামে কার্যৰ কেৱল নৈতিক দিশটোলৈহে চকু দিছিল।
- বেন্থামে উল্লেখ কৰাৰ দৰে সুখবাদী কলন গণিতৰ ধাৰণাটোৰ কোনো ব্যৱহাৰিকতা নাই। কাৰণ, সুখ আৰু দুখৰ অনুভৱ বিষয়নিষ্ঠ আৰু তাৰতম্যপূর্ণ।
- বেন্থামে মানুহৰ অহংবাদৰ পৰা সর্বহিতবাদলৈ হোৱা পৰিৱর্তন সন্তোষজনকভাৱে ব্যাখ্যা কৰাত ব্যর্থ হৈছে। তেওঁ মানুহৰ মনত জাগ্রত হোৱা সামাজিক অনুভৱবোৰ ব্যাখ্যা কৰিবলৈ চাৰিবিধ বাহ্যিক অনুমোদনৰ কথা কৈছিল। কিন্তু এই বাহ্যিক অনুমোদনবোৰে নৈতিক বাধ্যবাধকতাৰ সলনি কায়িক বাধ্যবাধকতাৰহে সৃষ্টি কৰিব পাৰে।

৭.১০ মিলৰ জীৱন আৰু কর্মৰাজি

জন ষ্টুৱার্ট মিল আছিল ঊনবিংশ শতিকাৰ সবাতোকৈ প্রভাৱশালী ইংৰাজ দার্শনিক। তেওঁ একেধাৰে এগৰাকী অভিজ্ঞতাবাদী, অর্থনীতিবিদ, প্রশাসক, নৈতিক তথা ৰাজনৈতিক তত্ত্ববিদ আৰু উপযোগিতাবাদী সমাজ সংস্কাৰক আছিল। জে'মছ আৰু হেৰিয়েট বুৰ' মিলৰ জেষ্ঠ সন্তান জন ষ্টুৱার্ট মিলৰ ১৮০৬ চনৰ ২০ মে'ত জন্ম হৈছিল। পিতৃ জেম'ছ মিল আছিল এগৰাকী প্রসিদ্ধ স্ক'টিছ দার্শনিক, ইতিহাসবিদ, অর্থনীতিবিদ আৰু মনোবিজ্ঞানী। মিলৰ আৰম্ভমি জীৱনছোৱাত পিতৃৰ প্রভাৱ আছিল অপৰিসীম। জে'মছ মিলেও বেন্থামৰ উপযোগিতাবাদৰ পোষকতা কৰিছিল। তেওঁ ১৮০৮ চনত বেন্থামক লগ পাইছিল অতি সোনকালেই তেওঁ বেন্থামৰ সহকাৰীত পৰিণত হৈছিল। বেন্থামে মিল পৰিয়ালক সম্ভৱপৰ সকলো সহায় আগবঢ়াইছিল। জন ষ্টুৱার্ট মিলে এই সহায়ৰে এক অংশৰূপে বেন্থামৰ পৰা শিক্ষা লাভ কৰিছিল। পাচত তেওঁ আত্মজীৱনীত লিখিছিল যে পিতৃৰ পৰা লাভ কৰা আনুষ্ঠানিক নির্দেশনা মানি চলাৰ ফলস্বৰূপে তেওঁ 'নিজৰ সমসাময়িক লোকসকলৰ তুলনাত এটা শতিকাৰ এক তৃতীয়াংশৰ অভিজ্ঞতাৰে আগতীয়াকৈ পুষ্ট হৈ' জীৱন আৰম্ভ কৰিছিল।

জে'মছ মিল আৰু বেন্থামৰ ৰাজনৈতিক চিন্তাৰ সাদৃশ্য আছিল। এসময়ত দুয়ো Philosophic নামৰ আন্দোলনটোৰ সূচনা কৰিছিল। আন্দোলন আগবঢ়াই নিয়া দলটোৰ সদস্যসকলে বেন্থামৰ উপযোগিতাবাদী ৰাজনৈতিক দর্শন মানি চলিছিল। এই দর্শনৰ ঊনবিংশ শতিকাত জন ষ্টুৱার্ট মিলৰ তত্ত্বত প্রকাশ ঘটিছিল। নৈতিক দর্শন হিচাপে উপযোগিতাবাদে যুক্তি দর্শায় যে সর্বোচ্চ সুখৰ পৰিমাণ জুখিব পাৰি। দার্শনিক ক্রান্তিবাদীসকলে ন্যায়িক আৰু সামাজিক অনুষ্ঠানবোৰত উপযোগিতাবাদী নীতিবোৰৰ প্রয়োগ ফলবোৰ ব্যৱহাৰ কৰাৰ চেষ্টা চলাইছিল। মিলে প্রায় ত্রিশ বছৰ ইষ্ট ইণ্ডিয়া কোম্পানীত কাম কৰিছিল। কোম্পানীত যোগদান কৰাৰ বছৰটোৰ পৰাই তেওঁ বাতৰি কাকতবোৰৰ স্পাদকলৈ চিঠি লিখিবলৈ আৰম্ভ কৰি নিজৰ লেখক জীৱনৰ সূচনা কৰিছিল।

মিলে তর্কশাস্ত্র, জ্ঞানমীমাংসা, নীতিশাস্ত্র, ধর্ম, সামাজিক তথা ৰাজনৈতিক দর্শন বিষয়ক বহুতো ৰচনা আৰু গ্রন্থ লিখিছিল। তেওঁৰ উল্লেখযোগ্য কর্মৰাজি হ'ল Systems of Logic, Deductive and Inductive, Political Economy, On Liberty, Utilitarianism আৰু The Subjection of Womenআদি।

৭.১১ মিল আৰু সুখবাদ

কিছুসংখ্যক উপযোগিতাবাদী আছিল সুখবাদী। তেওঁলোকে শুভক আনন্দ আৰু আনন্দক সুখৰ সমকক্ষ বুলি গণ্য কৰিছিল। মিলে সর্বহিতবাদী সুখবাদৰ পোষকতা কৰিছিল। তেওঁৰ তত্ত্বৰ প্রকৃতি আছিল সংশোধিত অতবা গুণগত। তেওঁ বহলাই আলোচনা কৰি কৈছিল যে কর্তাৰ নিজৰ আনন্দ নহয়, সাধাৰণ অর্থত যিটো আনন্দ সেইটোহে স্বীকৃত মান। এতিয়া প্রশ্ন হয়,

সাধাৰণ আনন্দ কাংক্ষিত বুলি আমি কেনেকৈ প্ৰমাণ কৰিব পাৰোঁ? মিলে উত্তৰ দিছিল যে প্ৰতিগৰাকী ব্যক্তিৰ আনন্দ হ'ল সেই ব্যক্তিগৰাকীৰ নিজৰ বাবে শুভ কথা। সাধাৰণ আনন্দ মানে হ'ল সকলো ব্যক্তিৰ সৰ্বমুঠ সমষ্টিটোৰ বাবে শুভ কথা।

৭.১২ মিলৰ উপযোগিতাবাদ

জে'মছ মিল আৰু বেন্থামৰ সুৱতে সুৰ মিলাই জন ষ্টুৱার্ট মিলেও কৈছিল যে উপযোগিতাৰ নীতি হ'ল মৌলিক নৈতিক স্বীকৃত বিধি-বিধান। সেইটো কাৰ্যই শুদ্ধ যিটোৱে মানৱ কল্যাণৰ মাত্রা সৰ্বাধিক কৰি তোলে। কিন্তু তেওঁ অন্যসকলতকৈ পৃথক উপযোগিতাবাদী হ'ব খুজিছিল। সেয়েহে তেওঁ নিজেই নেন্থামৰ সমালোচনা কৰিছিল আৰু বেন্থামৰ উপযোগিতাবাদী তত্ত্বটো অধিক উন্নত কৰি তোলাৰ চেষ্টা কৰিছিল। (Utilitarianism) নামৰ গ্রন্থখনত মিলে নীতিশাস্ত্রত তেওঁৰ উপযোগিতাবাদী নীতি প্রয়োগৰ সপক্ষে দার্শনিক প্রতিৰক্ষামূলক যুক্তি দাঙি ধৰিছিল। এই গ্রন্থখনত মিলে বিৰোধী তত্ত্ব অন্তঃপ্রজ্ঞাবাদ (intuitionism) বিপৰীতে উপযোগিতাবাদী স্থিতি সমর্থন কৰি যুক্তি দর্শাইছিল বেন্থামৰ উপযোগিতাবাদী তত্ত্বটোৰ সংশোধনৰ প্রয়াস চলোৱাৰ লগতে মিলে উপযোগিতাবাদক ন্যায়ৰ নীতি হিচাপে প্রতিষ্ঠা কৰাৰো চেষ্টা চলাইছিল।

মিলে নৈতিকতাৰ অন্তঃপ্রজ্ঞাবাদী -নীতিৰ বিৰুদ্ধে যুক্তি প্রদর্শন কৰি কৈছিল যে এই নীতি বিমূর্ত /অস্পষ্ট। বিভিন্ন ধৰণৰ নৈতিক দাবীৰ ক্ষেত্রত ৰায়দান কৰিব পৰাকৈ এই নীতিৰ কোনো বাহ্যিক স্বীকৃত মান নাই। ইয়াৰ বিপৰীতে, মিলৰ দাবী অনুসৰি উপযোগিতা নীতিৰ দ্বাৰা সুখ আৰু দুখ বোলা এক বাহ্যিক স্বীকৃত মানৰ আধাৰত বিভিন্ন নৈতিক দাবী মূল্যায়ন কৰিব পৰা যায়।

মিলৰ Utilitarianism গ্রন্থৰ দ্বিতীয় অধ্যায়টোত তেওঁ 'উপযোগিতাবাদ কি' সেয়া বর্ণনা কৰিছে। বেন্থামৰ দৰে মিলেও 'সুখবাদক' সকলো কার্যৰ উপযুক্ত 'সামৰণি /ফলাফল' বুলি গ্রহণ কৰিছে। ইয়েই তেওঁ আগবঢ়োৱা উপযোগিতাবাদী তত্ত্বৰ ভেটি। সমালোচকসকলৰ বিভিন্ন যুক্তিৰ বিপৰীতে মিলে আগবঢ়োৱা ব্যাখ্যাবোৰৰ পৰা তেওঁৰ উপযোগিতাবাদৰ নীতিবোৰ স্পষ্টকৈ বুজিব পাৰি। সমালোচনাৰ উত্তৰ দিয়াৰ যোগ্য বুলি ভবা ব্যাখ্যাবোৰত নাইবা যিবোৰ সমালোচনাই তেওঁক নিজৰ নীতিটো বহলাই ব্যাখ্যা কৰিবলৈ বাধ্য কৰাইছে সেইবোৰত মিলে উপযোগিতাবাদ সম্পর্কে অধিক স্পষ্টকৈ আলোচনা কৰিছে।

মিলে প্রত্যুত্তৰ দিয়াৰ যোগ্য বুলি বিবেচনা কৰা প্রথমটো সমালোচনাই তেওঁৰ তত্ত্বটোৰ সুখবাদী আধাৰত ত্রুটি আছে বুলি কৈছিল।

সমালোচনাটোত কোৱা হৈছিল, "সুখৰ বাহিৰে জীৱনৰ আন একো মহত্ত্বৰ পৰিণাম নাই বুলি ধৰি লোৱা; ইচ্ছা আৰু অন্বেষণৰ আন একো উন্নততৰ আৰু মহত্ত্বৰ বস্তু নাই বুলি ধৰি লোৱা কার্যই উপযোগিতাবাদী তত্ত্বটোক এক অতি সংকীর্ণ আৰু হীন তত্ত্বৰ ৰূপ দিছে; ই কেৱল গাহৰিৰ বাবেহে উপযুক্ত নীতি (Utilitarianism , পষ্ঠা ২৫৭-৮)

ইয়াৰ প্রত্যুত্তৰ হিচাপে মিলে আগবঢ়োৱা ব্যাখ্যা কেৱল সমালোচকসকলৰ বাবেই নাছিল। ই আছিল বেন্থামৰ সুখবাদী উপযোগিতাবাদৰ সংকীর্ণতা সম্পর্কে তেওঁ প্রকাশ কৰা প্রক্রিয়া। বেন্থাম আৰু দুগৰাকীমান উপযোগিতাবাদীৰ মতে সুখক পৰিমাণগতভাৱে জুখিব পাৰি। কিন্তু মিলৰ মত অনুসৰি এনে কিছুমান সুখ আছে যিবোৰ গুণগত দিশেৰে অইন সুখতকৈ উৰ্দ্ধত। ইয়াৰ বিস্তৃত ব্যাখ্যা হিচাপে মিলে মানুহ আৰু গাহৰিৰ জীৱন তুলনা কৰি কৈছিল যে এজন মানুহ জীৱনক লৈ অসন্তুষ্ট আৰু এটা গাহৰি জীৱনক লৈ সন্তুষ্ট হ'ব পাৰে। এই ব্যাখ্যাৰ আলমতে মিলে কৰা এক প্রসিদ্ধ উক্তি হ'লঃ "এটাসন্তুষ্ট গাহৰি হোৱাতকৈ এজন অসন্তুষ্ট মানুহ হোৱাটো শ্রেয়; এজন সন্তুষ্ট মূর্খ হোৱাতকৈ এগৰাকী অসন্তুষ্ট চক্রেটিছ হোৱাটো শ্রেয়।"

বেন্থামে বিভিন্ন সুখৰ মাজত থকা পৰিমাণগত পার্থক্যবোৰক স্বীকৃতি দিছিল। কিন্তু মিলে সুখৰ গুণগত বৈশিষ্ট্যটো মানি লৈছিল। তেওঁৰ মতে সুখ গুণ আৰু পৰিমাণ দুয়ো দিশৰে পৰা ভিন ভিন হ'ব পাৰে। মিলৰ দৃষ্টিভংগী অনুসৰি মহৎ, মর্যাদাপূর্ণ আৰু উচ্চ সুখৰ প্রবল নাইবা দীর্ঘস্থায়ী উপভোগতেই সর্বোচ্চ শুভ লুকাই নাথাকে। এইবোৰ কাৰণতে বেন্থামৰ তত্ত্বটোক 'সর্বমুঠ উপযোগিতাবাদ' আৰু মিলৰ তত্ত্বটোক 'সংশোধিত উপযোগিতাবাদ' বোলা হয়। পৰিমাণৰ বিপৰীতে কার্যৰ গুণ জোখাৰ সময়ত মিলে "সুদক্ষ বিচাৰকৰ ৰায়দান'ক বিশ্বাস কৰিবলৈ আহ্বান জনাইছিল। তেওঁ এই কথা জোৰ দি কৈছিল যে যিসকল ব্যক্তি 'এই দুয়োটা কথা সমানে শলাগ ল'ব আৰু উপভোগ কৰিবলৈ সক্ষম' তেওঁলোকে শাৰীৰিক সুখতকৈ মানসিক সুখক প্রাধান্য দিয়ে যদি কোনো কথাত সুদক্ষ বিচাৰকমণ্ডলীৰ মাজত মতানৈক্যৰ সৃষ্টি হয় তেন্তে আমি সংখ্যাগৰিষ্ঠ বিচাৰকৰ ৰায়টো মানি চলা উচিত। সুদক্ষ বিচাৰকৰ মণ্ডলী এটাই মর্যাদাবোধৰ ক্ষেত্রত পার্থিৱ সুখতকৈ মহৎ সুখক প্রাধান্য দিয়ে।

ইয়াৰ পাচত মিলে আন এচাম সমালোচকৰ সমালোচনাৰ উত্তৰ দিছে। উপযোগিতাবাদৰ সুখবাদী দিশটোক সমালোচনী কৰা এই সমালোচকসকলৰ মতে তত্ত্বটো বিচাৰ কৰি চালে আনন্দ এক আহৰণসাধ্যতাৰ বাহিৰৰ বস্তু নাইবা মানুহৰ আনন্দিত হোৱাৰ অধিকাৰ নাই যেন লাগে। যিবোৰে আনন্দক আহৰণসাধ্য নহয় বুলি কৈছিল সেইসকলক মিলে দিয়া উত্তৰটো আছিলঃ "যদি মানুহৰ দ্বাৰা কোনো আনন্দ কেতিয়াও আহৰণ কৰিব পৰাও নাযায়, তথাপিও উপযোগিতাবাদী তত্ত্বৰ বাবে কিবা অলপ হ'লেও ক'ব পৰা যায়; কাৰণ, উপযোগিতাই কেৱল আনন্দৰ অন্বেষণৰ কথাই নকয়, ই নিৰানন্দক বাধা দিয়া নাইবা প্রশমিত কৰাৰ কথাও কয়"। (Utilitarianism , পৃষ্ঠা ২৬৩), মিলৰ মতে মানুহৰ একোটা আনন্দপূর্ণ অস্তিত্ব নথকাৰ কাৰণ হ'ল 'মানসিক কর্ষণৰ অভাৱ' আৰু 'ৰাজহুৱা কল্যাণৰ বাবে আন্তৰিক আগ্রহৰ অভাৱ'। মিলে এই দুয়োটা বাদা শিক্ষাই আঁতৰ কৰিব পাৰে বুলি মত পোষণ কৰিছিল।

'সুখী হ'বলৈ মানুহৰ কি অধিকাৰ আছে' বুলি প্রশ্ন উত্থাপন কৰাসকলক মিলে বুজাই দিছিল যে কার্যৰ লক্ষ্য মানুহৰ ব্যক্তিগত আনন্দ নহয়, সকলোৰে আনন্দ নিশ্চিত কৰাহে। আমি সকলো লোককে সামৰি সর্বোচ্চ সুঠ আনন্দ সৃষ্টি কৰাৰ প্রয়াস চলাব লাগে। মিলে কৈছিল যে

'উপযোগিতাবাদী নৈতিকতাই অইনৰ কল্যাণৰ বাবে নিজৰ সর্বোচ্চ কল্যাণ বলি দিব পৰা মানুহৰ ক্ষমতাটোক স্বীকৃতি দিয়ে। ই কেৱল সেই বলিদানটো নিজেই এক শুভ বুলি মানি নলয়। কাৰণ, যিটো বলিদানে আনন্দৰ মুঠ যোগফল বৃদ্ধি নকৰে অথবা বৃদ্ধি কৰাৰ প্রবণতা নেদেখুৱায়, তেনে বলিদান অথলে যায় বুলি ধৰা হয়. আচৰণৰ ক্ষেত্রত কোনটো শুদ্ধ সেই বিষয়ক উপযোগিতাবাদী মান নিৰূপণ কৰা আনন্দ কর্তাৰ ব্যক্তিগত আনন্দ নহয়, সকলো ব্যক্তিৰে আনন্দ। (Utilitarianism, পৃষ্ঠা ২৬৮)।

ইয়াৰ পাচত উপযোগিতাবাদৰ বিৰুদ্ধে উঠা তৃতীয় সমালোচনাটোত কিছুমান সমালোচকে মত প্রকাশ কৰিছিল যে বহুতো সময়ত আমি সকলোৰে কল্যাণৰ স্বার্থত নিজৰ কল্যাণক বলি দিবলগীয়া হয়। তেওঁলোকে উপযোগিতাবাদত ' বহুতো ত্রুটি বিচাৰি পাইছিল আৰু ইয়াক মানৰ জাতিয়ে পালন কৰিব নোৱাৰা বিধৰ অতি উচ্চখাপৰ স্বীকৃত মান' বুলি কৈছিল। মিলে যুক্তি দর্শাইছিল যে এটা ভাল নৈতিক তত্ত্বই সদায় আমাক একোটা অনুসৰণযোগ্য আদর্শ গঢ়ি দিয়া উচিত। তেওঁ ইয়াকো কৈছিল যে উপযোগিতাবাদী তত্ত্বই আমাক আমাৰ কার্যৰ আঁৰত সদায় একোটা পৰোপকাৰী অভিপ্রা থাকিবই লাগিব বুলি ৰোৱা নাই। মিলে দাবী কৰিছিল যে "কার্যৰ নৈতিকতাৰ সৈতে অভিপ্রায়ৰ কোনো সম্পর্ক নাই।" (Utilitarianism , পৃষ্ঠা ২৭০) আমাৰ কার্যৰ আঁৰত কোনো ব্যক্তিগত স্বার্থজড়িত অভিপ্রায় থাকিব পাৰে। আমাৰ কার্যটোৰে যদি সকলো মানুহৰ বাবে উৎকৃষ্ট ফলাফল কঢ়িয়াই আনিব পাৰে, তেন্তে আমি শুদ্ধকৈ কামটো কৰিছো বুলি ক'ব পাৰি। এইদৰেই মিলে উপযোগিতাবাদক লৈ উঠা আপত্তিবোৰ আঁতৰোৱাৰ চেষ্টা কৰাৰ লগতে তত্ত্বটো সম্পর্কে নিজৰ দৃষ্টি ভংগী ব্যাখ্যা কৰিছিল।

Utilitarianism , গ্রন্থৰ দ্বিতীয় অধ্যায়ত মিলে উল্লেখ কৰিছে যে "যিটো মতক নৈতিকতাৰ আধাৰ বুলি গ্রহণ কৰা হয় সেইটো হ'ল 'উপযোগিতা' , নাইবা মহত্ত্বম আনন্দ নীতি। এই মত অনুসৰি আনন্দৰ পোষকতা কৰা কার্যবোৰেই শুদ্ধ কার্য আৰু আনন্দৰ বিপৰীত দশা এটা সৃষ্টিকাৰী কার্যবোৰেই ভূল কার্য। আনন্দৰ উদ্দেশ্য সুখ সৃষ্টি কৰা, দুখৰ অস্তিত্ব আঁতৰোৱা; নিৰানন্দৰ উদ্দেশ্য হ'ল দুখ সৃষ্টি কৰা আৰু সুখৰ পৰা বঞ্চিত কৰা।" (পৃ. ২৫৭) উপযোগিতাৰ এই নীতিটোৰেই হ'ল মিলৰ উপযোগিতাবাদৰ উৎস)

একোখন গ্রন্থৰে তৃতীয় অধ্যায়ত মিলে 'অনুমোদন'ৰ বিষয়ে আলোচনা কৰিছে। অনুমোদনে মানুহক উপযোগিতাৰ নীতি অনুসৰণৰ বাবে প্রভাৱিত কৰে। মিলে সুধিছে, "মই কিয় সাধাৰণ আনন্দৰ পোষকতা কৰিবলৈ বাধ্য?" ইয়াৰ উত্তৰত তেওঁ বেন্থামে আগবঢ়োৱা বাহ্যিক অনুমোদনকেইটা যোগ দিয়াৰ লগতে বিবেকৰ আভ্যন্তৰীণ অনুমোদন নাইবা এক 'কর্তব্যবোধ'ৰ কথা কৈছে। এই আভ্যন্তৰীণ অনুমোদনবিধে 'মানৰ জাতিৰ আনন্দৰ বাবে' কাম কৰাৰ এক অনুভৱৰ কথা বুজায়। লগতে ই 'অন্য মানুহৰ সৈতে ঐক্যৱদ্ধ হৈ ৰোৱাৰ ইচ্ছ' আৰু 'কর্তব্যৰ উলংঘা কৰিলে অনুভৱ হোৱ দুখ'ৰ কথাও বুজায়। মিলে বিশ্বাস কৰে যে নৈতিক অনুভৱবোৰ অন্তর্নির্হিত অনুভৱ নহয়। এনে অনুভৱ আমি আহৰণ কৰোঁ। আমি শুদ্ধ অনুভৱৰ

গৰাকী হ'ব পাৰিছোনে নাই সেয়া নিশ্চিয় কৰাৰ একমাত্ৰ পথ হ'ল শিক্ষা। কিন্তু মিলে এইবুলিও যুক্তি দৰ্শাইছিল যে উপযুক্ত শিক্ষা অবিহনেও উপযোগিতাবাদী নৈতিকতা গ্ৰহণ কৰিব পৰাকৈ মানুহৰ একোটা শক্তিশালী প্ৰাকৃতিক আধাৰ থাকিব পাৰে। এই কথা বুজাবলৈ মিলে ব্যক্তিৰ অহংবাদৰ পৰা পৰহিতবাদলৈ হোৱা পৰিৱৰ্তনৰ এটা মনোবিজ্ঞানভিত্তিক ব্যাখ্যা আগবঢ়াইছিল। সংসৰ্গ আৰু স্বাৰ্থৰ ৰূপান্তৰ নিয়ম (laws of association and transference of interest) অনুসৰি আত্মপ্ৰেমৰ পৰা সহানুভূতি ওপজে? মানুহ প্ৰথমে অহংবাদী (egoist) । নিজৰ দুখ-কষ্ট নিৰাময় কৰিবলৈকে মানুহে অইনক যন্ত্ৰণাৰ পৰা যুক্ত কৰাৰ প্ৰয়াস কৰে। এই কামৰ পুনৰাবৃত্তি ঘটি থাকিলে আমাৰ ব্যক্তিগত স্বাৰ্থ এটা সময়ত ফলাফলৰ সলনি উপায়ত পৰিণত হয়। অৰ্থাৎ, মানুহে জীৱনকালতেই সহানুভূতিশীল হোৱাৰ সামৰ্থ আহৰণ কৰে।

Utilitarianism গ্ৰন্থখনৰ চতুৰ্থ অধ্যায়টোৰ শিৰোনাম হ'ল "উপযোগিতা নীতি প্ৰত্যয়শীল বুলি কেনেধৰণৰ প্ৰমাণ আছে?" এই অধ্যায়টো হ'ল মিলে আগবঢ়োৱা উপযোগিতাবাদী তত্ত্বৰ সুখবাদী অংশটোৰ সমৰ্থনত আগবঢ়োৱা যুক্তি। এই অধ্যায়টোত মিলে উপযোগিতা নীতিৰ এক প্ৰমাণ দাঙি ধৰিব খুজিছিল। ইয়াৰ বাবে তেওঁ কিবা এটা দৃশ্যমান বস্তুৰ প্ৰমাণেৰে সৈতে এটা উদাহৰণ আগবঢ়াইছিল। মিলে লিখিছিল যে কোনো এটা বস্তু যে দৃশ্যমান তাৰ একমাত্ৰ প্ৰমাণ হ'ল এয়াই যে 'মানুহে বস্তুটো বাস্তৱিকতে দেখা পায়।' একেদৰে, কোনো এটা বস্তু যে শ্ৰৱণসাধ্য তাৰ একমাত্ৰ প্ৰমাণ হ'ল 'মানুহে সেয়া শুনা পায়।' ঠিক একেদৰে যিকোনো কাংক্ষিত বস্তু উৎপন্ন কৰাটো যে সম্ভৱ তাৰ একমাত্ৰ প্ৰমাণটো হ'ল 'মানুহে সেয়া সঁচাসঁচিকৈ কৰি চাবলৈ দেখুওৱা ইচ্ছা।' ওপৰৰ ব্যাখ্যাৰ পৰা এয়া সাধাৰণভাৱে অনুমান কৰি লোৱা হয়। যে এই যুক্তিটোৱে এটা 'হয়' সূচক উক্তিৰ পৰা এটা 'কৰা উচিত' উক্তি বাহিৰ কৰে। মিলে ইয়াত 'কাংক্ষিত (desired) ৰ পৰা 'সমীচীন' (desirable) বাহিৰ কৰিছে। তেওঁ কৈছে যে মানুহে নিশ্চয়কৈ আনন্দৰ আকাংক্ষা কৰে, সেয়েহে তেওঁলোকে আনন্দ আহৰণ কৰাটো সমীচীন। জি.ই মূৰৰ সংজ্ঞামতে এই যুক্তিৰ দ্বৰা মিলে স্বাভাৱিকতাবাদী হেত্বাভাস (naturistic fallacy) সংঘটিত কৰিছে।

সাধাৰণ আনন্দ সমীচীন বুলি আমি কেনেদৰে প্ৰমাণ কৰিম? মিলে ইয়াৰ উত্তৰত কৈছিল যে প্ৰতিগৰাকী ব্যক্তিৰ আনন্দই সেই ব্যক্তিগৰাকীৰ নিজৰ বাবে শুভ কথা। সেয়েহে, সাধাৰণ আনন্দক সকলো মানুহৰ সৰ্বমুঠ সমষ্টিটোৰ বাবে শুভ বুলি ধৰা হয়। এই কথাক বাস্তৱ ৰূপ দিবলৈ মানুহে অহংবাদৰ পৰা পৰহিতবাদলৈ গতি কৰে। কিন্তু এই যুক্তিৰ দুটা হেত্বাভাস দেখা যায়। তৰ্কশাস্ত্ৰত ইয়াক 'সংযোজনৰ হেত্বাভাস' (the fallacy of composition) আৰু 'বিভাজনৰ হেত্বাভাস' (the fallacy od division) বোলে।

"সকলো সুখেই অন্তৰ্নিহিতভাৱে শুভ" বোলা সুখবাদী দৃষ্টিভংগীটোৰ সন্দৰ্ভত মিলে নিজৰ যুক্তি আগবঢ়াইছে। এই যুক্তি প্ৰদৰ্শনকালত তেওঁ মনোবৈজ্ঞানিক সুখবাদৰ বিষয়টো আলোচনা কৰিছে। তেওঁ মানি লৈছে যে যিকোনো কাৰ্য প্ৰণালীকে উদ্বুদ্ধ কৰিব পৰা প্ৰধান

কথা দুটা হ'ল মানুহৰ সুখ ভালপোৱা আৰু দুখ বেয়াপোৱাৰ মনোবৈজ্ঞানিক বৈশিষ্ট্য । অন্ততঃ প্ৰাৰম্ভিক পৰ্যায়ত কোনো বস্তুক সুখৰ পন্থা অথবা দুখক এৰাই চলাৰ উপায় হিচাপে বিচৰা হয়। কিন্তু সংযোজনশীল ব্যৱস্থাৰ অগ্ৰগতিৰ ফলত অন্য বস্তুবোৰৰ ৰূপান্তৰ ঘটাব নাইবা প্ৰাৰম্ভিক পৰ্যায় এটাত এনে বস্তুৱে অৰ্থ প্ৰকাশ কৰা পৰিণামলৈ পাচত ইয়াক সলনি কৰিব পৰা হৈছে। মিলৰ মতে 'অন্য' বস্তুবোৰ হ'ল - প্ৰমূল্য, পছন্দ আৰু স্বাস্থ্য অথবা টকা। প্ৰথম অৱস্থাত এইবোৰক 'ভাল' বুলি ভবা হয়। কাৰণ, এইবোৰে সুখ প্ৰদান কৰে। কিছু সময় পাচত আমি এই বস্তুবোৰক সিহঁতৰ নিজৰ মাজতে অথবা একে বস্তুবোৰৰ মাজত 'সমীচীন' বুলি ভাবিবলৈ ল'ম। অৰ্থাৎ, এই বস্তুবোৰক পাচত নিজেই নিজৰ ফলাফল ৰূপে বিচৰা হয়। মিলে কৈছিল যে সংযোজন প্ৰক্ৰিয়াৰ জৰিয়তে এটা সময়ৰ পাচত বাহ্যিক প্ৰমূল্যবোৰক অন্তৰ্নিহিত প্ৰমূল্য ৰূপে বিচাৰ কৰাৰ সম্ভাৱনা থাকে। মনোবৈজ্ঞানিক সুখবাদীসকলৰ মতে কেৱল সুখক এক অন্তৰ্নিহিত প্ৰমূল্য বুলি ধৰিব পাৰি। বাকীবোৰ হ'ল বাহ্যিক প্ৰমূল্য, অৰ্থাৎ বাকী প্ৰমূল্যবোৰ হ'ল সুখ আহৰণ কৰাৰ পন্থা। মিলৰ যুক্তি অনুসৰি এটা সময়ৰ পাচত যিবোৰক আমি বাহ্যিক প্ৰমূল্য বুলি ধৰি লৈছিলো সেইবোৰে অন্তৰ্নিহিত প্ৰমূল্যৰ স্থান ল'ব পাৰে। এই দিশৰ পৰা মিলৰ তত্ত্বটোৱে বেন্থামৰ উপযোগিতাবাদৰ ধাৰণাটো চেৰাই গৈছে।

মিলে কয়, " আনন্দৰ এক মাধ্যম হোৱাৰ পৰিৱৰ্তে এনে প্ৰমূল্যই নিজেই ব্যক্তিৰ আনন্দৰ ধাৰণাৰ এক মুখ্য উপাদানত পৰিণত হ'ব পাৰে। এটা সময়ত আনন্দ আহৰণৰ এক আহিলা ৰূপে বিচৰা উপাদানটোক এতিয়া উপাদানটোৰ নিজৰ বৈশিষ্ট্যৰ বাবেই বিচৰা হয়..... " (Utilitarianism, পৃষ্ঠা ২৯১)।

মিলে পুনৰবাৰ সুখবাদী দাবীটো প্ৰমাণ কৰিব খুজিছিল। তেওঁ 'কোনো বস্তুক বাঞ্ছা কৰা'ৰ কথাটো 'বস্তুটো সুখদায়ক বুলি ভবা' কথাটোৰ সৈতে সমান কৰাৰ চেষ্টা চলাইছিল।

মিলৰ ভাষাত, "মই বিশ্বাস কৰোঁ যে কোনো এটা বস্তু বিচৰা আৰু সেই বস্তুটো সুখদায়ক বুলি ভবাটো হ'ল.... দুটা অবিচ্ছেদ্য পৰিঘটনা..... এক কথাত এই দুয়োটা বিষয়েই হ'ল একেটা মনোবৈজ্ঞানিক সত্য বুজোৱা দুটা পৃথক মাধ্যম..... কোনো বস্তু বিচৰাটো ইয়াক সুখদায়ক বুলি কৰা ধাৰণাটোৰ আনুপাতিক নহ'লে ই এক ভৌতিক তথা অধিভৌতিক ভাৱে অসম্ভৱ কথা হ'ব।" (Utilitarianism , পৃষ্ঠা ২৯২-৩) মিলে কৈছিল যে আমি সদায় সুখ বিচাৰোঁ, সেয়েহে সুখ এক সমীচীন বিষয়।

মিলে নিয়মকেন্দ্ৰিক উপযোগিতাবাদৰ পোষকতা কৰিছিল। তেওঁ কোনো কাৰ্যক নিয়মৰ আধাৰত বিচাৰ কৰি চোৱাৰ প্ৰয়াস কৰিছিল। কিন্তু উপযোগিতাবাদী সকলৰ মতে নিয়মবোৰ নিজে নিজে কোনো অপৰিহাৰ্য বস্তু নহয়। কাৰণ, উপযোগিতাৰ নীতিৰ আধাৰত নিয়মবোৰ বাছনি কৰা হয়। যিবোৰ নিয়মে সৰ্বাধিক পৰিমাণৰ আনন্দ কঢ়িয়াই আনিব পাৰে সেইবোৰ নিয়মহে বাছনি কৰা হয়। অৰ্থাৎ, কোনো কাৰ্য বাৰে বাৰে কৰাৰ পৰিণামৰ পৰাহে নিয়মৰ উৎপত্তি হ'ব পাৰে। এনে পৰিণাম লাভ কৰাৰ পদ্ধতিটোকে সদৃশ পৰিস্থিতিত এক নিয়মৰ দৰে পালন কৰা হয়।

মিলে এই উপযোগিতা নীতিটো সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰত ন্যায়ৰ নীতি নিৰূপণ কৰাত ব্যৱহাৰ কৰিছিল। তেওঁ কৈছিল যে যিয়ে উপযোগিতাৰ নীতিৰ চৰ্তবোৰ পূৰণ কৰে সি ন্যায়ৰ প্ৰয়োজনীয়তাও পূৰণ কৰিব পাৰে।

৭.১৩ বেন্থাম আৰু মিল

বেন্থাম আৰু জে'মছৰ সৈতে মিলৰ উপযোগিতাবাদৰ ধাৰণাটোৰ কিছু পৰিমাণে মিল আছে। মিলে এই দৃষ্টিভংগীটো মানি লয় যে সেইবোৰ কামেই ভাল যিবোৰে আনন্দ সৃষ্টি কৰাৰ প্ৰবণতা দেখুৱায় আৰু সেইবোৰ কামেই বেয়া যিবোৰে আনন্দৰ বিপৰীত দশা এটা সৃষ্টিৰ প্ৰবণতা দেখুৱায়। কিন্তু আনন্দৰ প্ৰকৃতি আৰু উপযোগিতাবাদৰ বৈধতা নিৰূপণৰ ক্ষেত্ৰত মিলে তেওঁৰ পূবসুৰী দুগৰাকীতকৈ পৃথক ধাৰণাত বিশ্বাস কৰে। তলৰ কথাবোৰলৈ মন কৰিলেই মিলে কেনেদৰে বেন্থামৰ উপযোগিতাবাদী তত্ত্বটো উন্নত কৰাৰ প্ৰয়াস কৰিছিল আমি সেয়া বুজিব পাৰিম।

- বেন্থাম আৰু জে'মছ মিলে সুখৰ দৃষ্টিৰে আনন্দৰ বিষয়ে বুজাব খুজিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে প্ৰতিগৰাকী ব্যক্তিৰে লক্ষ্য হ'ল মূলতঃ নিজৰ আনন্দৰ, যাক সুখ বুলি কোৱা হয়, পোষকতাকাৰী কাৰ্য কৰা। মিলে এই সুখবাদী অনুমানটো সলনি কৰিছিল আৰু ইয়াৰ স্থানত নিজৰ উচ্চতৰ সুখৰ ধাৰণাটো স্থাপন কৰিছিল। মিলৰ ধাৰণাই আনন্দৰ ধাৰণাটোলৈ পৰিৱৰ্তন কঢ়িয়াই আনিছিল।
- বেন্থাম আছিল মনোবৈজ্ঞানিক অহংবাদী চিন্তাধাৰাৰ সমৰ্থক। তেওঁৰ দাবী অনুসৰি ব্যক্তিয়ে কেৱল নিজৰ স্ব-স্বাৰ্থ পূৰণৰ বাবেহে কাম কৰে। মানুহে কেনেকৈ আৰু কিয় অন্যৰ আনন্দৰ কথা ভাবিব তাৰ যুক্তিসংগত ব্যাখ্যা দাঙি ধৰাত বেন্থাম ব্যৰ্থ হৈছিল। বেন্থামে মানুহৰ অহংবাদৰ পৰা পৰহিতবাদলৈ হোৱা পৰিৱৰ্তনৰ সন্তোষজনক ব্যাখ্যা দাঙি ধৰিব পৰা নাছিল। মিলে তেওঁৰ পিতৃ জে'মছ আৰু বেন্থামে কেতিয়াবা সমৰ্থন কৰা নাইবা ব্যৱহাৰৰ পৰামৰ্শ দিয়া মনোবৈজ্ঞানিক অহংবাদ আৰু সুখবাদৰ পৰম্পৰাগত স্বয়ংসম্পূৰ্ণ তত্ত্ববোৰ নাকচ কৰিছিল। 'On Bentham আৰু 'Remarks on Benthanm's Philosophy' শীৰ্ষক ৰচনা দুখন মিলে বেন্থামৰ তত্ত্বটোৰ বিস্তৃত সমালোচনা আগবঢ়াইছিল। মিলে ভাবিছিল যে বেন্থামৰ দৰ্শনৰ ধাৰণাটো অতি সীমিত। সেইবাবে তেওঁৰ দৰ্শনে বহুতো লাগতিয়াল কথা সামৰি ল'ব নোৱাৰিছিল।
- বেন্থামৰ সুখবাদী ধাৰণাটোৰ দৰেই মিলেও ভাবিছিল যে সুখ হ'ল নৈতিকতাৰ ফল। বেন্থামৰ সুখবাদী দৃষ্টিভংগী মতে সুখৰ মানসিক অৱস্থাটোত শুভ অন্তর্নিহিত থাকে আৰু দুখৰ মানসিক অৱস্থাটোত অশুভ /কু অন্তর্নিহিত হৈ থাকে। আন সকলো বস্তুকে সুখ নাইবা দুখ কঢ়িয়াই আনিব পৰা বৈশিষ্ট্যৰ আধাৰত ভাল নাইবা বেয়া প্ৰমূল্যৰ বুলি ভাগ কৰা হয়। মিলে বহুলাংশে এই নীতি গ্ৰহণ কৰি যুক্তি দৰ্শাইছিল যে এটা সময়ত এনে বস্তুৰ সৈতে জড়িত বাহ্যিক প্ৰমূল্যবোৰে অন্তর্নিহিত প্ৰমূল্যৰ স্থান দখল কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেন্থামে লিখা গ্রন্থ এখনৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ 'উপযোগিতা'ৰ অর্থ কি?

প্রশ্ন নং ৩ ঃ উপযোগিতাবাদ মানে কি?

প্রশ্ন নং ৪ ঃ বেন্থামৰ উপযোগিতাবাদৰ নীতিটো কি?

প্রশ্ন নং ৫ ঃ বেন্থামৰ উপযোগিতাবাদৰ মূল বৈশিষ্ট্য দুটা কি কি?

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰকঃ

(ক) উপযোগিতাবাদৰ উৎস হ'ল প্রাচীন..... দর্শন।

(খ) বেন্থামৰ মতে কোনো কার্যৰ নৈতিক মূল্য কার্যটোৰ.....ৰ ওপৰত আধাৰিত।

(গ) বেন্থামে..... সুখবাদৰ সমর্থৰ কৰিছিল।

(ঘ) উপযোগিতাবাদ মতে যিটো কার্যই.....ৰ পৰিমাণ সর্বাধিক কৰে তাকেই উত্তম কার্য বোলা হয়।

প্রশ্ন নং ৭ ঃ সুখত গুণগত পার্থক্য থকাৰ কথা কোনে কৈছিল?

প্রশ্ন নং ৮ ঃ মিলে লিখা গ্রন্থ এখনৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ৯ ঃ উপযোগিতাবাদৰ প্রকাৰবোৰ কি কি?

প্রশ্ন নং ১০ ঃ নিয়মকেন্দ্রিক উপযোগিতাবাদ মানে কি?

প্রশ্ন নং ১১ ঃ খালী ঠাই পূৰণ কৰকঃ

(ক) এটা সন্তুষ্ট..... হোৱাতকৈ এগৰাকী অসন্তুষ্ট মানুহ হোৱাই শ্রেয়।

(খ) মিলৰ উপযোগিতাবাদক.....উপযোগিতাবাদ বোলা হয়।

প্রশ্ন নং ১২ ঃ সর্বহিতবাদী সুখবাদ কাক বোলে?

প্রশ্ন নং ১৩ ঃ মিলে অন্তঃপ্রজ্ঞাবাদীসকলৰ নৈতিকতাৰ নীতিৰ বিৰুদ্ধে কি যুক্তি প্রদর্শন কৰিছিল?



৭.১৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উপযোগিতাবাদ হ'ল বাধ্যবাধকতাৰ পৰিণাম সাপেক্ষ তত্ত্বৰ এটা প্রকাৰ। উপযোগিতাবাদৰ মতে কোনো কার্যৰ ফলাফলৰ ওপৰত কার্যটোৰ নৈতিক ৰায় নির্ভৰশীল। তত্ত্বটোৰ মতে কোনো কার্যই যদি আৰু কেৱল বিশ্ব-ব্রহ্মাণ্ডৰ বাবে সামগ্রিকভাৱে বেয়াতকৈ ভালৰ অধিক সমতা স্থাপন কৰিব পাৰে তেতিয়াহে কার্যটোক শুদ্ধ নাইবা বাধ্যতামূলক বুলি কোৱা হয়। নৈতিক ৰায়দানৰ ক্ষেত্রত উপযোগিতাবাদে উপযোগিতাৰ নীতি প্রয়োগ কৰাৰ আহ্বান জনায়। জেৰেমী বেন্থাম, জন ষ্টুৱার্ট মিল

আৰু হেনৰী চিজ্ৱিক আছিল বৃটিছ উপযোগিতাবাদী পৰম্পৰাৰ অগ্ৰনী চিন্তাবিদ। বেন্থামে কৈছিল যে 'সৰ্বাধিক সংখ্যকৰ বাবে সৰ্বোচ্চ আনন্দ'ৰ সৃষ্টি কৰাটো আমাৰ লক্ষ্য। আনন্দক সেয়েহে প্ৰমূল্যৰ এক অনন্য জোখ বুলি গণ্য কৰা হয়।

- বেন্থামৰ উপযোগিতাবাদে মনোবৈজ্ঞানিক সুখবাদক প্ৰতিফলিত কৰে। এই তত্ত্ব মতে সুখ আৰু দুখে মানুহৰ আচৰণৰ আঁৰৰ অভিপ্ৰায় নিৰ্ধাৰণ কৰে। বেন্থামে তেওঁৰ নৈতিক তত্ত্বত সুখবাদ কলন গণিত প্ৰয়োগৰ কথা কৈছিল। তেওঁৰ উপযোগিতাবাদক সৰ্বমুঠ নাইবা ইন্দ্ৰিয়বাদী বুলি ক'ব পাৰি। কাৰণ, ই সুখৰ মাজত থকা গুণগত পাৰ্থক্যক স্বীকৃতি নিদিয়ে।
- মিল আছিল এগৰাকী সুস্থিৰ উপযোগিতাবাদী। উপযোগিতাবাদ হ'ল এটা সামূহিক নিয়ন্ত্ৰণবাদী দৰ্শন। মিলে বিশ্বাস কৰিছিল যে সকলো লোককে সামৰি সৰ্বোচ্চ মুঠ শুভ ফলাফল সৃষ্টি কৰিব পৰা কাৰ্যবোৰ কৰাৰ বাবে মানুহৰ এক নৈতিক বাধ্যবাধকতা আছে। এগৰাকী সখুবাদী উপযোগিতাবাদী হিচাপে মিলে এয়াও বিশ্বাস কৰিছিল যে কাৰ্যৰ সুখ অথবা আনন্দ সৃষ্টিকাৰী ফলাফলক শুভ ফল বুলি গণ্য কৰিব লাগে আৰু কাৰ্যৰ অসন্তুষ্টি অথবা নিৰানন্দ সৃষ্টিকাৰী ফলাফলক অশুভ ফল বুলি ধৰিব লাগে।
- মিলৰ মতে কোনোটা কাৰ্য শুদ্ধ সেয়া নিৰ্ণয় কৰাৰ সময়ত কাৰ্যবোৰৰ গুণ আৰু পৰিমাণ দুয়োটা বিচাৰ কৰি চাব লাগে। এইবোৰ কথাৰ পৰা ক'ব পাৰি যে যদিও মিল উপযোগিতাবাদী চিন্তাধাৰাৰ সমৰ্থক আছিল তথাপিও কিছুমান প্ৰধান বিষয়ত বেন্থামৰ উপযোগিতাবাদতকৈ তেওঁৰ উপযোগিতাবাদ কিছু ভিন্ন আছিল। মিলে সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ন্যায়ৰ নীতি নিৰ্ধাৰণৰ সময়ত এই উপযোগিতা নীতি প্ৰয়োগ কৰিছিল।



৭.১৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্ৰ*

২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্ৰ*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*



৭.১৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ An Introduction to the Principles of Moral and Legislation.

২ নং প্রশ্নৰ উত্তৰ ঃ উপকাৰিতা।

৩ নং প্রশ্নৰ উত্তৰ ঃ উপযোগিতাবাদ হ'ল এটা নৈতিক তত্ত্ব। কি কার্য শুদ্ধ নাইবা বাধ্যতামূলক সেয়া নির্ধাৰণ কৰিবলৈ এই তত্ত্বই 'উপযোগিতাৰ নীতি' ব্যৱহাৰ কৰাৰ আহ্বান জনায়। এই তত্ত্বটোৰ মতে সেইটো কার্যই সর্বোত্তম যিটোৱে সর্বোচ্চ উপযোগিতা সৃষ্টি কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ 'সর্বাধিক সংখ্যকৰ বাবে সর্বোচ্চ আনন্দ।'

৫ নং প্রশ্নৰ উত্তৰ ঃ বেন্থামৰ উপযোগিতাবাদী তত্ত্ব মতে আমি সর্বাধিক সংখ্যকৰ বাবে সর্বোচ্চ আনন্দ সৃষ্টিৰ লক্ষ্য বান্ধি লোৱা উচিত। বেন্থামে সুখৰ মাজত কেৱল পৰিমাণগত পার্থক্যকহে স্বীকৃতি দিছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) গ্রীক (খ) পৰিণাম (গ) সর্বহিতবাদী /সর্বমুঠ (ঘ) উপযোগিতা

৭ নং প্রশ্নৰ উত্তৰ ঃ জনষ্টুৱার্ট মিলে।

৮ নং প্রশ্নৰ উত্তৰ ঃ Utilitarianism

৯ নং প্রশ্নৰ উত্তৰ ঃ কার্য উপযোগিতাবাদ, নিয়মকেন্দ্রিক উপযোগিতাবাদ, সাধাৰণ উপযোগিতাবাদ।

১০ নং প্রশ্নৰ উত্তৰ ঃ নিয়মকেন্দ্রিক উপযোগিতাবাদৰ মতে কোনো কার্যৰ ঔচিত্য ইয়াৰ কোনো এক নিয়মৰ অনুকূলতাৰ ওপৰত নির্ভৰশীল। যেনে- আইন

১১ নং প্রশ্নৰ উত্তৰ ঃ (ক) গাহৰি (খ) সংশোধিত।

১২ নং প্রশ্নৰ উত্তৰ ঃ সর্বহিতবাদী সুখবাদৰ মতে সুখৰ স্বীকৃত মান কর্তাৰ নিজৰ আনন্দ নহয়। সকলোৰে সাধাৰণ আনন্দকহে সুখৰ স্বীকৃত মান বুলি ধৰা হয়।

১৩ নং প্রশ্নৰ উত্তৰ ঃ মিলৰ যুক্তি অনুসৰি অন্তঃপ্রজ্ঞাবাদীসকলৰ নীতিটো বিমূর্ত অস্পষ্ট। বিভিন্ন নৈতিক দাবীৰ ক্ষেত্রত ৰায়দান কৰিব পৰাকৈ নীতিটোত কোনো বাহ্যিক স্বীকৃত মান নাই। মিলে জোৰ দি কৈছিল যে উপযোগিতা নীতিৰ সহায়ত আমি সুখ আৰু দুখক এক বাহ্যিক স্বীকৃত মান বুলি ধৰি লৈ বিভিন্ন নৈতিক দাবীৰ মূল্যায়ন কৰিব পাৰোঁ।



৭.১৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ পৰম নৈতিক মানৰ প্ৰকৃতি সম্পৰ্কে থকা তত্ত্ববোৰৰ নাম লিখক।

প্ৰশ্ন নং ২ ঃ পৰিণাম সাপেক্ষ তত্ত্ব কাক বোলে?

প্ৰশ্ন নং ৩ ঃ পৰিণাম নিৰপেক্ষ তত্ত্ব কাক বোলে?

প্ৰশ্ন নং ৪ ঃ দুগৰাকী সুখবাদী দাৰ্শনীকৰ নাম লিখক।

প্ৰশ্ন নং ৫ ঃ "সৰ্বাধিক সংখ্যকৰ সৰ্বোচ্চ আনন্দ"ৰ কথা কোনে কৈছিল?

প্ৰশ্ন নং ৬ ঃ উপযোগিতাবাদৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৭ ঃ এনে দুগৰাকী উপযোগিতাবাদী দাৰ্শনিকৰ নাম লিখক যি সুখবাদী দাৰ্শনিকৰূপেও পৰিচিত।

প্ৰশ্ন নং ৮ ঃ সৰ্বহিতবাদী সুখবাদৰ পৰম নৈতিক মানটো কি?

প্ৰশ্ন নং ৯ ঃ সৰ্বহিতবাদী সুখবাদৰ প্ৰয়োজনীয় উপাদানবোৰ কিকি?

প্ৰশ্ন নং ১০ ঃ An Enquiry Concerning the Origin of Our Ideas of Virtues of Moral Good নামৰ গ্ৰন্থখনৰ লেখক কোন?

প্ৰশ্ন নং ১১ ঃ সুখবাদ কি?

প্ৰশ্ন নং ১২ ঃ মিলৰ তিনিখন প্ৰসিদ্ধ গ্ৰন্থৰ নাম লিখক।

প্ৰশ্ন নং ১৩ ঃ পৰহিতবাদী সুখবাদ মানে কি?

প্ৰশ্ন নং ১৪ ঃ "এটা সন্তুষ্ট গাহৰি হোৱাতকৈ এগৰাকী অসন্তুষ্ট ব্যক্তি হোৱাটো শ্ৰেয়; এজন সন্তুষ্ট মূৰ্খ হোৱাতকৈ অসন্তুষ্ট চক্ৰেটিছ হোৱটো শ্ৰেয়"- কথাষাৰ কোনে কৈছিল?

প্ৰশ্ন নং ১৫ ঃ মিলৰ মতে বাহ্যিক আৰু অন্তৰ্নিহিত প্ৰমূল্য মানে কি?

প্ৰশ্ন নং ১৬ ঃ নিয়মকেন্দ্ৰিক উপযোগিতাবাদ মানে কি?

(খ) চুটি প্ৰশ্ন (প্ৰায় ১০০-১৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ উপযোগিতাবাদৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন নং ২ ঃ উপযোগিতাবাদ আৰু অহংবাদৰ মাজত কিবা প্ৰভেদ আছে নেকি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ সৰ্বহিতবাদী সুখবাদ মানে কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃ পৰহিতবাদী সুখবাদ মানে কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৫ ঃ মিলে কেনেদৰে বেন্থামৰ সুখবাদী নীতিটো অগ্ৰাহ্য কৰিছিল? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৬ ঃ মিলে কেনেদৰে নৈতিকতাৰ অন্তঃপ্ৰজ্ঞাবাদী নীতিৰ বিপক্ষে যুক্তি দৰ্শাইছিল? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৭ ঃ মিলে কেনেদৰে উপযোগিতাবাদৰ সুখবাদী দিশটোৰ বিপক্ষে যুক্তি দৰ্শাইছিল? চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ বেন্থামৰ উপযোগিতাবাদৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ উপযোগিতাবাদৰ ঐতিহাসিক পটভূমি আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ উপযোগিতাবাদৰ তত্ত্বটো ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃ বেন্থামৰ উপযোগিতাবাদক লৈ উত্থাপিত হোৱা সমালোচনাবোৰ আলোচনা কৰক।

প্ৰশ্ন নং ৫ ঃ মিলৰ উপযোগিতাবাদ আৰু বেন্থামৰ উপযোগিতাবাদৰ মাজত থকা দুটা প্ৰভেদ বৰ্ণনা কৰক।

প্ৰশ্ন নং ৬ ঃ মিলৰ উপযোগিতাবাদৰ সমালোচনাত্মক বৰ্ণনা দাঙি ধৰক।

প্ৰশ্ন নং ৭ ঃ মিলে কেনেদৰে বেন্থামৰ উপযোগিতাবাদী তত্ত্বটো উন্নত কৰিছিল? ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৮ ঃ মিলে কেনেদৰে উপযোগিতাবাদৰ সুখবাদী দিশটোৰ বিপক্ষে যুক্তি দৰ্শাইছিল? আলোচনা কৰক।

* * * * *

অধ্যায় ৮ ঃ এৰিষ্টটলৰ আনন্দৰ ধাৰণা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ এৰিষ্টটলৰ আনন্দৰ ধাৰণা
৮.৪ আনন্দ জীৱনৰ পৰম লক্ষ্য
৮.৫ আনন্দ আৰু ইচ্ছাৰ স্বাধীনতা
৮.৬ এৰিষ্টটলৰ 'ইউডাইম'নিয়া'ৰ ধাৰণা
৮.৭ সামৰণি
৮.৮ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৮.৯ অধিক জানিবলৈ
৮.১০ অগ্রগতিৰ খতিয়ান
৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- এৰিষ্টটলৰ আনন্দৰ সংজ্ঞাটোৰ বিষয়ে জানিব পাৰিব
- জীৱনৰ পৰম লক্ষ্যৰ বিষয়ে জানিব পাৰিব
- স্বৈচ্ছিক আৰু অনৈচ্ছিক কার্যৰ মাজত থকা প্রভেদবোৰৰ বিষয়ে জানিব পাৰিব
- আনন্দ আৰু ইচ্ছাৰ স্বাধীনতাৰ মাজত থকা সম্পর্ক বুজি পাব
- এৰিষ্টটলৰ 'ইউডাইম'নিয়া'ৰ ধাৰণাটোৰ সংজ্ঞা আগেবঢ়াব পাৰিব

৮.২ পৰিচয়

'আনন্দ' (Happiness)ক সকলোবোৰ নীতিশাস্ত্রৰে মূল অধ্যয়নৰ বিষয় বুলি ক'ব পৰা যায়। সকলোবোৰ প্রাচীন চিন্তাবিদ নাইবা নীতিশাস্ত্রবিদে দাবী কৰিছিল যে তেওঁলোকে দেখুওৱা আদর্শবোৰৰ মাজত এক আনন্দময় জীৱনৰ উপাদান নিহিত হৈ আছে। অধ্যয়নৰ পৰা গম পোৱা গৈছে যে উপযোগিতাবাদৰ দৰে নীতিশাস্ত্র কিছুমানত কোনো কার্যই সৃষ্টি কৰা আনন্দৰ মাত্রা নিৰীক্ষণ কৰি তেনে মাত্রাৰ আধাৰত কার্যটোক নৈতিক অথবা অনৈতিক বুলি গণ্য কৰাৰ কথা কোৱা হৈছে। সম সাময়িক নীতিশাস্ত্রতো অনন্দৰ গুৰুত্বক আওকাণ কৰিব পৰা নাযায়। আনন্দৰ ধাৰণাটো সম্পর্কে এৰিষ্টটলে এক গুৰুত্বপূর্ণ মন আগবঢ়াইছে তেওঁৰ মতে আনন্দ জীৱনৰ পৰম সদগুণ (highest virtue) । এই অধ্যায়টোৰ কেন্দ্রীয় আলোচ্য বিষয় হ'ল এৰিষ্টটলে আগবঢ়োৱা আনন্দৰ ধাৰণাটো

৮.৩ এৰিষ্টটলৰ আনন্দৰ ধাৰণা

এৰিষ্টটলৰ মতে পৃথিৱীৰ আন সকলোবোৰ বস্তুৰ দৰে মানুহো ৰূপ (form) আৰু উপাদান (matter) এৰে গঠিত। এইখিনিতে এটা প্ৰশ্নৰ উদয় হয়, 'মানুহ গঠনকাৰী উপাদান মানে কি?' এৰিষ্টটলে কৈছিল যে মানুহৰ উপাদান এটাই পাৰ্থিৰ ধৰ্ম (corporeal religion), জীৱিত বস্তু (living things) আৰু বিশেষকৈ জন্তু (animal)ক সামৰি লয়। সেইবাবেই মানুহৰ ৰূপটোৱে মানুহৰ দৈহিক ৰাসায়নিক কাৰ্যকলাপ, বৰ্ধনমূলক ক্ষমতা, যৌনতা আৰু বোধ অনুভূতিবোৰ গঢ় দিয়ে অথবা সলনি কৰে। চক্ৰেটিছৰ মতে এই ৰূপটোৱেই হ'ল 'যুক্তি' (reason)। যুক্তি মানুহৰ এক লেখত ল'বলগীয়া বৈশিষ্ট্য। সেয়েহে মানুহৰ পৰম লক্ষ্য হ'ল নিজ সত্ত্বাৰ পৰম বিকাশ সাধন কৰা নাইবা শ্ৰেষ্টত্ব আহৰণ কৰা নাইবা এক সদগুণসম্পন্ন জীৱনৰ গৰাকী হোৱা। ইয়েই হ'ল উৎকৰ্ষতা (goodness)ৰ পটভূমি। এৰিষ্টটলে অস্পষ্টকৈ হ'লেও এই মত দাঙি ধৰিছিল যে মানুহৰ পৰম ধ্যেয় হ'ল 'ঈশ্বৰৰ উৎকৰ্ষতা (Goodness of God) আহৰণ কৰা। ইয়াকেই মানুহৰ পৰম লক্ষ্য বুলি গণ্য কৰিব পাৰি। প্ৰতিয়া এইখিনিতে উদয় হোৱা আনটো প্ৰশ্ন হ'ল- 'মানুহে আহৰণ কৰিব পৰা পৰম লক্ষ্যটো কি। ইয়াৰ উত্তৰ হ'ল- আনন্দ।

৮.৪ আনন্দ জীৱনৰ পৰম লক্ষ্য

বিষয়টোৰ আলোচনাকালত এটা প্ৰশ্ন উঠিব পাৰে। সন্তোষ (pleasure)ক ভাবাবেগ (passion) আৰু ক্ষুধা (appetites) নিবৃত্তিৰ সন্তুষ্টি বুলি ধৰা হয়। তেন্তে সন্তোষ জীৱনৰ পৰম লক্ষ্য নহয়নে? ইয়াৰ উত্তৰ 'নহয়'।

এৰিষ্টটৰ বাবে ক্ষুধা আৰু ভাবাবেগ হৈছে নৈতিক জীৱনৰ উপাদান। এই উপাদান দুবিধক মানুহৰ 'ৰূপ'টোৱে নিয়ন্ত্ৰণ কৰিব লাগে। ইয়েই হ'ল মানুহ বাবে 'যুক্তি'। আৰু এই একেটা কাৰণতে সন্তোষ মানুহৰ জীৱনৰ পৰম লক্ষ্য হ'ব নোৱাৰে। আনহাতে, ৰূপ হ'ল এনে এক কাৰ্যকলাপ যিটোক উপাদানবোৰক বাস্তৱায়িত কৰোঁতে ব্যৱহাৰ কৰা হয়। উপাদানৰ বাস্তৱিককৰণ হ'ল মানুহক পৰম লক্ষ্যত উপনীত কৰোৱা। ক্ষুধা আৰু ভাবাবেগক নিষ্ক্ৰিয় সম্ভাৱনীয়তা নাইবা অনুভয় বোলা হয়। অনুভৱ (feeling) কেতিয়াও এগৰাকী যুক্তিৰ দ্বাৰা পৰিচালিত ব্যক্তিৰ জীৱনৰ পৰম লক্ষ্য হ'ব নোৱাৰে অৰ্থাৎ, সন্তোষ কেতিয়াও ব্যক্তিৰ নৈতিক জীৱনৰ পৰম লক্ষ্য হ'ব নোৱাৰে। ওপৰৰ ব্যাখ্যাৰ পৰা ক'ব পৰা যায় যে এৰিষ্টটলে সুখবাদ (hedonism)ক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিছিল। তেওঁৰ মতে মানুহ হ'ল এটা জীৱন্ত শৰীৰ (living body) আৰু মানুহে খাদ্য, সংগী, ভয় আদিৰ দৰে ক্ষুধাৰে সৈতে জীয়াই থাকিব লাগে । এই সুনিৰ্দিষ্ট বস্তুবোৰ হ'ল অবিচ্ছেদা কাৰ্যকলাপ। সেয়েহে মানুহে এই কাৰ্যকলাপবোৰক তেওঁৰ দৈনন্দিন জীৱনৰ যুক্তিসংগত কাৰ্যকলাপৰ অন্তৰ্ভুক্ত কৰি লোৱা উচিত। এৰি,ট'টলৰ মতে অনুভৱ মানৱ জীৱনৰ পথ-প্ৰদৰ্শক হ'ব নোৱাৰে। কিন্তু মানুহৰ যুক্তিযুক্ত জীৱনৰ প্ৰয়োজনীয় পৰিণাম অথবা সংগী হিচাপে অনুভৱক অনুসৰণ কৰিব পৰা যায়। এই দিশেৰে ক'ব পাৰি যে যুক্তিৰে পৰিচালিত সমগ্ৰ মানৱৰ জীৱনতে সন্তোষে এক নৈতিক অনুধাৱন (moral pursuit)ৰ ৰূপ ধাৰণ কৰে।

এৰিষ্টটলৰ দৃষ্টিভংগী অনুসৰি মানুহ পৰম যুক্তিসংগত লক্ষ্যৰ অনুধাৱন কৰা মানে হ'ল ভাবাবেগ আৰু ক্ষুধাক যুক্তিৰে নিয়ন্ত্রণ কৰা কার্য। এই বিশেষ কার্যবিধক নিদান তত্ত্ব (diagnostic) বোলা হয়। এৰিষ্টটলে কিন্তু ঐশ্বর্য-বিভূতি, বন্ধু, সৌভাগ্য, সুস্বাস্থ্য আদিৰ দৰে ব্যক্তিগত শুভবোৰক অস্বীকাৰ কৰা নাছিল। এইবোৰ দৰাচলতে এটা নৈতিক জীৱনৰ সহায়ক পন্থা। সেয়েহে এৰিষ্টটলে মানৱদ্বেষবাদ (cynicism)ক অগ্রাহ্য কৰিছিল। মানৱদ্বেষবাদ হ'ল চিন্তাৰ এনে এক পন্থা যিটোৱে মানুহক সাধাৰণতে স্বার্থপৰ আৰু অসাধু বুলি বিশ্বাস কৰে। অৱশ্যে বাহ্যিক সৌভাগ্যবোৰৰ প্রকৃতি গঠনমূলক নহয়। এইবোৰে কেৱল এটা নৈতিক জীৱন গঢ় লোৱাত সহায়কৰ ভূমিকাহে পালন কৰে।

এটা নৈতিক জীৱনৰ আৱশ্যেকীয়তা হ'ল ক্ষুধা আৰু ভাবাবেগক যুক্তিৰ দ্বাৰা নিয়ন্ত্রণ কৰাটো। এই কামটো অহৰহ অনুশীলন কৰি থকা উচিত। যুক্তিৰ দ্বাৰা ক্ষুধা আৰু ভাবাবেগৰ অভ্যাসজনিত নিয়ন্ত্রণকে সদগুণ (virtue) বুলি কোৱা হয়। কালক্রমত সদগুণে মানুহক সুপ্রৱণতা (good disposition) আৰু সুচৰিত্র (good character) ৰ গৰাকী কৰে। চৰিত্র হ'ল ইচ্ছাৰ নিগাজী অভ্যাস (settled habit of will) ৰ এক অন্তর্মুখী সংগঠন। এটা ভাল নৈতিক জীৱনৰ ই এক লাগতিয়াল উপাদান। সেইবুলি ক্ষুধাক সম্পূর্ণ কর্তন কৰিব নালাগে। কিন্তু বৈৰাগ্য (ascetisism)ক ভুল উপায়েৰে বর্তাই ৰাখিব নোৱাৰি আৰু সুখবাদে কোৱাৰ দৰে সকলো ক্ষুধা সন্তুষ্টও কৰিব নোৱাৰি। সেয়েহে, ক্ষুধাক মানুহে যুক্তিৰে নিয়ন্ত্রণ কৰা উচিত। ইয়াৰ বাবে পৰিমিতাচাৰ (moderation) আৰু বিবেচনাবোধ (tact)ৰ অনুশীলন কৰা উচিত। পৰিমিতাচাৰ মানে হ'ল যুক্তিসংগত আকাংক্ষ্য সম্পর্কে আহৰণ কৰা অন্তর্দৃষ্টি।

ইয়াৰ অর্থ হ'ল পৰিমিতাচাৰীয়ে বুজি পায় যে ক্ষুধাৰ মাত্রধিক্য আৰু সম্পূর্ণ পৰিত্যাগ দুয়োটাই অনুচিত কার্য। ইয়াক সুবর্ণ মধ্যমানৰ নীতি (principle of golden mean) বুলি কোৱা হয়।

'মধ্যমান (mean) হ'ল এটা গণিতৰ সৈতে জড়িত অভিধা। প্রতিটো ঘটনাৰে কিছুমান পৰিমাণগত 'মধ্যমান' থাকে। প্রতিটো ঘটনাৰ ক্ষেত্রতে ব্যক্তিয়ে নিজৰ বাবে যুক্তিসংগত বাছনিৰ মধ্যমানটো বিচাৰি উলিয়াব লাগে। যেনে, সাহস (courage) লজ্জাবোধ (bashfullness) আৰু নির্লজ্জতা (shamelessness)ৰ মধ্যমা। সদগুণৰ কর্,ণে মাধ্যমান গ্রহণৰ নীতি গঢ়ি তোলাত সহায় কৰে আৰু ই এসময়ত ক্ষুধা নিয়ন্ত্রণ সম্ভৱ কৰি তোল। সদগুণৰ কর্ষণ মানে হ'ল এগৰাকী জ্ঞানী লোকে তেওঁৰ ব্যৱহাৰিক জীৱনক কোনো নীতিৰ অধীনত ইচ্ছাৰ নিগাজী অভ্যাসৰ দ্বাৰ মধ্যমান পছন্দ কৰি লোৱা কার্য।

৮.৫ আনন্দ আৰু ইচ্ছাৰ স্বাধীনতা

এই দিশত এৰিষ্টটলে ন্যায় (Justice) ৰ ওপৰত জোৰ দিছে। এৰিষ্টলৰ মতে ব্যক্তিগত ন্যায়নিষ্ঠতাৰ পৰা 'ন্যায়'ৰ সৃষ্টি নহয়, 'ন্যায়' ৰাষ্ট্রইহে প্রদান কৰিব পাৰে। তেওঁৰ মতে ন্যায় লাভ

কৰাৰ দুটা প্ৰক্ৰিয়া আছে। ইয়াৰে এটা হ'ল- বিতৰণশীল প্ৰক্ৰিয়া আৰু আনটো হ'ল সংশোধক প্ৰক্ৰিয়া। বিতৰণশীল ন্যায় (distributive justice) মানে হ'ল পুৰস্কাৰ (reward) নাইবা শুদ্ধ কাৰ্যকলাপ (right activity) আৰু সংশোধক ন্যায় (cirrectuve justice) মানে হ'ল ভুল কামৰ বাবে শাস্তি প্ৰদান কৰি লাভ কৰা ন্যায়। এৰিষ্টটলৰ মতে এইটো কাৰণতে কেৱল স্বৈচ্ছিক (voluntary) ক্ৰিয়া বোৰকহে নৈতিক বুলি গণ্য কৰিব লাগে। অনৈচ্ছিক (in-voluntary) ক্ৰিয়াবোৰ নৈতিক নহয়। অনৈচ্ছিক ক্ৰিয়াবোৰ দৰাচলতে স্বতঃ স্ফূৰ্ত ক্ৰিয়া। উদাহৰণ স্বৰূপে, যদি আমাক মহে কামোৰে আমি মহটোৰ গাত স্বয়ংক্ৰিয়ভাৱে চাপৰ মৰোঁ। নাইবা, মহে কামোৰা ঠাইডোখৰত খজুৱতি উঠিলে আমাৰ হাত স্বয়ংক্ৰিয়ভাৱে খুজুৱতি উঠা ঠাইডোখৰলৈ আগবাঢ়ি যায়। এনে ক্ৰিয়াবোৰক অনৈচ্ছিক ক্ৰিয়া বোলে। এনে ক্ৰিয়াৰ ওপৰত আমাৰ কোনো সম্পৰ্ক নাই। কিন্তু স্বৈচ্ছিক ক্ৰিয়াবোৰ কৰ্তাৰ মনৰ পৰা ওপজে। ই আমি কি কৰোঁ তাকে বুজায়। এনে কাৰ্য সম্পূৰ্ণৰূপে মন অথবা ইচ্ছা নিয়ন্ত্ৰিত। অৰ্থাৎ, স্বৈচ্ছিক কাৰ্যৰ সদায় মানৰ মস্তিষ্কত উদ্ভৱ হোৱা যুক্তিৰ সৈতে সম্পৰ্ক থাকে। এই পৃষ্ঠ ভূমিতে এৰিষ্টটলে তেওঁৰ 'ইচ্ছাৰ স্বাধীনতা (freedom of will) বোলা ধাৰণাটো বিকশিত কৰিছে।

এৰিষ্টটলৰ মতে ইচ্ছাৰ স্বাধীনতা মানে হ'ল 'পচন্দ কাৰ স্বাধীনতা' (freedom of choice)। পচন্দৰ দুটা ব্যৱহাৰ আছে পচন্দক কোনো লক্ষ্যত উপনীত হোৱাৰ মাধ্যম হিচাপে নাইবা পছন্দক কোনো লক্ষ্যত উপনীত হোৱাৰ মাধ্যম হিচাপে নাইবা পচন্দক কোনো লক্ষ্য হিচাপে গ্ৰহণ কৰা হয়। ইয়াৰ অৰ্থ হ'ল পচন্দক কোনো লক্ষ্য হিচাপে গ্ৰহণ কৰা হয়। ইয়াৰ অৰ্থ হ'ল পচন্দৰ বাবেই কাৰ্য সম্পাদন কৰা হয়। এই সন্দৰ্ভত ৰ'ছৰ মতামত অনুসৰি এৰিষ্টটলে পচন্দক লক্ষ্য হিচাপে নহয়, লক্ষ্যত উপনীত হোৱাৰ মাধ্যম হিচাপেহে গ্ৰহণ কৰিছিল। কোনো লক্ষ্যত উপনীত হ'বলৈহে 'পচন্দ' নামৰ পন্থাটো প্ৰয়োগ কৰা হয়। এৰিষ্টটলৰ মতে যিকোনো মানুহৰে প্ৰধান লক্ষ্য হ'ল জীৱিত কালতে পৰম লক্ষ্যত উপনীত হোৱা। জীৱনৰ পৰম লক্ষ্য 'উৎকৰ্ষতা' (goodbess) অথবা 'ঈশ্বৰৰ উৎকৰ্ষতা' (goodness of God)। এৰিষ্টটলৰ মতে এই লক্ষ্যত উপনীত হোৱাৰ পন্থা হ'ল 'বাছনি'। এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে। এই লক্ষ্যত উপনীত হোৱাৰ প্ৰধান পচন্দ মাধ্যমটো কি হ'ব ? এই কথাৰ ব্যাখ্যা দাঙি ধৰি এৰিষ্টটলে কৈছিল যে মানুহৰ এটা বিশেষ গুণ আছে। এই গুণটো পৃথিৱীৰ আন কোনো যুক্তি মানি চলা জীৱ-জন্তুৰ গাত নাথাকে। এই গুণটোকে যুক্তিবাদিতা বোলে। আমাৰ সকলোৰে যুক্তি প্ৰয়োগ কৰিব পৰা ক্ষমতা আছে। আমাৰ পচন্দ নিৰ্ধাৰণ কৰিবলৈ আমি আমাৰ যুক্তিপ্ৰয়োগৰ ক্ষমতাক কামত লগোৱা উচিত।এৰিষ্টটলৰ মতে 'পচন্দ' আন একো নহয়, ই মানুহৰ সৰ্বোচ্চ লক্ষ্য প্ৰাপ্তিৰ 'পন্থা' বাছি লোৱা কাৰ্যহে। এৰিষ্টটলে ইচ্ছাৰ স্বাধীনতাক গভীৰভাৱে সমৰ্থন কৰিছিল। তেওঁ দাবী কৰিছিল যে সদগুণসম্পন্ন বুলি গণ্য কৰা ক্ৰিয়াবোৰ স্বৈচ্ছিক আৰু মানুহৰ যুক্তিসংগত পচন্দৰ সৈতে খাপ খোৱা। সেয়েহে এৰিষ্টটলে 'সদগুণ' (virtue) আৰু 'বদগুণ' (vices) দুয়োটাই মানুহৰ মানসিক শক্তিৰ অধীন বুলি কৈছিল। কোৱা হয় যে প্ৰয়োজনৰ

নৈতিক ক্ৰিয়া অথবা সদগুণসম্পন্ন ক্ৰিয়াক মানুহৰ পাৰদৰ্শিতা বুলি গণ্য কৰিব নোৱাৰি। এইটো কাৰণতে এৰিষ্টটলে চক্ৰেটিছৰ কোনো মানুহেই স্বেচ্ছিকভাৱে ভুল নকৰে। এৰিষ্টটলৰ বাবে সদগুণ' আৰু 'বদগুণ' দুয়োটাই হ'ল স্বাধীন পচন্দৰ পৰিণাম। পুনৰ ছক্ৰেটিছৰ সমালোচনা কৰি এৰিষ্টটলে কৈছে যে যুক্তি সংগতভাৱে চিন্তা কৰিব পৰাটোৱেই মানুহৰ একমাত্ৰ বৈশিষ্ট্য নহয়। কাৰণ, যুক্তিসংগত হোৱাৰ উপৰি মানুহৰ কিছুমান জান্তৱ প্ৰবৃত্তিও আছে। সেয়েহে এৰিষ্টটলৰ মতে বহু সময়ত কোনো কাৰ্য সম্পাদন কৰাৰ সঠিক পথ জনা মানুহ এজনক যুক্তিসংগত পচন্দৰ মাধ্যমেৰে স্বাভাৱিকভাৱেই তেওঁৰ ভাৱাবেগে নিয়ন্ত্ৰণ কৰিব পাৰে।

৮.৬ এৰিষ্টটলৰ 'ইউডাইম' নিয়া'ৰ ধাৰণা

এৰিষ্টটলৰ মতে 'ইউডাইম'নিয়া হ'ল প্ৰত্যেক ব্যক্তিৰেই পৰম শুভ দশা। 'ইউডাইম'নিয়া' এটা গ্ৰীক শব্দ। ইয়াৰ দুটা অংশ আছে- 'ev' যাৰ অৰ্থ হ'ল 'ভাল' / 'শুভ' আৰু 'dainon' যাৰ অৰ্থ হ'ল 'আত্মা' 'সত্বা'। ইউডাইম' নিয়াৰ সাধাৰণ আক্ষৰিক অনুবাদ হ'ল 'আনন্দ' (happiness)। 'আনন্দ'ক এৰিষ্টটলে 'স্বয়ং সম্পূৰ্ণ,' 'চূড়ান্ত' আৰু 'জীৱনৰ মহত্তম লক্ষ্য' বুলি আখ্যা দিছিল। তেওঁৰ মতে 'ইউডাইম' নিয়া' দশাটো এটা মনোবৈজ্ঞানিক দশা নহয়। ই প্ৰকৃততে কুশলে থকা অথবা ভালভাৱে বৰ্তি থকা অৱস্থা এটাহে। কিন্তু তেওঁ ইয়াকো কৈছিল যে আনন্দত থকা আৰু জীৱন ভালদৰে চলাই নিয়াৰ মাজত এক সম্পৰ্ক আছে। আগতেই কোৱা হৈছে যে মানুহেই কেৱলমাত্ৰ জৈৱিক সত্বা নহয়। বিশ্বৰ সকলো ইতৰ প্ৰাণীয়েই জান্তৱ বৈশিষ্ট্যবোৰৰ অধিকাৰী। এৰিষ্টটলে কৈছিল যে প্ৰত্যেক মানুহৰ মাজত থকা অনন্য বৈশিষ্ট্যটো হ'ল যুক্তিৰে কথাবোৰ চালিজাৰি চাব পৰা বৈশিষ্ট্য। 'Nacomachean Ethics' নামপ গ্ৰন্থখনত এৰিষ্টটলে লিখিছে যে আনন্দ হ'ল আত্মাৰ উৎকৃষ্টতা প্ৰদৰ্শনকাৰী কাৰ্য। যদি ব্যক্তিৰ গাত একাধিক উৎকৃষ্টতা থাকে তেন্তে ই ব্যক্তিক সৰ্বোত্তম আৰু সৰ্বাধিক সম্পূৰ্ণ পৰ্যায়লৈ লৈ যায়।

৮.৭ সামৰণি

এৰিষ্টটলে কৈছিল যে মানুহৰ জীৱনৰ চৰম লক্ষ্য হ'ল ঈশ্বৰৰ উৎকৰ্ষতা আহৰণ কৰা। মানুহ নৈতিক জীৱনৰ ক্ষেত্ৰই এই কথা বিশেষভাৱে প্ৰযোজ্য। 'আনন্দ' আৰু কেৱল 'আনন্দ'কেই নৈতিক জীৱনৰ পৰম লক্ষ্য বুলি ধৰি লোৱা হৈছে। এৰিষ্টটলে ইয়াকো কৈছিল যে মানুহৰ সৰ্বশ্ৰেষ্ট কাৰ্যৰ মাজত সৰ্বোত্তম আনন্দ লুকাই থাকে। এনে কাৰ্যক মননশীল কাৰ্য বুলিও ক'ব পাৰি। সদগুণসম্পন্ন কাৰ্যকলাপবোৰৰ লক্ষ্য ঈশ্বৰৰ উৎকৰ্ষতা আহৰণ কৰা। আৰু ই কাৰণটোৰ পৰাই সৰ্বোৎকৃষ্ট কাৰ্যকলাপ সম্পন্ন কৰাৰ ধাৰণাটোৰ জন্ম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃমানুহ কিহৰ সংমিশ্রণ?

.....

প্রশ্ন নং ২ ঃ মানুহৰ বৈশিষ্ট্য কি?

.....

প্রশ্ন নং ৩ ঃ নিষ্ক্রিয় সম্ভাৱনীয়তা অথবা অনুভৱ বুলি কাক কোৱা হয়?

.....

প্রশ্ন নং ৪ ঃ এৰিষ্টটলৰ মতে কি আমাৰ জীৱনবোৰৰ দিক্- নির্দেশক হ'ব নোৱাৰে?

.....

প্রশ্ন নং ৫ ঃ এৰিষ্টটলৰ মতে কিহে ন্যায় প্রদান কৰিব পাৰে?

.....

প্রশ্ন নং ৬ ঃ কেনেধৰণাৰ ক্রিয়াক নৈতিক বুলি গণ্য কৰা হয়?

.....

প্রশ্ন নং ৭ ঃ এৰিষ্টটলৰ মতে ইচ্ছাৰ স্বাধীনতা মানে কি?

.....

প্রশ্ন নং ৮ ঃ প্রত্যেক মানুহৰ বাবে পৰম শুভ দশাটো কি?

.....

প্রশ্ন নং ৯ ঃ কি যুক্তিৰ আধাৰত এৰিষ্টটলে চক্রেটিছৰ সমালোচনা কৰিছিল?

.....

প্রশ্ন নং ১০ ঃ স্বৈচ্ছিক কার্যৰ ক'ৰপৰা উৎপত্তি হয়?

.....

প্রশ্ন নং ১১ ঃ মানুহৰ মহত্তম যুক্তিসংগত লক্ষ্যৰ অনুধাৱন কার্যটো দৰাচলতে কি বুলি এৰিষ্টটলে বুজাব খুজিছে?

.....

প্রশ্ন নং ১২ ঃ বিতৰণশীল ন্যায় মানে কি?

.....

প্রশ্ন নং ১৩ ঃ সংশোধক ন্যায় কেনেকৈ লাভ কৰিব পাৰি?

.....



৮.৮ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- এৰিষ্টটলৰ মতে পৃথিৱীৰ আন সকলোবোৰ বস্তুৰ দৰে মানুহো 'ৰূপ' আৰু 'উপাদান'-এৰে গঠিত।
- এৰিষ্টটলে কৈছিল যে মানুহৰ উপাদান এটাই পার্থিৱ ধর্ম, জীৱিত বস্তু আৰু বিশেষকৈ জন্তুক সামৰি লয়।
- মানুহৰ ৰূপটোৱে মানুহৰ দৈহিক -ৰাসায়নিক কার্যকলাপ, বর্ধনমূলক ক্ষমাত, যৌনতা আৰু বোধ- অনুভূতিবোৰ গঢ় দিয়ে অথবা সলনি কৰে।
- যুক্তি মানুহৰ এক লেখত ল'বলীয়া বৈশিষ্ট্য।
- এৰিষ্টটলে অস্পষ্টকৈ হ'লেও এই মত দাঙি ধৰিছিল যে মানুহৰ পৰম ধ্যেয় হ'ল 'ঈশ্বৰৰ উৎকর্ষতা' আহৰণ কৰা।
- এৰিষ্টটলৰ বাবে ক্ষুধা আৰু ভাবাবেগ হৈছে নৈতিক জীৱনৰ উপাদান। এই উপাদান দুবিধৰ মানুহৰ 'ৰূপ' টোৱে নিয়ন্ত্রণ কৰিব লাগে। ইয়েই হ'ল মানুহৰ বাবে 'যুক্তি'।
- সন্তোষ মানুহৰ জীৱনৰ পৰম লক্ষ্য হ'ব নোৱাৰে।
- এৰিষ্টটলৰ মতে 'অনুভৱ' কেতিয়াও এগৰাকী যুক্তিৰ দ্বাৰা পৰিচালিত ব্যক্তিৰ জীৱনৰ পৰম লক্ষ্য হ'ব নোৱাৰে। কিন্তু মানুহৰ যুক্তিযুক্ত জীৱনৰ প্রয়োজনীয় পৰিণাম অথবা সংগী হিচাপে অনুভৱক অনুসৰণ কৰিব পৰা যায়।
- ৰ'ছে কৈছিল যে এৰিষ্টটলে পচন্দক লক্ষ্য হিচাপে নহয় লক্ষ্যত উপনীত হোৱাৰ মাধ্যম হিচাপেহে গ্রহণ কৰিছিল।
- এৰিষ্টটলৰ মতে ব্যক্তিগত ন্যায়নিষ্ঠতাৰ পৰা 'ন্যায়'ৰ সৃষ্টি নহয়, 'ন্যায়' ৰাষ্ট্রইহে প্রদান কৰিব পাৰে।
- এৰিষ্টটলৰ দৃষ্টিভংগী অনুসৰি মানুহে পৰম যুক্তিসংগত লক্ষ্যৰ অনুধাৱন কৰা মানে হ'ল ভাবাবেগ আৰু ক্ষুধাক যুক্তিৰে নিয়ন্ত্রণ কৰা কার্য।
- যুক্তিৰ দ্বাৰা ক্ষুধা আৰু ভাবাবেগৰ অভ্যাসজনিত নিয়ন্ত্রণকে সদগুণ বুলি কোৱা হয়। কালক্রমত সদগুণে মানুহক সুপ্রৱণতা আৰু সুচৰিত্রৰ গৰাকী কৰে।
- এৰিষ্টটলৰ মতে ন্যায় লাভ কৰাৰ দুটা প্রক্রিয়া আছে। ইয়াৰে এটা হ'ল বিতৰণশীল প্রক্রিয়া আৰু আনটো হ'ল সংশোধন প্রক্রিয়া।
- এৰিষ্টটলৰ মতে কেৱল স্বৈচ্ছিক ক্রিয়াবোৰকহে নৈতিক বুলি গণ্য কৰিব লাগে। অনৈচ্ছিক ক্রিয়াবোৰ নৈতিক নহয়।

- এৰিষ্ট'টলৰ মত অনুসৰি মানুহৰ এটা বিশেষ গুণ আছে। এই গুণটো পৃথিৱীৰ আন কোনো যুক্তিৰে পৰিচালিত জন্তুৰ গাত নাই। এই গুণটোকে 'যুক্তিবাদিতা' বোলা হয়।
- এৰিষ্ট'টলে কৈছিল যে 'পচন্দ' আন একো নহয়, ই মানুহৰ সৰ্বোচ্চ লক্ষ্য প্ৰাপ্তিৰ 'পন্থা' বাছি লোৱা কাৰ্যহে ।
- এৰিষ্ট'টলৰ মতে বাছনি/ পচন্দ হ'ল 'ঈশ্বৰৰ উৎকৰ্ষতা' আহৰণৰ লক্ষ্যত উপনীত হোৱাৰ পন্থা।
- এৰিষ্ট'টলৰ দৃষ্টিভংগী অনুসৰি 'ইউডাইম'নিয়া' হ'ল প্ৰত্যেক ব্যক্তিৰেই পৰম শুভ দশা। ইয়াৰ সাধাৰণ অৰ্থ হ'ল 'আনন্দ'।
- 'ইউডাইম'নিয়া'ক এৰিষ্ট'টলে 'স্বয়ং সম্পূৰ্ণ', 'চূড়ান্ত আৰু জীৱনৰ মহত্ত্বম লক্ষ্য' বুলি আখ্যা দিছিল।



৮.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্ৰ*

২) সেনগুপ্ত, ব্যানার্জী পাব্‌লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্ৰ*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*

৮.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মানুহ 'ৰূপ' আৰু 'উপাদান'ৰ সংমিশ্ৰণ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মানুহৰ বৈশিষ্ট্য হ'ল 'যুক্তি'ৰে পৰিচালিত হোৱা গুণটো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষুধা আৰু ভাবাবেগক নিষ্ক্ৰিয় সম্ভাৱনীয়তা অথবা অনুভৱ বুলি কোৱা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্ট'টলৰ মতে 'অনুভৱ' আমাৰ জীৱনবোৰৰ দিক্ নিৰ্দেশক হ'ব নোৱাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্ট'টলৰ মতে ব্যক্তিগত ন্যায়নিষ্ঠতাই নহয়, ৰাষ্ট্ৰইহে ন্যায় প্ৰদান কৰিব পাৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অনৈচ্ছিক নহয়, স্বৈচ্ছিক ক্ৰিয়াকহে নৈতিক বুলি গণ্য কৰা হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্ট'টলৰ মতে 'পচন্দৰ স্বাধীনতা'ই হ'ল 'ইচ্ছাৰ স্বাধীনতা'।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ 'ইউডাইম'নিয়া' হ'ল প্ৰত্যেক মানুহৰ বাবে পৰম শুভ দশা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্টটলে চক্ৰেটিছৰ কোনো মানুহেই স্বেচ্ছিকভাৱে ভুল নকৰে বোলা যুক্তিটোৰ সমালোচনা কৰিছিল।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্তাৰ মনত স্বেচ্ছিক কাৰ্যৰ উৎপত্তি হয়।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্টটলৰ মতে মানুহে কৰা মহত্ত্বম যুক্তিসংগত লক্ষ্যৰ অনুধাৱন কাৰ্যটো দৰাচলতে হ'ল মানুহৰ ভাবাবেগ তথা ক্ষুধাক যুক্তিৰে নিয়ন্ত্ৰণ কৰা কাৰ্য।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ বিতৰণশীল ন্যায় মানে হ'ল পুৰস্কাৰ অথবা শুদ্ধ কাৰ্যকলাপ।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভুল কাৰ্যৰ বাবে শাস্তি প্ৰদানৰ জৰিয়তে সংশোধক ন্যায় লাভ কৰিব পৰা যায়।



৮.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ মানুহে উপনীত হ'ব পৰা সৰ্বোচ্চ লক্ষ্যটো কি?

প্ৰশ্ন নং ২ ঃ মানুহৰ যুক্তি যুক্ত জীৱনত অনুভৱে কি ভূমিকা পালন কৰিব পাৰে?

প্ৰশ্ন নং ৩ ঃ 'ইউডাইম' নিয়া'ৰ আক্ষৰিক অৰ্থটো কি?

প্ৰশ্ন নং ৪ ঃ 'নিদান তত্ত্ব' মানে কি?

প্ৰশ্ন নং ৫ ঃ 'মানৱদ্বেষবাদ' কি?

প্ৰশ্ন নং ৬ ঃ নৈতিক জীৱনৰ বাবে কিহৰ প্ৰয়োজন?

প্ৰশ্ন নং ৭ ঃ ন্যায় লাভৰ প্ৰক্ৰিয়া দুটাৰ নাম লিখক।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ 'ৰূপ' আৰু 'উপাদান' বিষয়ক এৰিষ্টটলৰ ধাৰণা দুটা চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ নৈতিক জীৱনৰ প্ৰয়োজনীয়তাৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন নং ৩ ঃ এৰিষ্টটলৰ 'ইউডাইম'নিয়া'ৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃ 'সুবৰ্ণ মধ্যমান নীতি' বুলিলে কি বুজে?

প্ৰশ্ন নং ৫ ঃ স্বেচ্ছিক আৰু অনৈচ্ছিক ক্ৰিয়া কাক বোলে চমুকৈ বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০- ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ 'ইচ্ছাৰ স্বাধীনতা'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ আনন্দৰ ধাৰণাটোৰ দ্বাৰা এৰিষ্টটলে কি বুজাইছিল?

প্ৰশ্ন নং ৩ ঃ 'আনন্দৰ জীৱনৰ পৰম লক্ষ্য' বোলা ধাৰণাটো বহলাই বুজাই লিখক।

প্ৰশ্ন নং ৪ ঃ 'আনন্দ' আৰু 'সন্তোষ' একেনে? ব্যাখ্যা কৰক।

* * * * *